GCM (S6) 02
Exam Code : TPB

বেংকিংৰ তত্ত্ব আৰু ব্যৱহাৰিক দিশ

ষষ্ঠ ষাণ্মাসিক

বাণিজ্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক হেমচন্দ্র গৌতম, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নয়ন বৰুৱা, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
সন্তোষ কুমাৰ মহাপাত্র, সহযোগী অধ্যাপক, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ দিপাংকৰ মালাকাৰ, পি.এইচ.ডি. বাণিজ্য বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,২,৩,৬,৮ আৰু ৯	দিপাংকৰ মালাকাৰ	কামাল হাচান (অধ্যায়-১)
	পি.এইচ.ডি., কৃ.কা.স.ৰা.মু.বি	দিপাংকৰ মালাকাৰ (অধ্যায়-২,৪,৫,৬)
১০, ১২ আৰু ১৩	অনুৰাধা ভূঞা, আইকন কমার্চ কলেজ	গৌৰৱ জ্যোতি কলিতা (অধ্যায়-৩)
৪ আৰু ১১	দেৱজিৎ গোস্বামী, পি.এইচ.ডি., কৃ.কা.স.ৰা.মু.বি	কার্তিক কলিতা (অধ্যায়-৭)
৫	এচ. কে. মহাপাত্র, পি.এইচ.ডি., গুৱাহাটী বিশ্ববিদ্যালয়	যুগল ভট্টাচার্য আৰু দিপাংকৰ মালাকাৰ (অধ্যায়-৮)
১৪	অর্চনা ভট্টাচার্য, পি.এইচ.ডি., বি.এচ. কলেজ	মৃণময় লহকৰ (অধ্যায়-১০)
১৫	দিপাংকৰ বৈদ্য, পি.এইচ.ডি., নগাঁও কলেজ	গিৰীন্দ্র শইকীয়া (অধ্যায়-১১,১২,১৩ আৰু ১৫)
৭	গৌৰৱ জ্যোতি কলিতা, এম. কম.	ৰুণুমণি হলকৰ (অধ্যায়-১৪)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ দেৱজিৎ গোস্বামী, পি.এইচ.ডি. (অধ্যায় ২,৩,৪,৫,৬,৭)
দিপাংকৰ মালাকাৰ, পি.এইচ.ডি. (অধ্যায় ১,৯,১০,১১,১২,১৩,১৪ আৰু ১৫)
গাঁথনি সম্পাদনা ঃ দিপাংকৰ মালাকাৰ, পি.এইচ.ডি., কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিদ্যালয়

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০২০

ISBN: 978-93-89955-16-3

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web: www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

স্নাতক বাণিজ্য
বেংকিংৰ তত্ব আৰু ব্যৱহাৰিক দিশ
বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতীয় বেংক ব্যৱস্থাৰ পৰিচয় ৭-১৮

বেংকৰ ধাৰণা; বেংকৰ ক্রমবিকাশ আৰু ৰাষ্ট্রীয়কৰণ; বর্তমান প্রেক্ষাপট; ভাৰতীয় বেংকিং অনুশীলনৰ শেহতীয়া গতিধাৰা; বেংকৰ ভূমিকা

অধ্যায় ২ ঃ বেংকৰ পৰিচিতি ১৯-৩৬

বেংকৰ প্রকাৰ; কার্যৱলী অনুসৰি শ্রেণীবিভাগ; ৰিজার্ভ বেংকৰ দ্বিতীয় সূচী অনুসৰি শ্রেণী বিভাজন; স্থানৰ ভিত্তিত শ্রেণীবিভাজন; মালিকীস্বত্বৰ ভিত্তিত শ্রেণীবিভাজন; সাংগঠনিক গাঁথনিৰ ভিত্তিত শ্রেণীবিভাজন

অধ্যায় ৩ ঃ ই-বেংকিং সম্পর্কীয় সমাধানসমূহ ৩৭-৫০

ই-বেংকিঙৰ ধাৰণা; বৈদ্যুতিক ধন পৰিশোধক আদায় ব্যৱস্থা; প্লাষ্টিক মুদ্রা; বৈদ্যুতিক ধন হস্তান্তৰ ঃ আৰ টি জি এছ/ৰিয়েল টাইম গ্রছ ছেটেলমেণ্ট, নেশ্বনেল ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰ অথবা এন ই এফ টি, বৈদ্যুতিক পুঁজি হস্তান্তৰ, বৈদ্যুতিক চেক আদায়; ক'ৰ বেংকিং চলিউচন; পৰিশোধ প্ররেশপথ; বৈদ্যুতিক পৰিশোধ নিৰাপত্তা; ই-বেংকিঙৰ সুবিধাসমহ আৰু অসুবিধাসমূহ

অধ্যায় ৪ ঃ বেংকাৰ আৰু গ্রাহকৰ সম্পর্ক ৫১-৬৬

বেংকাৰ আৰু গ্রাহকৰ সংজ্ঞা আৰু সম্পর্কসমূহঃ ঋণী আৰু ঋণদাতাৰ সম্পর্ক, ঋণদাতা আৰু ঋণীৰ সম্পর্ক, ন্যাসৰক্ষী আৰু দানগ্রাহীৰ সম্পর্ক, জিম্মাগ্রহীতা আৰু জিম্মাদাতাৰ সম্পর্ক, প্রতিনিধি আৰু নিযোক্তাৰ সম্পর্ক; বেংকাৰৰ অধিকাৰসমূহ আৰু দায়িত্বসমূহ; পৰিশোধকাৰী আৰু সংগ্রহকাৰী বেংকৰ কর্তব্যসমূহ

অধ্যায় ৫ ঃ বেংক জমা হিচাপৰ পৰিচালনা ৬৭-৭৯

বিভিন্ন প্রকাৰ বেংক হিচাপঃ স্থায়ী, সঞ্চয়, পুনৰ আবর্তক আৰু সঞ্চয় জমা সংযোজিত স্থায়ী জমা হিচাপ; হিচাপ খোলাৰ নিয়মাৱলী; বেংকৰ হিচাপ পৰিচালনা; জমা প্র-পত্র, জমা ধন উলিওৱা শ্লিপ আৰু ধনাদেশ; পাচবুক

অধ্যায় ৬ ঃ বেংকৰ বিভিন্ন গ্রাহক ৮০-৮৯

বেংকৰ গ্রাহকৰ অর্থ, বেংকৰ বিভিন্ন গ্রাহকঃ ব্যক্তি, নাবালক, বিবাহিতা মহিলা, মুখ ঢাকি ৰখা মহিলা, উন্মাদ ব্যক্তি, নিৰক্ষৰ ব্যক্তি, যৌথ হিচাপ, যৌথ হিন্দু পৰিয়াল,

অংশীদাৰী প্ৰতিষ্ঠান, পঞ্জীভূত সংস্থা, সংঘ, স্কুল আৰু অন্যান্য অব্যৱসায়ীক অনুষ্ঠানৰ হিচাপ

অধ্যায় ৭ ঃ বাণিজ্যিক বেংকৰ দ্বাৰা ঋণৰ সৃষ্টি **৯০-৯৯**

আমানত আৰু হিচাপৰ প্ৰকাৰ, ঋণ মুদ্ৰা সৃষ্টিৰ পদ্ধতি, ঋণ মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়া, ঋণ মুদ্ৰা সৃষ্টিৰ সীমাবদ্ধতা

অধ্যায় ৮ ঃ কেন্দ্ৰীয় বেংক **১০০-১০৯**

কেন্দ্ৰীয় বেংকৰ অর্থ আৰু ধাৰণা; কেন্দ্ৰীয় বেংকৰ কার্যৱলীসমূহ; ভাৰতীয় ৰিজার্ভ বেংক; বিভিন্ন দেশৰ কেন্দ্ৰীয় বেংকসমূহ ঃ বাংলাদেশ বেংক, ৰয়েল মনিটৰি অথৰিটী, নেপাল ৰাষ্ট্ৰ বেংক, দি পীপল্‌ছ বেংক অৱ চাইনা (PBC), দি ষ্টেট বেংক অৱ পাকিস্থান, বেংক অৱ জাপান, বেংক অৱ ইংলেণ্ড, ফেডাৰেল ৰিজার্ভ ছিষ্টেম

অধ্যায় ৯ ঃ ঋণ নিয়ন্ত্ৰণ **১১০-১১৮**

ঋণ নিয়ন্ত্ৰণৰ অর্থ; ঋণ নিয়ন্ত্ৰণৰ পদ্ধতিবোৰ ঃ সংখ্যাত্মক বা সাধাৰণ পদ্ধতিসমূহ, গুণাত্মক বা বাচনিকৃত পদ্ধতিসমূহ; ঋণ নিয়ন্ত্ৰণৰ উদ্দেশ্য

অধ্যায় ১০ ঃ ভাৰত বেংকিং বিধি-বিধান **১১৯-১৩২**

বেংকিং নিয়ামক আইন, ১৯৪৯; বেংকিং নিয়ামক আইন, ১৯৪৯ৰ উদ্দেশ্য; বেংকিং নিয়ামক আইনৰ প্ৰসাৰতা আৰু ব্যৱহাৰ; সাধাৰণ ব্যৱস্থাৱলী; ন্যূনতম মূলধন আৰু সংৰক্ষিত ধন; সঞ্চালক মণ্ডলীৰ গঠন; বেংকিং কোম্পানীৰ অনুজ্ঞাপত্ৰ লাভ প্ৰক্ৰিয়া; হিচাপ আৰু গণনা; আৰ বি আইৰ ক্ষমতা; ভাৰতত জমা বীমা

অধ্যায় ১১ ঃ হস্তান্তৰযোগ্য দলিল **১৩৩-১৪৮**

হস্তান্তৰযোগ্য দলিলৰ অর্থ; প্ৰতিজ্ঞা-পত্ৰ; বিনিময় পত্ৰ আৰু ধনাদেশৰ অর্থ আৰু বৈশিষ্টসমূহ; ধনাদেশৰ প্ৰকাৰঃ মুকলি ধনাদেশ, ৰেখাংকিত ধনাদেশ, পৃষ্ঠাংকনৰ অর্থ আৰু প্ৰকাৰ

অধ্যায় ১২ ঃ আদায়কাৰী বেংকাৰৰ ক্ষেত্ৰত থকা বিধিগত সুৰক্ষা **১৪৯-১৬২**

আদায়কাৰী বেংকাৰৰ অর্থ; আদায়কাৰী বেংকাৰে লোৱা আগতীয়া সাৱধানতা; চেকৰ মান্যতা বিঘ্নিত হ'লে উদ্ভৱ হোৱা পৰিস্থিতি; আদায়কাৰী বেংকাৰৰ কর্তব্য; আদায়কাৰী বেংকাৰৰ বাবে থকা বিধিগত সুৰক্ষা; বিধিগত সুৰক্ষাৰ বাবে থকা চর্তাৱলী; ভুলবশতঃ চেকৰ ধন পৰিশোধ; অন্য স্থানৰ হিচাপ-পত্ৰ (Domiciled Bills) পৰিশোধ

অধ্যায় ১৩ ঃ সংগ্ৰহকাৰী বেংকাৰৰ ক্ষেত্ৰত থকা বিধিগত সুৰক্ষা **১৬৩-১৭৬**

সংগ্ৰহকাৰী বেংকাৰৰ অর্থ; এজন সংগ্ৰহকাৰী বেংকাৰে ল'বলগীয়া আগতীয়া সাৱধানতা; মূল্যৰ ধাৰক হিচাপে সংগ্ৰহকাৰ বেংকাৰ; এজন প্ৰতিনিধি হিচাপে সংগ্ৰহকাৰী বেংকাৰঃ সংগ্ৰহকাৰী বেংকাৰৰ দ্বাৰা কৰা ৰূপান্তৰ; ৰূপান্তৰ কৰোতে হোৱা পৰিস্থিতি; ৰূপান্তৰ

কৰিবৰ সময়ত সংগ্ৰহকাৰী বেংকাৰৰ দায়বদ্ধতা; সংগ্ৰহকাৰী বেংকাৰৰ কৰ্তব্য; সংগ্ৰহৰ প্ৰক্ৰিয়া; সংগ্ৰহকাৰী বেংকাৰৰ বিধিগত সুৰক্ষা; অৱজ্ঞাৰ ভিত্তি

অধ্যায় ১৪ ঃ বেংক অগ্ৰিম **১৭৭-১৮৬**

সুস্থ ঋণদানৰ বাবে বিবেচনা কৰিবলগীয়া বিষয়সমূহ; অগ্ৰিমৰ প্ৰকাৰঃ ঋণ, নগদ ঋণ, অধিবিকৰ্ষ, বিল বাট্টাকৰণ; সংযোজিত অগ্ৰিম; জামিনযুক্ত আৰু জামিনবিহীন অগ্ৰিম

অধ্যায় ১৫ ঃ আগধনৰ বাবে প্ৰতিভূ **১৮৭-২০৬**

জামিন বা প্ৰতিশ্ৰুতি, বন্ধকী, স্থাৱৰ সম্পত্তিৰ বন্ধকী; সামগ্ৰীৰ বিপৰীতে আগধন; সামগ্ৰীৰ স্বত্বৰ নথি; ষ্টক এক্সচেঞ্জ প্ৰতিভূ; জীৱন বীমা পলিচি; স্থায়ী জমাৰ ৰছিদ; নিৰ্দেশপত্ৰ আৰু ইয়াৰ প্ৰকাৰ; আনুষংগিক প্ৰতিভূ আৰু নিশ্চয়তা নোহোৱা ঋণ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

বি.কম. পাঠ্যক্রমৰ শিক্ষার্থীসকলক বেংকিংৰ ব্যবহাৰিক দিশৰ সাধাৰণ ধাৰণা দিবৰ বাবে "বেংকিংৰ তত্ব আৰু ব্যবহাৰিক দিশ" পাঠ্যবিষয়টি প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়টিৰ আৰম্ভণি ভাগত আপোনালোকে ভাৰতীয় বেংকিং ব্যৱস্থাৰ বিষয়ে এটি ধাৰণা পাব। তাৰ পিছত অংশত আপোনালোকে ভাৰতীয় বেংক ব্যৱস্থাৰ ব্যবহাৰিক দিশ যেন বেংক আৰু গ্রাহকৰ সম্পর্ক, বেংকৰ জমা হিচাপ পৰিচালনা, বেংকৰ বিভিন্ন গ্রাহক, হস্তান্তৰ যোগ্য দলিল, আদায়কাৰী বেংকাৰৰ ক্ষেত্রত থকা বিধিগত সুৰক্ষা, সংগ্রহকাৰী বেংকাৰৰ ক্ষেত্রত থকা বিধিগত সুৰক্ষা, সংগ্রহকাৰী বেংকাৰৰ ক্ষেত্রত থকা বিধিগত সুবিধা, বেংক অগ্রীম আৰু আগধনৰ বাবে প্রতিভুতি বিষয়ে আভাস পাব। অধ্যায় ১০ ভাৰতত বেংকিং বিধি-বিধান সমুহৰ বিষয়ে আলোচনা কৰা হৈছে। ঋণ নিয়ন্ত্রণৰ বিভিন্ন আহিলা আৰু কেন্দ্রীয় বেংকৰ বিষয়ে অধ্যায় ৮ আৰু ৯ ত আলোচনা কৰা হৈছে। বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ মুদ্রাৰ সৃষ্টিৰ বিষয়ে অধ্যায় ৭ ত আলোচনা কৰা হৈছে। বর্তমান সময়ৰ বেংকিং ব্যবস্থাৰ ওপৰত তথ্য প্রযুক্তিৰ ব্যৱহাৰৰ দিশটোলৈ মন কৰি ই বেংকিংৰ লগত জড়িত বিষয়সমূহ ৩ নং অধ্যায়ত আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ভাৰতীয় বেংক ব্যৱস্থাৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ বেংকৰ ধাৰণা
১.৩ বেংকৰ সংজ্ঞা
১.৪ বেংকৰ ক্রমবিকাশ
১.৫ বেংকৰ ৰাষ্ট্রীয়কৰণ
১.৬ বর্তমান প্রেক্ষাপট
১.৭ ভাৰতীয় বেংকিং অনুশীলনৰ শেহতীয়া গতিধাৰা
১.৮ বেংকৰ ভূমিকা
১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.১০ অধিক জানিবৰ বাবে
১.১১ অগ্রগতিৰ খতিয়ান
১.১২ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেংকৰ অর্থ বুজিব পাৰিব
- বেংকৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- বেংকৰ ক্রমবিকাশৰ পর্যালোচনা কৰিব পাৰিব
- ভাৰতীয় বেংকিং অনুশীলনত শেহতীয়াভাৱে হোৱা পৰিৱর্তনসমূহ চিনাক্ত কৰিব পাৰিব।

১.২ বেংকৰ ধাৰণা

দেশৰ অর্থনৈতিক উন্নয়নত বেংকসমূহে এক গঠনমূলক ভূমিকা পালন কৰে। বেংকসমূহ গুৰুত্বপূর্ণ কাৰণ সিহঁতে দেশৰ অর্থনৈতিক উন্নয়ন আৰু আর্থিক স্থায়িত্ব বজাই ৰখাত অৱদান যোগায়। উত্থিত অর্থনীতিৰ ক্ষেত্রত বেংকসমূহ সিহঁতে পালন কৰা বিভিন্ন ভূমিকাৰ বাবে অত্যন্ত গুৰুত্বপূর্ণ হয়। বিশেষকৈ বিত্তীয় বজাৰৰ উন্নয়ন, উৎপাদনশীল কার্যত ব্যৱহাৰৰ বাবে প্রয়োজনীয় সকললৈ ৰাহি পুঁজিৰ সৰবৰাহ কৰা, জনসাধাৰণলৈ পৰিশোধ ব্যৱস্থা তথা বিস্তৃত পৰিসৰ বিত্তীয় সেৱা প্রদান কৰা ইত্যাদি ক্ষেত্রত বেংকে অগ্রহণী ভূমিকা গ্রহণ কৰে। সময়ৰ পৰিৱর্তনৰ লগে লগে বেংকৰ কার্যকলাপসমূহৰো পৰিৱর্তন হয় তথা অর্থনীতিৰ প্রয়োজন সাপেক্ষে ই বিকশিত হয়। বেংকিং ব্যৱস্থাৰ ৰূপান্তৰকৰণে নিয়ন্ত্রণহীনতা, প্রযুক্তিগত উদ্ভাৱন আৰু গোলকীকৰণ ইত্যাদি ৰূপত বিভিন্ন সংস্কাৰ সাধন কৰিছিল।

এই অধ্যায়টিত আমি বেংকৰ ক্রমবিকাশ সম্পর্কে একেবাৰে চমুকৈ আলোচনা কৰিম।

১.৩ বেংকৰ সংজ্ঞা

বেংকিং নিয়ন্ত্রণ আইন, ১৯৪৯ (Banking Regulation Act, 1949)ৰ ধাৰা ৫ (c) মতে বেংকিং কোম্পানী হৈছে এনে এটা কোম্পানী যিয়ে ভাৰতবর্ষত বেংকিং ব্যৱসায় চলায়।

(According to Section 5(c) of the Banking Regulation Act, 'a banking company is a company which transacts the business of banking in India.')

বেংকিং নিয়ন্ত্রণ আইন, ১৯৪৯ (Banking Regulation Act, 1949)ৰ ধাৰা ৫ (b) মতে বেংক হৈছে ঋণদান বা বিনিয়োগৰ উদ্দেশ্যে জনসাধাৰণৰ পৰা আমানত গ্রহণ কৰা, সেই আমানত গ্রাহকৰ প্রয়োজনীয়তা অনুসৰি বা অন্য প্রকাৰে পৰিশোধ কৰা আৰু গ্রাহকে চেক, ড্রাফ্ট বা অন্য উপায়ে তাক উলিয়াই দিয়া ব্যৱস্থা।

(According to Section 5(b) of the Act defines banking as, 'accepting, for the purpose of lending or investment, of deposits of money from the public, repayable on demand or otherwise, and withdrawable, by cheque, draft, and order or otherwise.')

১.৪ বেংকৰ ক্রমবিকাশ

এইটো বিশ্বাস কৰা হয় যে খ্রীষ্ট পূর্ব ২০০০ বছৰ আগৰে পৰা ইউৰোপৰ বেবিলন (Babylonia) চহৰত বেংকিঙৰ সূচনা হৈছিল। য'ত জনসাধাৰণে তেওঁলোকৰ অর্থ আৰু মূল্যৱান সামগ্রীসমূহ নিৰাপদ স্থানত ৰাখিছিল। প্রাৰম্ভিক পর্যায়ত বেংকিং ব্যৱসায় নিৰাপদ সংৰক্ষণকাৰী হিচাপে কার্য সম্পাদন কৰিছিল আৰু ক্রমান্বয়ে অন্যান্য কার্য যেনে পুঁজি স্থানান্তৰ আৰু ঋণৰ প্রত্যয় পত্র (Letter of credit) ইত্যাদি কার্য সামৰি লয়। আনুষ্ঠানিক ৰূপত বেংকিং সেৱা আগবঢ়োৱা প্রথমটো বেংক হৈছে বেংক অৱ ভেনিছ (Bank of Venice, 1157 AD)। বেংক অৱ বার্চিলোনা আৰু বেংক অৱ জেনেভা যথাক্রমে ১৪০১ আৰু ১৪০৭ চনত স্থাপন কৰা হৈছিল। হলেণ্ডৰ বেংক অৱ অষ্টাৰডাম-১৬০৯, জার্মানীৰ বেংক অৱ হাম্বার্গ-১৬১৯, বেংকৰ আৰম্ভণি হৈছিল। ১৮শ শতিকাত বেংকিং ব্যৱসায়ে যৌথ কোম্পানীৰ আর্হি লয় আৰু ই আধুনিক বেংকিং ব্যৱস্থাৰ ভেটি হৈ পৰে।

কলকাতাত ১৭৮৬ চনত বেংক অৱ বেংগলৰ প্রতিষ্ঠাই ভাৰতবর্ষত বাণিজ্যিক বেংক উদ্যোগৰ আৰম্ভণি কৰে। সেই সময়ত ভাৰত চৰকাৰে তিনিটা প্রেসিডেন্সী বেংক ক্রমে বেংক অৱ বেংগল-১৮০৯, বেংক অৱ বম্বে ১৮৪০ আৰু বেংক অৱ মাদ্রাজ-১৮৪৩ চনত স্থাপন কৰে। ১৯২১ চনত প্রেসিডেন্সী বেংক তিনিটাৰ একত্রিকৰণৰে 'ইম্পেৰিয়েল বেংক' গঠন কৰা হৈছিল যিয়ে বাণিজ্যিক বেংক, বেংকাৰৰ বেংক আৰু চৰকাৰৰ বেংক হিচাবে ভূমিকা গ্রহণ

কৰিছিল। ইম্পেৰিয়েল বেংক মূলত ইউৰোপীয় অংশ ধাৰকসকলৰ দ্বাৰা প্ৰতিষ্ঠিত। ১৯৩৫ চনত ভাৰতীয় কেন্দ্ৰীয় বেংক হিচাপে ৰিজাৰ্ভ বেংকৰ প্ৰতিষ্ঠাৰ ফলত ইম্পেৰিয়েল বেংক অৱ ইণ্ডিয়াৰ অৰ্ধ-কেন্দ্ৰীয় বেংকিঙৰ ভূমিকা (Quasi-central banking role)ৰ অৱসান ঘটে। ১৮৬০ চনত ভাৰতীয় বেংক ব্যৱস্থাত সীমিত দেনাৰ ধাৰণাৰ আৰম্ভণি হয়। ফলস্বৰূপে যৌথ বেংকৰ জন্ম হয়। ১৮৬৫ চনত সম্পূৰ্ণ ভাৰতীয়ৰ অংশীদাৰিত্বৰে এলাহাবাদ বেংক স্থাপিত হয়। পাঞ্জাব নেচনেল বেংক ১৮৯৫ চনত গঠন হয়। ১৯০৬ চনৰ পৰা ১৯১৩ চনৰ ভিতৰত অন্যান্য বেংক যেনে- বেংক অৱ ইণ্ডিয়া, চেণ্ট্রেল অৱ ইণ্ডিয়া, বেংক অৱ বৰোডা, কানাড়া বেংক, ইণ্ডিয়ান বেংক আৰু বেংক অৱ মহীশুৰৰ গঠন হয়। স্বাধীনতাৰ পৰৱৰ্তী সময়ত ভাৰত চৰকাৰে বেংক ব্যৱস্থাৰ প্ৰসাৰৰ বাবে আগভাগ গ্ৰহণ কৰিছিল। সৰ্বভাৰতীয় গ্ৰাম্য ঋণ সমীক্ষা সমিতি (All India Rural Credit Survey Committee)য়ে বিশেষকৈ গ্ৰাম্য খণ্ড আৰু অৰ্থনীতিত সেৱা প্ৰদান কৰাৰ উদ্দেশ্যেৰে ৰাজ্যিক অংশীদাৰিত্ব তথা ৰাজ্যিক পৃষ্ঠপোষকতা বেংক (State-sponsored bank) স্থাপনৰ পৰামৰ্শ আগবঢ়ায়। সেই অনুসৰি ১৯৫৫ চনত ভাৰতীয় ষ্টেট বেংক গঠন কৰা হয়। পৰৱৰ্তী সময়ত ১৯৫৯ চনত ভাৰতীয় ষ্টেট বেংক (সহযোগী বেংক) আইনৰ যোগেদি ষ্টেট বেংক অৱ ইণ্ডিয়াক পূৰ্বৰ আঠটা ৰাজ্যিক সহযোগী বেংকক ইয়াৰ নিজৰ সহযোগী বেংক কৰাৰ সুবিধা দিয়ে। পৰিকল্পনা আৰু অৰ্থনৈতিক নীতিৰ প্ৰয়োজনত বেংক ব্যৱস্থাত আৰু অধিক সুসংহত কৰাৰ উদ্দেশ্যে বেংকবোৰৰ ওপৰত সামাজিক নিয়ন্ত্ৰণ থকাটো জৰুৰী বুলি বিবেচিত কৰা হৈছিল। ১৯৬৯ চনত ব্যক্তিগত খণ্ডৰ ১৪টা মুখ্য বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। ই আছিল ভাৰতীয় বেংকিং ইতিহাসৰ এক মাইলৰ খুঁটি। ইয়াৰ পিচত ১৯৮০ চনত আৰু ৬টা ব্যক্তিগত খণ্ডৰ বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। এই বেংকবোৰৰ ৰাষ্ট্ৰীয়কৰণৰ ফলত বেংকিং খণ্ডৰ মুখ্য ভাগবোৰ চৰকাৰৰ নিয়ন্ত্ৰণৰ অৰ্ধ্য নগৰ অঞ্চলত শাখা সম্প্ৰসাৰণৰ বাবে প্ৰবল প্ৰেৰণা যোগায় যাৰ ফলত আমানতৰ প্ৰচুৰ পৰিমাণ সঞ্চালন ঘটে আৰু ইয়াৰ ফলত অৰ্থনীতিৰ সঞ্চয় হাৰ বৃদ্ধি হয়। ইয়াৰ উপৰিও কৃষি আৰু ইয়াৰ সৈতে জড়িত খণ্ডবোৰত ওপৰত ঋণ যোগানৰ পৰিমাণ অধিক হয়। তথাপিও, এই ব্যৱস্থাত কিছুমান দুৰ্বলতা যেনে বেংকৰ মুনাফা হ্ৰাস, দুৰ্বল মূলধন ভেটি আৰু বেংকবোৰৰ অধিক পৰিমাণৰ অকাৰ্যকৰী সম্পত্তি (non-performing assets) ইত্যাদি দেখা যায়।

১৯৯০ দশকৰ আগভাগত বেংকিং ব্যৱস্থাক শক্তিশালী আৰু প্ৰতিযোগিতামূলক কৰাৰ উদ্দেশ্যেৰে কিছুমান সংস্কাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এই সংস্কাৰমূলক ব্যৱস্থাৰ মুখ্য দিশসমূহ যেনে- কাৰ্যকৰী দক্ষতা বৃদ্ধি, বেংকৰ ওপৰত তদাৰক ব্যৱস্থা শক্তিশালী কৰা, প্ৰতিযোগিতামূলক পৰিস্থিতি তৈয়াৰ কৰা আৰু প্ৰযুক্তিগত তথা আনুষ্ঠানিক আন্তঃগাঁথনিৰ উন্নয়ন কৰা। এইবোৰ উপায়ে বেংকিং ব্যৱস্থাৰ আৰ্থিক স্বাস্থ্য, সৰল আৰু দক্ষতা আদিৰ উন্নতি সাধন কৰে।

১৯৯০ দশকৰ সংস্কাৰৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল নতুন ব্যক্তিগত খণ্ডৰ বেংকক প্ৰৱেশৰ অনুমতি প্ৰদান। এই সিদ্ধান্ত অনুসৰি নতুন বেংক যেনে- আই চি আই চি আই (ICICI)

বেংক, এইচ ডি এফ ছি (HDFC) বেংক, আই ডি বি আই (IDBI) বেংক আৰু ইউ টি আই (UTI) বেংক আদি স্থাপন হৈছিল।

ভাৰতত বাণিজ্যিক বেংকবোৰে পৰম্পৰাগতভাৱে শিল্প, বাণিজ্য আৰু কৃষি ক্ষেত্ৰৰ হ্ৰস্বম্যাদী বিত্তীয় প্ৰয়োজনীয়তা পূৰণত গুৰুত্ব প্ৰদান কৰিছিল। ভাৰতীয় অৰ্থনীতিৰ ক্ৰমবৰ্ধমান পৰিশীলতা তথা বৈচিত্ৰতাৰ কাৰণে বাণিজ্যিক বেংকবোৰৰ দ্বাৰা প্ৰদান কৰা সেৱাৰ পৰিসৰ উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছিল, যি অন্যান্য বিত্তীয় সংস্থাৰ দ্বাৰা সম্পাদিক কাৰ্যকলাপৰ সৈতে একেধৰণৰ হোৱা দেখা গৈছিল। তদুপৰি, উদ্যোগৰ মূলধনী সামগ্ৰী আৰু প্ৰকল্প বিত্তায়ন প্ৰয়োজনীয়তা পূৰণত বেংকে আগবঢ়োৱা দীৰ্ঘম্যাদী বিত্তায়নৰ অংশ (মুঠ বেংক বিত্তায়নৰ) বছৰি বৃদ্ধি হৈ গৈছিল।

১.৫ বেংকৰ ৰাষ্ট্ৰীয়কৰণ

উপনিৱেশিক যুগত বহুতো ভাৰতী বেংক ৰজাঘৰ বা ধনী ব্যক্তিসকলে স্থাপন কৰিছিল। বেছিভাগ বেংকৰ প্ৰাথমিক লক্ষ আছিল সেই অঞ্চলৰ বাণিজ্য আৰু শিল্পৰ আৰ্থিক চাহিদা পূৰণ কৰা। এই সময়ছোৱাত বেংকিং সেৱাসমূহ বৃহৎ ব্যৱসায়িক সংস্থা আৰু ধনী ব্যক্তিসকলে লাব কৰাত অগ্ৰাধিকাৰ পাইছিল। অধিক সংখ্যক লোকক সহজ লভ্য ঋণ তথা বেংকিং সেৱা গ্ৰহণৰ পৰা বঞ্চিত কৰা হৈছিল। কৃষি আৰু গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগ খণ্ড ঋণ তথা বেংকিং সেৱাৰ সুবিধা লাভৰ পৰা বঞ্চিত আৰু অৱহেলিত আছিল। সিহঁতৰ কাৰ্যকলাপত প্ৰয়োজনীয় বিত্তৰ বাবে গাঁৱলীয়া মহাজন আৰু অন্যান্য ব্যক্তিগত ঋণদাতাৰ ওপৰত নিৰ্ভৰশীল আছিল যিসকলে অধিক সুতৰ হাৰ, কঠোৰ পৰিশোধ ব্যৱস্থা আৰু অন্যান্য অসৎ প্ৰথাৰ দ্বাৰা ঋণ গ্ৰহীতাসকলক শোষণ কৰিছিল। এইবোৰেই ভাৰতবৰ্ষত বেংক ৰাষ্ট্ৰীয়কৰণৰ পথ প্ৰশস্ত কৰে। ভাৰতত বেংকৰ ৰাষ্ট্ৰীয়কৰণ বিভিন্ন পৰ্যায়ত হৈছিল। ভাৰতীয় ৰিজাৰ্ভ বেংক ১৯৪৯ চনত চৰকাৰৰ অধীনস্থ হয়। ১৯৫৫ চনত সংসদীয় আইনৰ দ্বাৰা ইম্পেৰিয়েল বেংক অৱ ইণ্ডিয়াক ভাৰতীয় ষ্টেত বেংক হিচাবে নামাকৰণ কৰা হয়। সময়ৰ লগে লগে আঠটা ৰাজ্যিক বেংকক ৰাষ্ট্ৰীয়কৰণ কৰি ভাৰতীয় ষ্টেট বেংকৰ সহযোগী বেংক হিচাপে স্বীকৃতি দিয়া হয়।

প্ৰকৃতাৰ্থত ১৯৬৯ চনতহে বেংকৰ ৰাষ্ট্ৰীয়কৰণ হৈছিল যিয়ে ভাৰতীয় বেংক ব্যৱস্থাত এক বিপ্লৱৰ সূচনা কৰিছিল। ১৯৪৯ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাষ্ট্ৰীয়কৰণ আৰু ১৯৫৫ চনৰ ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণতকৈ ১৯৬৯ চনৰ বেংক ৰাষ্ট্ৰীয়কৰণ পৃথক আছিল। কিয়নো ১৯৬৯ চনৰ বেংকৰ ৰাষ্ট্ৰীয়কৰণতকৈ আগৰ পৰ্যায়ৰ বেংক ৰাষ্ট্ৰীয়কৰণৰ আৰ্থ-সামাজিক প্ৰভাৱ যথেষ্ট কম আছিল। সমাজকল্যাণমূলক উদ্দেশ্য আগত ৰাখি ১৯৬৯ চনৰ ১৯ জুলাই তাৰিখে ১৪টা শীৰ্ষ স্থানীয় বাণিজ্যিক বেংকক ৰাষ্ট্ৰীয়কৰণ কৰা হয়। প্ৰথম পৰ্যায়ৰ বেংক ৰাষ্ট্ৰীয়কৰণৰ দহ বছৰতকৈ অধিক সময় অতিবাহিত হোৱাৰ পাছত ১৯৮০ চনৰ ১৫ এপ্ৰিল তাৰিখে ২য় পৰ্যায়ত ৬টা বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হয়। এই বেংকবোৰৰ তালিকা তলত দিয়া হ'ল।

পৰৱৰ্তী সময়ত ১৯৯৩ চনত নিউ বেংক অৱ ইণ্ডিয়াক পাঞ্জাব নেচনেল বেংকৰ সৈতে একত্রিত কৰা হয়।

ৰাষ্ট্রীয়কৃত বেংকৰ তালিকা (List of Nationalized Banks)

প্রথম পর্যায় (১৯৯৬)

১) এলাহাবাদ বেংক (Allahabad Bank)
২) বেংক অৱ বৰোদা (Bank of Baroda)
৩) বেংক অৱ ইণ্ডিয়া (Bank of India)
৪) বেংক অৱ মহাৰাষ্ট্র (Bank of Maharastra)
৫) কানাড়া বেংক (Canara Bank)
৬) চেণ্ট্রেল বেংক অৱ ইণ্ডিয়া (Central Bank of India)
৭) ডেনা বেংক (Dena Bank)
৮) ইণ্ডিয়ান বেংক (Indian Bank)
৯) ভাৰতীয় অভাৰচীজ বেংক (Indian Overseas Bank)
১০) পঞ্জাব নেশ্যনেল বেংক (Punjab National Bank)
১১) চিণ্ডিকেট বেংক (Syndicate Bank)
১২) ইউনিয়ন বেংক অৱ ইণ্ডিয়া (Union Bank of India)
১৩) ইউনাইটেড বেংক অৱ ইণ্ডিয়া (United Bank of India)
১৪) ইউনাইটেড কমার্চিয়েল বেংক (United Commercial Bank)

দ্বিতীয় পর্যায় (১৯৮০)

১) অন্ধ্র বেংক (Andhra Bank)
২) ক'র্পৰেচন বেংক (Corporation Bank)
৩) নিউ বেংক অৱ ইণ্ডিয়া (New Bank of India)
৪) পঞ্জাব এণ্ড সিন্ধ বেংক (Punjab and Sind Bank)
৫) অৰিয়েণ্টেল বেংক (Oriental Bank of India)
৬) বিজয়া বেংক (Vijaya Bank)

ভাৰতীয় ৰাষ্ট্রীয়কৃত বেংকবোৰে সামাজিক কল্যাণৰ ধাৰণাটো গ্রহণ কৰিছিল আৰু সামাজিক দায়িত্বৰ অংশ হিচাপে গ্রাম্য আৰু কৃষিখণ্ডবোৰত মনোনিৱেশ কৰিছিল। ঋণদাতাসকলৰ শোষণৰ পৰা ৰক্ষা কৰা তথা কৃষক আৰু কৃষি শ্রমিকসকলৰ সবলীকৰণ কৰাৰ উদ্দেশ্য বেংকবোৰে সিহঁতৰ সম্পদবোৰৰ সদ ব্যৱহাৰ কৰিছিল। এই সময়ৰ পিছত ৰাজহুৱা খণ্ডৰ বেংকসমূহে সিহঁতৰ পৰিসৰ যথেষ্ট বহল কৰাৰ লগতে দ্রুত গতিত বৃদ্ধি হৈছিল। ভাৰতীয় ৰাষ্ট্রীয়কৃত বেংকবোৰে সিহঁতৰ শাখা সম্প্রসাৰণ কৰিছিল আৰু সমগ্র দেশতে বেংকিং কার্যৰ প্রসাৰ ঘটাইছিল। সমাজৰ সকলো শ্রেণীক সুবিধা প্রদানৰ উদ্দেশ্যৰে সিহঁতে নতুন আঁচনি আৰু পৰিকল্পনা আৰম্ভ কৰিছিল। এইদৰে ভাৰতত বেংকৰ ৰাষ্ট্রীয়কৰণে বৃহত্তৰ জনসাধাৰণকে সহজ লভ্য মূল্যত বেংক সেৱা পোৱাত সহায় কৰে।

১.৬ বৰ্তমান প্ৰেক্ষাপট

কাৰ্যকৰী দক্ষতা তথা বেংকবোৰ আৰ্থিক সৱলতা উন্নীত কৰাৰ অৰ্থে ভাৰতীয় বেংকিং খণ্ডত বিভিন্ন সংস্কাৰ সাধন কৰা হৈছিল যাতে বাৰতীয় বেংকবোৰে আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য ফলাপল পূৰণ কৰিব পাৰে। অ-কাৰ্যকৰী (non-performing) আৰু অদক্ষ বেংকবোৰক সংৰক্ষণ কৰাৰ বাবে আৰম্ভণি কালত বেংকবোৰক একত্ৰীত কৰা হৈছিল। কিন্তু সময়ৰ লগে লগে এই ব্যৱস্থাটোকো বিকশিত কৰা হৈছিল। সাম্প্ৰতিক কালত ব্যৱসায়িক বৃদ্ধি, লাভৱানতা আৰু সাংগঠনিক পুনৰ গঠনৰ ইত্যাদি ভিত্তিত সংহতকৰ আৰু অধিগ্ৰহণ আদিও কৰা হৈছিল।

প্ৰাক্ ৰাষ্ট্ৰীয়কৰণৰ সময়ছোৱাত (১৯৬১-৬৯) দুৰ্বল ফলাফল দেখুওৱা বেংকবোৰক পুনৰুজ্জীৱিত কৰাৰ উদ্দেশ্যৰে বেছি সংখ্যক ব্যক্তিগত খণ্ডৰ বেংকক সামৰি প্ৰায় ৪৬ টা একত্ৰিকৰণ হৈছিল যি নিম্ন ফলাফল বেংকবোৰৰ বাবে যথেষ্ট সফল পদক্ষেপ হিচাপে প্ৰমাণিত হৈছিল।

ৰাষ্ট্ৰীয়কৰণৰ পৰৱৰ্তী সময়ত (১৯৬৯-৯১) পুনৰ ছটা ব্যক্তিগত বেংকক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল (১৯৮০)। এই সময়ছোৱাত ১৩টা একত্ৰিকৰণ হৈছিল। ইয়াৰে বেছিভাগ ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ মাজত হৈছিল।

সংস্কাৰৰ পৰৱৰ্তী সময়ত (১৯৯১-এতিয়ালৈকে) ভাৰত চৰকাৰে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সংস্কাৰ সাধন কৰিছিল। এই সময়ছোৱাত ভাৰতীয় বেংকিং ব্যৱস্থা বহুতো পৰিৱৰ্তনৰ সাক্ষী আছিল। কিছুমান দুৰ্বল বেংকক ৰক্ষা তথা কিছুমান ব্যৱসায়িক বৃদ্ধিৰ বাবে বহুতো বেংকৰ একত্ৰীকৰণ কৰা হৈছিল। ২০০৪ চনত অৰিয়েণ্টেল বেংক অৱ কমার্চ (The Oriental Bank of Commerce) গ্লোবেল ট্ৰাষ্ট বেংক (Global Trust Bank)ৰ লগত একত্ৰীকৰণ হৈছিল। ১৯৯৩-৯৪ চনত হোৱা পঞ্জাব ন্যাসানাল বেংক (Punjab National Bank)ৰ লগত সেই সময়ৰ নিউ বেংক অৱ ইণ্ডিয়াৰ লগত লগ হৈছিল আৰু ২০০২ চনত বেনাৰশ ষ্টেট বেংকৰ ব্যৱসায়িক কাৰ্যকলাপ বেংক অৱ বৰোডাৰ লগত একলগ হৈছিল। ২০০৮ চনত ষ্টেট বেংক অৱ সৌৰাষ্ট্ৰ ভাৰতীয় ষ্টেট বেংকৰ লগত লগ হৈছিল। ইয়াৰ দুবছৰ পিছত ২০১০ চনত ষ্টেট বেংক অৱ ইণ্ডৰ ভাৰতীয় ষ্টেট বেংকৰ লগত লগ হৈছিল। ২০১৭ চনত কেন্দ্ৰীয় মন্ত্ৰী সভাই ষ্টেট বেংক গ্ৰুপৰ বাকী পাঁচটা সহযোগী বেংকক ভাৰতীয় ষ্টেট বেংকৰ লগত একত্ৰীতকৰণৰ সিদ্ধান্ত লয়। সংসদত একত্ৰীকৰণ বিল (Merger Bill) ৰ অনুমোদনৰ লগে লগে সহযোগী বেংকৰ বিলোপ সাধন হয়। ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা ভাৰতীয় মহিলা বেংক আৰু পাঁচটা সহযোগী বেংক ভাৰতীয় ষ্টেট বেংকৰ অংশ হয়। ইয়াৰ ফলত ষ্টেট বেংক অৱ ইণ্ডিয়া বিশ্বৰ শীৰ্ষস্থানীয় পঞ্চাশটা বেংকৰ তালিকাত অন্তৰ্ভুক্ত হয়। ভাৰতীয় ষ্টেট বেংকৰ লগত একত্ৰীকৰণ হোৱা সহযোগী বেংক পাঁচটা আছিল— ষ্টেট বেংক অৱ বিকানেৰ এণ্ড জয়পুৰ (State Bank of Bikaner and Jaipur), ষ্টেট বেংক অৱ হায়দৰাবাদ (State Bank of Hyderabad), ষ্টেট বেংক অৱ মহীশুৰ (State Bank of Mysore), ষ্টেট বেংক অৱ পাটিয়ালা (State Bank of Patiala) আৰু ষ্টেট বেংক অৱ ট্ৰাভানকৰ (State Bank of Travancore)।

২০১৮ চনত চৰকাৰে ডেনা বেংক আৰু বিজয়া বেংকক বেংক অৱ বৰোডাৰ সৈতে একলগ কৰিছিল। ২০১৯ চনত অৰিয়েণ্টেল বেংক অৱ কমার্চ আৰু ইউনাইটেড বেংকক পঞ্জাব নেচনেল বেংকৰ লগত একত্রিতকৰণে ভাৰতীয় ষ্টেট বেংকৰ পিচত দ্বিতীয় বৃহৎ ৰাজহুৱা খণ্ডৰ বেংকৰ জন্ম দিছিল। ইয়াৰ উপৰিও চৰকাৰে কানাড়া বেংক আৰু চিণ্ডিকেট বেংকৰ একত্রিকৰণ ঘোষণা কৰিছিল। এই দুটা বেংক চতুর্থ বৃহৎ ৰাজহুৱা খণ্ডৰ বেংক গটনৰ বাবে একলগ কৰা হ'ব।

ৰাজহুৱা খণ্ডৰ বেংকৰ বৃহৎ সংস্কাৰে ভাৰতবর্ষত এই বেংক সংখ্যা ১২টালৈ হ্রাস কৰে। সংস্কাৰৰ পৰৱর্তী সময়ছোৱাত আঞ্চলিক গ্রাম্য বেংকবোৰো ব্যাপক পৰিৱর্তন দেখা গৈছিল। ২০০৪ চনৰ ১৯৬টা আঞ্চলিক গ্রাম্য বেংকৰ পৰা ২০১৯ চনত ইয়াৰ সংখ্যা ৪৫টালৈ কমি আহে।

বর্তমান সময়ত (২০১৯) ভাৰতবর্ষত ১২টা ৰাজহুৱা খণ্ডৰ বেংক, ৪৫টা আঞ্চলিক গ্রাম্য বেংক, ২২টা ব্যক্তিগত খণ্ডৰ বেংক, ৩টা স্থানীয় বেংক (Local Area Bank), ১০টা ক্ষুদ্র বিত্ত বেংক, ৭টা পৰিশোধ বেংক (Payment Bank) কার্যকৰী হৈ আছে। ভাৰতত ৪৪টা বৈদেশিক বেংকৰ শাখা আছে। ইয়াৰ উপৰিও ভাৰতৰ তিনিখলপীয়া বেংকৰ গাঁথনিত ২২টা অনুসূচীত ৰাজ্যিক সমবায় বেংক, ১১টা অনা-অনুসূচীত ৰাজ্যিক সমবায় বেংক, ৫৪টা অনুসূচীত নগৰ সমবায় বেংক, ১৪৮৮টা অনা-অনুসূচীত নগৰ সমবায় বেংক, ৩৩টা ৰাজ্যিক সমবায় বেংক আৰু ৩৬৬টা জিলা কেন্দ্রীয় সমবায় বেংক আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেংকৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং ২ ঃ প্রথম পর্যায়ৰ বেংক ৰাষ্ট্রীয়কৰণ কোন চনত হৈছিল?

.....

.....

১.৭ ভাৰতী বেংকিং অনুশীলনৰ শেহতীয়া গতিধাৰা

যিকোনো অর্থনীতিত বেংকিং উদ্যোগ আৰু বিত্তীয় প্রতিষ্ঠান হৈছে মুখ্য খণ্ড। অর্থনীতিৰ এই দুটা খণ্ডৰ উন্নয়নে দেশ এখনৰ শ্রীবৃদ্ধিত বাৰুকৈয় প্রভাৱ পেলায়। 'ডিজিটেল ইণ্ডিয়া'ৰ যুগত ভাৰতবর্ষত বেংকিং আৰু বিত্তীয় সেৱাৰ এক বিশাল বিৱর্তন হৈছে আৰু ই এতিয়াও বর্তী আছে। ভাৰতীয় বেংকিং খণ্ডত শেহতীয়াভাৱে সংযোজিত হোৱা ক্ষেত্রসমূহ নিম্ন উল্লেখিত ধৰণৰ—

ডেবিট কার্ড (Debit card) ঃ ডেবিট কার্ডক প্লাষ্টিক কার্ড, বেংক কার্ড হিচাবেও জনা যায়। বেংকে সিহঁতৰ গ্রাহকসকললৈ এই কার্ডৰ সেৱা আগবঢ়ায়। নগদ ধনৰ পৰিৱর্তে

ডেবিট কার্ড ব্যৱহাৰ কৰা হয়। গ্ৰাহকসকলে নিত্য ব্যৱহার্য সামগ্ৰী ক্ৰয়, হোটেলৰ বিল আদায়, যান-বাহনৰ ইন্ধন ক্ৰয় আদিত ডেবিট কার্ড ব্যৱহাৰ কৰিব পাৰে। নগদ ধনৰ জমা তথা আহৰণৰ ক্ষেত্ৰতো ডেবিট কার্ড ব্যৱহাৰ কৰিব পাৰি। মাষ্টাৰ কার্ড, মেষ্ট্ৰ কার্ড, ভিজা কার্ড ইত্যাদি হৈছে বিভিন্ন প্ৰকাৰৰ ডেবিট কার্ড। ১৬টা সংখ্যা বিশিষ্ট এই কার্ডবোৰ চুম্বকীয় চিপ (Magnetic Chip) যুক্ত। লেনদেনৰ ক্ষেত্ৰত ই চেকৰ তুলনাত অধিক দ্ৰুত তথা ব্যৱহার্য।

ক্ৰেডিট কার্ড (Credit card) ঃ ক্ৰেডিট কার্ড ডেবিট কার্ডৰ দৰেই। এই দুবিধ কার্ড মুখ্য পার্থক্য হৈছে— ডেবিট কার্ডৰ ক্ষেত্ৰত লেনদেন বেংক একাউণ্টৰ জৰিয়তে হয় কিন্তু ক্ৰেডিট কার্ডৰ ক্ষেত্ৰত গ্ৰাহকে পোনপ্ৰথমে সামগ্ৰী বাকীত ক্ৰয় কৰিব পাৰে আৰু ইয়াৰ এমাহ পিছত সুতসহ পৰিশোধ কৰিব লাগে। এই কার্ডক পোষ্ট পেইড কার্ড বুলিও কোৱা হয়। বেংকে গ্ৰাহকৰ ঋণ পৰিশোধ সামর্থতাৰ ওপৰত ভিত্তি কৰিহে ক্ৰেডিট কার্ড প্ৰদান কৰে। অধিক ঋণ পৰিশোধ সামর্থতাৰ ওপৰত ভিত্তি কৰিহে ক্ৰেডিট কার্ড প্ৰদান কৰে। অধিক ঋণ পৰিশোধ সামর্থবান গ্ৰাহকলৈ এই কার্ডৰ বাকীৰ সীমা বঢ়াই দিয়া হয়।

স্মার্ট কার্ড (Smart Card) ঃ স্মার্ট কার্ডবোৰ প্লাষ্টিক নির্মিত ইণ্টিগ্ৰেটেড চিপ যুক্ত য'ত তথ্য সংৰক্ষিত থাকে। স্মার্ট কার্ডত ব্যক্তিগত তথ্য, বীমা তথ্য, চিকিৎসা সম্পৰ্কীয় তথ্য আদি সংৰক্ষণ কৰি ৰাখিব পাৰি। স্মার্ট কার্ডবোৰ এটা সৰু কার্ড ৰীডাৰত সুমুৱাই দিয়া হয় যাৰ জৰিয়তে কার্ডত সংৰক্ষিত তথ্য জানিব পাৰি। স্মার্ট কার্ডবোৰত বিশেষ পৰিচয় নম্বৰ সন্নিৰিষ্ট থাকে।

এচ এম এছ বেংকিং (SMS Banking) ঃ বেংকবোৰে এচ এম এচ বেংকিঙৰ জৰিয়তে গ্ৰাহকলৈ হিচাপ সম্পৰ্কীয় তথ্যবোৰ প্ৰেৰণ কৰে। এই সুবিদা গ্ৰহণ কৰা বা নকৰাটো গ্ৰাহকৰ পচন্দৰ ওপৰত নির্ভৰ কৰে। সকলো ধৰণৰ ডেবিট আৰু ক্ৰেডিট হিচাপ সম্পৰ্কীয় তথ্যবোৰ গ্ৰাহকৰ পঞ্জীভুক্ত মোবাইল নম্বৰলৈ পঠিওৱা হয়।

বৈদ্যুতিক পৰিশোধ সেৱা-ই চেক (Electronic Payment Services-E Cheques) ঃ বর্তমান সময়ত আমি e-governance. e-mail, e-commerce, e-tail আদিৰ বিষয়ে শুনি আছো। একে অর্থত আমেৰিকা যুক্তৰাষ্ট্ৰত এটা নতুন প্ৰযুক্তি ই-চেক প্ৰৱর্তন কৰা হৈছিল। যিয়ে পৰম্পৰাগত কাগজী চেকৰ স্থান দখল কৰিছিল। হস্তান্তৰযোগ্য দলিল আইন সংশোধনৰ জৰিয়তে চেক ট্ৰাংকচেন আৰু ই-চেক আহিলাৰ অন্তর্ভুক্তিকৰণে আছিল ভাৰতবর্ষত ই-চেক প্ৰৱর্তনৰ আৰম্ভণি।

ৰিয়েল টাইম গ্ৰছ চেটেলমেণ্ট (Real Time Gross Settlement : RTGS) ঃ ২০০৪ চনৰ মার্চ মাহৰ পৰা ভাৰতবর্ষত RTGS পদ্ধতি আৰম্ভণি হয়। এই পদ্ধতিত বেংকবোৰে নিজৰ হিচাপৰ পৰা অন্য বেংকৰ হিচাপলৈ পুঁজি হস্তান্তৰৰ বাবে বৈদ্যুতিক নির্দেশনা প্ৰদান কৰে। এই ব্যৱস্থাটো ভাৰতীয় ৰিজার্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত তথা পৰিচালিত হয় আৰু বেংকবোৰৰ মাজত দ্ৰুত আৰু দক্ষ পুঁজি হস্তান্তৰৰ সুবিধা প্ৰদান কৰে। এই ব্যৱস্থাটো ভাৰতীয় ৰিজার্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত তথা পৰিচালিত হয় আৰু বেংকবোৰৰ মাজত দ্ৰুত আৰু দক্ষ পুঁজি হস্তান্তৰৰ

সুবিধা প্রদান কৰে। এই পদ্ধতিৰ নামৰ পৰাই বুজিব পাৰি যে বেংকবোৰৰ মাজত 'Real Time'ত পুঁজিৰ হস্তান্তৰ হয়। সেইবাবে, সুবিধা গ্রহণকাৰীলৈ তাৎক্ষণিকভাৱে পুঁজিৰ স্থানান্তৰ হয় আৰু দুঘণ্টাৰ ভিতৰত সুবিধা গ্রহণকাৰীৰ হিচাপত পুঁজি জমা কৰাটো বেংকৰ দায়িত্ব।

বৈদ্যুতিক পুঁজি স্থানান্তৰ (Electronic Funds Transfer- EFT) ঃ বৈদ্যুতিক পুঁজি স্থানান্তৰ হৈছে এক পদ্ধতি য'ত যিকোনো ব্যক্তিয়ে আন ব্যক্তি বা কোম্পানীলৈ পুঁজিৰ হস্তান্তৰ কৰিব পাৰে। ইয়াৰ বাবে ব্যক্তিজনে নিজৰ বেংকত নগদ ধন জমাৰ জৰিয়তে বা পূৰ্বে জমা টকাৰ পোনপটীয়াভাৱে সুবিধা গ্রহণকাৰীলৈ পুঁজি স্থানান্তৰৰ নির্দেশনা দিব পাৰে। সুবিধা গ্রহণকাৰীৰ সম্পূর্ণ তথ্য যেনে— নাম, বেংকৰ হিচাপ বিৱৰণ, হিচাপৰ প্রকাৰ, বেংকৰ নাম, বেংক শাখাৰ নাম, চহৰৰ তথ্য পুঁজি হস্তান্তৰ সময়ত বেংকৰ ওচৰত দাখিল কৰিব লাগে। যাতে সুবিধা গ্রহণকাৰীৰ হিচাপলৈ শুদ্ধ তথা দ্রুতভাৱে পুঁজি স্থানান্তৰ হয়। ভাৰতীয় ৰিজার্ভ বেংক হৈছে এই বৈদ্যুতিক পুঁজি স্থানান্তৰ সেৱা প্রদানকাৰী।

ইলেকট্রনিক ক্লিয়াৰিং সেৱা (Electronic Clearing Service (ECS) ঃ ইলেকট্রনিক ক্লিয়াৰিং সেৱা হৈছে একে ধৰণৰ লেনদেন বিশেষকৈ পুনৰাবৃত্তিমূলক ক্ষুদ্র আকাৰৰ ধনৰ ক্ষেত্রত ব্যৱহৃত এক প্রকাৰৰ খুচুৰা পৰিশোধ ব্যৱস্থা। এই সুবিধাত কোম্পানী তথা চৰকাৰী বিভাগবোৰে অধিক পৰিমাণৰ অর্থ গ্রহণ আৰু পৰিশোধ কৰিব পাৰে।

অটোমেটিক টেলাৰ মেচিন (Automatic Teller Machine-ATM) ঃ অটোমেটিক টেলাৰ মেচিন হৈছে ভাৰতত সর্বাধিক জনপ্রিয় যন্ত্র যাৰ দ্বাৰা গ্রাহকে সপ্তাহৰ ৭ দিন আৰু দিনটোৰ ২৪ ঘণ্টা নিজৰ ধন উলিয়াব পাৰে। এই যন্ত্রটিৰ দ্বাৰা এ টি এম কার্ড থকা গ্রাহক কোনোধৰণৰ মানৱ হস্তক্ষেপ নোহোৱাকৈ বেংকিং কার্য সম্পাদন কৰিব পাৰে। নগদ আহৰণৰ উপৰিও এ টি এমবোৰ বিল পৰিশোধ, পুঁজি হস্তান্তৰ, চেক জমা, নগদ জমা, হিচাপ বিৱৰণ ইত্যাদি ক্ষেত্রত ব্যৱহাৰ কৰা হয়।

Core Banking Solution : Core Banking Solution হৈছে জালিকাৰ জৰিয়তে বেংকবোৰে সিহঁতৰ দলীয় বেংকবোৰলৈ আগবঢ়োৱা এক সেৱা, য'ত গ্রাহকে যিকোনো নির্দিষ্ট বেংকৰ যিকোনো শাখাত বেংকিং কার্য সম্পাদন কৰিব পাৰি। এই সেৱাই ঋণ, লেনদেন ব্যয় পৰিশোধ আৰু বন্ধক আদিক সামৰি লয়। বেংকে এই সেৱাবোৰ বিভিন্ন মাধ্যম যেনে- এ টি এম, মোবাইল বেংকিং আৰু ইণ্টাৰনেট আদিৰ জৰিয়তে আগবঢ়ায়। গ্রাহকবোৰে নিজৰ বেংকৰ পৰিৱর্তে ওচৰৰ যিকোনো বেংক শাখাৰ পৰা বেংকিং সুবিধা গ্রহণ কৰিব পাৰে। ব্যক্তিজন শাখাৰ গ্রাহক নহয় বৰং তেওঁ বেংকৰহে গ্রাহক হয়।

Point of Sale Terminal : পইণ্ট অৱ বিক্রয় টার্মিনেল হৈছে এক কম্পিউটাৰ টার্মিনেল যি বেংকত থকা গ্রাহকৰ তথ্যৰ সৈতে চুম্বকীয় প্লাষ্টিকক কার্ডৰ তথ্যৰ সংযোগ কৰি গ্রাহকৰ পৰিচয় চিনাক্ত কৰে। লেনদেনৰ সময়ত ক্রয় কৰা মূল্য গ্রাহকৰ হিচাপৰ পৰা ডেবিট হয় আৰু বিক্তোৰ হিচাপ ক্রেডিট হয়।

Tele Banking : টেলি বেংকিং ব্যৱস্থাই গ্রাহকক টেলিফোনৰ যোগেদি সকলো

অ-নগদ (non-cash) সম্পৰ্কীয় বেংকিং কাৰ্য কৰাৰ সুবিধা প্ৰদান কৰে। এই ব্যৱস্থাত অটোমেটিক ভয়েচ ৰেকৰ্ডৰ দ্বাৰা সাধাৰণ লেনদেনৰ বাবে ব্যৱহাৰ কৰা হয়। জটিল ধৰণৰ লেনদেনবোৰৰ বাবে মানৱ টেলিফোন ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ই চি এচ বুলিলে কি বুজা?

.....

.....

প্ৰশ্ন নং ৪ ঃ আৰ টি জি এচৰ সম্পূৰ্ণ ৰূপটো লিখা?

.....

.....

১.৮ বেংকৰ ভূমিকা

বাণিজ্যিক বেংকসমূহে প্ৰধানত তিনিটা ভূমিকা পালন কৰে। সেইবোৰ হ'ল—

(ক) আৰ্থিক মধ্যস্থতাকাৰী (Financial Intermediary)

(খ) পৰিশোধ ব্যৱস্থাৰ উপাদান (Constituent of the Payment System)

(গ) বিত্তীয় সেৱা প্ৰদানকাৰী (Financial Services Provider)

(ক) আৰ্থিক মধ্যস্থতাকাৰী ঃ বেংকৰ গুৰুত্বপূৰ্ণ কামবোৰৰ আৰ্থিক মধ্যস্থতাকাৰী অন্যতম যিয়ে জনসাধাৰণৰ পৰা আমানত গ্ৰহণ আৰু এই পুঁজি ঋণ গ্ৰহীতালৈ প্ৰদান কৰে। বিত্তীয় অৰ্থত, বেংক আমানত গ্ৰহণক বেংকৰ দেনাক বুজায় আৰু বেংকে প্ৰদান কৰা ঋণ তথা বিনিয়োগক বেংকৰ সম্পত্তি বুলি গণ্য কৰা হয়। বেংকত আমানত জমা কৰি জমাকাৰীয়ে সুত, তৰলতা আৰু নিৰাপদ আদি উপভোগ কৰে। আনহাতে বেংক লোণ আৰু বিনিয়োগবোৰ লাভজনক আৰু উৎপাদনমূলক ক্ষেত্ৰত ব্যৱহাৰ যোগেদি বেংকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উৎপাদনমূলক ব্যৱহাৰবোৰ আৰ্থিক নাইবা সামাজিকমুখী হয়। বেংক জমাবোৰ সাধাৰণতে কৃষিখণ্ড, উদ্যোগ আৰু বাণিজ্যৰ ক্ষেত্ৰত ব্যৱহাৰ হয় যি আৰ্থিক মূল্য স্থিৰ কৰে। নিম্ন আয়ৰ অন্তৰ্ভুক্ত আৰু অনুন্নত অঞ্চলৰ ব্যক্তিবোৰে ব্যৱসায় আৰম্ভ কৰিবৰ বাবে বিত্তীয় সাহায্য লাভ কৰে আৰু এইদৰেই কেৱল আৰ্থিক সহায়েই নহয় সামাজিক সহায়ও আগবঢ়ায়।

(খ) পৰিশোধ ব্যৱস্থাৰ উপাদান ঃ অৰ্থনীতিৰ পৰিশোধ ব্যৱস্থাত বেংকবোৰ হৈছে মুখ্য অংশ। বিত্তীয় লেনদেনবোৰ মীমাংসা কৰাৰ পৰিশোধ হৈছে এটা উপায়। গ্ৰাহকক চেক সুবিধা প্ৰদানৰ জৰিয়তে বেংকে বিত্তীয় লেনদেন মীমাংসা কৰে আৰু গ্ৰাহকে নগদ পৰিশোধৰ পৰিৱৰ্তে চেকৰ দ্বাৰা পৰিশোধ কৰে। বেংকে গ্ৰাহকৰ এই চেকবোৰ সংগ্ৰহ কৰে। আধুনিক বেংকিঙত বিভিন্ন ধৰণৰ পৰিশোধ ব্যৱস্থা যেনে- ইলেকট্ৰনিক বেংকিং, ইলেকট্ৰনিক

হস্তান্তৰ, ক্ৰেডিট কার্ড লেনদেন আদিক সাঙুৰি লয়।

(গ) **বিত্তীয় সেৱা প্ৰদানকাৰী ঃ** বিত্তীয় মধ্যস্থতাকাৰীৰ উপৰিও, বর্তমান সময়ত বেংকবোৰে সিহঁতৰ গ্ৰাহকক বিভিন্নধৰণৰ আর্থিক সেৱা আগবঢ়ায়। এই সেৱাবোৰ হৈছে— বেংকিং সেৱা, বীমা সম্পর্কিত সেৱা, চৰকাৰী ব্যৱসায়, বৈদেশিক মুদ্রা বিনিময় ব্যৱসায়, সম্পদ পৰিচালনা সেৱা ইত্যাদি। এই সেৱা প্ৰদানৰ জৰিয়তে অর্জন কৰা আয়ৰ দ্বাৰা বেংকৰ লাভ বৃদ্ধি হয় আৰু ই সুস্থ বিত্তীয় ব্যৱস্থা বিকাশত অৰিহণা যোগায়।



১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- দেশৰ অর্থনৈতিক উন্নয়নত বেংকসমূহে এক গঠনমূলক ভূমিকা পালন কৰে। বেংকসমূহ গুৰুত্বপূর্ণ কাৰণ সিহঁতে দেশৰ অর্থনৈতিক উন্নয়ন আৰু আর্থিক স্থায়িত্ব বজাই ৰখাত অৱদান যোগায়।
- বেংকিং নিয়ন্ত্রণ আইন, ১৯৪৯ ৰ ধাৰা ৫ (b) মতে বেংক হৈছে ঋণদান বা বিনিয়োগৰ উদ্দেশ্যে জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰা। সেই আমানত গ্ৰাহকৰ প্ৰয়োজনীয়তা অনুসৰি বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু গ্ৰাহকে চেক, ড্ৰাফ্ট বা অন্য উপায়ে তাক উলিয়াই দিয়া ব্যৱস্থা।
- কলকাতাত ১৭৮৬ চনত বেংক অৱ বেংগলৰ প্ৰতিষ্ঠাই ভাৰতবর্ষত বাণিজ্যিক বেংক উদ্যোগৰ আৰম্ভণি কৰে।
- বাণিজ্যিক বেংকসমূহে প্ৰধানত তিনিটা ভূমিকা পালন কৰে। সেইবোৰ হ'ল- আর্থিক মধ্যস্থতাকাৰী, পৰিশোধ ব্যৱস্থাৰ উপাদান, বিত্তীয় সেৱা প্ৰদানকাৰী।



১.১০ অধিক জানিবৰ বাবে

1. Banking Theory,Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory,Law and Practice by Dr.SGurusamy

১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বেংকিং নিয়ন্ত্রণ আইন, ১৯৪৯ৰ ধাৰা (b) মতে বেংক হৈছে ঋণ দান বা বিনিয়োগৰ উদ্দেশ্যে জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰা। সেই আমানত গ্ৰাহকৰ

প্রয়োজনীয়তা অনুসৰি বা অন্য প্রকাৰে পৰিশোধ কৰা আৰু গ্রাহকে চেক, ড্রাফ্ট বা অন্য উপায়ে তাক উলিয়াই দিয়া ব্যৱস্থা।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬৯ চন।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইলেকট্রনিক ক্লিয়াৰিং সেৱা হৈছে একেধৰণৰ লেনদেন বিশেষকৈ পুনৰাবৃত্তিমূলক ক্ষুদ্র আকাৰৰ ধনৰ ক্ষেত্রত ব্যৱহৃত এক প্রকাৰৰ খুচুৰা পৰিশোধ ব্যৱস্থা। এই সুবিধাত কোম্পানী তথা চৰকাৰী বিভাগবোৰে অধিক পৰিমাণৰ অর্থ গ্রহণ আৰু পৰিশোধ কৰিব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ Real Time Gross Settlement.



১.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বেংকে পালন কৰা বিভিন্ন ভূমিকাসমূহ কি কি? আলোচনা কৰা।

প্রশ্ন ২ ঃ বেংকৰ ক্রমবিকাশৰ বিষয়ে আলোচনা কৰা।

প্রশ্ন ৩ ঃ ভাৰতীয় বেংকিং অনুশীলনত শেহতীয়া পৰিৱর্তন আলোচনা কৰা।

*** ***** ***

অধ্যায় ২ ঃ বেংকৰ পৰিচিতি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ বেংকৰ প্ৰকাৰ

২.৪ কার্যৱলী অনুসৰি শ্রেণীবিভাগ

- ২.৪.১ মহাজন আৰু থলুৱা বেংকসমূহ
- ২.৪.২ বাণিজ্যিক বেংক
- ২.৪.৩ বিনিয়োগ বেংক
- ২.৪.৪ বিনিময় বেংক
- ২.৪.৫ সমবায় বেংক
- ২.৪.৬ কেন্দ্রীয় বেংক

২.৫ ৰিজার্ভ বেংকৰ দ্বিতীয় সূচী অনুসৰি শ্রেণী বিভাজন

- ২.৫.১ অনুসূচীভুক্ত বেংক
- ২.৫.২ অনুসূচী বর্হিভুত বেংক

২.৬ স্থানৰ ভিত্তিত শ্রেণীবিভাজন

- ২.৬.১ দেশীয় বেংক
- ২.৬.২ বৈদেশিক বেংক

২.৭ মালিকীস্বত্বৰ ভিত্তিত শ্রেণীবিভাজন

- ২.৭.১ ৰাজহুৱা খণ্ডৰ বেংক
- ২.৭.২ ব্যক্তিগত খণ্ডৰ বেংক

২.৮ সাংগঠনিক গাঁথনিৰ ভিত্তিত শ্রেণীবিভাজন

- ২.৮.১ গোট বেংকিং
- ২.৮.২ শাখা বেংকিং ব্যৱস্থা
- ২.৮.৩ গোষ্ঠী বেংকিং
- ২.৮.৪ চেইন বেংকিং
- ২.৮.৫ সার্বজনিক বা ইউনিভাছেল বেংকিং

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবৰ বাবে

২.১১ অগ্রগতিৰ খতিয়ান

২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেংক ব্যৱস্থা আৰু বিভিন্ন প্ৰকাৰৰ বেংক চিনাক্ত কৰিব পাৰিব
- বাণিজ্যিক বেংকৰ কাৰ্যাৱলীৰ বিষয়ে জানিব পাৰিব
- ভাৰতবৰ্ষৰ বেংকৰ গাঁথনিটো জানিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি বেংকৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিলো। ভাৰতবৰ্ষত বাস কৰা বিভিন্ন লোকৰ বিভিন্ন প্ৰকাৰৰ বিত্তীয় প্ৰয়োজন পূৰাবলৈ বিভিন্ন প্ৰকাৰৰ বেংকে ভাৰতবৰ্ষত সেৱা আগবঢ়াই আহিছে। এই অধ্যায়টিত আমি বিভিন্ন প্ৰকাৰৰ বেংকৰ বিষয়ে আলোচনা কৰিম।

২.৩ বেংকৰ প্ৰকাৰ

ভাৰতবৰ্ষৰ বৰ্তমান বেংক ব্যৱস্থাৰ উপাদানসমূহ বিভিন্ন মৌলিকতা আৰু আকাৰ বিশিষ্ট। শীৰ্ষত ভাৰতীয় ৰিজাৰ্ভ বেংক, দেশখনৰ কেন্দ্ৰীয় বেংক যিয়ে ভাৰতবৰ্ষত বেংক ব্যৱস্থা নিয়ন্ত্ৰণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পিছৰ বেংকসমূহ হ'ল ভাৰতীয় ষ্টেট বেংক যাক ১৯৫৫ চনত ইম্পেৰিয়েল বেংকক ৰাষ্ট্ৰীয়কৰণৰ দ্বাৰা সৃষ্টি কৰা হৈছিল। তাৰ পিছত ভাৰতীয় ষ্টেট বেংকৰ সহযোগী বেংকসমূহ, তাৰ পিছতে ১৯টা ৰাষ্ট্ৰীয়কৃত বেংক, বেচৰকাৰী বেংক, বৈদেশিক বেংক, সমবায় বেংকসমূহ আৰু আঞ্চলিক গ্ৰাম্য বেংকসমূহ। এই বেংকসমূহক তলত দিয়া নিৰ্ণায়কবোৰৰ ওপৰত ভিত্তি কৰি বিভিন্ন ভাগত ভাগ কৰিব পাৰি—

a) কাৰ্যৱলীৰ ভিত্তিত
b) ভাৰতীয় ৰিজাৰ্ভ বেংক আইনৰ দ্বিতীয় সূচী অনুসৰি
c) আইনগত ভিত্তিত
d) মালিকীস্বত্ব ভিত্তিত
e) সাংগঠনিক গঠন ভিত্তিত।

২.৪ কাৰ্যৱলী অনুসৰি শ্ৰেণীবিভাগ

কাৰ্যৱলী অনুসৰি বেংকসমূহক এনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি—

(i) মহাজন আৰু থলুৱা বেংক, (ii) বাণিজ্যিক বেংক, (iii) বিনিয়োগ বেংক, (iv) বিনিময় বেংক, (v) সমবায় বেংক আৰু (v) কেন্দ্ৰীয় বেংক।

২.৪.১ মহাজন আৰু থলুৱা বেংকসমূহ

বাণিজ্যিক বেংকসমূহৰ স্থাপনৰ আগতে মহাজন আৰু থলুৱা বেংকসমূহে বিত্তৰ যোগান ধৰোতা হিচাপে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। এইবোৰ প্রতিষ্ঠাক থলুৱা বেংক হিচাপে জনা যায়। তেওঁলোকে গ্রাহকৰ পৰা উচ্চ হাৰত সুদ আদায় কৰিছিল আৰু যিসকলে বিত্তীয় সাহায্য গ্রহণ কৰিছিল তেওঁলোকক শোষণ কৰিছিল। ভাৰতবর্ষত বাণিজ্যিত বেংকৰ প্রসাৰৰ ফলত এই বেংকসমূহৰ একচেটিয়া ব্যৱসায়ৰ অৱসান ঘটে। আজিকালি যদিও ভাৰতবর্ষত যথেষ্টসংখ্যক বাণিজ্যিক বেংকে বেংক ব্যৱস্থাত অৰিহনা যোগাইছে তথাপি থলুৱা বেংকসমূহে এতিয়াও উল্লেখযোগ্য ভূমিকা পালন কৰে কাৰণ বিত্তীয় সাহায্যৰ বাবে এতিয়াও যথেষ্ট লোক থলুৱা বেংকৰ ওপৰত নির্ভৰশীল। থলুৱা বেংকসমূহে অভ্যন্তৰীণ বাণিজ্যৰ বাবে বিত্তৰ যোগানৰ ক্ষেত্রত উল্লেখযোগ্য ভূমিকা পালন কৰে। যিবোৰ অঞ্চলত যৌথ মূলধনী বেংক নাই অথবা এইবোৰ বেংকে য'ত ভালদৰে সেৱা আগনবঢ়ায় সেইবোৰ ঠাইত থলুৱা বেংকবোৰ যথেষ্ট জনপ্রিয়। থলুৱা বেংকৰ প্রধান কার্যৱলীসমূহ তলত উল্লেখ কৰা হ'ল—

1. **আমানত গ্রহণ ঃ** থলুৱা বেংকে সাধাৰণ নাগৰিকৰ পৰা আমানত গ্রহণ কৰে। এই আমানত দুই ধৰণৰ— (ক) চাহিদা অনুসৰি যিবোৰ আমানত পৰিশোধ কৰা হয়, আৰু (খ) যিবোৰ আমানত এক স্থায়ী সময়ৰ পিছত পৰিশোধ কৰা হয়। থলুৱা বেংকসমূহে বাণিজ্যিক বেংকতকৈ অধিক সুদ প্রদান কৰে।
2. **ঋণ প্রদান ঃ** থলুৱা বেংকসমূহে ইয়াৰ গ্রাহকসমূহক ভূমি, শস্য, সোন আৰু ৰূপ ইত্যাদি বন্ধকৰ বিপৰীতে ঋণ প্রদান কৰে। ব্যক্তিগত বন্ধকীৰ দ্বাৰাও এই বেংকবোৰে ঋণ প্রদান কৰে। বাণিজ্যিক বেংকৰ স্বর্তসমূহ পূৰণ কৰিব নোৱৰা ক্ষুদ্র উদ্যোগীক এই বেংকসমূহে ঋণ প্রদান কৰে।
3. **হুণ্ডিৰ ব্যৱসায় ঃ** থলুৱা বেংকসমূহে হুণ্ডিৰ ব্যৱসায় কৰে। তেওঁলোকে হুণ্ডি লিখে, ক্রয় আৰু বিক্রী কৰে। তেওঁলোকে হুণ্ডিৰ বাট্টা কৰে আৰু অভ্যন্তৰীণ বেপাৰীসকলক বিত্তীয় প্রয়োজনীয়তা পূৰণত সহায় কৰে। হুণ্ডিৰ বাট্টাৰ দ্বাৰা তেওঁলোকে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ পুঁজিৰ যোগান ধৰে।
4. **অনাবেংক কার্যৱলী ঃ** বেংক ব্যৱসায়ৰ লগতে থলুৱা সৰহসংখ্যক বেংকে তেওঁলোকৰ অনা বেংক ব্যৱসায় চলাই থাকে। তেওঁলোকৰ খুচুৰা বাণিজ্য ব্যৱসায় থাকে, ডাঙৰ বাণিজ্য প্রতিষ্ঠানৰ এজেণ্ট হিচাপে কাম কৰে আৰু কমিছন হিচাপে আয় আর্জন কৰে। তেওঁলোকে ধন বিনিয়োগৰ কামতো অংশগ্রহণ কৰে।

থলুৱা বেংকৰ আসোঁৱাহসমূহ ঃ থলুৱা বেংকসমূহ বিভিন্ন আসোঁৱাহৰ সন্মুখীন হয় যাৰ কাৰণে বেংক ব্যৱসায়ত সফলভাৱে তেওঁলোকে চলাব নোৱাৰে। এই আসোঁৱাহসমূহ তলত আলোচনা কৰা হ'ল—

- থলুৱা বেংকসমূহ অন্যান্য বাণিজ্যিক কাম-কাজত মনোনিৱেশ কৰাৰ ফলস্বৰূপে তেওঁলোকে সংগ্রহ কৰা আমানত তেওঁলোকৰ নিজা ব্যৱসায়ত বিনিয়োগ কৰে যি যথেষ্ট বিপদজনক হয়।
- থলুৱা বেংকৰ মূলধন বৰ তাকৰীয়া হয়।
- তেওঁলোকে হিচাপ পত্রবোৰ সঠিকভাৱে নাৰাখিছিল।
- সুদক্ষ মানৱ সম্পদৰ অভাৱ ইয়াৰ আন এক সমস্যা আছিল। বেছিভাগ কর্মচাৰী পেছাদাৰী নহয়।
- থলুৱা বেংকসমূহে ইয়াৰ ক্ষতিৰ পৰিমাণৰ গণনা ক্রেডিট প'ৰ্টফোলিঅ' অনুসৰি কৰা নাছিল আৰু ই সকলোতকৈ বিপদ্দজনক আছিল।
- বেছিভাগ থলুৱা বেংক বিভিন্ন অনৈতিক কার্যত লিপ্ত আছিল যেনে— অত্যধিক সুদৰ হাৰ আদায়, ব্যৱসায়ত ধনৰ বিনিয়োগ আৰু উন্নয়নশীল কার্যকলাপক অৱহেলা, ঋণ সংগ্রহৰ ক্ষেত্রত অনৈতিক উপায় অৱলম্বন ইত্যাদি।

২.৪.২ বাণিজ্যিক বেংক

বাণিজ্যিক বেংকসমূহে পৰিয়ালসমূহৰ পৰা অতিৰিক্ত সঞ্চয় আহৰণ কৰে আৰু এই ধনৰাশি বিভিন্ন ব্যক্তিক ঋণ দিয়ে। গতিকে তেওঁলোকে চাহিদা আমানত গ্রহণ কৰে। বাণিজ্যিক বেংকে সাধাৰণতে বাণিজ্য আৰু উদ্যোগখণ্ডৰ হ্রস্বকালীন প্রয়োজনীয়তা পূৰণ কৰে। আমানত গ্রহণ আৰু ঋণ প্রদানৰ বাহিৰেও এই বেংকসমূহে যথেষ্ট বিত্তীয় সেৱা আগবঢ়ায়। আধুনিক দিনত সময়ৰ চাহিদাৰ বাবে বেংকৰ কার্যৱলী সলনি হৈ আহিছে।

বাণিজ্যিক বেংকৰ কার্যাৱলী ঃ বাণিজ্যিক বেংকৰ কার্যৱলীসমূহ দুটা শ্রেণীত ভাগ কৰা হয়— অর্থাৎ প্রাথমিক আৰু গৌণ। প্রাথমিক কার্যৱলীসমূহ হ'ল বেংকৰ সাধাৰণ কার্যাৱলী আৰু ইয়াৰ ভিতৰত আমানত গ্রহণ, ঋণ প্রদান আৰু বিনিয়োগ আৰু গ্রাহকলৈ পৰিশোধ ব্যৱস্থাৰ সম্প্রসাৰণ। গৌণ কার্যাৱলীৰ ভিতৰত প্রতিনিধিত্বমূলক কার্যাৱলী আৰু উপযোগিতা কার্যাৱলী।

প্রাথমিক কার্যাৱলী ঃ আমানত গ্রহণ, ঋণ প্রদান আৰু বিনিয়োগ পৰিশোধ ব্যৱস্থা বাণিজ্যিক বেংকৰ প্রাথমিক কার্যাৱলীৰ অন্তর্ভুক্ত।

1. **আমানত গ্রহণ ঃ** জমা গ্রহণ হ'ল বাণিজ্যিক বেংকৰ মুখ্য কার্য। তেওঁলোকে সমাজৰ বিভিন্ন খণ্ডৰ প্রয়োজনীয়তা অনুসৰি বিভিন্ন ধৰণৰ আমানত গ্রহণ কৰে। মুখ্য আমানতসমূহ হ'ল— স্থিৰ আমানত, চলিত আমানত আৰু সঞ্চয় আমানত।
   - **স্থিৰ বা কাল আমানত ঃ** স্থিৰ আমানতে সেইবোৰ আমানতক বুজায় যিবোৰ কোনো এক নির্দিষ্ট সময়ৰ বাবে জমা ৰখা হয়। এই আমানতে চেকৰ সুবিধা লাভ নকৰে। এইবোৰ আমানতৰ বাবে আমানতকাৰীয়ে অধিক সুদ লাভ কৰে।

- **চলিত বা চাহিদা আমানত ঃ** চলিত আমানত হৈছে সেইবোৰ আমানত যিবোৰ জমাকাৰীয়ে চাহিদা অনুযায়ী উলিয়াব পাৰে। এই আমানত সাধাৰণতে ব্যৱসায়ীসকলে দৈনন্দিন লেনদেন কৰিবৰ বাবে বেংকত থয়। এই ধন চেকৰ জৰিয়তে বাধাহীনভাৱে উলিয়াব পাৰি। বেংকে এইবোৰ আমানতৰ বাবে সাধাৰণতে সুদ আদায় নিদিয়ে; ক'বলৈ গ'লে বেংকে এই আমানত চলাই নিয়াৰ বাবদ সেৱা মূল্য আৰোপ কৰে।
- **সঞ্চয় আমানত ঃ** এই আমানতসমূহ চলিত আৰু স্থিৰ আমানতৰ সংমিশ্রণ। জমাকাৰীসকলে চেক সুবিধা প্রদান কৰা হয়। কিন্তু ধন উলিওৱাৰ ক্ষেত্রত ইয়াৰ সংখ্যা আৰু পৰিমামৰ ওপৰত কিছুমান বাধা আৰোপ কৰা হয়, যাতে সঞ্চয় আমানত সঘনায় ব্যৱহাৰ কৰা নহয়। এইটো উল্লেখযোগ্য যে চলিত আৰু সঞ্চয় আমানতৰ ক্ষেত্রত চেক ব্যৱহাৰ কৰিব পাৰি, কিন্তু স্থিৰ আমানতৰ ক্ষেত্রত চেক ব্যৱহাৰ কৰিব নোৱাৰি।

2. **ঋণ প্রদান ঃ** বেংকে সংগ্রহ কৰা আমানতবোৰ এনেই পৰি থাকিব দিয়া নহয়। কিছু নগদ সংৰক্ষণৰ পিছত, অতিৰিক্ত পুঁজিখিনি ঋণ হিচাপে আগবঢ়োৱা হয় আৰু সুদ আহৰণ কৰা হয়, যি বেংকৰ আয়ৰ প্রধান উৎস। বাণিজ্যিক বেংকে আগবঢ়োৱা বিভিন্ন ধৰণৰ ঋণ আৰু আগধনবোৰ হ'ল—

- **নগদ ঋণ ঃ** নগদ ঋণবোৰ হ'ল চলিত সম্পত্তি যেনে অংশ, ষ্টক, ঋণ পত্র ইত্যাদিৰ বিপৰীতে আগবঢ়োৱা ঋণ। ঋণৰ এটা উচ্চসীমা নির্ধাৰণ কৰা হয় আৰু ধনৰাশি গ্রাহকৰ একাউণ্টত জমা কৰি দিয়া হয়। ঋণ গ্রহণকাৰীয়ে তেওঁৰ একাউণ্টৰ পৰা যিকোনো পৰিমাণৰ ধন উলিয়াব পাৰে আৰু উলিয়াই লোৱা ধনৰ ওপৰতহে সুদ আৰোপ কৰা হয়।
- **চাহিদাজনিত ঋণ ঃ** চাহিদাজনিত ঋণ হ'ল সেইবিলাক ঋণ যিবিলাক বেংকে যিকোনো সময়তে বিচাৰিব পাৰে। চাহিদাজনিত ঋণৰ মুঠ পৰিমাণ গ্রাহকৰ একাউণ্টৰ জমা কৰি দিয়া হয় আৰু মুঠ পৰিমাণৰ ওপৰত সুদ আৰোপ কৰা হয়।
- **হ্রস্বকালীন ঋণ ঃ** এইবোৰ ঋণ কিছু নিৰাপত্তাৰ বিপৰীতে বা ব্যক্তিগত ঋণ হিচাপে প্রদান কৰা হয়। ঋণৰ ধনৰাশি ঋণ গ্রহণকাৰীৰ একাউণ্টত জমা কৰি দিয়া হয় আৰু ঋণ গ্রহণকাৰীৰ ইচ্ছা অনুসৰি তেওঁৰ একাউণ্টৰ পৰা উলিয়াব পাৰে আৰু ঋণৰ গোটেই পৰিমাণৰ ওপৰত সুদ আৰোপ কৰা হয়।
- **অভাৰ ড্রাফ্টৰ সুবিধা ঃ** ই হ'ল এক সুবিধা য'ত গ্রাহক এজনক তেওঁৰ চলিত একাউণ্টৰ পৰা অনুমোদিত ধনৰাশিৰ উলিয়াব দিয়া হয়। এই

সুবিধা কিছুসংখ্যক সন্মানীয় আৰু নির্ভৰযোগ্য গ্ৰাহক খুউব কম সময়ৰ বাবে প্ৰদান কৰা হয়। অভাৰ ড্ৰাফ্ট হোৱা ধনৰ বিপৰীতে গ্ৰাহকে সুদ আদায় দিব লাগে।

- **বিনিময় পত্ৰৰ বিপৰীতে বাট্টা প্ৰদান ঃ** ই হ'ল এক সুবিধা য'ত ইয়াৰ গৰাকীয়ে এই বিনিময় পত্ৰ ইয়াৰ ম্যাদ পূৰণৰ আগতেই বেংকৰ পৰা বাট্টাকৰণে কৰিব পাৰে। বেংকে ইয়াৰ কমিছন বাদ দি বেংকে বাকীখিনি ধন ঋণদাতাক পৰিশোধ কৰে। ম্যাদ পূৰণৰ পিছত বেংকে বিনিময় পত্ৰ দ্বাৰা ঋণ লওঁতাৰ পৰা লাভ কৰে।

3. **বিনিয়োগ ঃ** ঋণ প্ৰদান আৰু আমানত গ্ৰহণৰ মুখ্য উদ্দেশ্যই হ'ল আয় অৰ্জন কৰা। এই আয়ৰ পৰাই বেংকে ইয়াৰ অন্যান্য খৰচ বাদ দি জমাকাৰীসকলক সুদ প্ৰদান কৰে। বেংকে আহৰণ কৰা আমানতৰ পৰা এটা অংশ বিভিন্ন ছিকিউৰিটিত বিনিয়োগ কৰে।

গৌণ কার্যাৱলী ঃ বিভিন্ন প্ৰতিনিধিত্বমূলক আৰু উপযোগিতামূলক কার্যাৱলীসমূহ গৌণ কার্যাৱলীৰ অন্তৰ্ভুক্ত। এইবোৰ তলত আলোচনা কৰা হ'ল—

- **পুঁজিৰ স্থানান্তৰ ঃ** বেংকে চেক, ড্ৰাফ্ট, মেইল স্থানান্তৰ, ইলেক্ট্ৰনিক স্থানান্তৰ ইত্যাদিৰ দ্বাৰা মিতব্যয়ী আৰু সহজে গ্ৰাহকৰ পুঁজি এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰ কৰাত হাত আগবঢ়ায়।
- **পুঁজি সংগ্ৰহ আৰু পৰিশোধ কৰা ঃ** বেংকে গ্ৰাহকৰ হৈ চেক, বিল, সুদ, লাভাংশ, অৰিহনা, ভাড়া আৰু অন্যান্য পাওনা সংগ্ৰহ কৰে আৰু বিভিন্ন কৰ, বীমা প্ৰিমিয়াম, ইত্যাদি ইয়াৰ গ্ৰাহকৰ বিভিন্ন চুক্তি অনুসৰি পৰিশোধ কৰে।
- **বৈদেশিক মুদ্ৰাৰ ক্ৰয়-বিক্ৰয় ঃ** কিছুমান অনুমোদিত বাণিজ্যিক বেংকে (কেন্দ্ৰীয় বেংকৰ অনুমোদন পোৱা) বৈদেশিক মুদ্ৰাৰ ব্যৱসায় কৰে। তেওঁলোকে গ্ৰাহকৰ হৈ বৈদেশিক মুদ্ৰাৰ ব্যৱসায় কৰে। তেওঁলোকে গ্ৰাহকৰ হৈ বৈদেশিক মুদ্ৰাৰ ক্ৰয়-বিক্ৰয় কৰে আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ প্ৰসাৰত অৰিহনা আগবঢ়ায়।
- **চুক্তি পত্ৰৰ ক্ৰয়-বিক্ৰয় ঃ** বাণিজ্যিক বেংকে গ্ৰাহকৰ হৈ ব্যক্তিগত তথা চৰকাৰী কোম্পানীৰ চুক্তিপত্ৰ ক্ৰয়-বিক্ৰয় কৰে।
- **আয় কৰৰ পৰামৰ্শদাতা ঃ** তেওঁলোকে গ্ৰাহকক আয় কৰৰ ওপৰত বিভিন্ন পৰামৰ্শ আগবঢ়ায় আৰু তেওঁলোকৰ হৈ আয় কৰৰ ৰিটার্ণ পর্যন্ত প্ৰস্তুত কৰি দিয়ে।
- **ন্যাস ৰক্ষক আৰু কার্যকাৰিতা ঃ** বেংকে ইয়াৰ গ্ৰাহকৰ ইচ্ছাপত্ৰ সংৰক্ষণ কৰে আৰু তেওঁলোকৰ মৃত্যুৰ পাছত ইয়াক কার্যকৰী কৰে।
- **তথ্য সম্বলিত পত্ৰ ঃ** বাণিজ্যিক বেংকে ইয়াৰ গ্ৰাহকৰ অর্থনৈতিক অৱস্থাৰ তথ্য ব্যৱসায়ীসকলক যোগান ধৰে আৰু ঠিক সেইদৰে অন্যান্য ব্যৱসায়ীসকলৰ তথ্য ইয়াৰ গ্ৰাহকক যোগান ধৰে।

সাধাৰণ উপযোগী কার্য ঃ বাণিজ্যিক বেংকে কিছুমান সাধাৰণ উপযোগী সেৱা যেনে লকাৰৰ সুবিধা, ধন স্থানান্তৰ, ভ্রাম্যমান ধনাদেশ, লেটাৰ অফ ক্রেডিট, প্রত্যাভুতি দাতা ইত্যাদি সেৱাৰ যোগান ধৰে।

২.৪.৩ বিনিয়োগ বেংক

উদ্যোগসমূহৰ দীর্ঘকালীন বিত্তৰ প্রয়োজন পুৰাবৰ বাবে বিনিয়োগ বেংকসমূহে পুঁজিৰ যোগান ধৰে। অংশ পত্র, ঋণ পত্র, ঋণ আৰু ৰাইজৰ পৰা দীর্ঘকালীন জমা সংগ্রহ কৰি সিহঁতে পুঁজি সংগ্রহ কৰে। বাণিজ্যিক বেংকসমূহৰ দৰে এই বেংকবোৰে ৰাইজৰ পৰা জমা সংগ্রহ নকৰে। ভাৰতবর্ষত বিনিয়োগ বেংকসমূহক উন্নয়নী বেংক বুলিও জনা যায়। ভাৰতীয় উদ্যোগিক ঋণ আৰু বিনিয়োগ নিগম (ICICI) আৰু ভাৰতীয় উদ্যোগিক বিকাশ বেংক উন্নয়নী বেংক আছিল। পিছলৈ দুয়োটাকে বাণিজ্যিক বেংকলৈ ৰূপান্তৰ কৰা হয় যাক বর্তমান ICICI বেংক আৰু IDBI বেংক হিচাপে জনা যায়। তেওঁলোকৰ উদ্দেশ্য হৈছে দেশ আৰু জনসাধাৰণৰ উন্নয়নৰ বাবে প্রয়োজনীয় দিশসমূহ চোৱা।

২.৪.৪ বিনিময় বেংক

বর্তমান দিনত প্রত্যেকখন দেশৰে অর্থনীতিত বৈদেশিক বাণিজ্যই বিশেষ ভুমিকা পালন কৰে। বৈদেশিক বাণিজ্যৰ প্রয়োজনসমূহ যেনে— বিনিময়ৰ সুবিধা, হ্রস্বকালীন বিত্ত আৰু জামিন ইত্যাদি পুৰাবৰ বাবে বিশেষ বেংক কিছুমান আছে। তেনে বেংকসমূহক বিনিময় বেংক বা আমদানি ৰপ্তানী বেংক বোলা হয়। বহু ক্ষেত্রত বাণিজ্যিক বেংকসমূহে বিনিময় বেংকৰ কার্য সম্পাদন কৰে।

২.৪.৫ সমবায় বেংক

সমবায় বেংকেও বেংকিং ব্যৱসায় কৰে কিন্তু এইবোৰ সহযোগীতাৰ নীতিত প্রতিষ্ঠিত আৰু সমবায় প্রতিষ্ঠান আইনৰ অধীনত পঞ্জীকৃত। কৃষকসকল আৰু গ্রাম্য শিল্পীসকলে সমবায় বেংকসমূহ প্রতিষ্ঠা কৰে আৰু তেনে বেংকৰ পৰা তেওঁলোকৰ হ্রস্বম্যাদী বিত্তীয় প্রয়োজনসমূহ পূৰণ কৰে। ভাৰতবর্ষত সমবায় বেংকৰ তিনি তৰপীয়া সংগঠন আছে। একেবাৰে শীর্ষত আছে ৰাজ্যিক পর্যায়ৰ ৰাজ্যিক সমবায় বেংক, যিয়ে দেশৰ সমগ্র সমবায় বেংকসমূহ নিয়ন্ত্রণ কৰে। জিলা পর্যায়ত কেন্দ্রীয় সমবায় বেংক যিবোৰ ৰাজ্যিক সমবায় বেংক আৰু প্রাথমিক সমবায় বেংকসমূহৰ মাজত যোগসূত্র হিচাপে কাম কৰে। একেবাৰে তলৰ খাপত আছে প্রাথমিক সমবায় বেংকসমূহ যিবোৰ প্রকৃত হিতাধিকাৰী যেনে যেতিয়া গ্রাম্য শিল্পী ইত্যাদিবোৰক ঋণৰ যোগান ধৰে।

২.৪.৬ কেন্দ্রীয় বেংক

কেন্দ্রীয় বেংক হ'ল এখন দেশৰ বেংকসমূহৰ মুখ্য বেংক। এই বেংকবোৰে

দেশৰ বেংকিং খণ্ডক নিয়ন্ত্রণ আৰু পৰিচালনা কৰে। কেন্দ্রীয় বেংকে চৰকাৰৰ বেংক হিচাপেও কাম কৰে আৰু দেশৰ উন্নয়ন আৰু প্রগতিৰ মূল হেতা হিচাপে কাম কৰে। দেশৰ মুদ্রা আৰু বেংক ব্যৱস্থাত ই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে আৰু ঋণ নিয়ন্ত্রণ ইত্যাদি ব্যৱস্থাৰে আর্থিক সুস্থিৰতা ধৰি ৰাখে। ভাৰতীয় ৰিজার্ভ বেংক হৈছে ভাৰতৰ কেন্দ্রীয় বেংক। ঠিক তেনেদৰে ফেডাৰেল ৰিজার্ভ চিষ্টেম আৰু বেংক অফ ইংলেণ্ড হৈছে ক্রমে মার্কিন যুক্তৰাষ্ট্র আৰু ইংলেণ্ডৰ কেন্দ্রীয় বেংক।

২.৫ ৰিজার্ভ বেংকৰ দ্বিতীয় সূচী অনুসৰি শ্রেণী বিভাজন

ভাৰতীয় ৰিজার্ভ বেংক আইন ১৯৩৪ৰ দ্বিতীয় সূচী অনুসৰি ভাৰতবর্ষত বেংকসমূহক অনুসূচীভুক্ত আৰু অনুসূচী বর্হিভূত এই দুই ভাগত ভগাব পাৰি।

২.৫.১ অনুসূচীভুক্ত বেংক

ভাৰতীয় ৰিজার্ভ বেংকৰ দ্বিতীয় অনুসূচীত পঞ্জীভুক্ত হোৱা বেংকসমূহে হৈছে অনুসূচীভুক্ত বেংক। এটা বাণিজ্যিক বেংক এই অনুসূচীভুক্ত হ'বলৈ তলত দিয়া চর্তসমূহ পুৰণ কৰিব লাগিব।

- বেংকটোৱে ভাৰতবর্ষত ব্যৱসায় চলাই থাকিব লাগিব।
- ই ভাৰতীয় কোম্পানী আইন ১৯৫৬ৰ ধাৰা ৬ৰ অন্তর্ভুক্ত এটা কোম্পানী হ'ব লাগিব বা অন্য দেশত বলবৎ থকা কোনো আইনৰ অধীনত স্থাপন কৰা হ'ব লাগিব বা ভাৰতবর্ষৰ কেন্দ্রীয় চৰকাৰে জাননী জাৰি কৰা কোনো অনুষ্ঠান হ'ব লাগিব।
- আদায়ী মূলধন আৰু সংৰক্ষণৰ একত্রীত বিনিময় মূল্য ৫ লাখতকৈ কম হ'ব নালাগিব।
- বেংকটোৱে ৰিজার্ভ বেংকক পতিয়ান নিয়াব পাৰিব লাগিব যে বেংকটোৰ কাম-কাজে কেতিয়াও গ্রাহকৰ স্বার্থ বিনস্ত নকৰে।

  অনুসূচীভুক্ত বেংকসমূহ ৰিজার্ভ বেংকৰ বিভিন্ন ঋণ নিয়ন্ত্রণ ব্যৱস্থাৰ একতিয়াৰৰ অধীন। তেওঁলোকে ৰিজার্ভ বেংকৰ লগত এক ন্যূনতম জমা ৰাখিবলৈ আৰু ৰিজার্ভ বেংকে কৰিব দিয়া কিছুমান কাম কৰিবলৈ বদ্ধপৰিকৰ। তেওঁলোকে ৰিজার্ভ বেংকৰ পৰা কিছুমান সুবিধা যেনে— পুনঃ বিত্তায়ন ইত্যাদি গ্রহণ কৰিব পাৰে।

২.৫.২ অনুসূচী বর্হিভুত বেংক

যিবোৰ বেংক ৰিজার্ভ বেংকৰ দ্বিতীয় অনুসূচীত তালিকাভুক্ত হোৱা নাই সেই সমূহ বেংককক অনুসূচী বর্হিভুত বেংক বোলে। ইহঁতবোৰক চাৰিটা ভাগত ভাগ কৰিব পাৰি—

- যিবোৰ বেংকৰ আদায়কৃত মূলধন আৰু সংৰক্ষণৰ পৰিমাণ ৫ লাখতকৈ বেছি।
- যিবোৰ বেংকৰ আদায়কৃত মূলধন আৰু সংৰক্ষণৰ পৰিমাণ ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকাৰ ভিতৰত।
- যিবোৰ বেংকৰ আদায়কৃত মূলধন আৰু সংৰক্ষণৰ পৰিমাণ ১ লাখৰ পৰা ৫ লাখ টকাৰ ভিতৰত।
- যিবোৰ বেংকৰ আদায়কৃত মূলধন ৫০ হাজাৰতকৈ কম।

অনুসূচীত বেংকসমূহে ৰিজাৰ্ভ বেংকৰ পৰা যিবোৰ সুবিধা পায় তেনে সুবিধাসমূহৰ পৰা অনুসূচীৰ বৰ্হিভূত বেংকসমূহ বঞ্চিত হয়। এনেধৰণৰ বেংক বৰ্তমান ভাৰতবৰ্ষত দেখা নাযায়।

২.৬ স্থানৰ ভিত্তিত শ্রেণীবিভাজন

কোন দেশত বেংকটো প্রতিষ্ঠা কৰা হৈছে তাৰ ভিত্তিত বেংকসমূহক (ক) দেশীয় বেংক আৰু (খ) বৈদেশিক বেংক হিচাপে বিভক্ত কৰা হৈছে।

২.৬.১ দেশীয় বেংক

এইবোৰ হৈছে ভাৰতবৰ্ষত পঞ্জীয়ন আৰু প্রতিষ্ঠা কৰা বেংক। এই বেংকসমূহ ভাৰতীয় আইনৰ দ্বাৰা প্রতিষ্ঠিত আৰু নিশ্চিত। ভাৰতবৰ্ষৰ আইনৰ অধীনত প্রতিষ্ঠা কৰা সকলো ৰাজহুৱা আৰু ব্যক্তিগত বেংকে দেশীয় বেংক।

২.৬.২ বৈদেশিক বেংক

বৈদেশিক বেংকসমূহ ভাৰতবৰ্ষৰ বাহিৰত বিদেশী ৰাষ্ট্রৰ আইন মতে প্রতিষ্ঠিত আৰু পঞ্জীকৃত কিন্তু শাখাৰ সহায়ত ভাৰতবৰ্ষত ব্যৱসায় চলায়। বৈদেশিক বেংকসমূহে বৈদেশিক মুদ্রাৰ লেনদেনৰ বাহিৰে সাধাৰণ বেংকৰ কাম কাজও কৰে। বৈদেশিক বেংকসমূহ ৰিজাৰ্ভ বেংকৰ দ্বিতীয় অনুসূচীত অন্তর্ভুক্ত কিন্তু ইহঁতৰ পঞ্জীকৃত কার্যালয় ভাৰতৰ বাহিৰত অৱস্থিত। দ্বিতীয় বিশ্বযুদ্ধলৈ এই বেংকসমূহে ভাৰতৰ বৈদেশিক বাণিজ্যত এক অগ্রহণী ভুমিকা পালন কৰিছিল। তেতিয়াৰে পৰা ভাৰতবৰ্ষত কিছুমান আগশাৰীৰ বেংকে আন্তঃৰাষ্ট্রীয় বাণিজ্যৰ ক্ষেত্রখনত সোমাই পৰে। একেদৰে বৈদেশিক বেংকসমূহেও ৰাষ্ট্রীয় বাণিজ্যৰ ক্ষেত্রখনত সোমাই পৰে আৰু ভাৰতীয় বেংকসমূহৰ লগত জমা সংগ্রহৰ ক্ষেত্রত বিল বাট্টাকৰণ আৰু ব্যৱসায় প্রতিষ্ঠান সমূহক ঋণ প্রদানৰ ক্ষেত্রত প্রতিযোগিতাত নামি পৰে। ২০০৮ চনৰ মার্চ মাহলৈ ভাৰতবৰ্ষত ২৭৯ শাখাৰ সৈতে ২৯টা বৈদেশিক বেংক আছিল।

২.৭ মালিকীস্বত্বৰ ভিত্তিত শ্ৰেণীবিভাজন

মালিকীস্বত্বৰ ভিত্তিত ভাৰতৰ বাণিজ্যিক বেংকসমূহক ৰাজহুৱা খণ্ডৰ বেংক আৰু ব্যক্তিগত খণ্ডৰ বেংক হিচাপে ভাগ কৰিব পাৰি।

২.৭.১ ৰাজহুৱা খণ্ডৰ বেংক


ৰাজহুৱা বেংকে ভাৰতীয় টেষ্ট বেংক, ইয়াৰ পাঁচটা সহযোগী বেংক আৰু ২০টা ৰাষ্ট্ৰীয়কৃত বেংকক সামৰি লয়। ভাৰতীয় ষ্টেট বেংক হৈছে দেশৰ ভিতৰতে সৰ্ববৃহৎ বাণিজ্যিক বেংক। ১৮০৬ চনত বেংক অফ কলকাতা (পিছলৈ বেংক অফ বেংগল) প্ৰতিষ্ঠা কৰোতে প্ৰকৃততে ইয়াৰ স্থাপনা হৈছিল। পিছলৈ ইয়াক বেংক অফ মাদ্ৰাছ আৰু বেংক অফ বোম্বেৰ লগত সংযোজন ঘটাই ইম্পেৰিয়েল বেংক অফ ইণ্ডিয়ালৈ ৰূপান্তৰ কৰা হৈছিল। ইম্পেৰিয়েল বেংক অফ ইণ্ডিয়াৰ অংশসমূহ ভাৰতীয় ৰিজাৰ্ভ বেংকে কিনি লোৱাৰ পিছত ১ জুলাই ১৯৫৫ৰ অধীনত ভাৰতীয় ষ্টেট বেংকৰ স্থাপনা হৈছিল। সমবায় প্ৰতিষ্ঠান, স্বনিয়োজিত ব্যক্তি আৰু ক্ষুদ্ৰ কুটিৰ উদ্যোগ সমূহলৈ ঋণ আগবঢ়োৱাত ভাৰতীয় ষ্টেট বেংকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে অন্য ৰাজ্যসমূহ থকা ষ্টেট বেংকসমূহকো ৰাষ্ট্ৰকৰণ কৰে আৰু সেইবোৰ ষ্টেট বেংকৰ সহযোগী বেংক কৰি দিয়ে। আগতে ষ্টেট বেংকৰ ৮টা সহযোগী বেংক আছিল। কিছুমান বেংক সংযোজনৰ পিছত বৰ্তমান ভাৰতীয় ষ্টেট বেংকৰ সংযোগী বেংকৰ সংযোগ হৈছেগৈ ৫টা সেইবোৰ হৈছে— ষ্টেট বেংক অফ বিকণেৰ আৰু জয়পুৰ, ষ্টেট বেংক অফ হাইদৰাবাদ, ষ্টেট বেংক অফ মাইছোৰ, ষ্টেট বেংক অফ পাটিয়ালা আৰু ষ্টেট বেংক অফ ট্ৰিভাংকৰ।

ৰাষ্ট্ৰীয়কৰণৰ প্ৰথম স্তৰত, ১৯৬৯ চনত ১৪টা ব্যক্তিগত খণ্ডৰ বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু দ্বিতীয় স্তৰত ৮টা ব্যক্তিগত খণ্ডৰ বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। পিছলৈ ১৯৯৩ চনত নিউ বেংক অফ ইণ্ডিয়াক পাঞ্জাৱ নেচনেল বেংকৰ লগত সংযোজন কৰা হৈছিল। ২০০৪ চনত IDBI বেংকে বাণিজ্যিক বেংকৰ মৰ্যদা পাই আৰু ৰিজাৰ্ভ বেংকে অন্য ৰাজহুৱা খণ্ডৰ বেংকৰ স্বীকৃতি প্ৰদান কৰে। বৰ্তমান ভাৰতবৰ্ষত IDBI বেংক সহিতে ২০টা ৰাজহুৱা খণ্ডৰ বেংক আছে।

২.৭.২ ব্যক্তিগত খণ্ডৰ বেংক

ব্যক্তিগত খণ্ডৰ বেংকে অনুসূচীভুক্ত আৰু অনুসুচী বৰ্হিভূত দুয়োধৰণৰ বেংকক সামৰি লয়। এই বেংকসমূহে অন্য বেংকৰ দৰে সকলো কাম-কাজ কৰে আৰু ৰিজাৰ্ভ বেংকৰ নীতি-নিয়মসমূহ মানি চলে। ব্যক্তিগত খণ্ডৰ বেংকসমূহক আকৌ পুৰণি ব্যক্তিগত খণ্ডৰ বেংক আৰু যিবোৰ ১৯৯১ চনৰ পিছত স্থাপন কৰা হৈছে সেইবোৰক নতুন ব্যক্তিগত খণ্ডৰ বেংক হিচাপে ভাগ কৰা হৈছে। ২০০৮ চনৰ ৩১ মাৰ্চলৈ ১৭টা

পুৰণি ব্যক্তিগত বেংক আৰু ৮টা নতুন ব্যক্তিগত বেংক আছিল আৰু এই বেংকসমূহৰ মুঠ ৮২৯৪ টা শাখা আছিল যিটো দেশৰ সৰ্বমুঠ বেংক শাখাৰ ১০.৫ শতাংশ আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ঘৰুৱা বেংকৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ২ঃ ব্যক্তিগত খণ্ডৰ বেংকৰ সংজ্ঞা দিয়ক।

.....

.....

২.৮ সাংগঠনিক গাঁথনিৰ ভিত্তিত শ্ৰেণীবিভাজন

সাংগঠনিক গাঁথনিৰ ভিত্তিত বেংকসমূহক গোট বেংকিং, চেইন বেংকিং, শাখা বেংকিং আৰু সাৰ্বজনিক বেংক হিচাপে ভাগ কৰিব পাৰি।

২.৮.১ গোট বেংকিং

গোট বেংকিংত বেংকটোৰ কাম-কাজ এক নিৰ্দিষ্ট এলেকাৰ ভিতৰত সীমাবদ্ধ থাকে। গোট বেংকিং এ ইয়াৰ থলুৱা গ্ৰাহকৰ ওপৰত নিৰ্ভৰ কৰে। গোট বেংকিং এ সেই এলেকাটোৰ বাসিন্দাসকলৰ বাবে এক বৃহৎ সুবিধা আনে। গোট বেংকিং এ ইয়াৰ মূলধন আৰু জমা থলুৱাভাৱে ব্যৱহাৰ কৰিব লাগে। গোট বেংকিংৰ ক্ষেত্ৰত এখন নগৰত কেইটা বেংকৰ কেইটা কাৰ্যলয় থাকিব সেইটো হৈছে ন্যূনতম জমা আৰু ঋণৰ ফলন। আনহাতে শাখা বেংকিংৰ ক্ষেত্ৰত ই হৈছে যোগফলৰ ফলন। লোকেল এৰিয়া বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংক হৈছে গোট বেংকৰ প্ৰতিৰূপ।

গোট বেংকিঙৰ সুবিধা ঃ সীমিত আৰু নিয়ন্ত্ৰিত এলেকাৰ ভিতৰত গোট বেংকিংৰ কাম-কাজ সীমাবদ্ধ কাৰণে ইয়াৰ কিছুমান সুবিধা আছে। সেইবোৰ হৈছে—

- গোট বেংকিঙত বেংকটো স্থানীয় পৰিস্থিতি আৰু প্ৰয়োজনৰ বিষয়ে অবগত হয়। আৰ্থিক সমস্যাসমূহ আৰু স্থায়ী বাসিন্দা আৰু ব্যৱসায়ীসমূহৰ প্ৰয়োজনৰ বিষয়ে অবগত হোৱা বাবে তেওঁলোকৰ উপযোগী হোৱাকৈ বেংকটোৱে বিভিন্ন বিত্তীয় সম্পদসমূহৰ পৰিকল্পনা আৰু বজাৰকৰণৰ ব্যৱস্থা কৰে।
- বেংকটোৱে এক বন্ধুত্বসুলভ আৰু তদাৰককাৰী হিচাপে এখন ছবি প্ৰতিফলিত কৰে, যিটোৱে ব্যক্তি আৰু ব্যৱসায়ীসকলৰ বিশ্বাস বঢ়াই। ই বেংকটোক গ্ৰাহকৰ সৈতে দীৰ্ঘদিনীয়া সম্পৰ্ক ৰক্ষাত সহায় কৰে।
- গোট বেংকিংৰ পৰিচালনা খৰচ শাখা বেংক ব্যৱস্থাতকৈ যথেষ্ট কম।

- গোট বেংকিংৰ কর্মচাৰীসকলৰ মাজৰ সম্পর্ক যথেষ্ট ভাল হয় যিটোৱে কর্মচাৰীসকলৰ মাজত বুজাবুজি আৰু বিশ্বাস গঢ়ি তোলাত সহায় কৰে। ইয়াৰ ফলত কার্যালয়ত এক সুস্থ বাতাবৰণ গা কৰি উঠে আৰু কর্মচাৰীসকলৰ কামৰ উৎপাদনশীলতা বৃদ্ধি কৰে।
- বেংকটোৰ কার্যৰ ওপৰত প্রত্যক্ষ নিয়ন্ত্রণ আৰু তদাৰক সম্ভৱ হয় বাবে জালিয়তি বা ঠগবাজিৰ পৰা হ'ব পৰা লোকচানৰ আশংকা কম হয়।

গোট বেংকিংৰ অসুবিধা ঃ গোট বেংকিংৰ অসুবিধাসমূহ তলত দিয়া ধৰণৰ—

- ব্যৱসায় এক সীমিত পৰিমাণৰ ঠাইত সীমাবদ্ধ কাৰণে বিভিন্ন ধৰণৰ ব্যৱসায়িক শংকাৰ সন্মুখীন হ'ব লগা হয়।
- গ্রাহকলৈ আগবঢ়োৱা সেৱাৰ সংখ্যা সীমিত হোৱাৰ বাবে ই সেৱাৰ মানদণ্ডৰ মান নিম্ন কৰে।
- বেংকটোৰ ব্যৱসায় ঠাইখিনিৰ আর্থিক অৱস্থা আৰু উন্নতিৰ ওপৰত নির্ভৰ কৰে।

২.৮.২ শাখা বেংকিং ব্যৱস্থা

Banking Regulations Act 1949 ৰ মতে, বেংকিং কোম্পানীৰ ক্ষেত্রত, শাখা বা শাখা কার্যালয় মানে, যাক আদায় কার্যালয় বা উপ আদায় কার্যালয় বা অন্য কোনো নামেৰে মাতা হয়, য'ত ধন জমা ৰখা হয়, ধনাদেশ ভঙোৱা হয় আৰু ঋণ দিয়া হয় আৰু ধাৰা ৩৫ ৰ অধীনত অন্যান্য ব্যৱসায়ীক ঠাই য'ত ধাৰা ৬ উপধাৰা ১ ৰ অধীনত দিয়া যিকোনো লেনদেন কৰা হয়। সেয়েহে, এটা শাখা হ'ল কার্যালয় য'ত বেংকিং লেনদেন যেনে ঋণ দিয়া বা বিনিয়োগ কৰাৰ বাবে ধন জমা লোৱা বা অন্য সকলোধৰণৰ বেংকিং সেৱা আগবঢ়াই। শাখা বেংকিং হৈছে বৃহৎ ভৌগলিক এলেকা সামৰি থকা এক বহু শাখা যুক্ত এক ব্যৱস্থা।

শাখা বেংকিঙৰ সুবিধা ঃ

শাখা বেংকিং ব্যৱস্থা গোট বেংকিং ব্যৱস্থাতকৈ তলত দিয়া বিষয়বোৰত সুবিধাজনকঃ

- **বহল ভিত্তিত কার্যকৰণ ঃ** শাখা বেংকিঙে বহল ভিত্তিত কার্যকৰণৰ সুবিধাসমূহ গ্রহণ কৰিব পাৰে। ইহঁতৰ বৃহৎ পৰিমাণৰ মূলধন, মানব সম্পদ থাকে আৰু বৃহৎ ভৌগলিক এলেকা সামৰি থাকে। এই সকলোবোৰে ব্যয় হ্রাসত সহায় কৰে আৰু কার্যদক্ষতা বৃদ্ধি কৰে।
- **বৃহৎ সংখ্যক গ্রাহক ঃ** যিহেতু শাখা বেংকিঙত ব্যৱসায় কৰাৰ কোনো ভৌগলিক সীমাবদ্ধতা নাথাকে সেয়েহে গ্রাহকৰ সংখ্যা বহুত হয়। যাৰ বাবে বেংকটোৰ ব্যৱসায় সম্প্রসাৰণত হয় আৰু উদ্ভাৱনত সহায় হয়।
- **জমা সংগ্রহ ঃ** বৃহৎ ভৌগলিক বিস্তৃতি বাবে সম্পদ আহৰণ আৰু উপযোগ কৰাৰ ক্ষেত্রত শাখা বেংকিঙত কোনো অসুবিধা নাথাকে। ই বেংকিং ব্যৱসায়ত

বৃহৎ পৰিমাণৰ বিত্তীয় সম্পদ সঞ্চয় কৰাত সহায় কৰে।

- **সুস্থ ঋণ নিয়ন্ত্রণ ঃ** শাখা বেংকিঙত বেংকে সম্পদৰ উচিত উপযোগ কৰিব পাৰে। কিছুমান এনে ঠাই আছে য'ত শাখা এটাই ঋণ দিয়াতকৈ বেছি পৰিমাণৰ ধন জমা পায়। তেনে ক্ষেত্রত এটা শাখাই জমা পোৱা ৰাহি ধনখিনি অন্য এটা শাখাই ঋণ হিচাপে বিনিয়োগ কৰিব পাৰে। যেতিয়ালৈ সকলো ঠাইতে মূলধনৰ যোগান আৰু চাহিদা একে নহয় তেতিয়ালৈ শাখা সমূহে হয় জমা সংগ্রহ বা ঋণ প্রদানত বিশেষত্ব পাই থাকিব।
- **শংকাৰ বিস্তৃতকৰণ ঃ** শাখা বেংকিং এ শংকাৰ বিস্তৃতকৰণত সহায় কৰে আৰু শংকাৰ পৰিমাণ হ্রাস কৰে। এটা খণ্ডত হোৱা লোকচান আন এটা খণ্ডত হোৱা লাভৰ দ্বাৰা কমোৱাৰ চেষ্টা কৰা হয়, যিটোৰে শংকাৰ নিৰপেক্ষকৰণ কৰে আৰু লোকচানৰ পৰা ৰক্ষা কৰে। পৃথকিকৰণৰ দ্বাৰা এটা বিশেষ সম্পত্তিৰ লগত লাগি থকা শংকাৰ হ্রাস কৰে বেংকক সম্পত্তি আৰু দেনাৰ সামঞ্জস্য কৰাত সহায় কৰে।
- **উন্নতমানৰ সেৱা ঃ** শাখা বেংকৰ বৃহৎ বিস্তৃতি, কৌশলী মানৱ সম্পদ আৰু বৃহৎ বিত্তীয় সম্পদ থকা বাবে বেংকটোৱে নতুন সেৱা উদ্ভাৱন আৰু সেৱাৰ মান উন্নত কৰিব পাৰে।

শাখা বেংকিঙৰ অসুবিধা ঃ শাখা বেংকিং ব্যৱস্থা অসুবিধাৰ পৰা মুক্ত নহয়। সেইবোৰ হৈছে—

- **শাখাসমূহত অত্যাধিক ব্যয় ঃ** শাখা বেংকিং এ বৃহৎ মাত্রাত পৰিচালনাৰ সুবিধাসমূহ লাভ কৰিলেও এই ব্যৱস্থাত অক্ষম শাখাসমূহৰ পৰা লোকচানৰ সন্মুখীন হ'ব লগা হয়। সকলোবোৰ শাখাৰে ব্যৱসায় আৰু আয় সমান নহয়। কিছুমান শাখাত উচ্চ পৰিচালনা ব্যয় কিন্তু কম পৰিমাণৰ ব্যৱসায় থাকিব পাৰে আৰু ই উচ্চ পৰিচালনা ব্যয়ৰ এটা কাৰণ হ'ব পাৰে।
- **তদাৰক কৰাৰ অসুবিধা ঃ** যিহেতু শাখাসমূহ এক বৃহৎ ভৌগলিক এলেকাত বিস্তৃত হৈ থাকে সেয়েহে শাখাসমূহ তদাৰক আৰু নিয়ন্ত্রণ কৰা কৌশলসমূহৰ সফলতা আৰু দক্ষতা কম হোৱা দেখা যায়।
- **উচ্চ প্রশাসনীয় ব্যয় ঃ** বেংকটোৱে বিভিন্ন ঠাইত অৱস্থিত ইয়াৰ শাখাসমূহ নিয়ন্ত্রণ আৰু তদাৰক কৰাৰ কাৰণে বিভিন্ন ঠাইত নিয়ন্ত্রণ আৰু তদাৰককাৰী কেন্দ্র খোলে যাৰ বাবে প্রশাসনীয় খৰচ বৃদ্ধি হয়।
- **আমোলাতন্ত্রত জটিল বাধা নিষেধ ঃ** শাখা বেংকিংৰ ক্ষেত্রত আমোলাতান্ত্রিক বাধা নিষেধৰ বাবে কামসমূহ কৰোতে পলম হ'ব পাৰে। ঋণ আবেদনসমূহ সময়মতে পর্যালোচনা কৰা নহ'ব পাৰে যাৰ বাবে ব্যৱসায়িক কাম-কাজ বেয়াকৈ ক্ষতিগ্রস্ত হ'ব পাৰে।

২.৮.৩ গোষ্ঠী বেংকিং

এই পদ্ধতিত বেংকসমূহৰ এটা গোষ্ঠী এটা কেন্দ্রীয় কোম্পানীৰ অধিনলৈ অনা হয়। কেন্দ্রীয় কোম্পানীটোৱে সাধাৰণতে ইয়াৰ নিয়ন্ত্রণত থকা কোম্পানীসমূহৰ সৰহসংখ্যক অংশ নিয়ন্ত্রণ কৰে। যিবোৰ কোম্পানীৰ অংশ কেন্দ্রীয় কোম্পানীটোৱে নিয়ন্ত্রণ কৰে তেনে কোম্পানীসমূহক সহকাৰী কোম্পানী বোলে। যিবোৰ বেংকে গোষ্ঠী এটা আৰম্ভ কৰে সেইবোৰ গোট বেংক বা শাখা বেংক হ'ব পাৰে নাইবা দুয়োটা হ'ব পাৰে। গোষ্ঠী বেংকিংত প্রত্যেকৰে নিজা পৰিচয় আছে আৰু বেলেগে বেলেগ পৰিচালনা পদ্ধতি আছে। কিন্তু সিদ্ধান্ত লোৱাৰ সময়ত কেন্দ্রীয় কোম্পানীটোৱে এক মুখ্য ভুমিকা পালন কৰে।

সুবিধা ঃ

- **সম্পত্তিৰ একত্রিকৰণ ঃ** কেন্দ্রীয় কোম্পানীটোৱে সকলো বেংকৰে এক বৃহৎ পৰিমাণৰ সম্পত্তি একত্রিত কৰে যিবোৰ বেছি লাভৱানভাৱে ব্যৱহাৰ কৰিব পৰা যায়।
- **সুস্থ পুঁজি পৰিচালনা ঃ** যিহেতু সকলোবোৰ বেংক এটা গোষ্ঠীৰ অধিনতে হয় তেওঁলোকৰ কাম-কাজসমূহ সমমানৰ হয় আৰু প্রয়োজনত এটা বেংকে আন এটা বেংকলৈ পুঁজি হস্তান্তৰ কৰিব পাৰে। সেয়েহে, সুস্থ পুঁজি পৰিচালনা সম্ভৱ হয়।
- **বহল ভিত্তিত কার্যকৰণৰ সুবিধা ঃ** এই পদ্ধতিত বেংকসমূহে বহল ভিত্তিত কার্যকৰণৰ সুবিধাসমূহ লাভ কৰে আৰু খৰচসমূহ কমাব পৰা অৱস্থাত থাকে।
- **একত্রিত নোহোৱাকৈ সুবিধা লাভ ঃ** এই ব্যৱস্থাত বেংকসমূহে নিজৰ নিজৰ পৰিচয় নোহোৱাকৈ আৰু একত্রিত নোহোৱাকৈ বহল ভিত্তিত কার্যকৰণৰ সুবিধাসমূহ আদায় কৰিব পাৰে।
- **প্রতিযোগিতাৰ পৰা বিৰত থাকে ঃ** এই ব্যৱস্থাত যিহেতু বেংকসমূহ এটা গোষ্ঠীৰ অধিনত থাকে। সেয়েহে সিহঁতে নিজৰ মাজতে অসুস্থ প্রতিযোগিতাত নামি নপৰে।

অসুবিধা ঃ

- **একচেটিয়া অধিকাৰ ঃ** গোষ্ঠীবোৰে সময়ৰ লগে লগে বেংকিং ক্ষেত্রখনত একচেটিয়া অধিকাৰ সাব্যস্ত কৰা আৰম্ভ কৰিব পাৰে। যিটো এক সুস্থ ধাৰা নহয়।
- **মনোমালিন্যৰ শংকা ঃ** লাভৰ ভিন্ন পৰিমাণ, কর্মচাৰীৰ ভিন্ন সুবিধা আৰু নীতিৰ ভিন্নতাৰ কাৰণে বিভিন্ন গোট বেংকসমূহৰ মাজত মনোমালিন্য গা কৰি উঠাৰ সম্ভাৱনা দেখা যায়।

২.৮.৪ চেইন বেংকিং

চেইন বেংকিং সাধাৰণতে আমেৰিকা যুক্তৰাষ্ট্ৰত দেখা যায়। এই ব্যৱস্থাত এজন বা এজনতকৈ বেছি ব্যক্তিৰ এটা গোটে দুটা বা ততোধিক বেংকৰ বেছি ভাগ অংশ দখল কৰি সেই বেংকবোৰক নিয়ন্ত্ৰণ কৰে। ব্যক্তিজনে বা ব্যক্তিসমূহে গোট বেংকসমূহত তেওঁলোকৰ নিজৰ সঞ্চালক নিযুক্তি দিয়ে আৰু নিজে বিভিন্ন গোটৰ সঞ্চালক হিচাপে কার্যনির্বাহ কৰে। এনেধৰণে যিবোৰ গোট বেংকৰ অংশসমূহ কিছুসংখ্যক ব্যক্তিয়ে অধিগ্ৰহণ কৰি থাকে তেনে গোটসমূহে এটা শৃংখল বা চেইন সাজি গোষ্ঠী বেংকিঙৰ সুবিধাসমূহ আদায় কৰিব পাৰে।

২.৮.৫ সার্বজনিক বা ইউনিভাছেল বেংকিং

সার্বজনিক বেংক হৈছে বাণিজ্যিক বেংক, বিনিয়োগ বেংক, উন্নয়নী বেংক আৰু বিভিন্ন বিত্তীয় কার্যৰ এক সংমিশ্ৰণ। ই হৈছে এনে এক ঠাই য'ত এখন চালিৰ তলতে সকলোধৰণৰ বিত্তীয় সেৱা উপলব্ধ হয়। সার্বজনিক বেংক হৈছে এটা বেংক যিটোৱে বাণিজ্যিক বেংকৰ সেৱাৰ লগতে অন্য সেৱা যেনে মার্চেল বেংকৰ সেৱা, যৌথ পুঁজি, ফেক্টৰিং, ক্ৰেডিট কার্ড, গৃহ বিত্তায়ন, যান-বাহনৰ বাবে ঋণ, খুচুৰা ঋণ, বীমা ইত্যাদি সেৱাৰ যোগান ধৰে। সার্বজনিক বেংকিং বৃহৎ বেংকসমূহে কৰে। এই বেংকসমূহে বিভিন্ন কোম্পানীলৈ বৃহৎ পৰিমাণৰ পুঁজিৰ যোগান ধৰে, সেয়েহে তেনে কোম্পানীৰ নিয়ন্ত্ৰণত অংশগ্ৰহণ কৰে। এনে বেংকৰ শাখাসমূহ সমগ্ৰ দেশ তথা বিশ্বতে বিস্তৃত হৈ থাকে। তেওঁলোকে বিভিন্ন গ্ৰাহকলৈ বিভিন্ন ধৰণৰ সেৱা আগবঢ়ায়। ভাৰতবর্ষত নৰসিমহম কমিতি আৰু এচ এইচ খান কমিতিৰ প্ৰতিবেদনত ১৯৯৮ চনতে সার্বজনিক বেংকৰ উল্লেখ কৰিছে। দুয়োখন প্ৰতিবেদনতে ভাৰতবর্ষৰ বেংকিং উদ্যোগটোক সংযোজন আৰু সংলগ্নকৰণৰ দ্বাৰা একত্ৰিকৰণৰ পৰামর্শ দিছে। তেওঁলোকে সমগ্ৰ বেংকিং আৰু বিত্তীয় কার্যক সংলগ্ন কৰি সার্বজনিক বেংক গঢ়াৰ পৰামর্শ দিছে। ২০০০ চনত ICICI বেংকে ৰিজার্ভ বেংকৰ পৰা সার্বজনিক বেংকৰ অনুমোদন বিচাৰি আবেদন জনাইছিল। ৰিজার্ভ বেংকে আৰু কিছুমান ডাঙৰ থলুৱা বেংকক সার্বজনিক বেংক হিচাপে বিচাৰে।

সার্বজনিক বেংকৰ সুবিধা ঃ

সার্বজনিক বেংকৰ সুবিধাসমূহ হ'ল—

- **বৃহৎ পৰিসৰৰ মিতব্যয়িতা ঃ** সার্বজনিক বেংকসমূহত কম খৰচ, উচ্চ উৎপাদনশীলতা আৰু উন্নতমানৰ সেৱাৰ বাবে আর্থিক দক্ষতা লাভ কৰে। ভাৰতবর্ষত ৰিজার্ভ বেংকে সার্বজনিক বেংকৰ পৃষ্ঠপোষকতা কৰে। কাৰণ সার্বজনিক বেংকে বৃহৎ পৰিসৰৰ মিতব্যয়িতা আনে।

- **সম্পদৰ উপযুক্ত ব্যৱহাৰ ঃ** সার্বজনিক বেংকে গ্রাহকৰ বিপদ শংকা বহন কৰিব পৰা ক্ষমতা অনুসৰি তেওঁলোক সম্পদৰ ব্যৱহাৰ কৰে। যদিহে গ্রাহকজনৰ বিপদ শংকা বহনৰ ক্ষমতা উচ্চ হয় তেনেহ'লে সার্বজনিক বেংকটোৱে তেওঁক উচ্চ শংকা সম্পন্ন ঠাইত বিনিয়োগৰ উপদেশ দিয়া হয়। ঠিক তেনেদৰে গ্রাহকজনৰ বিপদশংকা বহনৰ ক্ষমতা কম হ'লে তেওঁক কম শংকা থকা আৰু সুৰক্ষিত ঠাইত বিনিয়োগৰ উপদেশ দিয়ে। আজিকালি সার্বজনিক বেংকে গ্রাহকৰ ধন বিভিন্ন ধৰণৰ যৌথ পুঁজিত (Mutual fund) বিনিয়োগ কৰাৰ লগতে প্রতিভুতি বজাৰত প্রত্যক্ষ ভাবেও বিনিয়োগ কৰে।
- **লাভজনক পৃথকিকৰণ ঃ** সার্বজনিক বেংকে কাম-কাজবোৰ পৃথকিকৰণ কৰে। সেয়েহে, একেজন বিত্তীয় বিশেষজ্ঞ বিভিন্ন প্রকাৰৰ বিত্তীয় সেৱা প্রদানৰ বাবে ব্যৱহাৰ কৰিব পাৰে। ই সার্বজনিক বেংকৰ ব্যয় ৰাহি কৰে।
- **সহজ বিপণন ঃ** সার্বজনিক বেংকে ইয়াৰ শাখাসমূহৰ জৰিয়তে ইয়াৰ সেৱাসমূহ সহজতে বিপণন কৰিব পাৰে। সার্বজনিক বেংকৰ সুপ্রতিষ্ঠিত মার্কাৰ বাবে এইটো সহজতে হয়। উদাহৰণস্বৰূপে ICICI বেংকে সকলো শাখাৰ তেওঁলোকৰ বর্তমান গ্রাহকসকলক গৃহ ঋণ ল'বলৈ, বীমা কৰিবলৈ, যৌথ পুঁজিত বিনিয়োগ ইত্যাদি কৰিবলৈ অনুৰোধ জনাব পাৰে। এনে কৰাটো ICICI বেংকৰ কাৰণে অতি সহজ। কাৰণ তেওঁলোকে সকলো সেৱা বা সামগ্রীৰ কাৰণে এটাই মার্কা (ICICI) ব্যৱহাৰ কৰে।
- **একে ঠাইতে সকলো সেৱাৰ সুলভতা ঃ** সার্বজনিক বেংকে সকলোধৰণৰ সেৱা এখন চালিৰ তলতে সুলভ কৰি তোলে। একে ঠাইতে সকলো বস্তু সুলভ হ'লে যথেষ্ট সময় আৰু খৰচ ৰাহি কৰে লগতে কামৰ গতি দ্রুত কৰে। এনেদৰে একে ঠাইতে সকলো সেৱাৰ যোগান ধৰাৰ ফলত বেংক আৰু গ্রাহক দুয়োপক্ষৰে সুবিধা হয়।


সার্বজনিক বেংকৰ অসুবিধা ঃ

সার্বজনিক বেংকৰ অসুবিধাসমূহ হ'ল—

- **ভিন্ন ভিন্ন নীতি-নিয়ম ঃ** সার্বজনিক বেংকে সকলোধৰণৰ সেৱা এখন চালিৰ তলতে যোগান ধৰে। কিন্তু, এই সকলোবোৰ সেৱাই বেলেগ বেলেগ নীতি নিয়ম মানি চলিব লাগে যাৰ বাবে নানা অসুবিধা হয়। উদাহৰণস্বৰূপে যৌথ পুঁজি, বীমা, গৃহ ঋণ ইত্যাদিবোৰে প্রত্যেকে বেলেগ বেলেগ নীতি নিয়ম মানি চলিব লাগে। কিন্তু সকলোবোৰ সেৱা এটা বেংকে প্রদান কৰে যাৰ বাবে গ্রাহকসকলৰ মাজত অসন্তুষ্টি হ'ব পাৰে।
- **বেংকিং ব্যৱস্থাৰ ওপৰত ব্যর্থতাৰ প্রভাব ঃ** সার্বজনীক বেংকিং সেৱা বৃহৎ বেংকসমূহে দিয়ে। যদিহে তেনে বৃহৎ বেংক এটা ব্যর্থ হয় তেনেহ'লে বেংকটোৱে

এক বৃহৎ লোকচানৰ সন্মুখীন হ'ব আৰু সমগ্ৰ বেংকিং ব্যৱস্থাৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিব। তেনেক্ষেত্ৰত বেংক ব্যৱস্থাৰ ওপৰত ৰাইজৰ বিশ্বাস হেৰাই যাব পাৰে।

- **স্বাৰ্থৰ বাবে বিবাদ ঃ** বাণিজ্যিক বেংকৰ লগত বিনিয়োগ বেংকৰ কাৰ্যৰ সংযোজন কৰিলে দুয়ো পক্ষৰে স্বাৰ্থৰ বাবে বিবাদ হ'ব পাৰে। কিছুমান বেংকে একধৰণৰ বেংকিংত বা গুৰুত্ব দিব পাৰে অন্যহাতে আন কিছুমান বেংকে অন্যধৰণৰ বেংকিঙত গুৰুত্ব দিব পাৰে। কিন্তু এনেধৰণৰ কাৰ্যৰ কোনো অৰ্থনৈতিক পৰিণাম নাথাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ গোষ্ঠী বেংকিংৰ সংজ্ঞা দিয়ক।

.....

.....



২.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বাণিজ্যিক বেংকে ব্যক্তিসমূহৰ পৰা ৰাহি টকা জমা হিচাপে সংগ্ৰহ কৰে আৰু যিসকলক টকাৰ প্ৰয়োজন তেওঁলোকক সেই ধন ঋণ হিচাপে প্ৰদান কৰে।
- বাণিজ্যিক বেংকে তিনিটা প্ৰধান ভূমিকা পালন কৰে। সেইবোৰ হ'ল—বিত্তীয় মধ্যস্থতা, পৰিশোধ ব্যৱস্থাৰ উপাদান আৰুবিত্তীয় সেৱা দিওতা।
- কাৰ্যৱলী,ভাৰতীয় ৰিজাৰ্ভ বেংক আইনৰ দ্বিতীয় সূচী,আইনগত ভিত্তি, মালিকীস্বত্ব আৰু সাংগঠনিক গঠনক ভিত্তি কৰি বেংকসমূহক বিভিন্ন ভাগত ভাগ কৰিব পাৰি ।
- ব্যক্তিগত খণ্ডই তালিকা ভুক্ত বাণিজ্যিক বেংক আৰু তালিকা বৰ্হিভুত বাণিজ্যক বেংক দুয়োতাকে সামৰি লয়।



২.১০ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy

২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ যিবোৰ বেংকৰ পৰিচালনা আৰু নিয়ন্ত্রণ ব্যক্তিগত ভাবে কৰা হয় তেনে বেংকবোৰক ব্যক্তিগত খণ্ডৰ বেংক বোলে।

২ নং প্রশ্নৰ উত্তৰঃ যিবোৰ বেংক ভাৰতবর্ষত পঞ্জীকৃত আৰু স্থাপিত সেইবোৰ বেংকক ঘৰুৱা বেংক বোলে।

৩ নং প্রশ্নৰ উত্তৰঃ এই পদ্ধতিত বেংক সমূহৰ এটা গোষ্ঠী এটা কেন্দ্রীয় কোম্পানীৰ অধিনলৈ অনা হয়।



২.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ ভাৰতবর্ষত বেংকৰ উত্থান সম্পর্কে লিখক

প্রশ্ন ২ঃ গোট বেংকিঙৰ সংজ্ঞা দিয়ক আৰু ইয়াৰ সুবিধা আৰু অসুবিধাসমূহ লিখক।

প্রশ্ন ৩ঃ গোষ্ঠী বেংকিঙৰ সুবিধা আৰু অসুবিধাসমূহ লিখক।

প্রশ্ন ৪ঃ থলুৱা বেংকাৰ বুলিলে কি বুজে? থলুৱা বেংকাৰৰ আসোঁহাসমূহ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ই-বেংকিং সম্পৰ্কীয় সমাধানসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ই-বেংকিঙৰ ধাৰণা

৩.৪ বৈদ্যুতিক ধন পৰিশোধক আদায় ব্যৱস্থা

৩.৫ প্লাষ্টিক মুদ্রা

৩.৬ বৈদ্যুতিক ধন হস্তান্তৰ

- ৩.৬.১ আৰ টি জি এছ
- ৩.৬.২ নেশ্বনেল ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰ
- ৩.৬.৩ বৈদ্যুতিক পুঁজি হস্তান্তৰ
- ৩.৬.৪ বৈদ্যুতিক চেক আদায়

৩.৭ ক'ৰ বেংকিং চলিউচন

৩.৮ পৰিশোধ প্ৰৱেশপথ

৩.৯ বৈদ্যুতিক পৰিশোধ নিৰাপত্তা

৩.১০ ই-বেংকিঙৰ সুবিধাসমূহ

৩.১১ ই-বেংকিং ব্যৱস্থাৰ অসুবিধাসমূহ

৩.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১৩ অধিক জানিবলৈ

৩.১৪ অগ্রগতিৰ খতিয়ান

৩.১৫ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অনলাইন ধন আদায় গাঁথনি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- অনলাইন ধন আদায় ব্যৱস্থা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- অনলাইন ধন আদায় ব্যৱস্থাৰ নিৰাপত্তা সম্পৰ্কে ব্যাখ্যা কৰিব।

৩.২ পৰিচয়

ই-বেংকিং ব্যৱস্থাৰ বিকাশ সাম্প্ৰতিক প্ৰযুক্তিবিদ্যাৰ এক অৱদান। সাম্প্ৰতিক সময়ছোৱাত টেলি বেংকিং, এ টি এম মেছিন, ক্ৰেডিট কার্ড, ডেবিট কার্ড, ফৰেক্স কার্ড, ইণ্টাৰনেট

বেংকিং ইত্যাদি বৈদ্যুতিক বেংকিং সেৱাসমূহৰ জনপ্রিয়তা ক্রমাৎ বৃদ্ধি হৈছে। এনেধৰণৰ বৈদ্যুতিক বেংকিং সেৱাসমূহৰ ভিতৰত ই-বেংকিং ব্যৱস্থাই বিত্তীয় বজাৰত এক উল্লেখনীয় অৱদান আগবঢ়াইছে।

এই অধ্যায়টিত আমি বৈদ্যুতিক বেংকিং, অনলাইন ধন আদায় গাঁথনি, অনলাইন ধন আদায় ব্যৱস্থা সম্পর্কে আলোচনা কৰিম।

৩.৩ ই-বেংকিঙৰ ধাৰণা

ই-বেংকিং হৈছে বেংকিং সেৱাসমূহ প্রদানৰ এক বিকল্প ব্যৱস্থা তথা গ্রাহক সেৱাৰ এক উল্লেখনীয় মাধ্যম। ই-বেংকিং হৈছে এনেধৰণৰ এক এক বেংকিং সেৱা যাৰ দ্বাৰা বেংক গ্রাহকসকলে বেংকত উপস্থিত নোহোৱাকৈ নিজ ঘৰৰ পৰাই ইণ্টাৰনেটৰ মাধ্যমেৰে তেওঁলোকৰ দৈনিক বেংকিং লেনদেন সম্পূর্ণ কৰিব পাৰে।

বেংকিং সেৱাত তথ্য প্রযুক্তিবিদ্যাৰ ব্যৱহাৰ বেংকিং লেনদেনসমূহৰ সময় ৰাহি কৰিছে তথা বেংক আৰু বেংক গ্রাহকসকলৰ মাজত যোগাযোগত এক উত্তম মাধ্যমৰূপে বিবেচিত হৈছে। সাম্প্রতিক সময়ছোৱাত ই-বেংকিং হৈছে আটাইতকৈ জনপ্রিয় বেংকিং সেৱা প্রদানৰ মাধ্যম। ইয়াৰ লগে লগে ই-বেংকিং ব্যৱস্থাৰ গ্রাকসকলৰ মাজত ব্যাপক প্রসাৰণ ঘটোৱাটো আৱশ্যকীয় হৈ পৰিছে, যাৰ জৰিয়তে বেংক আৰু বেংক দুয়ো উপকৃত হয়। ই-বেংক ব্যৱস্থাৰ উপযোগিতাসমূহৰ বাবে ই-বেংকিং সেৱাৰ গুৰুত্ব ক্রমাৎ বৃদ্ধি পাইছে। ই-বেংকিং ব্যৱস্থা ব্যয়বহুল তথা বিপজ্জনক হিচাবে পৰিগণিত হ'লেও বেংক আৰু বিত্তীয় সেৱা প্রদানকাৰী অনুষ্ঠানসমূহে ই-বেংকিঙৰ দৰে প্রযুক্তিবিদ্যাত সেৱাসমূহৰ ব্যাপক ব্যৱহাৰ কৰিছে। ইয়াৰ পৰৱর্তী আলোচনাসমূহত আমি ই-বেংকিং সেৱা প্রদান ব্যৱস্থাৰ কিছুমান নতুন নতুন মাধ্যমৰ বিষয়ে অধ্যয়ন কৰিম।

৩.৪ বৈদ্যুতিক ধন পৰিশোধক আদায় ব্যৱস্থা

বৈদ্যুতিক ধন আদায় ব্যৱস্থা এক এনেধৰণৰ ব্যৱস্থা যাৰ দ্বাৰা নগদ ধন বা চেকৰ ব্যৱহাৰ অবিহনেই সামগ্রী বা সেৱা ক্রয়ৰ বিনিময়ত ধন আদায় দিব পাৰি। সাম্প্রতিক সময়ছোৱাত ভ্রাম্যমান বা মোবাইল এ টি এম ও এক উল্লেখনীয় বেংকিং সেৱা। এনেধৰণৰ ভ্রাম্যমান বা মোবাইল এ টি এম ব্যৱস্থাৰ জৰিয়তে বেংকসমূহে বেংকিং সেৱাৰ প্রসাৰ ঘটাইছে যাৰ দ্বাৰা গ্রাহকসকলে বাহনত সংযোজিত ভ্রাম্যমান এ টি এমসমূহৰ জৰিয়তে তেওঁলোকত এ টি এম বা ডেবিট কার্ডৰ সেৱাসমূহৰ ব্যৱহাৰ কৰিব সক্ষম হৈছে।

বৈদ্যুতিক পৰিশোধ ব্যৱস্থাৰ সুবিধাসমূহ

বিভিন্নধৰণৰ সুবিধাজনিত কাৰকে বৈদ্যুতিক ধন আদায় ব্যৱস্থাৰ প্রসাৰ ঘটাইছে। এনেধৰণৰ কাৰকসমূহ হ'ল—

১) **প্রযুক্তিসেৱাৰ মূল্যৰ হ্রাস ঃ** ইণ্টাৰনেট নেটৱর্ক সেৱাৰ মূল্য হ্রাস হোৱাৰ লগে লগে বৈদ্যুতিক বেংকিং ব্যৱস্থাৰ প্রসাৰ ঘটিছে। কম্পিউটাৰ মাধ্যমৰ মূল্য হ্রাস তথা বিভিন্ন দেশত বিনামূলীয়া ইণ্টাৰনেট নেটৱর্কৰ প্রচলনৰ ফলস্বৰূপে বৈদ্যুতিক বেংকিং ব্যৱস্থাৰ প্রসাৰ ঘটিছে।

২) **প্রক্রিয়াজনিত ব্যয় হ্রাস ঃ** প্রযুক্তিবিদ্যাৰ মূল্য হ্রাসৰ লগে লগে প্রযুক্তিবিদ্যা ব্যৱহাৰৰ প্রক্রিয়াসমূহৰ ব্যয় হ্রাস হৈছে। তদুপৰি কাগজ আৰু সময়ৰ ব্যয় ৰাহিও বৈদ্যুতিক বেংকিং সেৱাৰ এক উল্লেখনীয় সফলতা।

৩) **অনলাইন সেৱাৰ প্রসাৰ ঃ** প্রযুক্তিবিদ্যা তথা প্রযুক্তিবিদ্যাত নিহিত প্রক্রিয়াজনিত ব্যয় হ্রাসৰ লগে লগে ইণ্টাৰনেট বা অনলাইন সেৱাৰ প্রসাৰ ঘটিছে। ফলস্বৰূপে বৈদ্যুতিক বেংকিং সেৱাৰ প্রসাৰ ঘটিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বৈদ্যুতিক ধন আদায় ব্যৱস্থাৰ ধাৰণা সম্পর্কে ব্যাখ্যা কৰক।

.....

.....

৩.৫ প্লাষ্টিক মুদ্রা

প্লাষ্টিক মুদ্রা বুলিলে সাধাৰণতে আমি দৈনন্দিন নগদ ধন পৰিৰ্তে ব্যৱহাৰ কৰা প্লাষ্টিকৰ কঠিন কার্ডসমূহক বুজোৱা হয়। এ টি এম কার্ড, ডেবিট কার্ড, ক্রেডিট কার্ড, প্রিপেইড নগদ কার্ড ইত্যাদি কার্ডসমূহ প্লাষ্টিক মুদ্রাৰ প্রকাৰ।

এ টি এম কার্ড ঃ এ টি এম কার্ডৰ জৰিয়তে বেংক গ্রাহকজনে এ টি এম মেছিনৰপৰা নগদ ধন মোকলাব পাৰে। সাধাৰণতে এই কার্ড ব্যৱহাৰ কৰি পোনপটীয়াভাৱে সামগ্রী ক্রয় কৰিব পাৰি।

ক্রেডিট কার্ড ঃ ক্রেডিট কার্ড হৈছে একধৰণৰ প্লাষ্টিক কার্ড যাৰ জৰিয়তে নির্দিষ্ট পৰিমাণৰ ঋণ মোকলাব পাৰি। বেংক গ্রাহকজনে নিজৰ বেংক একাউণ্টত এই নির্দিষ্ট পৰিমাণৰ ঋণ লাভ কৰে আৰু ক্রেডিট কার্ড ব্যৱহাৰৰ যোগেদি এই ঋণ মোকলাব পাৰি। বেংকসমূহে এই সুবিধা তেওঁলোকৰ বেংক গ্রাহকসকলক নিয়মীয়া হিচাবত প্রদান কৰে। এই কার্ড ব্যৱহাৰৰ যোগেদি যিকোনো এ টি এমৰ পৰা নগদ ধন মোকলাব পাৰি তথা অন্যান্য সামগ্রী বা সেৱা ক্রয় কৰিব পাৰি।

বেংকসমূহে ক্রেডিট কার্ডৰ জৰিয়তে প্রদান কৰা নির্দিষ্ট পৰিমাণৰ ঋণৰ ধন গ্রাহকজনে নির্দিষ্ট সময়সীমাৰ ভিতৰত ফিৰাই দিব লাগে, অন্যথা বেংকসমূহে গ্রাহকজনৰ পৰা উচ্চ পৰিমাণৰ ঋণৰ ওপৰত সুত আদায় কৰে।

ডেবিট কার্ড ঃ ডেবিট কার্ড ব্যৱহাৰৰ জৰিয়তে বেংক গ্ৰাহকজনে নিজৰ বেংক একাউণ্টত জমা থকা নগদ ধন মোকলাব পাৰে তথা এই কার্ড ব্যৱহাৰ কৰি তেওঁ সা-সামগ্ৰী ক্ৰয় কৰিব পাৰে। এই কার্ডত ঋণৰ সুবিধা নাথাকে আৰু গতিকে গ্ৰাহকজনে তেওঁৰ বেংক একাউণ্টত যিমান পৰিমাণৰ ধন জমা আছে, সিমান পৰিমাণৰ ধনহে মোকলাব পাৰে। যদি গ্ৰাহকজনৰ বেংক একাউণ্টত অভাৰড্ৰাফট সুবিধা থাকে, তেনে ক্ষেত্ৰত গ্ৰাহকজনে অভাৰড্ৰাফটৰ পৰিসীমা পর্যন্ত ধন মোকলাব পাৰে।

প্ৰিপেইড নগদ কার্ড ঃ এনেধৰণৰ কার্ডসমূহত এক নির্দিষ্ট পৰিমাণৰ ঋণ মূল্য নিহিত হৈ থাকে, গ্ৰাহকসকলে এনেধৰণৰ কার্ডসমূহ ক্ৰয় কৰি প্ৰয়োজন অনুসাৰে ঋণ গ্ৰহণ কৰিব পাৰে। এনেধৰণৰ কার্ডসমূহ পুনঃ ব্যৱহাৰযোগ্য হয়। আনহাতে উপহাৰ কার্ডৰ দৰে প্ৰিপেইড নগদ কার্ডসমূহ একৰহে ব্যৱহাৰ কৰিব পাৰি, কার্ডখনত নিহিত থকা ঋণমূল্য এবাৰ মোকলোৱা পিছত এই কার্ড পুনৰ ব্যৱহাৰে কৰিব নোৱাৰি।

বিপনী কার্ড ঃ বিপনী কার্ড ক্ৰেডিট কার্ডৰ লেখীয়া হয়, যাৰ দ্বাৰা কোনো বিপনী বা প্ৰতিষ্ঠানৰ পৰা সা-সামগ্ৰী ক্ৰয় কৰি মাহৰ শেষত সা-সামগ্ৰীৰ মূল্য প্ৰদান কৰিব পাৰি। এই কার্ডত বেংকৰ দ্বাৰা উচ্চ হাৰত সুত লগোৱা হয় তথা এই কার্ড সীমিত পৰিমাণৰ বিপৰীতহে ব্যৱহাৰ কৰিব পাৰি।

৩.৬ বৈদ্যুতিক ধন হস্তান্তৰ

বৈদ্যুতিক ধন হস্তান্তৰৰ কিছু প্ৰক্ৰিয়া তলত উল্লেখ কৰা হ'ল—

৩.৬.১ ৰিয়েল টাইম গ্ৰছ ছেটেলমেণ্ট (RTGS)

ৰিয়েল টাইম গ্ৰছ ছেটেলমেণ্ট বা আৰ টি জি এছ হৈছে একধৰণৰ বেংকসমূহৰ বৈদ্যুতিক ধন হস্তান্তৰ সেৱা যাৰ দ্বাৰা নির্দেশনা অনুযায়ী ব্যক্তি বিশেষে নিময়ীয়াভাৱে পুঁজি বা ধনৰ হস্তান্তৰ কৰিব পাৰে। 'ৰিয়েল টাইম' অর্থাৎ প্ৰকৃত সময় মানে হৈছে নির্ধাৰিত প্ৰকৃত সময়ৰ ভিৰতৰ নির্দেশনাসূহ কার্যকৰী কৰা। 'গ্ৰছ ছেটলমেণ্ট' বুলিলে নির্দেশনা অনুযায়ী ব্যক্তি বিশেষৰ দ্বাৰা পুঁজি হস্তান্তৰ প্ৰক্ৰিয়া সমাপন কৰা। আৰ টি জি এছ ব্যৱস্থা বা সেৱা সাধাৰণতে বিশাল পৰিমাণৰ ধনৰ লেনদেনৰ ক্ষেত্ৰত উপলব্ধ হয়। আৰ টি জি এছৰ জৰিয়তে ন্যূনতম দৈনিকভাৱে ২ লাখ টকা হস্তান্তৰ কৰিব পাৰি। সর্বোচ্চ ১০ লাখ টকা দৈনিকভাৱে আৰ টি জি এছৰ জৰিয়তে হস্তান্তৰ কৰিব পাৰি। আৰ টি জি এছ সেৱা সাধাৰণতে বেংকসমূহত ৰাতিপুৱা প্ৰায় ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ উপলব্ধ হয়, য'ত ধন বা পুঁজিৰ হস্তান্তৰ ৰিজার্ভ বেংকৰ দ্বাৰা সম্পন্ন হয়। অৱশ্যে এই সময়সীমা বেংক বিশেষে বেলেগ বেলেগ হ'ব পাৰে।

৩.৬.২ নেশ্বনেল ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰ অথবা এন ই এফ টি

এন ই এফ টি বেংকসমূহৰ বৈদ্যুতিক ধন হস্তান্তৰ সেৱা যাৰ জৰিয়তে দেশৰ ভিতৰৰ বেংক সম্বন্ধীয় ধন হস্তান্তৰ ব্যক্তিবিশেষ অনুযায়ী বৈদ্যুতিকভাৱে সম্পন্ন হয়। এই সেৱাৰ জৰিয়তে ব্যক্তি এজনে অথবা বেংক গ্রাহক এজনে বৈদ্যুতিকভাৱে নিজৰ বেংক একাউণ্টৰ পৰা অন্য এজন ব্যক্তিৰ বেংক একাউণ্টলৈ ধন হস্তান্তৰ বা প্রেৰণ কৰিব পাৰে। এনেক্ষেত্রত ব্যক্তি দুজনৰ বেংক বা বেংক শাখা ভিন্ন হ'বও পাৰে। এন ই এফ টি বেংক সেৱা ব্যৱস্থাই বেংকসমূহৰ মূল কাম-কাজত সুচলতা আনিছে। এন ই এফ টি সেৱা সাদাৰণতে বেংকসমূহত ৰাতিপুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ উপলব্ধ হয় (সোমবাৰৰ পৰা শুকুৰবাৰ) আৰু শনিবাৰে সাধাৰণতে এই সেৱা ৰাতিপুৱা ৯ বজাৰ পৰা দুপৰীয়া ১ বজালৈ উপলব্ধ হয়। এন ই এফ টিৰ জৰিয়তে হস্তান্তৰ কৰা পুঁজিৰ ক্ষেত্রত পুঁজিৰ পৰিমাণৰ ন্যূনতম বা সর্বোচ্চ পৰিসীমা নাথাকে।

আই এফ এছ চি বা ভাৰতীয় वित्तीय ব্যৱস্থা কোড বা চিহ্ন হৈছে সংখ্যা আৰু আখৰ সম্বলিত এটা কোড যাৰ দ্বাৰা এন ই এফ টি সুবিধা আগবঢ়োৱা বেংক শাখাসমূহৰ সুকীয়া পৰিচয় চিহ্ন থাকে। এই কোড বা চিহ্নটো ১১ সংখ্যাৰ এটা কোর্ড য'ত প্রথম ৪টা সংখ্যাই বেংকৰ নাম সূচায়, ৫ নম্বৰ সংখ্যাটো '০' হয় আৰু অন্তিম ৬টা সংখ্যাই বেংক শাখাৰ পৰিচয় সূচায়। এন ই এফ টি বেংক সেৱা ব্যৱস্থাৰ আই এফ এছ চি কোডৰ জৰিয়তে সেইসমূহ বেংক তথা শাখাৰ পৰিচয় লাভ কৰা হয় যিবোৰ বেংক শাখাৰ পৰা যিবোৰ বেংক শাখালৈ ধন হস্তান্তৰ হয়।

এন ই এফ টি বৈদ্যুতিক ধন হস্তান্তৰ ব্যৱস্থাৰ প্রক্রিয়া সম্পন্ন হয়। ইয়াৰ বিপৰীতে, আৰ টি জি এছ সেৱাত ধন হস্তান্তৰ প্রক্রিয়া নিয়মীয়াভাৱে আৰ টি জি এছ সেৱাৰ সময়সীমাৰ ভিতৰত সম্পন্ন হয়।

৩.৬.৩ বৈদ্যুতিক পুঁজি হস্তান্তৰ

বৈদ্যুতিক পুঁজি হস্তান্তৰ চেকৰ ধন আদায় কৰাৰ ক্ষেত্রত এক উল্লেখযোগ্য বেংক সেৱা/চেকৰ ধন আদায় মানে কি হয় এট উদাহৰণৰ পৰা বুজা যাওক। যদি 'A'য়ে 'B' ৰ নামত এখন চেক লিখে, তেনে ক্ষেত্রত 'A' ৰ বেংক 'X' ৰ নাম সম্বলিত চেকখন লিখা হ'ব। 'B' য়ে চেকখন তেওঁৰ নিজৰ বেংক 'Y' ৰ একাউণ্টত জমা কৰে। এতিয়া চেকৰ ধন 'B' ৰ 'Y' একাউণ্টত জমা হোৱাৰ পূর্ব 'A' ৰ 'X' বেংক একাউণ্টত পর্যাপ্ত পৰিমাণৰ পুঁজি থাকিব লাগিব। এইক্ষেত্রত 'B' ৰ বেংক 'Y' য়ে 'A' ৰ বেংক 'X' ত পর্যাপ্ত ধন বা পুঁজি জমা আছে নে নাই পৰীক্ষা কৰাটো দৰকাৰী হয়। যদি 'X' বেংকে 'Y' বেংকক জনায় যে 'A' ৰ একাউণ্টত পর্যাপ্ত ধন জমা আছে, তেনেক্ষেত্রত চেকৰ ধনৰাশি 'A' ৰ 'X' বেংক একাউণ্টৰ পৰা 'B' ৰ 'Y' একাউণ্টলৈ হস্তান্তৰ হ'ব।

চেকৰ ধন আদায়ৰ এই ব্যৱস্থাটো স্বয়ংক্রিয়ভাৱে সম্পন্ন হয় যাক বৈদ্যুতিক ধন হস্তান্তৰ (Electronic Funds Transfer) বোলা হয়। বৈদ্যুতিক ধন হস্তান্তৰ ব্যৱস্থাত তলত উল্লেখিত প্রয়োজনীয়তাসমূহ সমাপন কৰিব লাগে—

- এটা স্বয়ংক্রিয় ধনৰাশি মুকলি কেন্দ্রই (Automated Clearing House) চেকৰ ধন আদায়ৰৰ ক্ষেত্রত মধ্যস্থতাকাৰী হিচাবে কাম কৰে। ভাৰতবর্ষত ভাৰতীয় ৰিজার্ভ বেংকে স্বয়ংক্রিয় ধনৰাশি মুকলি কেন্দ্রৰ (Automated Clearing House) ভূমিকা পালন কৰে।
- সকলোবোৰ বাণিজ্যিক বেংক এই স্বয়ংক্রিয় ধনৰাশি মুকলি কেন্দ্রৰ (Automated Clearing House) সদস্য হ'ব লাগে। ভাৰতবর্ষত ৰিজার্ভ বেংকে মূল নিয়ন্ত্রণকাৰী বেংক হিচাবে কাম কৰে।
- বাণিজ্যিক বেংক আৰু স্বয়ংকাৰী ধনৰাশি মুকলি কেন্দ্রৰ (Automated Clearing House) মাজত এক নিৰাপদ বৈদ্যুতিক যোগাযোগ ব্যৱস্থা থকা উচিত। যিহেতু এই ব্যৱস্থাত ব্যৱহৃত ধনৰাশি বৃহৎ পৰিমাণৰ হয়। গতিকে বৈদ্যুতিক যোগাযোগ ব্যৱস্থা ব্যক্তিগতভাৱে নিৰাপদ মানৰ হ'ব লাগে।

  বৈদ্যুতিক পুঁজি হস্তান্তৰ দুইধৰণৰ হ'ব পাৰে। প্রথমবিধ হ'ল স্বয়ংক্রিয় চেক মুকলি ব্যৱস্থা (Automated Cheque Clearance) য'ত চেকসমূহ বাস্তৰিকভাৱে হস্তান্তৰ কৰা হয় আৰু দ্বিতীয়বিধ হ'ল বৈদ্যুতিক মুকলি সেৱা (Electronic clearing Service) য'ত চেকসমূহ বাস্তৰিকভাৱে হস্তান্তৰ কৰিব নালাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ডেবিট কার্ড কি হয়?

.....

.....

৩.৬.৪ বৈদ্যুতিক চেক আদায়

B2B (ই-কমার্চ ব্যৱস্থাত লেনলেন সম্পূর্ণ কৰাৰ পূর্বে ক্রেতা আৰু বিক্রেতাৰ মাজত পাৰস্পৰিক আস্থা থকাটো প্রয়োজনীয়। এই ব্যৱস্থাত এক বৃহৎ পৰিমাণৰ ধনৰাশি লেনদেন হয়। গতিকে ধনৰাশি সাধাৰণতে চেকৰ জৰিয়তে আদায় দিয়া হয়। সময়ৰ লগে লগে প্রচলিত চেক আদায় ব্যৱস্থাৰ পৰিৱর্তন সাধন কৰি বৈদ্যুতিক চেক আদায় ব্যৱস্থাৰ প্রচলনৰ ওপৰত বেংকসমূহে গুৰুত্ব আৰোপ কৰা দেখা গৈছে। বেংকসমূহে প্রচলিত চেক আদায় কৰাৰ উপৰিও আজিকালি বৈদ্যুতিক চেক আদায় কৰে।

বৈদ্যুতিক চেক আদায় ব্যৱস্থাৰ প্রচলনৰ পূর্বে তলত উল্লেখ কৰা চর্তসমূহ

পূৰণ কৰাটো প্ৰয়োজন—

১) বৈদ্যুতিক চেক আদায় ব্যৱস্থাত জড়িত দুয়োটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ নিশ্চিত পাব্লিক কী (public key) থকা উচিত আৰু দুয়োটা প্ৰতিষ্ঠানৰ ডিজিটেল ই-হস্তাক্ষৰ (digitally e-signature) থকাটো প্ৰয়োজন। ভাৰতবৰ্ষত প্ৰতিটো পঞ্জীভুক্ত ব্যক্তিগত বা ৰাজহুৱা কোম্পানীৰ পাব্লিক কী প্ৰমাণ পত্ৰ (public key certificates) আৰু ডিজিটেল হস্তাক্ষৰৰ নথিপত্ৰ (digital sign documents) থকাটো প্ৰয়োজন। আয়কৰ বিভাগে কোম্পানীসমূহৰ পৰা মাথোন বৈদ্যুতিকভাৱে আয়কৰ সংগ্ৰহ কৰে।

২) সকলোবোৰ বেংক আৰু স্বয়ংক্ৰিয় ধনৰাশি মুকলি কেন্দ্ৰৰ (Automated clearing house) পাব্লিক কী প্ৰমাণপত্ৰ (public key certificates) আৰু ডিজিটেল হস্তাক্ষৰৰ নথিপত্ৰ (digital sign documents) থকাটো প্ৰয়োজন।

এই লেনদেন ব্যৱস্থাত পাঁচটা পক্ষ থকাটো প্ৰয়োজন—

১) ক্ৰেতা (P নামেৰে অভিহিত কৰা হয়)

২) বিক্ৰেতা (V নামেৰে অভিহিত কৰা হয়)

৩) ক্ৰেতাৰ বেংক (PB নামেৰে অভিহিত কৰা হয়)

৪) বিক্ৰেতাৰ বেংক (VB নামেৰে অভিহিত কৰা হয়)

৫) স্বয়ংক্ৰিয় ধনৰাশি মুকলি কেন্দ্ৰ (ACH হিচাবে অভিহিত কৰা হয়)

এজন ই-চেক (E-cheque) ৰ আৰ্হিয়ে তলত দিয়া গুৰুত্বপূৰ্ণ তথ্যসমূহ সংলগ্ন কৰে—

ক্ৰেতাৰ দ্বাৰা প্ৰেৰিত ই-চেকৰ আৰ্হি

ই-চেকৰ সুকীয়া পৰিচয়

চেক প্ৰস্তুত কৰা দিনাংক বা তাৰিখ

পাওনাদাৰৰ নাম আৰু পৰিচয়

প্ৰদান কৰিবলগীয়া ধনৰাশি

দেনাদাৰৰ বেংক কোড

দেনাদাৰৰ একাউণ্ট নম্বৰ

দেনাদাৰৰ ডিজিটেল হস্তাক্ষৰ

৩.৭ ক'ৰ বেংকিং চলিউচন

ক'ৰ বেংকিং চলিউচন হৈছে এটা বেংকৰ শাখাসমূহৰ এক নেটৱৰ্ক যাৰ জৰিয়তে এজন গ্ৰাহকে নিজৰ বেংক হিচাপ তথা বেংকিং সেৱাসমূহ তেওঁৰ বেংকৰ যিকোনো এটা শাখাৰ পৰা লাভ কৰিব পাৰে। তেওঁৰ হিচাপ কোনটো শাখাত আছে সেইটো গুৰুত্বপূৰ্ণ হৈ নাথাকে। অৰ্থাৎ গ্ৰাহকজন কোনো এটা শাখাৰ গ্ৰাহক হৈ নাথাকে, তেওঁ বেংকটোৰ গ্ৰাহক হৈ পৰে। সেয়েহে, ক'ৰ বেংকিং চলিউচনে গ্ৰাহকলৈ এক অনন্য সুবিধা আগবঢ়াইছে।

ক'ৰ বেংকিং চলিউচনৰ সুবিধাসমূহ

ক'ৰ বেংকিং চলিউচনৰ দ্বাৰা সকলো শাখা একত্রিত হৈ পৰে। সেয়েহে ক'ৰ বেংকিং চলিউচনৰ শাখাৰ গ্রাহক এজনে যিকোনো এটা শাখাৰ পৰা বেংকিং সেৱা লাভ কৰিব পাৰে। এই সেৱাসমূহ হৈছে—

- বেংক উদ্ধৃত্তৰ অনুসন্ধান তথা হিচাপত ডেবিট বা ক্রেডিটৰ অনুসন্ধান।
- চেক্ৰ জৰিয়তে হিচাপৰ পৰা নগদ ধন প্রাপ্তি।
- হিচাপত অন্তর্ভুক্তিৰ বাবে চেক্ জমা।
- হিচাপত নগদ ধন জমা।
- ক'ৰ বেংকিং চলিউচনৰ দ্বাৰা একত্রিত শাখাত কোনো এজন ব্যক্তিৰ হিচাপ থাকিলে, তেনে হিচাপত নগদ ধন বা চেক্ জমা।
- ক'ৰ বেংকিং চলিউচনৰ অন্তর্গত শাখাসমূহৰ মাজত তেওঁৰ নিজা হিচাপ বা তৃতীয় পক্ষৰ হিচাপলৈ টকা-পইচাৰ হস্তান্তৰ।
- ক'ৰ বেংকিং চলিউচনৰ শাখাসমূহৰ পৰা ডিমাণ্ড ড্রাফ্ট আহৰণত তেওঁৰ হিচাপৰ পৰা অনলাইন যোগে তেওঁৰ হিচাপ ডেবিট হ'ব।
- গ্রাহকসকলে এ টি এমৰ পৰা ধন সংগ্রহ কৰিব পাৰিব।
- অনলাইন বেংকিঙৰ সুবিধা।

এই সেৱাসমূহৰ উদ্দেশ্য হৈছে গ্রাহকক সহজ সাধ্য আৰু উচ্চমানৰ বেংক সেৱা আগবঢ়োৱা যিটো বিশ্বব্যাপি সেৱাৰ মানৰ লগত তুলনা কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ক'ৰ বেংকিং চলিউচন বুলিলে কি বুজা?

.....

.....

৩.৮ পৰিশোধ প্রৱেশপথ

পৰিশোধ প্রৱেশপথ হৈছে এক বিশেষ সেৱা য'ত জড়িত হৈ থকা পক্ষসমূহ হৈছে— ব্যৱসায়ীসমূহ, বিত্তীয় প্রতিষ্ঠানসমূহ, ক্রেডিট কার্ড বিলি কৰা কোম্পানী। এই প্রৱেশপথে বৈধতা পৰীক্ষা কৰে, লেনদেনসমূহ এনক্রাইপট্ আৰু ডিক্রাইপট্ কৰে।

এই প্রক্রিয়াত গ্রাহকে পোনপটীয়াকৈ প্রৱেশপথৰ লগত যোগাযোগ নকৰে। তথ্যসমূহ ছ'পিং কার্ট আৰু সুৰক্ষিত যোগাযোগ ব্যৱস্থাৰে পৰিশোধ প্রৱেশপথলৈ পঠোৱা হয়।

পৰিশোধ প্রৱেশপথে সকলো তথ্য এনক্রাইপট্ কৰে যাৰ ফলত লেনদেন প্রক্রিয়াটো সুৰক্ষিত হৈ পৰে।

প্ৰৱেশপথে বিভিন্ন পক্ষৰ লগত যোগাযোগ কৰে—

- গ্ৰাহক
- ব্যৱসায়ী
- ক্ৰেডিট কার্ড বিলি কৰা কোম্পানী
- ইণ্টাৰনেট মার্ছেণ্ট একাউণ্ট, যিটোৱে প্ৰৱেশপথৰ পৰা ব্যৱসায়ী বেংক একাউণ্টলৈ আদেশ পঠাই।

পৰিশোধ প্ৰৱেশপথৰ সুবিধাসমূহ

- **সুৰক্ষা ঃ** পৰিশোধ প্ৰৱেশপথে ক্ৰেডিট কার্ড তথা আন সকলো তথ্য 'ফায়াৰ ৱাল'ৰ পাছত সুৰক্ষিত কৰি ৰাখে।
- **এনক্ৰাইপ্ট্ ঃ** পৰিশোধ প্ৰৱেশপথে সুৰক্ষিত যোগাযোগ ব্যৱস্থা ব্যৱহাৰ কৰে যাৰ ফলত ক্ৰেডিট কার্ডৰ তথ্যসমূহ কোনোও হস্তক্ষেপ কৰিব নোৱাৰে।
- **সমর্থন ব্যৱস্থা ঃ** কোনো জৰুৰী অৱস্থাত ব্যৱসায়িক লেনদেন যাতে ক্ষতিগ্ৰস্ত নহয় তাৰ বাবে পৰিশোধ প্ৰৱেশপথৰ অতিৰিক্ত সমর্থন ব্যৱস্থা থাকে।
- **শেহতীয়া প্ৰযুক্তি ঃ** পৰিশোধ প্ৰৱেশপথে সদায় শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰে। ব্যৱসায়ৰ কম্পিউটাৰৰ লগত এই প্ৰৱেশপথৰ লগত সম্পর্ক নাথাকে বাবে, ব্যৱসায়ৰ কম্পিউটাৰ হার্ডৱেৰ ব্যৱস্থা শেহতীয়া প্ৰযুক্তিৰ লগত যুক্ত নাথাকিলেও একো অসুবিধা নহয়।
- **সুৰক্ষা ঃ** পৰিশোধ প্ৰৱেশপথে ক্ৰেডিট কার্ড তথা আন সকলো তথ্য 'ফায়াৰ ৱাল'ৰ পাছত সুৰক্ষিত কৰি ৰাখে।

৩.৯ বৈদ্যুতিক পৰিশোধ নিৰাপত্তা

পৰম্পৰাগত বা গতানুগতিক ধন পৰিশোধ বা আদায় ব্যৱস্থাত তলত উল্লেখ কৰা নিৰাপত্তাজনিত আঁসোৱাহসমূহ দেখা যায়—

- টকা বা ধনৰ জালিয়াতি বা নকল
- চহী বা হস্তাক্ষৰৰ নকল
- চেক বাউঞ্চ হোৱা।

বৈদ্যুতিক ধন পৰিশোধ ব্যৱস্থাসমূহটো গতানুগতিক ধন পৰিশোধ ব্যৱস্থাসমূহৰ দৰে কিছু নিৰাপত্তাজনিত আঁসোৱাহ দেখা যায়—

- বৈদ্যুতিক নথিপত্ৰসমূহৰ সহজ প্ৰতিলিপি কৰিব পাৰি।
- ডিজিটেল হস্তাক্ষৰৰ ক্ষেত্ৰত প্ৰাইভেট কী সম্পর্কে জ্ঞাত যিকোনো ব্যক্তিয়ে ডিজিটেল হস্তাক্ষৰ কৰিব পাৰে।
- প্ৰতিটো বৈদ্যুতিক পৰিশোধ ব্যৱস্থাত পৰিশোধক বা দেনাদাৰজনৰ পৰিচয় সংযোজিত হৈ থাকে।

ইয়াৰ দ্বাৰা বুজা যায় যে উপযুক্ত নিৰাপত্তা অবিহনে বৈদ্যুতিক পৰিশোধ ব্যৱস্থাৰ বহুল

প্রসাৰ গ্রহণযোগ্য নহয়। অন্যহাতে যথোপযুক্তভাৱে প্রস্তুত কৰা বৈদ্যুতিক পৰিশোধ ব্যৱস্থা গতানুগতিক ধন পৰিশোধ ব্যৱস্থাতকৈ নিৰাপদ হয় তথা ই নমনীয় হয়। সাধাৰণতে বৈদ্যুতিক পৰিশোধ ব্যৱস্থাত তিনিধৰণৰ প্রতিপক্ষ থাকে, যিয়ে বৈদ্যুতিক পৰিশোধ ব্যৱস্থাৰ নিৰাপত্তা বিঘ্নিত কৰে—

(১) বহিৰাগত যিয়ে যোগাযোগ লাইনৰ গোপনীয়তা ভংগ কৰে আৰু তথ্যসমূহ চুৰ অব্যৱহাৰ কৰে (উদাহৰণস্বৰূপে ক্রেডিট কার্ড নম্বৰ)।

(২) সক্রিয় হেকাৰসকল যিয়ে পৰিশোধ ব্যৱস্থাৰ কর্তৃপক্ষক নকল বার্তা পঠিয়াই পৰিশোধ ব্যৱস্থাৰ কাম-কাজত বিঘিনি ঘটায় অথবা পৰিশোধৰ ধন বা অন্যান্য সম্পত্তি হস্তগত কৰে।

(৩) বৈদ্যুতিক পৰিশোধ ব্যৱস্থাৰ লগত জড়িত অসাধু ব্যক্তিসকল যিয়ে পৰিশোধ ব্যৱস্থাৰ তথ্যসমূহ অকর্তৃত্বশীলভাৱে পৰীক্ষণ কৰি পৰিশোধ ব্যৱস্থাৰ কাম-কাজৰ হেৰফেৰ কৰে। বৈদ্যুতিক পৰিশোধ ব্যৱস্থাৰ নিৰাপত্তা সুনিশ্চিত কৰিবৰ বাবে তলত উল্লেখ কৰা পদক্ষেপসমূহ লোৱাটো প্রয়োজন—

- পৰিশোধৰ চিনাক্তকৰণ (Payment authentication)
- পৰিশোধৰ সম্পূর্ণতা প্রমাণ (Payment integrity)
- পৰিশোধৰ কর্তৃত্বশীলতা (Payment authorization)
- পৰিশোধৰ গোপনীয়তা (Payment confidentiality)

পৰিশোধৰ চিনাক্তকৰণ ব্যৱস্থাত দেনাদাৰ আৰু পাওনাদাৰ দুয়োপক্ষই তেওঁলোকৰ পৰিশোধ সম্পর্কীয় পৰিচয় প্রদান কৰিব লাগে। নামহীনতাৰ বা পৰিচয়হীনতাৰ ক্ষেত্রত যিকোনো পৰিশোধৰ চিনাক্তকৰণ ব্যৱস্থা গ্রহণ কৰিব পাৰি। পৰিশোধৰ চিনাক্তকৰণৰ ক্ষেত্রত দেনাদাৰ আৰু পাওনাদাৰৰ পৰিচয় গ্রহণ বাধ্যতামূলক নহয় আৰু এনেক্ষেত্রত পৰিশোধৰ চিনাক্তকৰণৰ বাবে অন্যান্য ব্যৱস্থা গ্রহণ কৰিব পাৰি।

পৰিশোধৰ সত্যতা প্রমাণ ব্যৱস্থাই ধন পৰিশোধৰ তথ্যসমূহ অকর্তৃত্বশীলভাৱে পৰিৱর্তন কৰাৰ ক্ষেত্রত বাধা প্রদান কৰে। ধন পৰিশোধৰ তথ্য বুলিলে দেনাদাৰ আৰু পাওনাদাৰৰ পৰিচয়, ক্রয় প্রক্রিয়া, পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ আৰু অন্যান্য তথ্য অন্তর্ভুক্ত হয়। এনেধৰণৰ তথ্যসমূহৰ নিৰাপত্তা সুনিশ্চিত কৰিবৰ বাবে পৰিশোধৰ সত্যতা প্রমাণ ব্যৱস্থা গ্রহণ কৰা হয়।

পৰিশোধৰ কর্তৃত্বশীলতাই গ্রাহক এজনৰ বেংক একাউণ্ট বা কার্ড নম্বৰৰ জৰিয়তে গ্রাহকজনৰ সম্মতি অবিহনে অকর্তৃত্বসীলভাবে যাতে কোনো ব্যক্তিয়ে ধন মোকলাব নোৱাৰে তাৰ নিশ্চয়তা প্রদান কৰে। বৈদ্যুতিক পৰিশোদ ব্যৱস্থাত কর্তৃত্ব লাভ কৰা ব্যক্তিজনেহে নির্দিষ্টভাৱে উল্লেখিত ধন মোকলাব পাৰে। এই ব্যৱস্থা অধিগত নিয়ন্ত্রণৰ লগত জড়িত।

পৰিশোধ গোপনীয়তা ব্যৱস্থাই এক বা ততোধিক পৰিশোধ সম্পর্কীয় তথ্যৰ গোপনীয়তা নিশ্চিত কৰে। সাধাৰণতে যোগাযোগ সম্পর্কীয় গোপনীয়তা অৱলম্বন কৰি পৰিশোধৰ গোপনীয়তা ৰক্ষা কৰা হয়। কিছুমানত, পৰিশোধ সম্পর্কীয় তথ্যসমূহ বিভিন্ন পৰিশোধৰ

পক্ষসমূহৰ পৰা গোপনে ৰখা হয়। অৱশ্যে এনেধৰণৰ গোপনীয়তা মাথোন নিৰ্দিষ্ট পৰিশোধ নিৰাপত্তা ব্যৱস্থাতহে গ্ৰহণ কৰা হয়।

৩.১০ ই-বেংকিঙৰ সুবিধাসমূহ

ই-বেংকিং ব্যৱস্থাই গ্ৰাহকসকলক যথেষ্ট সুবিধা আগবঢ়াইছে। এনেধৰণৰ সুবিধাসমূহতলত আলোচনা কৰা হ'ল—

গ্ৰাহকসকলৰ বাবে সুবিধাসমূহ ঃ ই-বেংকিং ব্যৱস্থাই বেংক গ্ৰাহকসকলক বিশেষভাৱে উপকৃত কৰিছে। বেংকসমূহৰ প্ৰায়সমূহ কাম-কাজ বৰ্তমান স্বয়ংচালিত হৈছে। যাৰ দ্বাৰা গ্ৰাহকসকলৰ বেংক লেনদেন সহজ আৰু বিলাসী হৈ পৰিছে। আজিকালি ইণ্টাৰনেটৰ মাধ্যমেৰে গ্ৰাহকজনে সহজেই নিজৰ বেংক একাউণ্টৰ লেনদেন কৰিব পাৰে। গ্ৰাহকজনে নিজৰ কাৰ্যালয় বা ঘৰত বহি বহিয়েই ইণ্টাৰনেটৰ মাধ্যমেৰে বেংকৰ কাম-কাজ সম্পন্ন কৰিব পাৰে। ইয়াৰ বাবে তেওঁ নিজৰ বেংক শাখাত উপস্থিত থকাৰ প্ৰয়োজন নাথাকে। বেংক গ্ৰাহকসকলে সহজেই ATM ৰ জৰিয়তে নিজৰ বেংক একাউণ্টৰ পৰা ধন মোকলাব পাৰে। ATM ৰ জৰিয়তে ধন মোকলোৱাৰ উপৰিও বেংক গ্ৰাহকজনে ATM ৰ দ্বাৰা সংক্ষিপ্ত টোকা (mini statement), বেংক বেলেঞ্চৰ তথ্যৰ অনুসন্ধান (balance inquiry) ধন হস্তান্তৰ (fund transfer), ধন জমা (deposit money) ইত্যাদি কাম-কাজ কৰিব পাৰে। ই-বেংকিঙৰ দ্বাৰা বিভিন্ন সেৱা বিলসমূহ (utility bill) পৰিশোধ কৰিব পাৰি। এনেধৰণৰ বিলসমূহ পৰিশোধ কৰাৰ বাবে কাউণ্টাৰৰ সন্মুখত দীঘলীয়া শাৰী পতাৰ প্ৰয়োজন নাথাকে। ই-বেংকিঙৰ প্ৰসাৰে ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ বৃদ্ধি কৰিছে। ইয়াৰ দ্বাৰা বেংক গ্ৰাহকসকলে নগদ ধন অবিহনে ক্ৰেডিট কাৰ্ডৰ মাধ্যমেৰে বজাৰ-সমাৰ কৰিব পাৰে। কম্পিউটাৰ মাউচৰ এটা ক্লীকৰ দ্বাৰাই বেংকিং সেৱা ২৪×৭ উপলক্ষ হয়।

বেংক উদ্যোগৰ বাবে সুবিধাসমূহ ঃ ই-বেংকিং ব্যৱস্থাই বেংক উদ্যোগৰ বিকাশত উদগনি যোগাইছে। ই-বেংকিং ব্যৱস্থাৰ বিকাশৰ বাবে বেংকসমূহৰ কাম-কাজৰ ব্যয় সংকুচিত হৈছে। ই-বেংকিংৰ ফলস্বৰূপে বেংকসমূহৰ কাম-কাজ খৰতকীয়া হৈছে তথা নিয়ন্ত্ৰণৰ সুবিধা হৈছে।

ই-বেংকিঙৰ প্ৰসাৰে বেংকসমূহৰ মাজত প্ৰতিযোগিতা বৃদ্ধি কৰিছে। ইয়াৰ দ্বাৰা বেংকিং উদ্যোগৰ প্ৰসাৰ ঘটিছে। নতুন নতুন বেংকিং সেৱাৰ সৃষ্টি হৈছে। বেংকিং খণ্ডত কাগজৰ ব্যৱহাৰ হ্ৰাস হৈছে, যাৰ দ্বাৰা ই-বেংকিং পৰিৱেশ অনুকূল হিচাবে প্ৰমাণিত হৈছে।

৩.১১ ই-বেংকিং ব্যৱস্থাৰ অসুবিধাসমূহ

ই-বেংকিং সেৱাৰ উপযোগিতাৰ উপৰিও এই সেৱাৰ কিছু অসুবিধা আছে। ই-বেংকিং ব্যৱস্থাৰ সুবিধাসমূহৰ বহুল ব্যৱহাৰ আছে। ই-বেংকিং ব্যৱস্থাৰ সুবিধাসমূহৰ বহুল ব্যৱহাৰ তথা প্ৰচাৰৰ স্বত্বেও এই সেৱাই বহুতো বেংক গ্ৰাহকৰ আস্থা জয় কৰিবলৈ সক্ষম হোৱা নাই। ই-

বেংকিং ব্যৱস্থাৰ আঁসোৱাহসমূহ বা অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

১) **অব্যক্তিক ঃ** ই-বেংকিংৰ প্ৰসাৰে বেংক কৰ্তৃপক্ষ আৰু বেংক গ্ৰাহকৰ মাজৰ পোনপটীয়া যোগাযোগ হ্ৰাস কৰিছে যাৰ বাবে ই-বেংকিং অব্যক্তিক হিচাবে পৰিগণিত হৈছে। যিসকল গ্ৰাহকে বেংক কৰ্তৃপক্ষৰ লগত পোনপটীয়া সংযোগ বা যোগাযোগ স্থাপন কৰি বেংকসমূহৰ ব্যক্তিকেন্দ্ৰীক সেৱাসমূহ গ্ৰহণ কৰিব বিচাৰে তেনেধৰণৰ গ্ৰাহকসকলৰ বাবে ই-বেংকিং এক বাধাস্বৰূপে থিয় দিছে।

২) **আস্থাৰ অভাৱ ঃ** যদিও ই-বেংকিং সেৱাৰ বহুল প্ৰসাৰ ঘটিছে তথাপিও বহুতো বেংক গ্ৰাহকে ধনৰ লেনদেনৰ ক্ষেত্ৰত ই-বেংকিং সেৱাক আস্থাত ল'ব সক্ষম হোৱা নাই। এনেধৰণৰ গ্ৰাহকসকলৰ তেওঁলোকৰ ধনৰ লেনদেন অনলাইন কৰিবলগীয়া হোৱা সত্বেও লেনদেনৰ সত্যতাৰ ওপৰত আস্থাহীনতা দেখা যায়।

৩) **নতুন গ্ৰাহকসকলৰ বাবে সমস্যা ঃ** বেংকৰ নতুন গ্ৰাহকসকল বা নতুনকৈ ই-বেংকিং সেৱা গ্ৰহণ কৰা বেংক গ্ৰাহকসকলৰ বাবে ই-বেংকিং কিছু সমস্যাৰূপে থিয় দিয়ে। কাৰণ গ্ৰাহকসকলে বেংক ৱেবছাইটত নিজৰ একাউণ্ট সম্পৰ্কীয় তথ্যৰ অনুসন্ধান কৰি সংযোজিত কৰিব লাগে। অনলাইন বেংক একাউণ্ট খোলা গ্ৰাহকসকলে বেংক ৱেবছাইটত যথেষ্ট তথ্যপাতিৰ যোগান ধৰিব লাগে, যি ব্যৱস্থা গ্ৰাহকসকলৰ বাবে বিৰক্তিদায়ক হিচাবে পৰিগণিত হৈছে।

৪) **নিৰাপত্তা ঃ** ইণ্টাৰনেট ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰবঞ্চনাৰ বলি হোৱাৰ সম্ভাৱনা যথেষ্ট থাকে। হেকাৰসকলে বৈদ্যুতিক ব্যৱস্থাৰ জৰিয়তে ৱেবছাইট বিকল কৰিব পাৰে অথবা ব্যক্তিগত পাছৱৰ্ড চুৰি কৰিব পাৰে। এনেধৰণৰ নিৰাপত্তাজনিত সমস্যাৰ বাবে বহুলোকে অনলাইনৰ জৰিয়তে বেংকিং লেনদেন কৰিব নিবিচাৰে। অৱশ্যে বেংক কৰ্তৃপক্ষৰ বাবে অনলাইন লেনদেনৰ নিৰাপত্তা প্ৰাথমিক কাৰ্য হয় আৰু গতিকে অনলাইন ব্যৱস্থাৰ নিৰাপত্তাহীনতা ক্ৰমান্বয়ে হ্ৰাস হৈছে। আজিকালি বেংকসমূহে বেংক ৱেবছাইটসমূহত উন্নত মানদণ্ডৰ নিৰাপত্তা ব্যৱস্থা সংযোজিত কৰিছে।

৫) **অন্যান্য অসুবিধাসমূহ ঃ**

(ক) মন্থৰ ইণ্টাৰনেট সেৱা বা মন্থৰ বা বিকল বেংক চাৰ্ভাৰ ফলস্বৰূপে ই-বেংকিং লেনদেনত যথেষ্ট অসুবিধা হয়।

(খ) ইণ্টাৰনেট বেংকিং সেৱা গ্ৰহণ কৰিবৰ বাবে গ্ৰাহকজনৰ হাতত স্মাৰ্টফোন বা কম্পিউটাৰ থকাটো প্ৰয়োজন, যিটো ব্যয়বহুল হয়।

(গ) হেকাৰসকলৰ দ্বাৰা গ্ৰাহকসকলৰ বেংক একাউণ্টৰ তথ্যৰ চুৰি হোৱাৰ সম্ভাৱনা থাকে।

(ঘ) ইণ্টাৰনেট বেংকিং সেৱা মুকলি কৰাটো বেংকসমূহৰ বাবে ব্যয়বহুল হয়।

(ঙ) ই-বেংকিং ব্যৱস্থাই পোনপটীয়া বার্তালাপ বা যোগাযোগ বিঘ্নিত কৰিছে।



৩.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো —

- ই-বেংকিং হৈছে বেংক গ্ৰাহকসকলৰ লগত বৈদ্যুতিকভাৱে সংযোজিত ব্যৱস্থা তথা বেংকিং সেৱা প্ৰদান কৰা এক বিকল্প ব্যৱস্থা।
- নেশ্বনেল ইলেক্ট্ৰনিক ফাণ্ড ট্ৰান্সফাৰ হৈছে এক ৰাষ্ট্ৰীয় পুঁজি হস্তান্তৰ ব্যৱস্থা যাৰ দ্বাৰা এজনৰ পৰা অন্য ব্যক্তিলৈ পুঁজি হস্তান্তৰ কৰিব পাৰি।
- পৰিশোধ প্ৰৰেশপত্ৰ হৈছে এক বিশেষ সেৱা যিয়ে বিত্তীয় নেটৱৰ্ক আৰু ব্যৱসায়িক প্ৰতিষ্ঠান তথা ক্ৰেডিট কার্ড বিলি কৰা কোম্পানীৰ লেনদেনৰ ক্ষেত্ৰত এক মধ্যস্থতাকাৰী হিচাবে কাম কৰে। লেনদেনসমূহ এনক্ৰাইপট আৰু ডিক্ৰাপট্ কৰে।
- যদিও ই-বেংকিং সেৱাৰ যথেষ্ট সুবিধা আছে, এই ব্যৱস্থাৰ যথেষ্ট আঁসোৱাহ দেখা যায়।



৩.১৩ অধিক জানিবলৈ

১) Essentials of E-commerce Technology, - V. Rajaraman, PHI.

২) E-commerce, - Ritendra Goel, New age international publishers.

৩) E-Business and E-commerce for manager's, - Harvey M. Deitel, Paul J. Deitel, Kate Steinbuhler, Pearson.



৩.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদ্যুতিক পৰিশোধ ব্যৱস্থা অনলাইন হয়। এই ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে ইণ্টাৰনেটৰ মাধ্যমেৰে ধন পৰিশোধ কৰি চেক আৰু নগদ ধন পৰিশোধৰ এক বিকল্প সেৱা স্থাপন কৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ডেবিট কার্ডৰ জৰিয়তে ব্যক্তি এজনে তেওঁৰ বেংক একাউণ্টত জমা ধন মোকলাব পাৰে তথা ডেবিট কার্ড ব্যৱহাৰ কৰি সা-সামগ্ৰী ক্ৰয় কৰিব পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক'ৰ বেংকিং ব্যৱস্থা হৈছে বেংক শাখাসমূহৰ এক নেটৱৰ্ক যাৰ দ্বাৰা বেংক গ্ৰাহকসকলে যিকোনো বেংক শাখাৰ পৰা তেওঁলোকৰ বেংক একাউণ্ট সম্পৰ্কীয় লেনদেন কৰিব পাৰে। এনেক্ষেত্ৰত তেওঁৰ বেংক একাউণ্ট বেংকৰ কোনটো শাখাত আছে সেয়া প্ৰযোজ্য নহয়।

৩.১৫ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বৈদ্যুতিক পৰিশোধ ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আৰু সুবিধাসমূহ বৰ্ণনা কৰা।

প্ৰশ্ন ২ ঃ প্লাষ্টিক ধন কি হয়?

প্ৰশ্ন ৩ ঃ চমুটোকা লিখা -

(ক) বৈদ্যুতিক ধন

(খ) ক্ৰেডিট কাৰ্ড

(গ) বিপনী কাৰ্ড

(ঘ) CBS (ক'ৰ বেংকিং ছলিউচন)

*** ***** ***

অধ্যায় ৪ ঃ বেংকাৰ আৰু গ্ৰাহকৰ সম্পৰ্ক

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ বেংকাৰ আৰু গ্ৰাহকৰ সংজ্ঞা

৪.৪ বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কসমূহ

- ৪.৪.১ ঋণী আৰু ঋণদাতাৰ সম্পৰ্ক
- ৪.৪.২ ঋণদাতা আৰু ঋণীৰ সম্পৰ্ক
- ৪.৪.৩ ন্যাসৰক্ষী আৰু দানগ্ৰাহীৰ সম্পৰ্ক
- ৪.৪.৪ জিম্মাগ্ৰহীতা আৰু জিম্মাদাতাৰ সম্পৰ্ক
- ৪.৪.৫ প্ৰতিনিধি আৰু নিযোক্তাৰ সম্পৰ্ক

৪.৫ বেংকাৰৰ অধিকাৰসমূহ

৪.৬ বেংকাৰৰ দায়িত্বসমূহ

৪.৭ পৰিশোধকাৰী বেংকৰ কৰ্তব্যসমূহ

৪.৮ সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যসমূহ

৪.৯ 'আপোনাৰ গ্ৰাহকক জানক' নিৰ্দেশাৱলীসমূহ

৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.১১ অধিক জানিবলৈ

৪.১২ অগ্ৰগতিৰ খতিয়ান

৪.১৩ সম্ভাব্য প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বেংকাৰ আৰু গ্ৰাহকৰ সংজ্ঞা দিব পাৰিব
- বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ বিভিন্ন সম্পৰ্কৰ বিষয়ে জানিব পাৰিব
- পৰিশোধকাৰী বেংকৰ কৰ্তব্যৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

আমি এটা বেংকত হিচাপ খুলিলে বা বেংকে বিকৰ্ষ প্ৰদান কৰিলে বা বেংকত মূল্যবান সম্পত্তি জমা থ'লে তৎক্ষাণিকভাৱে বেংক আৰু গ্ৰাহকৰ মাজত এক সম্পৰ্কৰ

উদ্ভৱ হয়। অৱশ্যে সকলো ক্ষেত্ৰতেই এই সম্পৰ্ক একে নহয়। ইয়াৰ অৰ্থ হ'ল বেংকে সমাধা কৰা বিভিন্ন কাৰ্যৰ ক্ষেত্ৰত বেংক আৰু গ্ৰাহকৰ মাজত হোৱা সম্পৰ্কৰ প্ৰকৃতি ভিন্ন হয়। এই অধ্যায়টোত আমি বেংক আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিম। ইতিমধ্যে আমি ৯নং অধ্যায়ত বাণিজ্যিক বেংক, সিহঁতৰ কাৰ্যাৱলী, বিভিন্ন প্ৰকাৰৰ বেংকবোৰ আৰু এখন দেশৰ অৰ্থনৈতিক উন্নয়নত বেংকৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিছো। এতিয়া যথাযুক্তভাৱে বেংকে বিভিন্ন সেৱাসমূহ গ্ৰাহকক প্ৰদান কৰোঁতে গ্ৰাহক আৰু বেংকৰ মাজত উদ্ভৱ হোৱা সম্পৰ্কৰ ওপৰত আলোকপাত কৰিম।

আমি এই অধ্যায়ত বিভিন্ন সময়ত বেংক আৰু গ্ৰাহকৰ মাজত উদ্ভৱ হোৱা সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰিম। বেংক আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কৰ বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা বাবে এই অধ্যায়তো অত্যন্ত মনোগ্ৰাহী হ'ব।

৪.৩ বেংকাৰ আৰু গ্ৰাহকৰ সংজ্ঞা

বেংকাৰ ঃ

আহক আমি প্ৰথমে 'বেংকাৰ'ৰ বিষয়ে আলোচনা কৰো। সাধাৰণতে, যিবোৰ আৰ্থিক প্ৰতিষ্ঠানে সৰ্বসাধাৰণৰ পৰা টকা জমা লৈ দৰিদ্ৰ লোকক ধাৰে দিয়ে সেই প্ৰতিষ্ঠানবোৰক বেংক বা বেংকাৰ বুলি কোৱা হয়।

আহকচোন আমি এই সম্পৰ্কত বিভিন্ন ধৰণৰ 'বেংকাৰ'ৰ সংজ্ঞাবোৰ লক্ষ্য কৰো।

চাৰ জন পেগেটৰ মতে 'কোনো ব্যক্তি বা প্ৰতিষ্ঠানক বেংক বুলি ক'ব নোৱাৰি যদিহে তেওঁ ম্যাদী জমা, চলিত জমা নলয় আৰু যদি তেওঁ ধনাদেশৰ আদান-প্ৰদান নকৰে আৰু গ্ৰাহকৰ হকে মুকলি বা ৰেখিত ধনাদেশ আদায় নকৰে।' ("No person or body corporate or otherwise can be a banker who does not take deposit accounts, take current account, issue and pay cheques and collect cheques crossed and uncrossed for his customers.")

এই সম্পৰ্কত বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ত বেংকিং কোম্পানীৰ ব্যাখ্যা এনেদৰে দিছে 'যি কোম্পানীয়ে ভাৰতবৰ্ষত বেংকিং লেনদেনৰ ব্যৱসায়ত জড়িত থাকে তাকে বেংকিং কোম্পানী বুলি কোৱা হয়।' ("Any company which transacts the business of banking in India.") এই আইনৰ ধাৰা ৬ত বেংকিং কোম্পানীৰ কৰণীয় বিভিন্ন ধৰণৰ কাৰ্যাৱলীৰ বিষয়ে ব্যাখ্যা কৰা আছে। এইবোৰৰ কেতবোৰ হ'ল—

- ঋণ বা অন্য প্ৰকাৰে ধন আহৰণ কৰা (স্থায়ী, চলিত বা সঞ্চয়ী হিচাপৰ দ্বাৰা)।
- ভিন্ন প্ৰকাৰৰ বিনিময় পত্ৰ, হুণ্ডি, প্ৰতিশ্ৰুতি পত্ৰ, বিল বাট্টাকৰণ, বিক্ৰী-ক্ৰয়, বিকৰ্ষ, ৰেল ৰিচিপ্তু, ঋণপত্ৰ ইত্যাদিৰ লেনদেন।
- আকালত্ব প্ৰত্যয় পত্ৰ, ভ্ৰমণকাৰীৰ ধনাদেশ আদি জাৰি কৰা।

ওপৰোক্ত আলোচনাৰ পৰা বুজা যায় যে বেংকৰ কাৰ্যাৱলীৰ পৰিসৰ যথেষ্ট বিস্তৃত। এই সম্পৰ্কত বেংক বা বেংকিং কোম্পানীয়ে পূৰ্ণ কৰিবলগীয়া চৰ্তসমূহ আলোচনা কৰাতো অত্যন্ত আৱশ্যকীয়। এইবোৰ হ'ল—

- কোনো ব্যক্তিয়ে বেংক হিচাপে কাৰ্য সমাধা কৰিব নোৱাৰে। মাত্ৰ এক প্ৰতিষ্ঠান বা কোম্পানীয়েহে বেংকিং কোম্পানীৰ কাৰ্য সমাধা কৰিব পাৰে।
- এটা বেংকে বিনিয়োগ বা ধাৰ দিয়াৰ উদ্দেশ্যেৰে জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰাতো আৱশ্যকীয়। নিজৰ আৰ্থিক অৱস্থা সবলীকৰণৰ বাবে আমানত গ্ৰহণ কৰা যৌথ কোম্পানীবোৰ বেংক নহয়। সেইদৰে নিজৰ সদস্যৰ পৰা আমানত গ্ৰহণ কৰা নিধি বা সমিতিসমূহক বেংক নুবুজায়।
- আমানতৰ ধন সঞ্চয়ী, স্থায়ী বা চলিত জমা হিচাপে সংগ্ৰহ কৰিব লাগে আৰু চলিত হিচাপ ধনাদেশৰ দ্বাৰা পৰিচালিত হ'ব লাগে।
- আমানতৰ ধন ধনাদেশ, আজ্ঞাপত্ৰৰ যোগেদি বা অন্য প্ৰকাৰে উলিয়াই নিব পাৰে। বেংকাৰে গ্ৰাহকৰ তাগিদামতে আমানত ধন পৰিশোধ কৰাতো বাধ্যতামূলক।
- বেংকিং কোম্পানীটোৰ পৰিচয়ৰ বাবে 'বেংক' বা বেংকিং কোম্পানী', এই শব্দ দুটা বেংকৰ নামৰ লগত লিখাতো বাঞ্ছনীয়।

গ্ৰাহক ঃ

এতিয়া আমি গ্ৰাহকৰ সংজ্ঞা সম্পৰ্কে আলোচনা কৰিম। বিভিন্ন অভিজ্ঞ ব্যক্তিয়ে বিভিন্ন ধৰণে গ্ৰাহকৰ সংজ্ঞা আগবঢ়াইছে। চাৰ জন পেগেটৰ মতে, 'এজন ব্যক্তিয়ে নিজকে গ্ৰাহক হিচাপে প্ৰতিপন্ন কৰিব লাগিলে তেওঁৰ বেংকৰ লগত দৈনন্দিন বা ৰীতিমত ব্যৱসায়িক সম্পৰ্ক থাকিব লাগিব।

অৱশ্যে এই সংজ্ঞা বিভিন্ন মোকৰ্দমাত ন্যায়ালয়ে ইতিমধ্যে অগ্ৰাহ্য কৰিছে। সেইবাবে গ্ৰাহকৰ অৰ্থ নিৰ্ধাৰণ কৰিবলৈ আমি কিছুমান ন্যায়ালয়ৰ ৰায়ৰ ওপৰত আলোকপাত কৰিব লাগিব।

- কৰ আয়ুক্ত বনাম ইংলিছ, স্কটিছ আৰু অষ্ট্ৰেলিয়ান বেংকৰ মোকৰ্দমাত ন্যায়ালয়ে ৰায়দান কৰি কৈছে যে, 'বেংকে যেতিয়াই কোনো মানুহৰ পৰা টকা জমা লয় আৰু টকা ধনাদেশৰ বিনিময়ত আদায় দিবলৈ দায়িত্ব লয় তেতিয়াই সেই মানুহজনক গ্ৰাহক হিচাপে গণ্য কৰা হয়। এইক্ষেত্ৰত বেংকৰ লগত গ্ৰাহকৰ সম্পৰ্ক কিমান দীৰ্ঘস্থায়ী সেইটো উল্লেখনীয় নহয়।'
- ভাৰতীয় কেন্দ্ৰীয় বেংক লিমিটেড, বম্বে বনাম গোপীনাথ নায়াৰ আৰু অন্যসকলৰ মোকৰ্দমাৰ ৰায়দানত বেংকৰ সংজ্ঞা আগবঢ়াই ন্যায়ালয়ে কৈছে যে বেংকিং ব্যৱসায়ৰ ক্ষেত্ৰত, গ্ৰাহকজন এনে এজন ব্যক্তি যাৰ পৰা বেংকে আমানত গ্ৰহণ কৰিছে আৰু যেতিয়ালৈকে তেওঁৰ হিচাপত টকা জমা থাকিব তেতিয়ালৈকে বেংকে তেওঁক গ্ৰাহক হিচাপে গ্ৰাহ্য কৰিব লাগিব। এইক্ষেত্ৰত তেওঁৰ বেংকৰ লগত থকা সম্পৰ্কৰ স্থায়িত্ব সম্পৰ্কে গণনা কৰা নহয়।

সেইবাবে, গ্ৰাহক হ'ব লাগিলে হিচাপ খোলাৰ চৰ্ত পূৰ্ণ কৰিব লাগিব। হিচাপটো হয়তো সঞ্চয়ী, স্থায়ী বা চলিতও হ'ব পাৰে। যি মুহূৰ্তত এজন ব্যক্তিয়ে বেংকত হিচাপ খোলে সেই মুহূৰ্তৰ পৰাই ব্যক্তিজনক বেংকৰ গ্ৰাহক হিচাপে গণ্য কৰা হয়। হিচাপ সঞ্চালনৰ সমনতাৰ লগত গ্ৰাহকৰ সংজ্ঞা নিৰ্ভৰ নকৰে। কোনো বেংকত হিচাপ নোখোলাকৈ ধনাদেশ ভঙোৱা বা আজ্ঞাপত্ৰ ক্ৰয় কৰিলেও তেওঁক গ্ৰাহক বুলি ক'ব নোৱাৰি। অৱশ্যে গ্ৰাহক সুৰক্ষা আইনে এই সম্পৰ্কে উদাৰ মনোভাৱ পোষণ কৰি কৈছে যে গ্ৰাহক হ'ল 'এনে এজন ব্যক্তি যিজনে মূল্যৰ বিনিময়ত কোনো সেৱা লাভ কৰে।'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

(ক) ভ্ৰমণকাৰীৰ ধনাদেশ এটা বেংকে প্ৰদান কৰিব নোৱাৰে।

(খ) এজন ব্যক্তিয়ে বেংক হিচাপে কাৰ্য সম্পাদন কৰিব পাৰে।

(গ) এজন ব্যক্তিয়ে গ্ৰাহক হ'বলৈ বেংকত হিচাপ খোলাটো অপৰিহাৰ্য।

(ঘ) এজন জমাকাৰীক গ্ৰাহক হিচাপে গণ্য কৰিবলৈ তেওঁ গতানুগতিকভাৱে হিচাপ পৰিচালনা কৰিব পাৰে।

(ঙ) এজন গ্ৰাহকে ধনাদেশৰ দ্বাৰা টকা উঠাই নিব পাৰে।

৪.৪ বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কসমূহ

এই অধ্যায়ত বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কৰ বিষয়ে আমি আলোচনা কৰিম। ইতিমধ্যে উল্লেখ কৰা হৈছে যে বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্ক নিৰ্ভৰ কৰে বেংকাৰে আগবঢ়োৱা সেৱাৰ প্ৰকৃতিৰ ওপৰত। উদাহৰণ স্বৰূপে, যেতিয়া এটা হিচাপ বেংকত খোলা হয়, তেতিয়া বেংকাৰ আৰু গ্ৰাহকৰ মাজত ঋণী (বেংকাৰ) আৰু ঋণদাতাৰ (গ্ৰাহক) সম্পৰ্ক উদ্ভৱ হয়। যেতিয়া কোনো মূল্যবান দ্ৰব্য বেংকত জমা ৰখা হয়, তেতিয়া যি সম্পৰ্কৰ উদ্ভৱ হয় তাক ন্যাসৰক্ষী (বেংকাৰ) আৰু দানগ্ৰাহী (গ্ৰাহক)ৰ সম্পৰ্ক বুলি কোৱা হয়। আহক এতিয়া আমি বেংকাৰ আৰু গ্ৰাহকৰ মাজত উদ্ভৱ হোৱা বিভিন্ন সম্পৰ্কৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰো।

৪.৪.১ ঋণী আৰু ঋণদাতাৰ সম্পৰ্ক

আপুনি হয়তো জ্ঞাত যে জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰাতো বেংকৰ মুখ্য কাৰ্য। হয়তো এই আমানত স্থায়ী, চলিত বা সঞ্চয়ী জমা হ'ব পাৰে। বেংকে ধাৰ দিবৰ বাবে বা কোনো লাভজনক ব্যৱসায়ত বিনিয়োগৰ বাবে আমানত গ্ৰহণ

কৰে। যেতিয়া গ্ৰাহকে বেংকত ধন জমা ৰাখে তেতিয়া বেংকে গ্ৰাহকৰ নিৰ্দেশানুযায়ী সুদসহিত টকা পৰিশোধ কৰাৰ দায়িত্ব গ্ৰহণ কৰে। অৱশ্যে, এইক্ষেত্ৰত গ্ৰাহকে যথাবিহিত চৰ্তসমূহ পূৰণ কৰিহে নিজৰ জমাপুঁজি দাবী কৰিব পাৰে। যেতিয়া এজন গ্ৰাহকে বেংকত ধন জমা কৰে, এক প্ৰকাৰে তেওঁ বেংকক ঋণ প্ৰদান কৰে। অধিক মুনাফা লাভৰ উদ্দেশ্যে বেংকে এই ধন নিজ ইচ্ছানুযায়ী ব্যৱহাৰ কৰিব পাৰে। ইয়াৰোপৰি, ধন পৰিশোধৰ সময়ত বেংকে যিকোনো আকাৰত (গ্ৰাহকে জমা কৰা মুদ্ৰা বা কাগজত নহয়) ধন পৰিশোধ কৰিব পাৰে। এইক্ষেত্ৰত বেংকাৰ আৰু গ্ৰাহকৰ মাজত যি সম্পৰ্কই গা কৰি উঠে তাক ঋণী আৰু ঋণদাতাৰ সম্পৰ্ক বুলি কোৱা হয়।

ঋণী-ঋণদাতা সম্পৰ্কৰ বৈশিষ্টসমূহ

যদিও বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কক ঋণী আৰু ঋণদাতাৰ সম্পৰ্ক বুলি কোৱা হয়, তথাপিও এই সম্পৰ্ক সাধাৰণ ঋণী আৰু ঋণদাতাৰ সম্পৰ্কৰ দৰে নহয়। এই সম্পৰ্কৰ কিছুমান সুকীয়া বৈশিষ্ট্য আছে যিবোৰ এতিয়া আমি আলোচনা কৰিম—

- মুদ্ৰা পৰিশোধৰ বাবে গ্ৰাহকে (ঋণদাতা) নিৰ্দেশ দিয়াতো অপৰিহাৰ্য্য। এই নিৰ্দেশ গ্ৰাহকে যথাবিহিত ধৰণে দিব লাগে যেনে ঃ পৰিশোধ প্ৰপত্ৰ, ধনাদেশ, আজ্ঞাপত্ৰ, নিৰ্দেশ বা অইন কোনো প্ৰকাৰে এই নিৰ্দেশ দিব লাগে।
- গ্ৰাহকজনে পৰিশোধৰ নিৰ্দেশ নিৰ্দিষ্ট শাখাক প্ৰদান কৰিব লাগে অৰ্থাৎ যি শাখাত গ্ৰাহকজনৰ হিচাপ থাকে। অৱশ্যে আজ্ঞাপত্ৰ, ভ্ৰমণকাৰীৰ ধনাদেশ, এ টি এম কাৰ্ড ইত্যাদিৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'বও পাৰে।
- গ্ৰাহকে পৰিশোধৰ নিৰ্দেশ ব্যৱসায়িক কৰ্মদিন তথা কৰ্মসময়ৰ ভিতৰত দিব লাগে। অৱশ্যে আধুনিক প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱনৰ ফলস্বৰূপে এই ব্যৱস্থা সকলো ক্ষেত্ৰত প্ৰযোজ্য নহয়।

৪.৪.২ ঋণদাতা আৰু ঋণীৰ সম্পৰ্ক

বেংকাৰ আৰু গ্ৰাহকৰ মাজত কেতবোৰ সময়ত ঋণদাতা আৰু ঋণীৰ সম্পৰ্কই গা কৰি উঠে। সেইবোৰ হ'ল—

- যেতিয়া গ্ৰাহকে হিচাপত জমা থকা ধনতকৈ অধিক হাৰত টকা উঠাই লয়, আৰু
- যেতিয়া বেংকাৰে গ্ৰাহকক ধন ধাৰে দিয়ে।
- **অতিৰিক্ত ধন উঠাই লোৱা ঃ** ইতিমধ্যে, ৯ নং অধ্যায়ত আপোনালোকে চলিত হিচাপৰ ক্ষেত্ৰত বেংকে প্ৰদান কৰা অধিবিকৰ্ষ সেৱাৰ বিষয়ে অধ্যয়ন কৰিছে। এই সেৱাৰ অধীনত গ্ৰাহকে জমা ৰখা ধনতকৈ অতিৰিক্ত ধন

উলিয়াই নিব পাৰে। যেতিয়া গ্ৰাহকে জমা ৰখা ধনতকৈ অতিৰিক্ত ধন উঠাই নিয়ে তেতিয়া বেংকাৰ আৰু গ্ৰাহকৰ মাজত ঋণদাতা আৰু ঋণীৰ সম্পৰ্কৰ সৃষ্টি হয়। এইক্ষেত্ৰত বেংকাৰ হয়গৈ ঋণদাতা আৰু গ্ৰাহকজন হয়গৈ ঋণী। যেতিয়ালৈকে অতিৰিক্ত ধন গ্ৰাহকে বেংকক পৰিশোধ নকৰে তেতিয়ালৈকে এই সম্পৰ্ক স্থিৰ হৈ থাকে। কিন্তু যেতিয়াই অতিৰিক্ত ধন বেংকক ঘূৰাই দিয়ে, তৎক্ষাণিকভাৱে এই সম্পৰ্ক আকৌ প্ৰাথমিক পৰ্যায়লৈ পৰিবৰ্তিত হয় আৰু গ্ৰাহকজন হয়গৈ ঋণদাতা আৰু বেংকাৰ হয়গৈ ঋণী।

- **গ্ৰাহকক ধন ধাৰে দিয়া ঃ** যেতিয়া বেংকে গ্ৰাহকক ধন ধাৰে দিয়ে তেতিয়া বেংকাৰ আৰু গ্ৰাহকৰ মাজত যি সম্পৰ্কই গা কৰি উঠে তাৰ ফলস্বৰূপে গ্ৰাহকজন হ'ল ঋণী আৰু বেংকাৰ হয়গৈ ঋণদাতা। গ্ৰাহকে টকা পৰিশোধ নকৰালৈকে ঋণদাতাই (বেংকাৰ) ধাৰে দিয়া টকাৰ ওপৰত সুদ আৰোপ কৰে। যেতিয়া ধাৰে লোৱা টকা সুদসহিত গ্ৰাহকে সম্পূৰ্ণভাৱে ঘূৰাই দিয়ে তেতিয়া এই সম্পৰ্ক আকৌ প্ৰাথমিক পৰ্যায়লৈ ৰূপান্তৰিত হয়।

৪.৪.৩ ন্যাসৰক্ষী আৰু দানগ্ৰাহীৰ সম্পৰ্ক

ঋণী আৰু ঋণদাতাৰ সম্পৰ্কৰ বাহিৰেও বেংকাৰ আৰু গ্ৰাহকৰ মাজত আন কিছুমান সম্পৰ্কৰো সৃষ্টি হয়। তাৰ ভিতৰত অন্যতম হ'ল ন্যাসৰক্ষী আৰু দানগ্ৰাহীৰ সম্পৰ্ক। আপুনি হয়তো অবগত যে বেংকে গ্ৰাহকলৈ এনে কিছুমান সেৱা আগবঢ়াই যাৰ অধীনত গ্ৰাহকে তেওঁলোকৰ বহুমূল্য বস্তু যেনে, আ-অলংকাৰ, অংশ প্ৰমাণপত্ৰ ইত্যাদি বেংকৰ ভড়ালত জমা থ'ব পাৰে। বেংকৰ ভড়ালত জমা থ'লেও এই বস্তুবোৰৰ মালিকীস্বত্ব গ্ৰাহকৰ হাততেই থাকে। এইক্ষেত্ৰত বেংকাৰ হয়গৈ ন্যাসৰক্ষী আৰু গ্ৰাহকজন হয়গৈ দানগ্ৰাহী।

দানগ্ৰাহী ঃ
যিজন ব্যক্তিৰ হকে ন্যাসৰক্ষীয়ে মুদ্ৰা বা সম্পত্তি গ্ৰহণ কৰে আৰু যিজনৰ লাভৰ বাবে ন্যাসৰক্ষীয়ে কাৰ্য সম্পাদন কৰে।

৪.৪.৪ জিম্মাগ্ৰহীতা আৰু জিম্মাদাতাৰ সম্পৰ্ক

যেতিয়া গ্ৰাহক এজনে বেংকৰ অধীনত নিজৰ মূল্যবান বস্তুসমূহ জমা থয়, তেতিয়া বেংকে ন্যাসৰক্ষীৰ উপৰিও জিম্মাগ্ৰহীতা হিচাপে কাৰ্য সম্পাদন কৰে। এই ক্ষেত্ৰত গ্ৰাহকজন জিম্মাদাতা হিচাপে পৰিগণিত হয়। যদিহে গ্ৰাহকজনে (জিম্মাদাতা) বেংকাৰৰ (জিম্মাগ্ৰহীতা) অবহেলাৰ বাবে লোকচান ভৰিবলগীয়া হয়, তেন্তে গ্ৰাহকে সেই লোকচানৰ ক্ষতিপূৰণৰ বাবে বেংকাৰৰ ওপৰত ন্যায়ালয়ত মোকৰ্দমা ৰুজু কৰিব পাৰে।

৪.৪.৫ প্ৰতিনিধি আৰু অধ্যক্ষৰ সম্পৰ্ক

বেংকে গ্ৰাহকৰ প্ৰতিনিধি হিচাপে ধনাদেশ, বিল, আজ্ঞাপত্ৰ আদি সংগ্ৰহ কৰে। তাৰোপৰি বেংকে গ্ৰাহকৰহৈ বীমা, কিস্তি, ভাড়া আদিও পৰিশোধ কৰে। এই কাৰ্যসমূহ সম্পাদন কৰোতে বেংকে গ্ৰাহকৰ প্ৰতিনিধি হিচাপে কাম কৰে আৰু গ্ৰাহকজন হয়গৈ অধ্যক্ষ। বেংকে (প্ৰতিনিধি) এই কাৰ্যসমূহ গ্ৰাহকৰ (অধ্যক্ষ) নিৰ্দেশানুযায়ী সম্পাদন কৰে আৰু তাৰ বিনিময়ত বেংকে দস্তুৰি লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ বেংকাৰ আৰু গ্ৰাহকৰ মাজত সম্পৰ্ক চিনাক্ত কৰক ঃ

(ক) গ্ৰাহকৰ হৈ ধনাদেশ জমা কৰা ঃ

বেংক ---------- গ্ৰাহক ----------

(খ) গুৰুত্বপূৰ্ণ নথিপত্ৰ বেংকত নিৰাপদে জমা থোৱা ঃ

বেংক ---------- গ্ৰাহক ----------

(গ) বেংকৰ হিচাপত ধন জমা ৰখা ঃ

বেংক ---------- গ্ৰাহক ----------

(ঘ) গ্ৰাহকে বেংকৰ পৰা ধাৰ লোৱা ঃ

বেংক ---------- গ্ৰাহক ----------

(ঙ) গ্ৰাহকে বেংকক বীমাকিস্তি আদায় দিবলৈ নিৰ্দেশ দিয়া ঃ

বেংক ---------- গ্ৰাহক ----------

৪.৫ বেংকাৰৰ অধিকাৰসমূহ

এতিয়া আপুনি বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ বিভিন্ন সম্পৰ্কৰ বিষয়ে সুবিদিত। একে সময়তে বেংকে কেতবোৰ অধিকাৰ উপভোগ কৰে। এতিয়া আমি এই অধিকাৰসমূহৰ বিষয়ে আলোচনা কৰিম।

- **বেংকাৰৰ পূৰ্বস্বত্ব (Banker's lien) ঃ** উপশাখা ১১.৪.২ত আমি বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ ঋণদাতা আৰু ঋণীৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিছো য'ত বেংকাৰ হ'ল ঋণদাতা আৰু গ্ৰাহকজন হ'ল ঋণী। এই সম্পৰ্কৰ উদ্ভৱ হয় যেতিয়া গ্ৰাহকে (ঋণী) বেংকক (ঋণদাতাৰ) টকা পৰিশোধ কৰিবলগীয়া থাকে। যেতিয়ালৈকে গ্ৰাহকে সমুদায় ধন আদায় নিদিয়ে তেতিয়ালৈকে বেংকাৰে সাধাৰণ পূৰ্বস্বত্ব অধিকাৰৰ অধীনত গ্ৰাহকৰ সম্পত্তি নিজৰ দখলত ৰাখিব পাৰে। এইক্ষেত্ৰত কোনো অইন চুক্তিৰ অনুপস্থিতিত বেংকাৰে যিকোনো ধৰণৰ দ্ৰব্য বা প্ৰতিভূতি (securities)



পূৰ্বস্বত্ব ঃ
ঋণদাতাই ঋণীয়ে ধাৰ পৰিশোধ নকৰালৈকে ঋণীৰ সম্পত্তি বাজেয়াপ্ত কৰাৰ অধিকাৰ।

সাধাৰণ হিচাপৰ উদ্ধৃত্তৰ দখললৈ আনিব পাৰে। কিন্তু যদিহে কোনো দ্ৰব্য বা প্ৰত্যাভূতি বেংকাৰে গ্ৰাহকৰ প্ৰতিনিধি বা ন্যাসৰক্ষী হিচাপে লাভ কৰে সেই দ্ৰব্যৰ ক্ষেত্ৰত বেংকে এই স্বত্ব আৰোপ কৰিব নোৱাৰে।

- **ৰাইটছ অফ চেত-অফ (Rights of set-off) ঃ** ৰাইটছ অফ চেত-অফ হ'ল দুটা পক্ষ— ঋণদাতা আৰু ঋণীৰ হিচাপ মীমাংসা কৰাৰ অধিকাৰ। এই অধিকাৰৰ অধীনত বেংকে গ্ৰাহকৰ হিচাপত জমা থকা ধন বেংকক দিবলগীয়া ধনৰ বিপৰীতে নিষ্পত্তি কৰে। যেতিয়া এজন গ্ৰাহকৰ একে ক্ষমতাসম্পন্ন দুটা হিচাপ থাকে, এই অধিকাৰেৰে বেংকাৰে দুটা হিচাপৰ মাজত দিবলগীয়া ধনৰ মীমাংসা কৰে। বেংকাৰ আৰু গ্ৰাহকৰ মাজত এইক্ষেত্ৰত অইন কোনো চুক্তিৰ অনুপস্থিতিত বেংকাৰে এই অধিকাৰ প্ৰয়োগ কৰিব পাৰে। অৱশ্যে এই অধিকাৰ প্ৰয়োগৰ ক্ষেত্ৰত বেংকাৰে গ্ৰাহকক জাননী দিয়াটো অপৰিহাৰ্য।
- **বিনিয়োজনৰ অধিকাৰ (Rights of appropriation) ঃ** যেতিয়া এজন ঋণীয়ে (গ্ৰাহক) ঋণদাতাক (বেংকাৰ) ধন জমা দিয়ে, তেতিয়া ঋণীয়ে ঋণদাতাক কোনটো নিৰ্দিষ্ট হিচাপৰ বিপৰীতে এই ধন বিনিয়োজন কৰিব সেই নিৰ্দেশ দিয়াটো কৰ্তব্য। যদিহে ঋণীয়ে কোনো নিৰ্দিষ্ট নিৰ্দেশ নিদিয়ে তেন্তে ঋণদাতাই যিকোনো হিচাপৰ বিপৰীতে এই ধন বিনিয়োজন কৰিব পাৰে। অৱশ্যে ঋণদাতাই ঋণীক এই সম্পৰ্কে অৱগত কৰাটো অপৰিহাৰ্য্য।
- **গাৰনিছি নিৰ্দেশৰ অধীনত অধিকাৰ (Rights under Garnishee order) ঃ** সাধাৰণতে এজন গ্ৰাহকৰ নিৰ্দেশক সন্মান কৰাটো বেংকাৰৰ দায়িত্ব। কিন্তু ন্যায়ালয়ে গাৰনিছি নিৰ্দেশ জাৰি কৰিলে, বেংকাৰে গ্ৰাহকৰ হিচাপৰ পৰা কোনো ধন পৰিশোধ কৰিব নোৱাৰে। এইক্ষেত্ৰত গ্ৰাহকৰ ধনাদেশ পৰিশোধ কৰিব লগা বেংকাৰৰ দায়িত্ব সাময়িকভাৱে স্থগিত ৰখা হয়।

  আহক আমি গাৰনিছি নিৰ্দেশে গ্ৰাহক আৰু বেংকাৰৰ মাজৰ সম্পৰ্কক কেনেদৰে প্ৰভাৱিত কৰে তাক লক্ষ্য কৰো। ধৰা হওঁক 'ক' এজন ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহক। তেওঁ তেওঁৰ এজন বন্ধু 'খ' ৰ পৰা এটা ঋণ লৈছে। কিন্তু 'ক'ই তেওঁৰ ধাৰ পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ ফলস্বৰূপে 'খ'ই তেওঁৰ ওপৰত মোকৰ্দমা ৰুজু কৰিছে। এতিয়া 'খ'ই 'ক'ইৰ বেংকে যাতে 'ক'ৰ হিচাপৰ পৰা কোনো ধন আদায় নিদিয়ে তাৰ বাবে ন্যায়ালয়ক ভাৰতীয় ষ্টেট বেংকক নিৰ্দেশ দিবলৈ অনুৰোধ কৰিছে। এই ক্ষেত্ৰত ন্যায়ালয়ে যদি তেনেধৰণৰ নিৰ্দেশ জাৰী কৰে তেন্তে তাক গাৰনিছি নিৰ্দেশ বোলে। এইক্ষেত্ৰত ঋণী ('ক') জনক 'বিচাৰাধীন ঋণী' আৰু ঋণদাতাক ('খ') 'বিচাৰাধীন ঋণদাতা' বুলি কোৱা হয় আৰু ভাৰতীয় ষ্টেট বেংকক কোৱা হয় 'গাৰনিছি'।



গাৰনিছি অৰ্ডাৰ ঃ
গ্ৰাহকৰ হিচাপৰ পৰা ধন পৰিশোধ নকৰিবলৈ ন্যায়ালয়ে বেংকলৈ পঠোৱা নিৰ্দেশ।

গাৰনিছি নিৰ্দেশ দুটা পৰ্যায়ত প্ৰদান কৰা হয়। প্ৰথমে 'অৰ্ডাৰনিছি'ৰ দ্বাৰা 'গাৰনিছি' (বেংকাৰ)ক 'বিচাৰাধীন ঋণী'ৰ হিচাপৰ পৰা কোনো ধন আদায় নিদিবৰ বাবে নিৰ্দেশ দিয়ে। 'গাৰনিছি'ক 'বিচাৰাধীন ঋণী'ৰ হিচাপত জমা থকা টকা নিৰ্দিষ্ট ঋণৰ ক্ষেত্ৰত পৰিশোধ কৰিব পাৰি নে নোৱাৰি তাৰ প্ৰত্যুত্তৰ দিবলৈ কোৱা হয়। যদিহে 'গাৰনিছি'ৰ কোনো আপত্তি নাথাকে ন্যায়ালয়ে দ্বিতীয় পৰ্যায়ত 'অৰ্ডাৰ এবছ'লুট'ৰ দ্বাৰা 'বিচাৰাধীন ঋণদাতা'ৰ প্ৰাপ্তধন 'বিচাৰাধীন ঋণী'ৰ হিচাপৰ পৰা আদায় দিবলৈ কোৱা হয়। তেতিয়া বেংকাৰৰ গ্ৰাহকৰ প্ৰতি থকা দায়বদ্ধতা সেই পৰ্যায়লৈকেহে পালন কৰা হয়।

৪.৬ বেংকাৰৰ দায়িত্বসমূহ

বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কৰ ভিত্তিত উদ্ভৱ হোৱা বেংকাৰৰ অধিকাৰসমূহৰ বিষয়ে আমি ওপৰৰ শাখাত আলোচনা কৰিছো। আহক এতিয়া আমি বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্কই সৃষ্টি কৰা বেংকাৰৰ দায়িত্বসমূহৰ বিষয়ে আলোচনা কৰো।

- **ধনাদেশবোৰ গ্ৰাহ্য কৰাৰ দায়িত্ব ঃ** গ্ৰাহকৰ দাবী অনুসৰি গ্ৰাহকক ধন পৰিশোধ কৰাটো বেংকৰ এক প্ৰধান দায়িত্ব। যেতিয়াই গ্ৰাহকে ধনাদেশ বেংকত উপস্থাপন কৰে তেতিয়াই তাক গ্ৰাহ্য কৰাতো বেংকৰ আইনী দায়িত্ব। যদিহে বেংকে এই দায়িত্ব পালনত ব্যৰ্থ হয় তেন্তে গ্ৰাহকে তাৰ পৰিপ্ৰেক্ষিতত ভৰিবলগীয়া লোকচানৰ বাবে বেংক জগৰীয়া হ'ব। অৱশ্যে বেংকৰ দায়িত্ব তলৰ চৰ্তসমূহৰ পূৰণৰ ওপৰতহে নিৰ্ভৰ কৰে—
  - গ্ৰাহকৰ হিচাপত উপযুক্ত পৰিমাণৰ ধন থাকিব লাগিব।
  - উক্ত ধন কোনো পূৰ্বস্বত্বৰ অধীনত হ'ব নোৱাৰিব।
  - ধনাদেশে আইনী আৱশ্যকতাসমূহ পূৰ্ণ কৰিব লাগিব।
- **গ্ৰাহকৰ হিচাপ সম্পৰ্কে গোপনীয়তা ৰক্ষা কৰা দায়িত্ব ঃ** বেংকাৰৰ আন এক গুৰুত্বপূৰ্ণ দায়িত্ব হ'ল গ্ৰাহকৰ হিচাপ সম্পৰ্কে গোপনীয়তা ৰক্ষা কৰা। যদি গ্ৰাহকৰ হিচাপ সম্পৰ্কে কোনো তথ্য ব্যক্ত হয়, তেন্তে গ্ৰাহকজনে লোকচান ভৰিবলগীয়া হ'ব পাৰে। কিন্তু কোনো কোনো পৰিস্থিতিত গ্ৰাহকৰ হিচাপৰ খতিয়ান সম্পৰ্কীয় তথ্য ব্যক্ত কৰিব লগা হ'ব পাৰে। সেইবোৰ হ'ল—
  - যেতিয়া আইনী ব্যৱস্থাৰ চাহিদা অনুসৰি হিচাপ সম্পৰ্কীয় তথ্য দিয়াটো প্ৰয়োজনীয় হয়।
  - যেতিয়া গ্ৰাহকে এনে তথ্য আদায় দিবলৈ বেংকক সন্মতি দিয়ে।
  - যেতিয়া জনসাধাৰণৰ স্বাৰ্থৰক্ষাৰ্থে তথ্য প্ৰকাশ কৰাতো দৰকাৰী হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) পূৰ্বস্বত্ব ---------- এটা অধিকাৰ।

(খ) গাৰনিছি নিৰ্দেশ ———————— ৰ দ্বাৰা জাৰি কৰা হয়।

(গ) ৰাইটছ্ অফ চেত-অফ অধিকাৰৰ দ্বাৰা ———————— আৰু ----------ৰ মাজৰ হিচাপৰ মীমাংসা কৰা হয়।

(ঘ) গ্ৰাহকৰ ধনাদেশ গ্ৰাহ্য কৰা বেংকৰ ———————— দায়িত্ব।

৪.৭ পৰিশোধকাৰী বেংকৰ কৰ্তব্যসমূহ

আপুনি জানে যে গ্ৰাহকৰ ধন তেওঁৰ দাবী অনুসৰি ঘূৰাই দিয়াটো বেংকাৰৰ দায়িত্ব। বেংকে গ্ৰাহকৰ পৰা আমানতৰ ৰূপত ধন লাভ কৰে। সেইবাবে, বেংকে গ্ৰাহকৰ ধনাদেশ পৰিশোধ কৰাতো বাধ্যতামূলক। গ্ৰাহকৰ ধনাদেশ তেওঁৰ দাবী অনুসৰি পৰিশোধ কৰা বেংকাৰক 'পৰিশোধকাৰী বেংক' বুলি জনা যায়।

পৰিশোধৰ ক্ষেত্ৰত পৰিশোধকাৰী বেংকে কিছু সাবধানতা অবলম্বন কৰিব লাগে। কাৰণ বেংকাৰে গ্ৰাহকৰ হিচাপত উপযুক্ত ধন নথকা অৱস্থাত ধনাদেশ পৰিশোধ কৰিলে আইনগতভাৱে জগৰীয়া হয়। একে সময়তে যদি বেংকে উপযুক্ত ধন গ্ৰাহকৰ হিচাপত থকা স্বত্বেও ধনাদেশ পৰিশোধ নকৰে তেন্তে গ্ৰাহকে ভৰিবলগীয়া লোকচানৰ বাবে বেংকাৰ জগৰীয়া হয়। গতিকে গ্ৰাহকৰ ধনাদেশ গ্ৰাহ্য কৰাৰ সময়ত সাৱধান হ'ব লাগে।

এইক্ষেত্ৰত, আহক আমি পৰিশোধকাৰী বেংকৰ কৰ্তব্যসমূহ আলোচনা কৰো। বেংকে গ্ৰাহকৰ ধনাদেশ গ্ৰাহ্য কৰাৰ সময়ত ল'বলগীয়া সাৱধানতাসমূহ এই কৰ্তব্যৰ অন্তৰ্ভুক্ত। পৰিশোধকাৰী বেংকে ল'বলগীয়া সাৱধানতাসমূহ ঃ

- ধনাদেশ গ্ৰহণ কৰাৰ সময়ত গ্ৰাহকে ধনাদেশখন নিৰ্দিষ্ট প্ৰপত্ৰত প্ৰদান কৰিছে নে নাই তাৰ প্ৰতি পৰিশোধকাৰী বেংকে লক্ষ্য ৰাখিব লাগে। ধনাদেশখনৰ ফটা-ছিটা অৱস্থাত বেংকাৰে গ্ৰহণ কৰিব নালাগে।
- যিটো হিচাপৰ বিপৰীতে ধনাদেশখন উপস্থাপন কৰা হৈছে সেই হিচাপ বেংকৰ সেই নিৰ্দিষ্ট শাখা বেংকটোৰ হয় নে নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। যদি সেই নিৰ্দিষ্ট শাখা বেংকটোত গ্ৰাহকৰ হিচাপ নাই তেন্তে পৰিশোধকাৰী বেংকে ধনাদেশ প্ৰত্যাখিত কৰা উচিত।
- ধনাদেশখনৰ উপস্থাপনৰ তাৰিখৰ ওপৰত বেংকে বিশেষভাৱে গুৰুত্ব দিয়াতো আৱশ্যক। এখন ধনাদেশ ব্যৱসায়িক কৰ্মদিন আৰু কৰ্মসময়ত উপস্থাপন কৰিব লাগে। মুঠৰ ওপৰত বেংকে ধনাদেশত লিখিত তাৰিখৰ পৰা ৬ মাহৰ ভিতৰত

উপস্থাপন কৰা ধনাদেশহে গ্ৰাহ্য কৰিব পাৰে। একে সময়তে তাৰিখবিহীন ধনাদেশ বা নিৰ্দিষ্ট তাৰিখৰ আগতে উপস্থাপন কৰা পৰৱৰ্তী তাৰিখত দেয় ধনাদেশ পৰিশোধ কৰিব নোৱাৰে।

- ধনাদেশৰ যোগেদি আদায় কৰিব খোজা ধনৰ পৰিমাণ ধনাদেশৰ উপযুক্ত ঠাইত সংখ্যাৰে আৰু আখৰেৰে স্পষ্টকৈ উল্লেখ কৰা হ'ব লাগে আৰু দুইটাৰ মাজত মিল থাকিব লাগে।
- ধনাদেশৰ মূল বিষয়বস্তুৰ সাল-সলনি সম্পৰ্কে বেংকে বিশেষ সাৱধানতা অবলম্বন কৰিব লাগে। মূল বিষয়বস্তুৰ সালসলনি মানে হ'ল ধনাদেশ এখন অবৈধ কৰাৰ মানসেৰে বিষয়বস্তুৰ সাল সলনি কৰা। যদি একেধৰণৰ মূল বিষয়বস্তুৰ সলনি কৰাতো চকুত পৰে তেন্তে বেংকে সলনি হোৱা বিষয়ৰ ঠাইত গ্ৰাহকৰ সম্পূৰ্ণ চহী লোৱাৰ পিছত ধন পৰিশোধ কৰিব পাৰে।
- ধনাদেশত থকা গ্ৰাহকৰ চহীৰ লগত নমুনা চহীৰ মিল থকাটো অপৰিহাৰ্য। বেংকে এই সম্পৰ্কত উপযুক্ত সাৱধানতা অৱলম্বন কৰিব লাগে।
- ধনাদেশখন মুকলি নে ৰেখাংকিত ধনাদেশ আৰু পৰিশোধ নিৰ্দেশানুযায়ী হৈছে নে নাই তাৰ প্ৰতি বেংকে চকু ৰাখিব লাগে। তাৰোপৰি ধনাদেশৰ বৈধ পৃষ্ঠাংকনৰ ওপৰতো লক্ষ্য দিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ পৰিশোধকাৰী বেংকৰ দুটা কৰ্তব্য উল্লেখ কৰক—

(ক).....

.....

.....

.....

(খ) .....

.....

.....

.....

৪.৮ সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যসমূহ

পৰিশোধকাৰী বেংকৰ কৰ্তব্যসমূহ আলোচনা কৰাৰ পিছত এতিয়া আমি সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যসমূহ আলোচনা কৰিম। আপুনি জানে যে বেংকে গ্ৰাহকৰ প্ৰতিনিধি হিচাপে কাৰ্য সম্পাদন কৰে। এইক্ষেত্ৰত বেংকে গ্ৰাহকৰ বিল, ধনাদেশ, প্ৰতিজ্ঞাপত্ৰ ইত্যাদি সংগ্ৰহ

কৰি গ্ৰাহকক এক গুৰুত্বপূৰ্ণ সেৱা আগবঢ়ায়। যি বেংকে গ্ৰাহকৰ ধনাদেশ, বিল ইত্যাদি সংগ্ৰহ কৰে তাক সংগ্ৰহকাৰী বেংক বুলি কোৱা হয়। আহক আমি সংগ্ৰহকাৰী বেংকাৰৰ কৰ্তব্যসমূহৰ বিষয়ে আলোচনা কৰো।

সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যসমূহ ঃ

- একমাত্ৰ উপযুক্ত ধনাদেশহে সংগ্ৰহকাৰী বেংকাৰে গ্ৰহণ কৰাটো উচিত।
- মাত্ৰ ধনাদেশ সংগ্ৰহৰ বাবে যি গ্ৰাহকে বেংকত হিচাপ খোলে, তেনে গ্ৰাহকৰ পৰা সম্পূৰ্ণ তথ্য সংবাদ আহৰণ কৰিব লাগে।
- যদি কোনো অংশীদাৰী প্ৰতিষ্ঠান, ন্যাস বা কোম্পানীয়ে ধনাদেশ জাৰি কৰে আৰু অংশীদাৰ, ন্যাসৰক্ষী বা সঞ্চালকৰ ব্যক্তিগত হিচাপৰ যোগেদি সেই ধনাদেশ উপস্থাপন কৰা হয় সেই ক্ষেত্ৰত বেংকে বিশেষ সাৱধানতা অবলম্বন কৰিব লাগে।
- সংগ্ৰহকাৰী বেংকে মাত্ৰ ৰেখাংকিত ধনাদেশহে সংগ্ৰহ কৰিব লাগে।
- ধনাদেশ গ্ৰহণ কৰোতে সংগ্ৰহকাৰী বেংকে পৃষ্ঠাংকণৰ বৈধতাৰ ওপৰত লক্ষ্য ৰাখিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ সংগ্ৰহকাৰী বেংকৰ দুটা কৰ্তব্য উল্লেখ কৰক—

(ক) .....

.....

.....

.....

.....

(খ) .....

.....

.....

.....

৪.৯ 'আপোনাৰ গ্ৰাহকক জানক' নিৰ্দেশাৱলীসমূহ

আহক আমি এতিয়া গ্ৰাহক আৰু বেংকাৰৰ মাজৰ আন এক গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰো। সেইটো হ'ল গ্ৰাহকে বেংকত হিচাপ খোলোতে বেংকে অনুসৰণ কৰিবলগীয়া নিয়মাৱলীসমূহ। আগৰ ধাৰাবোৰত আমি গ্ৰাহক আৰু বেংকাৰৰ মাজৰ বিভিন্ন সম্পৰ্কসমূহ আলোচনা কৰিছো। আপুনি জ্ঞাত যে গ্ৰাহকে বেংকত হিচাপ খোলাৰ মুহূৰ্ততে বেংকাৰ আৰু গ্ৰাহকৰ মাজত সম্পৰ্কই গা কৰি উঠে।

বাণিজ্যিক বেংকৰ পৰিচালকসকললৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে কিছুমান নির্দেশাৱলী প্ৰেৰণ কৰে। বেংকে অনুসৰণ কৰিবলগীয়া এই নির্দেশৱলীক 'আপোনাৰ গ্ৰাহকক জানক' নির্দেশাৱলী বুলি জনা যায়।

ভাৰতীয় ৰিজাৰ্ভ বেংকে এই নির্দেশাৱলী প্ৰেৰণ কৰাৰ উদ্দেশ্যে হ'ল—

- আমানতকাৰী চিনাক্তকৰণ।
- আর্থিক প্রবঞ্চনা নিয়ন্ত্রণ।
- মুদ্রা গোপনে উঠাই নিয়া আৰু সন্দেহজনক কার্যকলাপ চিনাক্ত কৰা।
- বৃহৎ লেনদেন চোৱা-চিতা কৰা।
- প্রবঞ্চনাৰ ক্ষেত্রত বেংকিং পদ্ধতিৰ অপব্যৱহাৰ ৰোধ কৰা।

ভাৰতীয় ৰিজাৰ্ভ বেংকে 'আপোনাৰ গ্ৰাহকক জনাকক নির্দেশাৱলী' বিভিন্ন দিশত যেনে, নতুন হিচাপ, বর্তমানৰ গ্ৰাহক, সাম্ভাব্য বিপদ পৰিচালনাৰ পদ্ধতি, তথ্য লিপিবদ্ধকৰণ ইত্যাদিৰ ক্ষেত্রত, বেংকলৈ প্রেৰণ কৰে। এই শাখাত আমি নতুন হিচাপ আৰু স্থায়ী গ্ৰাহকৰ ক্ষেত্রত প্রেৰণ কৰা আপোনাৰ গ্ৰাহকক জনাকক নির্দেশাৱলীৰ বিষয়ে আলোচনা কৰিম।

নতুন হিচাপৰ ক্ষেত্রত আপোনাৰ গ্ৰাহকক জনাকক নির্দেশাৱলীসমূহ ঃ


যেতিয়া এজন ব্যক্তি বা প্রতিষ্ঠানে বেংকত নতুন হিচাপ খোলাৰ বাবে আবেদন কৰে তেতিয়া বেংকাৰে এই নিয়মাৱলী অনুসৰণ কৰাতো অপৰিহার্য—

নতুন হিচাপ খোলোতে বেংকাৰে গ্ৰাহকৰ পৰিচয়ৰ সঠিকতা নিৰূপণ কৰিব লাগে। নতুন গ্ৰাহকজনে এইক্ষেত্রত সেই বেংকৰে বর্তমান কোনো গ্ৰাহকৰ বা বেংকৰ চিনাকি ব্যক্তিৰ প্রসংগ উল্লেখ কৰিব পাৰে। বেংকাৰে গ্ৰাহকে উপস্থাপন কৰা বিভিন্ন দলিল যেনে, পাছপোর্ট, গাড়ী চলোৱাৰ অনুজ্ঞাপত্র ইত্যাদিৰ ওপৰত ভিত্তি কৰিও গ্ৰাহকৰ পৰিচয় নিৰূপণ কৰিব পাৰে।

পৰিচালক মণ্ডলীয়ে নতুন গ্ৰাহকৰ পৰিচয় নিৰূপণ কৰা আৰু হিচাপৰ সন্দেহজনক লেনদেন দেখৰেখ কৰিবলৈ উপযুক্ত পদ্ধতি উদ্ভাৱন কৰিব লাগে।

চলিত হিচাপৰ ক্ষেত্রত 'আপোনাৰ গ্ৰাহকক জনাকক নিদেশাৱলীসমূহ' ঃ

বর্তমানৰ গ্ৰাহকৰ ক্ষেত্রত, হিচাপ খোলোতে বেংকে আপোনাৰ গ্ৰাহকক জনাকক নির্দেশাৱলী অনুসৰণ কৰা বুলি আশা কৰা হয়। যদিহে এই ক্ষেত্রত কোনো ভুল হৈছে তেন্তে তাক অতিশীঘ্রে নিষ্পত্তি কৰাতো কামনা কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ 'আপোনাৰ গ্ৰাহকক জানক নির্দেশাৱলী'ৰ দুটা উদ্দেশ্য উল্লেখ কৰক ঃ

(ক) .....

.....

(খ) .....
.....
.....
.....
.....
.....



৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো —

- কোনো ব্যক্তিয়ে বেংকিং ব্যৱসায় আৰম্ভ কৰিব নোৱাৰে।
- এটা প্ৰতিষ্ঠান বা যৌথ কোম্পানীয়ে বেংকিং ব্যৱসায় আৰম্ভ কৰিব পাৰে।
- বেংকাৰে ধাৰে দিবলৈ বা বিনিয়োগ কৰিবলৈ জনসাধাৰণৰ পৰা আমানত গ্ৰহণ কৰাতো অপৰিহাৰ্য।
- এজন গ্ৰাহক হ'বলৈ বেংকত হিচাপ খোলাতো অপৰিহাৰ্য।
- বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ বিভিন্ন ধৰণৰ সম্পৰ্কবোৰ হ'ল— ঋণী আৰু ঋণদাতা, ঋণদাতা আৰু ঋণী, জিম্মাগ্ৰহীতা আৰু জিম্মাদাতা, ন্যাসৰক্ষী আৰু দানগ্ৰহীতা ইত্যাদি।
- পৰিশোধকাৰী বেংক আৰু সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যসমূহ।
- ভাৰতীয় ৰিজাৰ্ভ বেংকে আপোনাৰ গ্ৰাহকক জনাকক নিৰ্দেশাৱলী প্ৰেৰণ কৰে বিভিন্ন উদ্দেশ্যেৰে যেনে, আমানতকাৰীৰ পৰিচয় নিশ্চিত কৰা, মুদ্ৰাৰ গোপন সৰবৰাহ ৰোধ কৰা আৰু সন্দেহজনক কাৰ্যকলাপৰ চিনাক্তকৰণ ইত্যাদি।



৪.১১ অধিক জানিবলৈ

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy

৪.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

(ঙ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) বেংক — প্ৰতিনিধি ঃ গ্ৰাহক — নিযোক্তা।

(খ) বেংক — জিম্মাগ্ৰহীতা আৰু ন্যাসৰক্ষী ঃ
গ্ৰাহক — জিম্মাদাতা আৰু দানগ্ৰহীতা।

(গ) বেংক — ঋণী ঃ গ্ৰাহক — ঋণদাতা।

(ঘ) বেংক — ঋণদাতা ঃ গ্ৰাহক — ঋণী।

(ঙ) বেংক — প্ৰতিনিধি ঃ গ্ৰাহক — নিযোক্তা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বেংকাৰৰ (খ) ন্যায়ালয় (গ) বেংকাৰ, গ্ৰাহক,
(ঘ) আইনী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) ধনাদেশ নিৰ্দিষ্ট প্ৰপত্ৰত প্ৰদান কৰিছে নে নাই তাক লক্ষ্য কৰাতো পৰিশোধকাৰী বেংকৰ বাবে অপৰিহাৰ্য;

(খ) ধনাদেশত ধনৰ পৰিমাণ ধনাদেশৰ উপযুক্ত ঠাইত সংখ্যাৰে আৰু আখৰেৰে লিখা হৈছে নে নাই আৰু দুইটাৰে মিল আছেনে নাই তাক পৰিশোধকাৰী বেংকে লক্ষ্য কৰিব লাগে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) সংগ্ৰহকাৰী বেংকে মাত্ৰ ৰেখাংকিত ধনাদেশহে সংগ্ৰহ কৰিব পাৰে।

(খ) অংশীদাৰী প্ৰতিষ্ঠান, ন্যাস বা কোম্পানীয়ে ধনাদেশ জাৰি কৰিলে আৰু সেই ধনাদেশ অংশীদাৰ, ন্যাসৰক্ষী বা সঞ্চালকৰ ব্যক্তিগত হিচাপৰ যোগেদি উপস্থাপন কৰিলে সংগ্ৰহকাৰী বেংকে উপযুক্ত সাৱধানতা ল'ব লাগে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) আমানতকাৰীৰ চিনাক্তকৰণ।

(খ) আৰ্থিক প্ৰবঞ্চনাৰ নিয়ন্ত্ৰণ।



৪.১৩ সম্ভাব্য প্ৰশ্ন

প্ৰশ্ন ১ঃ বেংকাৰৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ গ্ৰাহকৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৩ঃ বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ ঋণী আৰু ঋণদাতাৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ পৰিশোধকাৰী বেংকৰ কৰ্তব্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ঃ সংগ্ৰহকাৰী বেংকৰ কৰ্তব্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ঃ চমুটোকা লিখক —

(ক) বেংক আৰু গ্ৰাহকৰ মাজৰ জিম্মাগ্ৰহীতা— জিম্মাদাতাৰ সম্পৰ্ক

(খ) আপোনাৰ গ্ৰাহকক জনাকক নিৰ্দেশাৱলীসমূহ।

*** ***** ***

অধ্যায় ৫ ঃ বেংক জমা হিচাপৰ পৰিচালনা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ বিভিন্ন প্ৰকাৰ বেংক হিচাপ
৫.৪ স্থায়ী জমা হিচাপ
৫.৫ সঞ্চয় জমা হিচাপ
৫.৬ চলিত হিচাপ
৫.৭ পুনৰ আবৰ্তক জমা হিচাপ
৫.৮ সঞ্চয় জমা সংযোজিত স্থায়ী জমা হিচাপ
৫.৯ হিচাপ খোলাৰ নিয়মাৱলী
৫.১০ বেংকৰ হিচাপ পৰিচালনা
৫.১১ জমা প্ৰ-পত্ৰ
৫.১২ জমা ধন উলিওৱা শ্লিপ আৰু ধনাদেশ
৫.১৩ পাচবুক
৫.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.১৫ অধিক জানিবৰ বাবে
৫.১৬ অগ্ৰগতিৰ খতিয়ান
৫.১৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিভিন্ন প্ৰকাৰৰ জমা হিচাপৰ প্ৰকৃতিৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ জমা হিচাপ খোলা পদ্ধতিসমূহ জানিব পাৰিব
- KYC মানে কি আৰু ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পাচবুক এখন লিপিবদ্ধ কৰা পদ্ধতিৰ বিষয়ে জানিব পাৰিব
- জমা প্ৰ-পত্ৰ, ধন উলিওৱা প্ৰ-পত্ৰ আৰু চেক বহীৰ ব্যৱহাৰৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

আপোনালোকে নিশ্চয় জানে যে বেংকে ৰাইজৰ পৰা আমনাত সংগ্ৰহ কৰে আৰু ই বাণিজ্যিক বেংকৰ এটা প্ৰধান কাম। বেংকে ৰাইজৰ পৰা বিভিন্ন হিচাপৰ মাধ্যমেৰে টকা জমা লয়। এই হিচাপবোৰ হ'ল— স্থায়ী জমা হিচাপ, সঞ্চয় জমা হিচাপ, চলিত জমা হিচাপ ইত্যাদি।

বিভিন্ন হিচাপ খোলাৰ আৰু পৰিচালনা কৰাৰ পদ্ধতি বেলেগ বেলেগ। বেংকে বিভিন্ন হিচাপৰ বিপৰীতে ভিন্ন ভিন্ন হাৰত সুত প্ৰদান কৰে। এই অধ্যায়টোত আমি এই সকলোবোৰ দিশ আলোচনা কৰিম।

৫.৩ বিভিন্ন প্ৰকাৰ বেংক হিচাপ

আমি জানো যে বাণিজ্যিক বেংক এটাৰ মুখ্য কাৰ্য হৈছে জমা সংগ্ৰহ কৰা, যিবোৰ জমাকাৰীয়ে তেওঁলোকৰ চাহিদা অনুসৰি উলিয়াব পাৰে আৰু বেংকে সেই জমা ধনবোৰ প্ৰয়োজনীয় ব্যক্তি বা অনুষ্ঠানক ধাৰলৈ দিয়ে। বেংকে সংগ্ৰহ কৰা আমনাতসমুহক বেংক আমানত বোলা হয়। আমনাতকাৰীজন যিহেতু পুঁজিৰ যোগনিয়াৰ তেওঁ বেংকৰ বাবে ক্ৰেডিটৰ আৰু সেই একে পৰিমাণৰ পুঁজিৰ বাবে বেংক ডেটৰ হয়। হিচাপত জমা থোৱা ধন প্ৰয়োজন অনুসৰি চৰ্ত সাপেক্ষে গ্ৰাহকজনে যেতিয়া তেতিয়াই বেংকৰ পৰা উলিওৱাৰ অধিকাৰ আছে। চৰ্ত অনুসৰিহে গ্ৰাহকজনে তেওঁৰ হিচাপত ধন জমা কৰিব বা চেক, ইণ্টাৰনেট বেংকিং বা অন্য উপায় উলিয়াব পাৰে। বেংকে প্ৰত্যেকজন আমনাতকাৰীৰ তথ্যসমূহ এটা হিচাপত লিপিবদ্ধ কৰি ৰাখে। সেয়েহে প্ৰত্যেক আমনাতৰ বিপৰীতে ৰখা হিচাপক এটা জমা হিচাপ (deposit account) বোলা হয়। জমা আৰু টকা উলিওৱা লেনদেনসমূহ সময়ে সময়ে বেংকৰ হিচাপত লিপিবদ্ধ কৰা হয় আৰু হিচাপত থকা উদ্ধৃত্তখিনি বেংকৰ দেনা হিচাপে গণ্য কৰা হয়, যিখিনি টকা বেংকে গ্ৰাহকজনক আদায় দিবলৈ বাধ্য। জমা হিচাপসমূহ প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল (ক) স্থায়ী জমা হিচাপ (খ) সঞ্চয় জমা হিচাপ আৰু (গ) চলিত হিচাপ। কিন্তু বৰ্তমানৰ বৰ্ধিত প্ৰতিযোগিতা আৰু মানুহৰ প্ৰয়োজন অনুসৰি কিছুমান হাইব্ৰীড বা পৰিশোধিত ধৰণৰ হিচাপ নতুনকৈ প্ৰবৰ্তন কৰা হৈছে। কিছুমান বেংকে দুই বা তাতোধিক হিচাপৰ সংমিশ্ৰণ ঘটাই নতুন হিচাপ কিছুমান আৰম্ভ কৰিছে। যিবোৰক বিভিন্ন নামেৰে জনা যায় যেনে 2 in 1 জমা, স্মাৰ্ট জমা, পাৰাৰ চেভিং জমা, অটোমেটিক চুইপ জমা ইত্যাদি। বেংকে এইদৰে সংগ্ৰহ কৰা জমা ধনসমূহ বিনিয়োগ কৰি সুত আহৰণ কৰে। ঠিক তেনেদৰে জমা ধনৰ ওপৰত জমাকাৰীসকলকো সুত প্ৰদান কৰে। কিছুমান ক্ষেত্ৰত বেংকে গ্ৰাহকক প্ৰদান কৰা সেৱাৰ বিনিময়তো মাননি আদায় কৰে।

৫.৪ স্থায়ী জমা হিচাপ

সকলো বেংকে গ্ৰাহকক ৭ দিনৰ পৰা ১০ বছৰৰ ভিতৰত স্থায়ী জমা হিচাপ খোলাৰ সুবিধা দিয়ে। ইয়াতে 'স্থায়ী' শব্দটোৱে ম্যাদপূৰ্ণ হোৱা সময়খিনিকে বুজায়। সেয়েহে জমাকাৰীয়ে তেনে স্থায়ী জমা হিচাপসমূহ সেই সময়লৈ ৰাখিব যেতিয়ালৈ তেওঁ টকাখিনি বেংকৰ লগত ৰাখিব প্ৰস্তুত। কিন্তু প্ৰয়োজনৰ সময়ত জমাকাৰীজনে স্থায়ী হিচাপ এটা ম্যাদপূৰ্ণ হোৱাৰ আগতে ভাঙি দিব পাৰে বা বন্ধ কৰি দিব পাৰে। যাৰ বাবে কিছুমান বেংকে জমাকাৰীৰ পৰা এক ন্যূনতম

পৰিমাণৰ জৰিমনা সংগ্রহ কৰিব পাৰে। কিছুমান বেংকে স্থায়ী জমাৰ ওপৰত পৰিবর্তিত হাৰত সুত দিয়ে য'ত সুতৰ হাৰ বর্তমান বজাৰত চলি থকা সুতৰ হাৰৰ লগত পৰিবর্তন হৈ থাকে। অর্থাৎ বজাৰত সুতৰ হাৰ বাঢ়িলে স্থায়ী জমাৰ সুতৰ হাৰ বাঢ়ে আৰু বজাৰত সুতৰ হাৰ কমিলে স্থায়ী জমাৰ সুতৰ হাৰ কমে। কিন্তু এতিয়ালৈ এনে ধৰণৰ স্থায়ী জমা হিচাপ বিশেষ জনপ্রিয় হোৱা নাই। স্থায়ী জমাৰ সুতৰ হাৰ বেংক লৈ বেলেগ বেলেগ হয়। বর্তমান সময়ত ব্যক্তিগত খণ্ডৰ বেংক আৰু বিদেশী বেংকসমূহে স্থায়ী জমাত উচ্চ হাৰত সুত দিয়া দেখা যায়। বেংকে স্থায়ী জমা ৰচিদৰ বিপৰীতে ঋণ দিয়ে যাৰ বাবে বেংকে স্থায়ী জমাৰ ওপৰত দিয়া সুততকৈ এক বা দুই শতাংশ বেছি হাৰত সুত আদায় লয়।

৫.৫ সঞ্চয় জমা হিচাপ

ব্যক্তিসমূহৰ বাবে ই এক অধিক জনপ্রিয় হিচাপ। এই হিচাপত ধনাদেশৰ সুবিধা থকাৰ উপৰিও টকা জমা থোৱা আৰু উলিওৱাত যথেষ্ট শিথিলতা আছে। বেছিসংখ্যক বেংকৰ কিমান বাৰ টকা উলিয়াব পাৰিব আৰু কিমান টকা জমা থ'ব পাৰিব সেই ক্ষেত্রত নিয়ম আছে। সঞ্চয় জমাৰ সুতৰ হাৰ আগতে ৰিজার্ভ বেংকে নিয়ন্ত্রণ কৰিছিল কিন্তু ২০১১ চনৰ অক্টোবৰ মাহৰ পিছত ইয়াক অনিয়ন্ত্রিত কৰা হয়। এতিয়া বাণিজ্যিক বেংকসমূহে সঞ্চয়ী হিচাপৰ সুতৰ হাৰ ৰিজার্ভ বেংকৰ কিছুমান চর্তৰ ভিতৰত নিজে নির্ধাৰণ কৰে যদিও বর্তমান ৰাজহুৱা খণ্ডৰ বেংকসমূহে ৪ শতাংশ হাৰত সুত দিয়ে কিছুমান ব্যক্তিগত খণ্ডৰ বেংকে উচ্চ হাৰত সুত দিয়া দেখা যায়। ৰিজার্ভ বেংক নির্দেশনা অনুসৰি এতিয়া বাণিজ্যিক বেংকসমূহে No Frill হিচাপ খুলিব লাগে। No Frill হিচাপত কোনো ন্যূনতম জমাৰ প্রয়োজন নাই। এই হিচাপ সমাজৰ দুখীয়া শ্রেণীৰ লোকৰ বাবে যিসকলে ন্যূনতম জমা ৰাখিবৰ বাবে সক্ষম নহয়।

৫.৬ চলিত হিচাপ

চলিত হিচাপসমূহ সাধাৰণতে ব্যৱসায়ীক শ্রেণীৰ বাবে আৰু বিনিয়োগ আৰু সঞ্চয় বাবে ইয়াক ব্যৱহাৰ কৰা নহয়। এই আমানত হৈছে আটাইতকৈ তৰল আমানাত আৰু এই হিচাপৰ ক্ষেত্রত এটা দিনত কৰিব পৰা লেনদেনৰ পৰিমাণ আৰু সংখ্যাৰ কোনো নিয়ন্ত্রণ নাথাকে। বেছিভাগ চলিত হিচাপ অনুষ্ঠান বা কোম্পানীৰ নামত থাকে। চলিত হিচাপত ধনাদেশৰ সুবিধা দিয়া হয় আৰু গ্রাহকজনে তেওঁৰ নামত থকা যিকোনো ধনাদেশ বা ড্রাফ্ট জমা কৰিব পাৰে। বেংকে চলিত হিচাপত কোনো ধৰণৰ সুত প্রদান নকৰে। কিছুক্ষেত্রত বেংকে চলিত হিচাপৰ বিপৰীতে সেৱা কৰ সংগ্রহ কৰে। চলিত হিচাপৰ বিশেষ বৈশিষ্ট্যসমূহ হ'ল—

(ক) ব্যৱসায়ীসকলক তেওঁলোকৰ ব্যৱসায়ীক লেনদেন সুকলমে পৰিচালনা কৰাত সহায় কৰাটোৱে চলিত হিচাপৰ মুখ্য উদ্দেশ্য।

(খ) নগদ ধন বা ধনাদেশেৰে টকা জমা থোৱাত কোনো বাধ্যবাধকতা নাই।

(গ) সাধাৰণতে বেংকে চলিত হিচাপত কোনো ধৰণৰ সুত নিদিয়ে। কিন্তু বৰ্তমান সময়ত কিছুমান বাণিজ্যিক বেংকে বিশেষ ধৰণৰ চলিত হিচাপ খোলে য'ত সুত দিয়া হয়।

(ঘ) চলিত হিচাপৰ কোনো নির্দিষ্ট ম্যাদপূৰ্ণ হোৱাৰ সময় নাথাকে। কাৰণ ই অবধাৰিতভাৱে চলি থাকে।

৫.৭ পুনৰ আবর্তক জমা হিচাপ

এইবোৰক সাধাৰণতে RD হিচাপ বুলি জনা যায়। যিবোৰ ব্যক্তিৰ স্থায়ী জমা হিচাপ খুলিবলৈ ধনৰ অভাব কিন্তু কার্য সমৰ বাবে প্রত্যেক মাহতে নির্দিষ্ট পৰিমাণৰ ধন জমা থ'বৰ বাবে প্রস্তুত তেনে ব্যক্তিৰ বাবে এই হিচাপ উপযোগী। যিবোৰ ব্যক্তিৰ আয়ৰ ধাৰাবাহিকতা আছে আৰু সঞ্চয় কৰাৰ ক্ষমতা আছে। সাধাৰণতে, এই হিচাপবোৰে স্থায়ী জমা হিচাপৰ দৰে মাহিলি হিচাপত জমা থোৱা মুঠ জমাৰ ওপৰত সুত লাভ কৰে। যদি কোনো ব্যক্তিয়ে ভৱিষ্যতে কোনো কামৰ বাবে পুঁজি জমা কৰিব বিচাৰে তেনে ক্ষেত্রত ই এক উপযুক্ত উপায়।

এনেধৰণৰ হিচাপত ব্যক্তিজনে সাধাৰণতে প্রত্যেক মাহতে এক নির্দিষ্ট পৰিমাণৰ ধন জমা কৰিব লাগে। নির্দিষ্ট সময়ত ধন জমা নকৰিলে এক ন্যূনতম পৰিমাণৰ জৰিমনা বিহা হয়। কিছুমান বেংকে গ্রাহকক নমনীয় পুনৰ আবর্তক জমা হিচাপৰ সুবিধাও দিয়ে য'ত কিস্তিৰ ধনৰ পৰিমাণ স্থায়ী নহয়। এনে ধৰণৰ নমনীয় RD হিচাপত জমাকাৰীজনক কিস্তিৰ ধন নির্দিষ্ট পৰিমাণতকৈ বেছিকৈও জমা কৰিব দিয়া হয় যিটো আগতিয়াকৈ ঠিক কৰি থোৱা হয়। জমাকাৰি জনে এনে হিচাপলৈ নির্দিষ্ট দিনত নির্দিষ্ট পৰিমাণৰ টকা তেওঁৰ সঞ্চয় হিচাপৰ পৰা কিস্তিৰ টকা হস্তান্তৰ কৰাৰ নির্দেশ দিব পাৰে। পুনৰ আবর্ত জমা হিচাপসমূহ সাধাৰণতে ৬ মাহৰ পৰা ১২০ মাহলৈ খুলিব দিয়া হয়। গ্রাহকজনক এটা পাচবুক দিয়া হয় য'ত তেওঁ জমা থোৱা টকাৰ আৰু সুতৰ বিৱৰণ লিপিবদ্ধ কৰা হয়। মাহিলী কিস্তিৰ ধন সময় মতে আদায় দিব বুলি ধৰি লৈ পুনৰ আবর্ত জমা হিচাপৰ ম্যাদপূৰ্ণ হোৱা টকাৰ পৰিমাণটো বেংকে লিখি দিয়ে। সময় মতে কিস্তিৰ ধন আদায় দিব নোৱাৰিলে পাব লগা সুতৰ পৰিমাণ কমিব আৰু ন্যূনতম জৰিমনা বিহা হ'ব পাৰে। জৰিমনাৰ বিনিময়ত ম্যাদপূৰ্ণ হোৱাৰ আগতে পুনৰ আবর্ত জমা হিচাপৰ টকা উলিয়াব পাৰে। এই হিচাপ এজন ব্যক্তিৰ নামত বা যৌথ নামত খুলিব পাৰি। বেংকে গ্রাহকজনক হিচাপ পৰিচালনাৰ বাবে অন্য ব্যক্তিক মনোনীত কৰাৰ সুবিধাও দিয়ে।

ভাৰতবর্ষত পুনৰ আবর্ত জমা হিচাপত স্থায়ী জমাৰ দৰে সুত দিয়া হয়।

৫.৮ সঞ্চয় জমা সংযোজিত স্থায়ী জমা হিচাপ

আজিকালি বহুত বেংকে এক ধৰণৰ হাইব্রীড হিচাপ খোলে যিবোৰ সঞ্চয় জমা আৰু স্থায়ী জমাৰ এক সংমিশ্রণ। গ্রাহকসকলে এনে হিচাপসমূহৰ প্রতি আগ্রহ দেখুৱাই, কাৰণ এনেধৰণৰ হিচাপত সঞ্চয় হিচাপৰ বেংকৰ তাৰল্য আৰু স্থায়ী জমাৰ উচ্চ হাৰৰ সুতৰ সুবিধা পোৱা যায়।

এইবোৰ Two-in-One Account, Multiple Option Deposit (MOD) Account, Flexible Deposit Accounts, Auto Sweep Account ইত্যাদি বিভিন্ন নামেৰে জনা যায়। সঞ্চয় হিচাপত এক নির্দিষ্ট পৰিমাণতকৈ বেছি পৰিমাণৰ টকা জমা হ'লে সেই অতিৰিক্ত ধন নিজে নিজে স্থায়ী হিচাপলৈ স্থানান্তৰ হয়। তেনে হিচাপত সেই সময়ত স্থায়ী জমাত প্রচলিত সুতৰ হাৰত সুত প্রদান কৰা হয়। যদি টকা উলিওৱাৰ পিছত সঞ্চয় হিচাপত টকাৰ পৰিমাণ কমি যায় তেনে ক্ষেত্রত নিজে নিজে স্থায়ী জমাৰ পৰা টকা আহি সঞ্চয় হিচাপত জমা হয়। স্থায়ী জমাৰ সকলো চর্ত আৰু ম্যাদপূর্ণ হোৱাৰ পূর্বে বন্ধ কৰা পদ্ধতি এই হিচাপত প্রযোজ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোন হিচাপত আটাইতকৈ বেছি সুত প্রদান কৰে?

(ক) চলিত হিচাপ

(খ) সঞ্চয় হিচাপ

(গ) স্থায়ী জমা হিচাপ

প্রশ্ন নং ২ঃ পুনৰ আবর্ত জমা হৈছে-

(ক) চলিত হিচাপ

(খ) সঞ্চয় হিচাপ

(গ) স্থায়ী হিচাপ

(ঘ) স্থায়ী আৰু সঞ্চয় জমাৰ সংমিশ্রণ।

৫.৯ হিচাপ খোলাৰ নিয়মাৱলী

আবেদন সংগ্রহ ঃ যিজন ব্যক্তিয়ে বেংকত হিচাপ খুলিব খোজে সেই ব্যক্তিজনে এখন নির্দিষ্ট প্র-পত্রত বেংকলৈ আৱেদন কৰিব লাগে। আৱেদনখনত গ্রাহকজনে ব্যক্তিগত তথ্য, ঠিকনা, বৃত্তি ইত্যাদি বিষয়ৰ তথ্য দিব লাগে। ব্যক্তিজনে পাৰ-পত্র আকাৰৰ ফটো আৰু হিচাপটো চলাবৰ বাবে যিটো চহী ব্যৱহাৰ কৰা হ'ব তাৰ নমুনা আৱেদনৰ লগত দিব লাগে। আৱেদনৰ লগত আৱেদনকাৰীয়ে প্রয়োজনীয় নথিপত্রসমূহ গাঠি দিব লাগে।

প্রয়োজনীয় কর্তব্য নিষ্ঠা ঃ এজন বেংকাৰে এজন ব্যক্তিৰ নামত হিচাপ খোলাৰ আগতে ৰিজার্ভ বেংকৰ 'আপোনাৰ গ্রাহকক জানক' নিয়মাৱলীৰ অধীনত সম্পূর্ণ কর্তব্য নিষ্ঠা পালন কৰিব লাগিব। কর্তব্য নিষ্ঠা বুলিলে গ্রাহকৰ ব্যক্তিগত তথ্য জনা, বৃত্তি,আয়ৰ উৎস আৰু ঠিকনাৰ বিষয়ে গম লোৱা কার্য অন্তর্ভুক্ত। লগতে বেংকে এজন পৰিচিত ব্যক্তিৰ দ্বাৰা আৱেদনকাৰীজনক চিনাক্তকৰণ, গ্রাহকজনৰ এখন বর্তমানৰ ফটো সংগ্রহ কৰাও কর্তব্য নিষ্ঠাৰ ভিতৰুৱা।

আপোনাৰ গ্রাহকক জানক ঃ আপোনাৰ গ্রাহকক জানক (Know Your Customer) হৈছে এটা প্রক্রিয়া যাৰ দ্বাৰা বেংক গ্রাহকৰ পৰিচয় আৰু ঠিকনাৰ বিষয়ে তথ্য সংগ্রহ কৰে। বেংকৰ সেৱাৰ যাতে অপব্যৱহাৰ নহয় তাৰ বাবে এই ব্যৱস্থা লোৱা হয়। এই প্রক্রিয়াটো বেংকে

হিচাপ এটা খোলাৰ সময়ত সম্পূৰ্ণ কৰিব লাগে আৰু সময়ে সময়ে উন্নীত কৰি থাকিব লাগে।

এটা বেংক হিচাপ খুলিবলৈ হ'লে ব্যক্তি এজনে পৰিচয় পত্ৰ আৰু ঠিকনাৰ প্ৰমাণৰ লগতে ফটো বেংকত জমা দিব লাগে। ভাৰত চৰকাৰে ৬ বিধ পৰিচয়ৰ প্ৰমাণ পত্ৰ 'Officially Valid Documents' হিচাপে সূচনা জাৰি কৰিছে। সেইবোৰ হ'ল— পাৰপত্ৰ, যান-বাহন চলোৱাৰ অনুজ্ঞাপত্ৰ, ভোটাৰৰ পৰিচয় পত্ৰ, পাণকার্ড, আধাৰ কার্ড আৰু এনৰেগা কার্ড ।গ্ৰাহকজনে ইয়াৰে ভিতৰত যিকোনো এখন নথি বেংকত দাখিল কৰিব লাগিব। এনে নথি যদি গ্ৰাহকজনৰ ঠিকনা লিখা থাকে তেন্তে ইয়াক বেংকে ঠিকনাৰ প্ৰমাণ পত্ৰ হিচাপেও গ্ৰহণ কৰে। যদিহে পৰিচয়ৰ বাবে দাখিল কৰা নথিত ঠিকনা নাথাকে তেনেক্ষেত্ৰত গ্ৰাহকে ঠিকনাৰ প্ৰমাণ হিচাপে বেলেগে নথি প্ৰদান কৰিব লাগে।

যদি কোনো ব্যক্তিৰ ওপৰোক্ত কোনো নথি নাথাকে তেনে ক্ষেত্ৰত এখন ফটো আৰু বিষয়া এজনৰ সন্মুখত তেওঁৰ চহী দি বেংকত হিচাপ খুলিব পাৰে। তেনে হিচাপসমূহক Small Account বোলা হয়। Small Account ৰ কিছুমান সীমাবদ্ধতা আছে, যেনে—

- কোনো মুহূৰ্ততে তেনে হিচাপত জমাৰ পৰিমাণ ৫০,০০০ টকাকৈ বেছি হ'ব নোৱাৰিব।
- এবছৰত মুঠ জমা ১,০০০০০ টকাতকৈ বেছি হ'ব নোৱাৰে।
- এমাহত মুঠ ১০,০০০ টকাকৈ বেছি ধন উলিয়াব বা হস্তান্তৰ কৰিব নোৱাৰে।
- বিদেশৰ পৰা হস্তান্তৰ কৰা ধন তেনে হিচাপত জমা কৰিব নোৱাৰে।

তেনে ধৰণৰ বেংক হিচাপসমূহ প্ৰথমে ১২ মাহৰ বাবে খোলা হয় আৰু যদি বাৰ মাহৰ পিছত গ্ৰাহকজনে বেংকক কোনো বৈধ নথিৰ বাবে আৱেদন কৰাৰ প্ৰমাণ দাখিল কৰিব পাৰে তেনেহ'লে অতিৰিক্ত ১২ মাহৰ বাবে হিচাপটো চলাব দিয়া হয়। সম্পূৰ্ণ চ্ছ্ৰ মাহৰ পিছত বেংকে হিচাপটো পুনৰীক্ষণ কৰিব আৰু পৰৱৰ্তী সময়ত তেনে ৰেহাই লাগিবনে বিবেচনা কৰিব।

যদি কোনো ব্যক্তিৰ আনুষ্ঠানিকভাৱে বৈধ কোনো নথি নাথাকে তেনেক্ষেত্ৰত তলত দিয়া যিকোনো এখন নথিৰ সহায়ত বেংকত হিচাপ খুলিব পাৰে—

- কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰৰ কোনো বিভাগ, বিধিগত বা নিয়ন্ত্ৰণ প্ৰাধিকৰণ, চৰকাৰৰ অধিনষ্ঠ অনুষ্ঠান, অনুসূচীতভুক্ত বাণিজ্যিক বেংক আৰু ৰাজহুৱা বিত্তীয় অনুষ্ঠানে প্ৰদান কৰা ব্যক্তিজনৰ ফটো থকা পৰিচয় পত্ৰ। আৰু
- ব্যক্তিজনৰ ফটোৰ ওপৰত প্ৰমাণক চহী থকা চৰকাৰী বিষয়াৰ চীল মোহৰ যুক্ত নথি।

কিন্তু ই এক সাধাৰণ নীতি নহয়। ই সম্পূৰ্ণ বেংকৰ বিবেচনাধীন আৰু কোনো ব্যক্তিৰ ক্ষেত্ৰত ই প্ৰযোজ্য হ'বনে নাই সেইটো বেংকটোৰ বিচৰাধীন বিষয়।

ন্যূনতম জমা ঃ বেংক হিচাপ পৰিচালনা নীতি নিয়ম অনুসৰি জমা হিচাপসমূহত গ্ৰাহকে নির্ধাৰিত ন্যূনতম জমা ৰখাটো বাধ্যতামূলক। কিন্তু দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোকসকলক বেংকে No-Frill Account খুলিবলৈ উৎসাহিত কৰে যিটো এক ধৰণৰ সঞ্চয়ী

বেংক হিচাপ আৰু য'ত ন্যূনতম জমাৰ কোনো প্ৰয়োজন নাথাকে। এটা সঞ্চয় হিচাপৰ ক্ষেত্ৰত লেনদেনৰ সংখ্যা বা টকা উলিওৱাৰ ক্ষেত্ৰত বাধ্যবাধকতা অৰ্পণ কৰিব পাৰে।

স্বচ্ছতা ঃ গ্ৰাহকজনে জমা হিচাপত ন্যূনতম জমা ৰাখিব নোৱাৰিলে বেংকে গ্ৰাহকজনৰ ওপৰত জৰিমণা বিহিব পাৰে। আকৌ চেক বুক, হিচাপৰ বিৱৰণ, নকল পাচবুক আদিৰ বাবেও গ্ৰাহকৰ পৰা খৰচ আদায় কৰিব পাৰে। এনে সকলোবোৰ তথ্য আৰু চর্ত লগতে ধন আদায় দিব লগা সেৱাসমূহৰ বিষয়ে স্বচ্ছতাৰ খাতিৰত বেংকে গ্ৰাহকক হিচাপ খোলাৰ সময়তে অৱগত কৰাব লাগে।

অর্হতা ঃ ৰিজাৰ্ভ বেংকৰ নির্দেশনা অনুসৰি এটা সঞ্চয়ী হিচাপ সকলো অর্হতা সম্পন্ন ব্যক্তিয়ে বা কিছুমান অনুষ্ঠান, প্ৰতিষ্ঠানে খুলিব পাৰে। কিন্তু চলিত হিচাপ এটা ব্যক্তি, অংশীদাৰী প্ৰতিষ্ঠান, ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ কোম্পানী, যৌথ হিন্দু পৰিয়াল, নির্দিষ্ট সংস্থা, ট্ৰাষ্ট ইত্যাদিয়ে খুলিব পাৰে। সঞ্চয়ী হিচাপ আৰু চলিত হিচাপ খুলিবৰ বাবে প্ৰয়োজনীয় অর্হতা প্ৰায় সমান হ'লেও কিছু গুৰুত্বপূর্ণ পার্থক্যও আছে। যদিওবা দুয়োটা হিচাপ ব্যক্তিয়ে খুলিব পাৰে, সঞ্চয়ী হিচাপ প্ৰতিষ্ঠানৰ নামত খোলা নহয়। আনহাতে স্থায়ী হিচাপ সকলোধৰণৰ গ্ৰাহকে খুলিব পাৰে।

পাণ কার্ডৰ প্ৰয়োজনীয়তা ঃ কর্তব্য নিষ্ঠা আৰু KYC নীতিৰ আধাৰত বেংক এটাই আইনগতভাৱে সাম্ভাব্য গ্ৰাহকজনৰ পৰা PAN নম্বৰ সংগ্ৰহ কৰিব লাগে।

৫.১০ বেংকৰ হিচাপ পৰিচালনা

বেংকৰ হিচাপ পৰিচালনাৰ ক্ষেত্ৰত তলত উল্লেখ কৰা বিষয়সমূহ মন কৰিবলগীয়া—

একক আৰু যৌথ হিচাপৰ পৰিচালনা ঃ জমা হিচাপসমূহ এজন ব্যক্তিয়ে তেওঁৰ নিজৰ নামত বা এজনতকৈ বেছি ব্যক্তিয়ে তেওঁলোকৰ যৌথ নামত খুলিব পাৰে। যেতিয়া হিচাপ এটা এজন ব্যক্তিৰ নামত খোলা হয় তেনে হিচাপক একক হিচাপ বোলা হয় আৰু যিটো গ্ৰাহকজনে নিজে বা তেওঁৰ হৈ তেওঁ মনোনয়ন কৰা আন ব্যক্তিয়ে পৰিচালনা কৰে। যেতিয়া হিচাপ এটা এজনতকৈ বেছি মানুহৰ নামত খোলা হয় তেনে হিচাপক যৌথ হিচাপ বোলা হয়। যৌথ হিচাপৰ অধিকাৰীসকলে অধিকাৰীসকলৰ মৃত্যুত হিচাপত জমা থকা ধন কাক আদায় দিয়া হ'ব তাৰ নির্দেশনা দিব পাৰে। এনে নির্দেশনা বেংকে জীৱিতসকলক বা জীৱিতসকলৰ ভিতৰত কোনো এজনক আদায় দিয়া ইত্যাদি ভাগত ভাগ কৰিব পাৰে। হিচাপৰ অধিকাৰীসকলে সকলোবোৰৰ সন্মতি লৈ তেনে নির্দেশনাৰ পৰিবর্তন কৰিব পাৰে। অভিভাৱকে নাবালকৰ লগত লগ হৈ যৌথ হিচাপ খুলিলে তেনে হিচাপ অকল অভিভাৱকেহে পৰিচালনা কৰিব পাৰে।

মোক্তাৰ নামা ঃ জমাকাৰীজনৰ অনুৰোধত গ্ৰাহকজনে বেংকৰ হিচাপ তেওঁৰ হৈ আন এজন ব্যক্তিক পৰিচালনা কৰিব দিয়া মোক্তাৰ নামা পঞ্জীয়ন কৰিব পাৰে।

জমা হিচাপ বন্ধ কৰা বা নবীকৰণ কৰা ঃ স্থায়ী জমাদাৰকসকলে তেওঁলোকৰ হিচাপ

ম্যাদপূর্ণ হোৱাৰ পিছত তেনে হিচাপ বন্ধ কৰিব নে নবীকৰণ কৰিব তাৰ নির্দেশনা হিচাপটো খোলাৰ সময়তে দিব পাৰে। তেনে কোনো নির্দেশনা নাথাকিলে ম্যাদপূর্ণ হোৱাৰ ১৫ দিনৰ আগতে নবীকৰণৰ বিষয়ে বেংকে আগতীয়া জাননী দিব লাগে। যদিহে ম্যাদপূর্ণ হোৱাৰ আগলৈ বেংকে গ্রাহকৰ পৰা কোনো নির্দেশনা নাপাই তেনে ক্ষেত্রত বেংকে হিচাপটো ম্যাদপূর্ণ হোৱাৰ দিনা নবীকৰণ কৰিব পাৰে।

উত্তৰাধিকাৰী ঃ আমনাতকাৰীৰ মৃত্যুৰ পিছত হিচাপত জমা থকা ধনৰ উত্তৰাধিকাৰী হিচাপে এজন ব্যক্তিৰ নাম আমনাতকাৰীয়ে নির্ধাৰণ কৰি দিব পাৰে। এই প্রক্রিয়াটোকে উত্তৰাধিকাৰী বাচনি প্রক্রিয়া বোলে। উত্তৰাধিকাৰীৰ সুবিধা হিচাপ খোলা সকলো ব্যক্তিকে দিয়া হয়। একক মালীকানাধীন ব্যৱসায়কো উত্তাৰাধিকাৰী বাচনিৰ সুবিধা দিয়া হয়। মাত্র এজন ব্যক্তিকহে উত্তৰাধিকাৰী নিয়োগ কৰিব পাৰি। হিচাপধাৰকে যেতিয়া তেতিয়া উত্তৰাধিকাৰীজনক নাকচ বা সলনি কৰিব পাৰে। এই ক্ষেত্রত এজন নাবালককো উত্তৰাধিকাৰী হিচাপে নিযুক্ত কৰিব পাৰি।

বিশেষ ধৰণৰ হিচাপৰ পৰিচালনা

নাবালকৰ হিচাপ ঃ এজন নাবালকে অভিভাৱকৰ লগত যৌথভাৱে সঞ্চয় জমা হিচাপ খুলিব পাৰে, যিটো নাবালকজন সাবালক নোহোৱা পর্যন্ত মাথো অভিভাৱকজনেহে চলাব পাৰে। নাবালকজন সাবালক হোৱাৰ পিছত হিচাপটো পৰিচালনা কৰাৰ আগতে হস্তাক্ষৰ আৰু অন্য পৰিচয়ৰ পুনঃৰীক্ষণ কৰা হয়।

নিৰক্ষৰ আৰু অন্ধ মানুহৰ হিচাপ ঃ নিৰক্ষৰ বা অন্ধ মানুহৰ হিচাপ তেওঁলোকৰ নিজৰ বিবেচনাত দুয়ো পক্ষৰ (বেংক আৰু গ্রাহক) পৰিচিত কোনো ব্যক্তিৰ সাক্ষী হিচাপে লৈ খোলা হয়। এই ক্ষেত্রত বেংকাৰে গ্রাহকজনক হিচাপ পৰিচালনা কৰাৰ নীতি-নিয়মসমূহ বুজাই দিয়ে।

হিচাপ পৰিচালনা ঃ পে-ইন-শ্লিপ অথবা ক্রেডিট শিল্পৰ দ্বাৰা টকা জমা থোৱা হয় আৰু টকা উলিয়াবলৈ Withdrawal slip বা ধনাদেশ ব্যৱহাৰ কৰা হয়। অন্য পক্ষক ধন আদায়ৰ বাবেও ধনাদেশ ব্যৱহাৰ কৰা হয়। হিচাপ ধাৰকক পাচবুক দিয়া হয় য'ত লেন-দেনবোৰ লিপিবদ্ধ কৰা হয়।

৫.১১ জমা প্র-পত্র

হিচাপ ধাৰকে বা অন্য কোনো ব্যক্তিয়ে হিচাপত ধন জমা থ'বলৈ পে-ইন-শ্লিপত লিখি টকা জমা দিব পাৰে। এইখনক ক্রেডিট শ্লিপ বা জমা শ্লিপও বোলে। নোট আৰু খুচুৰা টকাৰ মুঠ পৰিমাণ, জমাকাৰীৰ নাম আৰু তাৰিখ লিখি বেংকত জমা দিয়া হয়। বেংকাৰে টকা আৰু পে-ইন-শ্লিপত লিখা বিৱৰণ পৰীক্ষা কৰি সকলো ঠিকে পালে জমা দিয়া টকা গ্রাহকৰ হিচাপত ক্রেডিট কৰে। পে-ইন-শ্লিপৰ এটা অংশ বেংকে ৰাখে আৰু আন এটা অংশ চিল মোহৰ মাৰি গ্রাহকক প্রমাণ হিচাপে ঘূৰাই দিয়ে। গ্রাহকে বেংকৰ লগত লেন-দেনৰ বিৱৰণ চাবৰ বাবে পাচবুক ব্যৱহাৰ কৰে।

পে-ইন-স্লিপৰ নমুনা

XYZ BANK Guwahati Branch Dist: Kamrup, Assam Date:	XYZ BANK Guwahati Branch Dist: Kamrup, Assam 781001 Date:	Cash/Transfer
Account Number	Account Number	
Paid-in to the credit of ----------	Paid in to the credit of……	
Details of Cheque/Cash | Amount Rs Cash/Cheque Deposit Total	Details of Cheque/Cash overleaf | Amount Rs Ps Cash/Cheque Deposit Total	
Rupees ……..	Rupees …….....	
	Mobile No: PAN:	
		Signature of the Depositor
For Office Use	For Office Use	
SWO | CO	SWO | Cash Officer/Passing Officer	

৫.১২ জমা ধন উলিওৱা স্লিপ আৰু ধনাদেশ

টকা উলিওৱা স্লিপ বা ধনাদেশৰ সহায়ত ধন উলিয়াবলৈ গ্ৰাহকে সাধাৰণতে যিটো শাখাত তেওঁৰ হিচাপ থাকে তালৈ যোৱাৰ প্ৰয়োজন হয়। বেংকে ধন আদায় দিয়াৰ আগতে গ্ৰাহকৰ পে-ইন-স্লিপ বা ধনাদেশৰ চহীৰ লগত বেংকত জমা দিয়া চহী মিলাই চাই। টকা উলিওৱা স্লিপ চেকৰ লগত একে মাথো ইয়াত ক্ৰমিক সংখ্যা নাথাকে আৰু ই হস্তান্তৰযোগ্য নহয়। টকা উলিয়াবলৈ হ'লে গ্ৰাহকে সম্পূৰ্ণকৈ পূৰণ কৰা টকা উলিওৱা স্লিপ পাচবুক সহিতে বেংকত জমা দিব লাগে। ধনাদেশৰ সহায়তো টকা উলিয়াব পাৰি। এখন ধনাদেশ হ'ল গ্ৰাহকে বেংকলৈ এক নিৰ্দিষ্ট পৰিমাণৰ টকা ধনাদেশখন বেংকত দিয়াৰ লগে লগে পেয়ীক আদায় দিবলৈ দিয়া এক চৰ্তবিহীন আদেশ। ধনাদেশ হ'ল এখন হস্তান্তৰযোগ্য দলিল। যিজনে ধনাদেশ খন প্ৰস্তুত কৰে অৰ্থাৎ গ্ৰাহক বা হিচাপ ধাৰক, তেওঁক প্ৰস্তুত কাৰক (drawer) বোলা হয়। যিটো বেংকক ধন আদায় দিয়াৰ নিৰ্দেশ দিয়া হয় সেই বেংকটো ড্ৰ'ই (drawee) আৰু যাক চেকৰ টকা পৰিশোধ কৰা হয় তেওঁক পেয়ী (Payee) বোলা হয়। ধনাদেশৰ প্ৰস্তুত কাৰকজন (drawer) নিজে পেয়ীও (Payee) হ'ব পাৰে তেনে ক্ষেত্ৰত ধনাদেশখনক Self cheque বোলা হয়।

গ্ৰাহকজনক কেইবা পৃষ্ঠা ধনাদেশ থকা বহী এটা দিয়া হয়। এই বহীটোক ধনাদেশৰ বহী (cheque book) বোলা হয়। বহীত থকা ধনাদেশসমূহত ক্ৰমিক সংখ্যা থাকে। ধনাদেশৰ বহীটোত এখন অনুৰোধ পত্ৰও থাকে যিখন নতুন ধনাদেশৰ বহী আৱেদন কৰাৰ বাবে ব্যৱহাৰ

কৰা হয়। গ্ৰাহকজনে খালী ধনাদেশখন সম্পূৰ্ণকৈ পূৰণ কৰি তাৰিখ আৰু চহী কৰি দিলে সেইখন বৈধ ধনাদেশ হয়। ভাৰতবৰ্ষত এখন ধনাদেশ জাৰি কৰাৰ দিনৰপৰা তিনিমাহলৈ বৈধতা থাকে আৰু তিনিমাহৰ ভিতৰত যেতিয়া তেতিয়া পৰিশোধৰ বাবে বেংকত দাখিল কৰিব পাৰে। তিনি মাহ পিছত ধনাদেশখন বৈধ হৈ নাথাকে আৰু সেইখনক বাহী ধনাদেশ বোলা হয়। তলত এখন ধনাদেশৰ আৰ্হি দিয়া হ'ল—

SPECIMEN OF A CHEQUE

XYZ BANK

Guwahati Branch

Dist: Kamrup, Assam 781001

IFSC CODE:XXXXXXXX

D	D	M	M	Y	Y	Y	Y

Pay

Rs.	

.....or bearer a sum Rupees.....

A/C No	xxxxxxx

Valid for Rs. 1,000,000 and under

Signature

||088277|| 781002015 : 002601 || 31

এ টি এম বা ক্ৰেডিট কাৰ্ডৰ সহায়তা বেংকৰ লেনদেনসমূহ কৰিব পাৰি। এই কাৰ্ডবোৰৰ জৰিয়তে অটোমেটিক টেলাৰ যন্ত্ৰৰ পৰা নগদ ধন উলিয়াব পাৰি। ইণ্টাৰনেট বেংকিঙৰ সহায়টো লেন-দেন কৰিব পাৰি। এঠাইৰ পৰা আন ঠাইলৈ ধন হস্তান্তৰ কৰা কাৰ্যও ইণ্টাৰনেট বেংকিঙৰ সহায়ত কৰিব পাৰি।

৫.১৩ পাচবুক

পাচবুক এটা জমা হিচাপৰ লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। পৰম্পৰাগতভাৱে যিবোৰ হিচাপত কাম লেনদেন হয় তেনে হিচাপৰ বাবেহে পাচবুক ব্যৱহাৰ কৰা হয়। যেনে সঞ্চয়ী বেংক হিচাপ খোলাৰ পিছত বেংকে গ্ৰাহকজনক এটা পাচবুক দিয়ে। গ্ৰাহকজনে পাচবুকত লেনদেনসমূহ লিপিবদ্ধ কৰাৰ কাৰণে সময়ে সময়ে বেংকত যাব লাগে। বেংকেলেনদেনৰ সংক্ষিপ্ত বিৱৰণ, ডেবিট বা ক্ৰেডিট কৰা টকাৰ পৰিমাণ আৰু জমা উদ্ধৃত

পাচবুকত লিপিবদ্ধ কৰি গ্ৰাহকক দিয়ে। পাচবুকত লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে আজিকালি গ্ৰাহকৰ সুবিধাৰ বাবে কিছুমান উন্নত মানৰ ছপা যন্ত্ৰ ব্যৱহাৰ কৰা হয় যিবোৰ স্বয়ংক্ৰিয় আৰু যিবোৰ বেংকৰ শাখাত বা এ টি এমৰ লগত সংলগ্ন হৈ থাকে। পাচবুক এটাত গ্ৰাহকৰ নাম হিচাপৰ সংখ্যা, হিচাপৰ প্ৰকাৰ, হিচাপ পৰিচালনাৰ পদ্ধতি আৰু অন্যান্য প্ৰয়োজনীয় তথ্য দিয়া থাকে। যিবোৰ লেনদেনে বেংক হিচাপৰ উদ্ধৃত্ত বৃদ্ধি কৰে, যেনে— জমা, বেংকে গ্ৰাহকৰ হৈ সংগ্ৰহ কৰা ধন ইত্যাদিবোৰ ক্ৰেডিট কৰা হয় অন্যহাতে যিবোৰ লেনদেনে গ্ৰাহকৰ হিচাপৰ উদ্ধৃত্ত হ্ৰাস কৰে, যেনে— টকা উলিওৱা, অন্য হিচাপলৈ ধন হস্তান্তৰ ইত্যাদিবোৰ ডেবিট কৰা হয়। তলত পাচবুকৰ এটা আৰ্হি দিয়া হ'ল—

SPECIMEN OF PASS BOOK

XYZ Bank	
Saving Bank Account	Branch:
CIF No:	
Account No:	
Customer Name:	
S/D/W/H of:	
Address:	
Phone:	
Email:	
MOP:	
Nomination Reg. No:	
	Branch Manager

(First Page)

Date	Particulars	Cheque No.	Debit	Credit	Balance	Initial

(Subsequent Pages for transaction record)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ বেংকৰ পৰা টকা উলিয়াবলৈ তলৰ কি কি ব্যৱহাৰ কৰিব পাৰি—

(ক) পে-ইন-স্লিপ

(খ) ডেবিট কার্ড

(গ) ধনাদেশ

(ঘ) খ আৰু গ দুয়োটা।

প্রশ্ন নং ৪ঃ ধন জমা কৰিলে পাচবুকৰ . . . . . লিখা হয়।

(ক) ডেবিট

(খ) ক্রেডিট

প্রশ্ন নং ৫ঃ 'নাবালকৰ নামত বেংক হিচাপ খুলিব পাৰি' ভুল নে শুদ্ধ লিখক—

(ক) শুদ্ধ

(খ) অশুদ্ধ

প্রশ্ন নং ৬ঃ ইণ্টাৰনেট বেংকিং যোগে বেংকৰ পৰা ধন উলিয়াব পাৰি শুদ্ধ নে অশুদ্ধ

(ক) শুদ্ধ

(খ) অশুদ্ধ



৫.১৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বাণিজ্য বেংকৰ মুখ্য কার্য হ'ল জমাধন আহৰণ কৰা আৰু সময় সাপেক্ষে টকা উলিয়াই দিয়া আৰু ৰাহী ধন বিনিয়োগ কৰা।
- জমাধনক হিচাপৰ সাধাৰণতে তিনিটা ভাগত ভাগ কৰা হয়— (১) স্থায়ী জমা হিচাপ (২) সঞ্চয় জমা হিচাপ (৩) চলিত জমা হিচাব।
- যিজন ব্যক্তিয়ে বেংকৰ হিচাপ খুলিবলৈ বিচাৰে তেওঁ বেংকৰ প্র-পত্র পূৰণ কৰি যাৱতীয় নথি-পত্র, ফটো, নিজৰ পৰিচয় পত্র আৰু ঠিকনাৰ প্রমাণ পত্র দিলে বেংকে তেওঁৰ নামত হিচাপ খুলি দিব।
- হিচাপ এজন নাইবা দুই চাৰিজনৰ নামটো খুলিব পাৰি। বেংকে অনুষ্ঠান, প্রতিষ্ঠান কোম্পানী আদিৰ নামটো হিচাপ খুলিব পাৰে। অশিক্ষিত নাইবা অন্ধ ব্যক্তিয়ে হিচাপ খোলাৰ নিয়ম আছে।

- হিচাপটো জমা প্ৰ-পত্ৰ, (pay-in-slip) টকা উলিওৱা প্ৰ-পত্ৰ (withdrawal form of cheque), এ টি এম কার্ড, ইণ্টাৰনেট আদি লেনদেন এক মাধ্যম। জমাকাৰীক জমা হিচাপ বহী দিয়া হয়, য'ত প্ৰত্যেক লেনদেনৰ লিপিবদ্ধ কৰা হয়।



৫.১৫ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy

৫.১৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (গ)
২ নং প্ৰশ্নৰ উত্তৰঃ (গ)
৩ নং প্ৰশ্নৰ উত্তৰঃ (ঘ)
৪ নং প্ৰশ্নৰ উত্তৰঃ (খ)
৫ নং প্ৰশ্নৰ উত্তৰঃ (ক)
৬ নং প্ৰশ্নৰ উত্তৰঃ (খ)



৫.১৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ বিভিন্ন প্ৰকাৰৰ জমা হিচাপসমূহ উল্লেখ কৰা।
প্ৰশ্ন ২ঃ চলিত হিচাপৰ বৈশিষ্ট্যসমূহ কি কি?
প্ৰশ্ন ৩ঃ পে-ইন-স্লিপ কি?
প্ৰশ্ন ৪ঃ ধনাদেশ কি?
প্ৰশ্ন ৫ঃ পাচবুকত কি কি তথ্য লিখা হয়?
প্ৰশ্ন ৬ঃ বেংকত উপলব্ধ হোৱা হিচাপসমূহৰ বিষয়ে ব্যাখ্যা কৰক।
প্ৰশ্ন ৭ঃ সঞ্চয়ী হিচাপ এটা খোলাৰ পদ্ধতিসমূহ ব্যাখ্যা কৰক।
প্ৰশ্ন ৮ঃ বেংক হিচাপ পৰিচালনা কৰোতে ব্যৱহাৰ হোৱা বিভিন্ন প্ৰ-পত্ৰসমূহ কি কি? সেইবোৰৰ আৰ্হি দিয়ক।

*** ***** ***

অধ্যায় ৬ ঃ বেংকৰ বিভিন্ন গ্ৰাহক

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ বেংকৰ গ্ৰাহকৰ অৰ্থ

৬.৪ বেংকৰ বিভিন্ন গ্ৰাহক

- ৬.৪.১ ব্যক্তি
- ৬.৪.২ নাবালক
- ৬.৪.৩ বিবাহিতা মহিলা
- ৬.৪.৪ মুখ ঢাকি ৰখা মহিলা
- ৬.৪.৫ উন্মাদ ব্যক্তি
- ৬.৪.৬ নিৰক্ষৰ ব্যক্তি
- ৬.৪.৭ যৌথ হিচাপ
- ৬.৪.৮ যৌথ হিন্দু পৰিয়াল
- ৬.৪.৯ অংশীদাৰী প্ৰতিষ্ঠান
- ৬.৪.১০ পঞ্জীভূত সংস্থা, সংঘ, স্কুল আৰু অন্যান্য অব্যৱসায়ীক অনুষ্ঠানৰ হিচাপ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবৰ বাবে

৬.৭ অগ্ৰগতিৰ খতিয়ান

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেংকৰ গ্ৰাহকৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- নাবালকৰ নামত বেংকত হিচাপ খোলাৰ পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিবাহিত মহিলা, মুখ আবৰি ৰখা মহিলা, উন্মাদ ব্যক্তি আৰু নিৰক্ষৰ ব্যক্তিৰ বেংকত হিচাপ খোলাৰ পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- যৌথ হিন্দু পৰিয়াল আৰু অংশীদাৰী ব্যৱসায়ৰ নামত বেংকত হিচাপ খোলা পদ্ধতিৰ বিষয়ে জানিব পাৰিব
- পঞ্জীভূত সংস্থা, সংঘ, স্কুল আৰু অন্যান্য অব্যৱসায়িক অনুষ্ঠানৰ হিচাপ খোলাৰ পদ্ধতিৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

বিভিন্ন প্ৰকাৰৰ বেংক হিচাপৰ বিষয়ে আমি ছয় নং অধ্যায়ত আলোচনা কৰিলো। আমি সকলোৱে জানো যে মানুহে তেওঁলোকৰ টকা-পইচা সুৰক্ষিত ভাবে ৰাখিবলৈ বেংকত হিচাপ খোলে। যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানে তেওঁলোকৰ প্ৰয়োজন অনুসৰি বেংকত হিচাপ খুলিব পাৰে। এজন ব্যক্তি বা প্ৰতিষ্ঠান, যাৰ বেংকত এটা হিচাপ থাকে তেওঁকে বেংকটোৰ গ্ৰাহক হিচাপে গণ্য কৰা হয়। গ্ৰাহকৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি বেংকে সেইবোৰক ভাগ কৰে।

এই অধ্যায়ত আমি বিভিন্ন প্ৰকাৰৰ বেংকৰ গ্ৰাহকৰ বিষয়ে আৰু তেওঁলোকে কিদৰে বেংকত হিচাপ খোলে সেই বিষয়ে আলোচনা কৰিম।

৬.৩ বেংকৰ গ্ৰাহকৰ অৰ্থ

কোনো আইনৰ অধীনত গ্ৰাহক শব্দটোৰ অৰ্থ দিয়া হোৱা নাই। সাধাৰণ অৰ্থত বেংকৰ গ্ৰাহক হৈছে এজন ব্যক্তি যিয়ে বেংকৰ লগত এটা লেনদেন সম্পন্ন কৰে। তেওঁ এজন ব্যক্তি, এটা ন্যাস বা এটা প্ৰতিষ্ঠান হ'ব পাৰে।

ছাৰ জন পেগটৰ মতে- "to constitute a customer there must be some recognizable course or habit of dealing in the nature of regular banking business."

৬.৪ বেংকৰ বিভিন্ন গ্ৰাহক

৬.৪.১ ব্যক্তি

চুক্তি সম্পাদন কৰিব পৰা সকলোবোৰ ব্যক্তিয়ে বেংকত হিচাপ খুলিব পাৰে যদিহে বেংকে ব্যক্তিজনৰ ওপৰত সন্তুষ্ট হয় আৰু তেওঁৰ লগত প্ৰয়োজনীয় ব্যৱসায়ীক লেনদেন কৰিবলৈ ৰাজি হয়। যেতিয়া ব্যক্তি এজনৰ নামত হিচাপ খোলা হয় বেংকে এইটো নিশ্চিত কৰিব লাগে যে হিচাপটো খোলাৰ সময়ত নগদ টকাৰ বাহিৰে অন্য কোনো ধনাদেশ বা ড্ৰাফ্ট লোৱা নহয়।

যদিহে গ্ৰাহকজনে হিচাপটো তেওঁৰ অন্য কোনোৱে চলোৱাটো বিচাৰে, তেনে ক্ষেত্ৰত গ্ৰাহকজনে বেংকক উপযুক্ত জাননী দিব লাগে, লগতে যিজন ব্যক্তিক হিচাপটো চলাব দিয়া হয় তেওঁৰ চহী বেংকত জমা দিব লাগে। যদিহে গ্ৰাহকজনে এজেণ্টজনক অধিবিকৰ্ষ ল'বলৈ অনুমতি দিয়ে, তাৰ বিষয়ে গ্ৰাহকজনে জাননীত উল্লেখ কৰিব লাগিব।

কিছুমান ব্যক্তি যেনে— নাবালক, উন্মাদ ব্যক্তি, মুখ ঢাকি ৰখা মহিলা ইত্যাদিৰ চুক্তি কৰিব পৰা ক্ষমতাত কিছুমান আইনী বাধ্য বাধকতা আছে। তথাপি, বেংকে কিছুমান

বিশেষ পদক্ষেপ লৈ তেনে ব্যক্তিৰ নামত হিচাপ খুলিব পাৰে। তলৰ অনুচ্ছেদসমূহত আমি তেনে গ্ৰাহকৰ বিষয়ে আলোচনা কৰিম।

৬.৪.২ নাবালক

যি ব্যক্তিৰ বয়স ১৮ বছৰতকৈ কম তেনে ব্যক্তিক নাবালক বোলে। আইনীভাবে নাবালক এজনে কোনো চুক্তি কৰিব নোৱাৰে কিন্তু বেংকে নাবালকৰ নামত হিচাপ খুলিব পাৰে। যিহেতু নাবালকৰ লগত কৰা যি কোনো চুক্তিয়ে অপ্ৰযোজ্য, সেয়েহে বেংকে নাবালকৰ লগত কোনো ব্যৱসায়ীক সম্পৰ্ক গঢ়ি তোলাৰ আগতে যথেষ্ট সচেতনতা অবলম্বন কৰিব লাগে। যদিহে ন্যায়ালয়ে অভিভাৱক নিযুক্তি দিয়ে তেনে ক্ষেত্ৰত ২১ বছৰ বয়সতহে এজন ব্যক্তি সাবালক হিচাপে গণ্য কৰা হয়। নাবালকৰ লগত কোনো সম্বন্ধ কৰাৰ আগতে বেংকে তলত দিয়া সাৱধনতাসমূহ অবলম্বন কৰিব লাগে। বেংকৰ বাবে নাবালকৰ নামত হিচাপ নোখোলাটোৱে শ্ৰেয় কাৰণ অধিবিকৰ্ষৰ ক্ষেত্ৰত নাবালকক জগৰীয়া কৰিব নোৱাৰে। যিহেতু নাবালকৰ কোনো ব্যক্তিগত দেনা নাথাকে। নাবালকৰ নামত তলত দিয়া যিকোনো এটাধৰণে সঞ্চয়ী হিচাপ খুলিব পাৰি—

(ক) প্ৰকৃত অভিভাৱক, নাবালকৰ হৈ দেউতাক বা মাক,

(খ) প্ৰকৃত অভিভাৱকজনে অৰ্থাৎ দেউতাক বা মাকে যৌথভাৱে নাবালকৰ লগত আটাইকেইজনক বা জীয়াই থকা জনক পৰিশোধ কৰিব লগীয়া,

(গ) নাবালকৰ নামত এজন ব্যক্তিৰ দ্বাৰা যাক বৰ্তমান সময়ত বলবৎ থকা যিকোনো আইনৰ অধীনত ন্যায়ালয়ে অভিভাৱক হিচাপে নিযুক্তি দিয়ে।

(ঘ) এজন ১০ বছৰীয়া নাবালকে তেওঁৰ নিজৰ নামত হিচাপ খুলি তেওঁ নিজে পৰিচালনা কৰিব পাৰে যদিহে তেওঁ একেধৰণৰ হস্তাক্ষৰ কৰিব পাৰে। নাবালকৰ নামত হিচাপ খুলিবলৈ বেংকে পৌৰ নিগম বা যিখন স্কুলত নাবালকজন পঢ়ি আছে সেই স্কুলে প্ৰদান কৰা জন্ম প্ৰমাণ পত্ৰত থকা নাবালকৰ জন্মৰ তাৰিখ পৰীক্ষা কৰিব লাগে। বেংকে নাবালকৰ জন্মৰ তাৰিখ আৰু সাবালকত্ব পোৱাৰ তাৰিখ হিচাপ খোলা প্ৰপত্ৰ, আৰ্হি হস্তাক্ষৰ কার্ড, খতিয়নৰ পৃষ্ঠাত আৰু পাচবুকত লিপিবদ্ধ কৰিব লাগে। এটা নাবালকৰ হিচাপ দুজন নাবালকে যৌথভাৱে খুলিব নোৱাৰে। যদিহে নাবালকজনে সাবালকত্ব পোৱাৰ আগতে অভিভাৱকজনৰ মৃত্যু হয় তেনে ক্ষেত্ৰত হিচাপত জমা থকা ধন নাবালকজনক সাবালক হোৱাৰ পিছত দিয়া হয় অথবা যদি জীয়াই থাকে, প্ৰকৃত অভিভাৱকজনক দিয়া হয়। যদিহে নাবালকজনৰ মৃত্যু হয়, তেনে ক্ষেত্ৰত হিচাপত জমা থকা ধন প্ৰকৃত অভিভাৱকক দিব পাৰি আৰু প্ৰকৃত অভিভাৱকজনে তেনে ধনৰ একক মালিকীস্বত্ব পাই।

অভিভাৱক

এজন নাবালকৰ অভিভাৱক তলত দিয়া প্ৰকাৰৰ হ'ব পাৰে—

প্ৰকৃত অভিভাৱক ঃ ১৮৯০ চনৰ Guardians and Wards Act ৰ ধাৰা ৬ অনুসৰি এজন হিন্দু নাবালক ল'ৰা-ছোৱালীৰ প্ৰকৃত অভিভাৱক হ'ল পিতৃ আৰু পিতৃৰ মৃত্যুৰ পিছত মাতৃ প্ৰকৃত অভিভাৱক হয়। এজন বিবাহিতা নাৰীৰ ক্ষেত্ৰত অভিভাৱক হৈছে তেওঁৰ স্বামী। সতিয়ৈ মাক বা দেউতাক প্ৰকৃত অভিভাৱক হ'ব নোৱাৰে।

ঘোষিত অভিভাৱক ঃ ঘোষিত অভিভাৱক হৈছে এজন ব্যক্তি আৰু যিজনক এজন নাবালকৰ অভিভাৱক হিচাপে এজন পিতৃয়ে উইল বা ঘোষণা পত্ৰৰ দ্বাৰা নিযুক্তি দিয়ে।

ন্যায়ালয়ৰ দ্বাৰা মনোনীত অভিভাৱক ঃ ১৮৯০ চনৰ Guardians and Wards Act ৰ মতে ন্যায়ালয়ে এজন নাবালকৰ অভিভাৱক নিযুক্তি দিব পাৰে। কিন্তু যদিহে নাবালকৰ দেউতাক বা স্বামী জীয়াই থাকে তেন্তে ন্যায়ালয়ে অভিভাৱক নিযুক্তি দিব নোৱাৰে, যদিহে ন্যায়ালয় পতিয়ন নাযায় যে দেউতাক বা স্বামীয়ে নাবালকৰ অভিভাৱক হ'বৰ যোগ্য নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ নাবালক বুলিলে কাক বুজে ?

.....

.....

প্ৰশ্ন নং ২ঃ এজন নাবালকে বেংকত হিচাপ খুলিব পাৰেনে ?

.....

.....

৬.৪.৩ বিবাহিতা মহিলা

এজনী বিবাহিতা মহিলাৰ চুক্তি কৰাৰ কোনো অযোগ্যতা নাই। তেওঁ কৰা যিকোনো চুক্তিৰ বাবে তেওঁৰ ব্যক্তিগত সম্পত্তিসমূহ জগৰীয়া কৰিব পৰা যায়। ১৯৫৬ চনৰ Hindu Succession Act ৰ মতে এগৰাকী হিন্দু মহিলাৰ সম্পত্তি তেওঁৰ একক সম্পত্তি। এগৰাকী বিবাহিতা মহিলাৰ নিজা আইনগত সত্বা আছে। যিটোৱে তেওঁক স্বামীৰ পৰা পৃথক কৰে। ১৯৫৬ চনৰ Hindu Marriage Act ৰ মতে হিন্দু বিবাহিত মহিলা এগৰাকীৰ নিজৰ নামত সম্পত্তি থাকিব পাৰে। এগৰাকী বিবাহিতা মহিলাই নিজৰ নামত হিচাপ খুলিব পাৰে, স্বাধীনভাৱে চলাব পাৰে আৰু যেতিয়ালৈ তেওঁ নিজৰ সম্পত্তিৰ পৰা দেনা আদায় দিব পৰা হৈ থাকে তেতিয়ালৈ অধিবিকৰ্ষৰ সুবিধা গ্ৰহণ কৰিব পাৰে। এগৰাকী বিবাহিতা মহিলাই তেওঁৰ স্বামীক তেওঁ লোৱা ঋণৰ বাবে

জগৰীয়া কৰিব নোৱাৰে যদিহে—

- তেওঁ জীৱনৰ প্ৰয়োজন পুৰাবৰ বাবে ঋণ লয়,
- তেওঁ পৰিয়ালৰ প্ৰয়োজন পুৰাবৰ বাবে ঋণ লয়,
- তেওঁ স্বামীৰ প্ৰতিনিধি হিচাপে কাম কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ এগৰাকী বিবাহিতা মহিলাই তেওঁৰ ঋণৰ বাবে স্বামীক জগৰীয়া কৰিব পাৰেনে?

.....

.....

৬.৪.৪ মুখ ঢাকি ৰখা মহিলা

এগৰাকী মুখ ঢাকি ৰখা মহিলাই তেওঁ যিটো জাতিৰ অন্তৰ্গত সেই জাতিৰ ৰীতি-নীতি অনুসৰি নিজৰ মুখমণ্ডল এখন পৰ্দাৰে ঢাকি ৰাখিবলৈ বাধ্য। তেনে মহিলাবোৰে সম্পূৰ্ণ আবুৰ পৰিধান কৰে আনকি তেওঁলোকে ফটো টোলাৰ বাবেও মুখ নেদেখুৱাই। সেয়েহে মুখ ঢাকি ৰখা মহিলাৰ নামত হিচাপ খোলাটো বেংকৰ বাবে এক বিপজ্জনক কাৰ্য। বেংকে সাধাৰণতে মুখ ঢাকি ৰখা মহিলাৰ নামত হিচাপ খুলিব নোৱাৰে। কাৰণ সম্পূৰ্ণ মুখ ঢাকি ৰখা বাবে তেনে মহিলাৰ পৰিচয় নিশ্চিত কৰাতো অসুবিধা। তথাপি বিশেষ পৰিস্থিতি বেংকে তেনে হিচাপ খোলে কিন্তু তাৰ বাবে হিচাপ খোলা প্ৰপত্ৰত আৰু টকা উলিওৱা প্ৰপত্ৰত বেংক শাখাৰ লগত সু-সম্পৰ্ক থকা দুজন ব্যক্তিয়ে চহী কৰি দিব লাগিব।

৬.৪.৫ উন্মাদ ব্যক্তি

ভাৰতীয় চুক্তি আইনৰ ধাৰা অনুসৰি এজন মানসিকভাৱে বিকাৰগ্ৰস্ত লোকে কোনো বৈধ চুক্তি কৰিব নোৱাৰে। সেয়েহে কোনো বেংকে জানি-বুজি তেনে মানুহৰ নামত হিচাপ নোখোলে। এজন ব্যক্তি হিচাপ খোলাৰ পিছতো উন্মাদ হ'ব পাৰে তেনে ক্ষেত্ৰত বেংকে খবৰটো পোৱাৰ লগে লগে গ্ৰাহকজনৰ হিচাপৰ কাম-কাজ তেতিয়ালৈ তাৎক্ষণিকভাৱে বৰ্জন কৰিব লাগে যেতিয়ালৈ মানুহজন সুস্থ হোৱাৰ প্ৰমাণ পোৱা নাযায়। উপযুক্ত ন্যায়ালয়ে উন্মাদ ব্যক্তিৰ হৈ হিচাপ খোলা আৰু পৰিচালনা কৰিবৰ বাবে অভিভাৱক নিযুক্তি কৰিলেহে তেনে ব্যক্তিৰ নামত বেংকে হিচাপ খুলিব পাৰে। বেংকে হিচাপত জমা থকা ধন ন্যায়ালয়ে নিযুক্তি দিয়া অভিভাৱকজনক আদায় দিব পাৰে।

৬.৪.৬ নিৰক্ষৰ ব্যক্তি

যিজন ব্যক্তিয়ে হস্তাক্ষৰ কৰিব নোৱাৰে, বেংকৰ মতে সেই ব্যক্তিজন নিৰক্ষৰ। নিৰক্ষৰতাই এজন ব্যক্তিক চুক্তি কৰাৰ অযোগ্য কৰিব নোৱাৰে। সেয়েহে নিৰক্ষৰ ব্যক্তি এজনে বেংকৰ হিচাপ খোলাত কোনো বাধা নাই। হিচাপ পৰিচালনা কৰাৰ পদ্ধতিসমূহ আৰু হিচাপৰ লগত জড়িত আনুসংগিক কথাসমূহ এজন নির্দিষ্ট বিষয়াই হিচাপৰ গৰাকীক বুজাই দিয়ে। সাধাৰণতে ব্যক্তিজনে নিজে বেংকত উপস্থিত থাকি পাছবুকখন বেংকক দেখুৱাৰ পিছতহে টকা উলিয়াব দিয়া হয়। কিন্তু বেংকে নিৰক্ষৰ মানুহৰ নামত চলিত হিচাপ নোখোলে। নিৰক্ষৰ মানুহৰ নামত হিচাপ খোলোতে বেংকে তলত দিয়া পদ্ধতিসমূহ অবলম্বন কৰে।

বুঢ়া আঙুলিৰ চাপ ঃ নিৰক্ষৰ মানুহৰ নামত হিচাপ খোলোতে বেংকাৰজনে হিচাপ খোলা প্ৰপত্ৰখনত আৰু আৰ্হি হস্তাক্ষৰ কাকতখনত এজন নির্দিষ্ট অধিকাৰীৰ সন্মুখত ব্যক্তিজনৰ বাওঁহাতৰ বুঢ়া আঙুলিৰ চাপ ল'ব লাগে।

পৰিচয় চিহ্ন ঃ যদি সম্ভৱ বেংকাৰে গ্ৰাহকজনৰ এটা বা দুটা পৰিচয় চিহ্নৰ বিষয়ে হিচাপ খোলা প্ৰপত্ৰখনত আৰু আৰ্হি হস্তাক্ষৰ কাকতখনত উল্লেখ কৰিব লাগে।

ফটো ঃ বেংকাৰে গ্ৰাহকজনৰ পৰা দুকপি পাছপৰ্ট আকাৰৰ ফটো সংগ্ৰহ কৰিব লাগে আৰু প্ৰতি তিনিবছৰৰ মুৰে মুৰে নবিকৰণ কৰিব লাগে। যাৰ এটা কপি হিচাপ খোলা প্ৰপত্ৰখনত আৰু আন এটা কপি আৰ্হি হস্তাক্ষৰ কাকতত লগাই থ'ব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ বেংকে এজন নিৰক্ষৰ নামত চলিত হিচাপ খুলিব পাৰনে?

.....

.....

৬.৪.৭ যৌথ হিচাপ

যৌথ হিচাপ হৈছে দুই বা তাতোধিক ব্যক্তিৰ দ্বাৰা খোলা এটা হিচাপ। এটা যৌথ হিচাপ খুলিব হ'লে যৌথ হিচাপটোৰ সকলোবোৰ হিচাপ অধিকাৰীয়ে হিচাপ খোলা প্ৰ-পত্ৰখনত হস্তাক্ষৰ কৰিব লাগে। যৌথ হিচাপটো এজন নে এজনতকৈ বেছি যৌথ অধিকাৰীয়ে পৰিচালনা কৰিব সেই বিষয়ে বেংকে নির্দেশনা গ্ৰহণ কৰিব লাগে। তেনে নির্দেশনা অবিহনে বেংকে কেৱল তেনে চেকহে ভঙাব লাগে য'ত সকলো হিচাপ অধিকাৰীৰ স্বাক্ষৰ থাকে। এটা যৌথ হিচাপ তলত দিয়া যিকোনো এটা ধৰণে চলাব পাৰি—

(ক) উভয় বা জীৱিতজনে

(খ) দুয়োজনে মিলি

(গ) প্ৰথমজন বা জীৱিতজন

যদি আগতে দিয়া নিৰ্দেশাৱলীৰ কোনো পৰিৱৰ্তনৰ প্ৰয়োজন হয় তেনে ক্ষেত্ৰত সকলোবোৰ হিচাপ অধিকাৰীৰ হস্তাক্ষৰৰ প্ৰয়োজন হয়। কিন্তু অন্য যৌথ অধিকাৰীয়ে চহী কৰা চেকৰ আদায় যিকোনো এজন হিচাপ অধিকাৰীয়ে জাননী দি বন্ধ কৰিব পাৰে।


এজন বা তাতোধিক যৌথ হিচাপ অধিকাৰীৰ মৃত্যুৰ ক্ষেত্ৰত জীৱিত হিচাপ অধিকাৰীসকলে হিচাপত জমা থকা ধনৰ গৰাকী হ'ব। যদিহে সকলোবোৰ যৌথ হিচাপ অধিকাৰীৰ মৃত্যু হয় তেনে ক্ষেত্ৰত আটাইতকৈ শেষত মৃত্যু হোৱা জনৰ আইনী প্ৰতিনিধিগৰাকীক বেংকে হিচাপত জমা থকা ধন আদায় দিব লাগিব, যদিহে ইয়াৰ বিপৰীতে কোনো আগতীয়া নিৰ্দেশ নাথাকে। যদিহে হিচাপৰ ডেবিট উদ্বৃত থাকোতে কোনো হিচাপ অধিকাৰীৰ মৃত্যু হয় তেনে ক্ষেত্ৰত তেওঁৰ আইনী প্ৰতিনিধি আৰু জীয়াই থকা অন্য হিচাপ অধিকাৰীসকল একেলগে ঋণৰ বাবে দায়ী হয়।

৬.৪.৮ যৌথ হিন্দু পৰিয়াল

১৯৫৬ চনৰ Hindu Succession Act ৰ দ্বাৰা যৌথ হিন্দু পৰিয়াল নিয়ন্ত্ৰণ কৰা হয়। যৌথ হিন্দু পৰিয়ালে পূৰ্বপুৰুষৰ ব্যৱসায় আৰু সম্পত্তিৰ অধিকাৰী হয়। বয়োজ্যেষ্ঠ পুৰুষ সদস্যজনক কৰ্তা বুলি কোৱা হয় আৰু অন্য পুৰুষ সদস্যসকলক যৌথ উত্তৰাধিকাৰী বোলা হয়। যৌথ হিন্দু পৰিয়ালৰ সম্পত্তি পৰিচালনা অধিকাৰ কৰ্তাজনৰ হাতত থাকে। কৰ্তাজন হয় দেউতাক নহ'লে পৰিয়ালৰ আটাইতকৈ বয়োজ্যেষ্ঠ ব্যক্তিজন।

হিচাপৰ পৰিচালনা

- যেতিয়া যৌথ হিন্দু পৰিয়ালৰ নামত হিচাপ খোলা হয়, পৰিয়ালৰ সকলো প্ৰাপ্তবয়স্ক সদস্যই হস্তাক্ষৰ কৰিব লাগে। পৰিয়ালৰ সকলো সদস্যৰ হৈ কৰ্তাজনে হিচাপটো চলাই।
- বেংকে ব্যৱসায়ৰ লগত জড়িত যৌথ হিন্দু পৰিয়ালৰ নামত সঞ্চয়ী হিচাপ নোখোলে।
- বেংকে পৰিয়ালটোৰ সকলোবোৰ পুৰুষ নাবালক যৌথ অধিকাৰীৰ নাম লিখি ৰাখিব লাগে আৰু সেই নথিখন নাবালকৰ হৈ অভিভাবকে চহী কৰিব লাগে।
- হিচাপটোৰ নামত আৰু বিলি কৰা ধনাদেশত গোট শব্দটোৰ বাহিৰেও যৌথ হিন্দু পৰিয়াল বুলি লিখিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ যৌথ হিন্দু পৰিয়ালৰ বেংক হিচাপে কোনে পৰিচালনা কৰে?

.....

.....

৬.৪.৯ অংশীদাৰী প্ৰতিষ্ঠান

১৯৩২ চনৰ ভাৰতীয় অংশীদাৰী আইনৰ ধাৰা ৪ মতে অংশীদাৰী হৈছে ব্যক্তিসমূহৰ মাজৰ সম্পৰ্ক যিসকলে সকলোৰে বা সকলোৰে হৈ কোনোবে চলোৱা ব্যৱসায় এটাৰ লাভ ভগাই ল'বলৈ সন্মত হয়। গুজৰাট আৰু মহাৰাষ্ট্ৰৰ বাহিৰে অন্য ৰাজ্যত অংশীদাৰী প্ৰতিষ্ঠানৰ পঞ্জীয়ন বাধ্যতামূলক নহয়।

হিচাপ খোলা আৰু পৰিচালনা কৰা

- বেংকে তেতিয়াহে অংশীদাৰী প্ৰতিষ্ঠানৰ নামত এটা হিচাপ খুলিব লাগে যেতিয়া কৰ্তৃত্বশীলভাৱে এজন বা তাতোধিক অংশীদাৰ বেংকলৈ আহি হিচাপ খোলাৰ বাবে এখন লিখিত আবেদন দিয়ে।
- বেংকে এখন সকলো অংশীদাৰে হস্তাক্ষৰ কৰা আবেদন বিচাৰিব লাগে য'ত ব্যৱসায়ৰ প্ৰকাৰ, সকলো অংশীদাৰৰ নাম আৰু ঠিকনা সহিতে কোনে হিচাপটো চোৱাচিতা কৰিব তাৰ বিৱৰণ থাকিব।
- যিকোনো অংশীদাৰে এখন লিখিত জাননী দি হিচাপ পৰিচালনা কৰিবৰ বাবে যিসকল অংশীদাৰক কৰ্তৃত্ব দিয়া হৈছিল তেনে কৰ্তৃত্ব বাতিল কৰিব পাৰে। তেনেদৰে যিকোনো অংশীদাৰে ধনাদেশ এখনৰ আদায় স্থগিত কৰিব পাৰে, বেংকে তেনে নিৰ্দেশ মানি চলাটো বাধ্যতামূলক।
- যদি কোনো অংশীদাৰক হিচাপ পৰিচালনাৰ বাবে কৰ্তৃত্ব দিয়া হৈছে তেনে কৰ্তৃত্ব তেওঁ সকলোবোৰ অংশীদাৰৰ সহমত নোহোৱাকৈ আন কালৈকো ঠেলিব নোৱাৰে। সুপ্ত অংশীদাৰকে ধৰি কোনো অংশীদাৰে তেওঁক দিয়া হিচাপ পৰিচালনাৰৰ দায়িত্বৰ পৰা লিখিত জাননী দি অব্যাহতি ল'ব পাৰে।
- বেচা-কিনা অংশীদাৰৰ ক্ষেত্ৰত সকলো সক্ৰিয় অংশীদাৰৰে (ক) ব্যৱসায়ীক প্ৰয়োজনৰ বাবে টকা ধাৰ লোৱা, (খ) ব্যৱসায়ৰ ঋণৰ বাবে বস্তু বন্ধকত দিয়া (গ) বিল বা অন্য হস্তান্তৰযোগ্য দলিল গ্ৰহণ কৰা, দিয়া বা হস্তান্তৰ কৰাৰ পৰোক্ষ অধিকাৰ আছে।
- অংশীদাৰৰ মৃত্যুত অংশীদাৰ ভংগ হয়। কিন্তু প্ৰতিষ্ঠানখন বন্ধ কৰিবৰ বাবে বেংকে জীয়াই থকা অংশীদাৰসকলক হিচাপটো চলাবৰ বাবে অনুমতি দিব পাৰে যদিহে হিচাপত ক্ৰেডিত উদ্বৃত্ত থাকে।

কোনে হিচাপটো পৰিচালনা কৰিব পাৰে ?

- সকলোবোৰ অংশীদাৰে যৌথভাবে
- নাম প্ৰস্তাৱিত এজন অংশীদাৰে
- দুই/তিনিজন নাম প্ৰস্তাৱিত অংশীদাৰে
- সকলো অংশীদাৰৰ চহী সম্বলিত এখন জাননী বা এখন পাৱাৰ অফ এটনীৰ অধীনত তৃতীয় পক্ষই।

৬.৪.১০ পঞ্জীভূত সংস্থা, সংঘ, স্কুল আৰু অন্যান্য অব্যৱসায়ীক অনুষ্ঠানৰ হিচাপ

এটা সংস্থা বা প্ৰতিষ্ঠান যেনে - সংঘ, স্কুল, চিকিৎসালয়, ইত্যাদি বেংকত হিচাপ খোলাৰ বাবে যোগ্য। বেংকে এনে সংস্থাৰ নামত হিচাপ খোলোতে তলত দিয়া সাৱধানতাসমূহ অৱলম্বন কৰিব লাগে—

- **সংস্থাটো পঞ্জীকৃত হ'ব লাগিব ঃ** এটা সংস্থা বা সংঘ আইনী স্বীকৃতি পাবলৈ হ'লে কোম্পানী আইন বা সমবায় আইনৰ অধীনত পঞ্জীয়ন কৰাটো জৰুৰী। পঞ্জীয়ন অবিহনে সংস্থাটোৰ কোনো আইনী বৈধতা নাথাকে। সেয়েহে তেনে সংস্থাই কোনো চুক্তি কৰিব নোৱাৰে। তেনে ক্ষেত্ৰত বেংকে হিচাপ খুলিবলৈ সন্মতি প্ৰকাশ নকৰিব।
- **নথি পত্ৰৰ প্ৰতিলিপি পাব লাগিব ঃ** হিচাপ খোলাৰ সময়ত বেংকে সংস্থাটোৰ এখন উপবিধি, হিচাপ খুলিবলৈ পৰিচালনা সমিতিয়ে লোৱা সিদ্ধান্তৰ এটা প্ৰতিলিপি, পঞ্জীয়নৰ প্ৰমাণপত্ৰ, পৰিচালনা সমিতিৰ সদস্যৰ তালিকা, তেওঁলোকক সমিতিৰ সদস্য মনোনীত কৰা সভাৰ সিদ্ধান্ত এটা লিখিত প্ৰতিলিপি সংগ্ৰহ কৰিব লাগিব। লিখিত সিদ্ধান্তত কোন ব্যক্তিক সংস্থাৰ হিচাপ পৰিচালনাৰ দায়িত্ব দিয়া হৈছে তেওঁলোকৰ নাম থাকিব লাগিব।
- **ঋণ ঃ** এটা অব্যৱসায়ীক সংস্থাৰ ঋণ গ্ৰহণ কৰাৰ ক্ষমতা নাথাকে। স্মাৰক লিপিয়ে ঋণ লোৱাৰ ক্ষমতা দিলেহে তেনে সংস্থাই ঋণ ল'ব পাৰে। সেয়েহে ঋণ দিয়াৰ আগতে বেংকে সংস্থাটোৰ স্মাৰক লিপিখন চাব লাগে।



৬.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- এজন ব্যক্তি বা প্ৰতিষ্ঠান, যাৰ বেংকত এটা হিচাপ থাকে তেওঁকে বেংকটোৰ গ্ৰাহক হিচাপে গণ্য কৰা হয়।
- যিহেতু নাবালকৰ লগত কৰা যি কোনো চুক্তিয়ে অপ্ৰযোজ্য, সেয়েহে বেংকে নাবালকৰ লগত কোনো ব্যৱসায়ীক সম্পৰ্ক গঢ়ি তোলাৰ আগতে যথেষ্ট সচেতনতা অবলম্বন কৰিব লাগে।

- বেংকে সাধাৰণতে মুখ ঢাকি ৰখা মহিলাৰ নামত হিচাপ খুলিব নোৱাৰে। কাৰণ সম্পূৰ্ণ মুখ ঢাকি ৰখা বাবে তেনে মহিলাৰ পৰিচয় নিসিচয় কৰাতো অসুবিধা।
- যেতিয়া যৌথ হিন্দু পৰিয়ালৰ নামত হিচাপ খোলা হয়, পৰিয়ালৰ সকলো প্ৰাপ্তবয়স্ক সদস্যই হস্তাক্ষৰ কৰিব লাগে। পৰিয়ালৰ সকলো সদস্যৰ হৈ কৰ্তাজনে হিচাপটো চলাই।
- যদি কোনো অংশীদাৰক হিচাপ পৰিচালনাৰ বাবে কৰ্তৃত্ব দিয়া হৈছে তেনে কৰ্তৃত্ব তেওঁ সকলোবোৰ অংশীদাৰৰ সহমত নোহোৱাকৈ আন কালৈকো ঠেলিব নোৱাৰে।



৬.৬ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ যি ব্যক্তিৰ বয়স ১৮ বছৰতকৈ কম তেনে ব্যক্তিক নাবালক বোলে।

২ নং প্ৰশ্নৰ উত্তৰঃ এজন নাবালকে বেংকত হিচাপ খুলিব পাৰে

৩ নং প্ৰশ্নৰ উত্তৰঃ নোৱাৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃ নিৰক্ষৰ ব্যক্তি এজনে বেংকৰ হিচাপ খোলাত কোনো বাধা নাই।

৫ নং প্ৰশ্নৰ উত্তৰঃ পৰিয়ালৰ সকলো সদস্যৰ হৈ কৰ্তাজনে হিচাপটো চলাই।



৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ এজন বেংকৰ গ্ৰাহক কোন?

প্ৰশ্ন ২ঃ এজন নাবালকৰ নামত হিচাপ খোলোতে বেংকে কি কি সাৱধানতা অৱলম্বন কৰিব লাগে।

প্ৰশ্ন ৩ঃ অংশীদাৰী প্ৰতিষ্ঠানৰ নামত হিচাপ খোলোতে বেংকে কি কি কথা মনত ৰাখিব লাগে।

প্ৰশ্ন ৪ঃ এটা যৌথ হিচাপ কিদৰে পৰিচালনা কৰা হয়?

প্ৰশ্ন ৫ঃ এজন নাবালকৰ বিভিন্ন অভিভাৱকসমূহ কোন কোন?

*** ***** ***

অধ্যায় ৭ ঃ বাণিজ্যিক বেংকৰ দ্বাৰা ঋণৰ সৃষ্টি

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ আমানত আৰু হিচাপৰ প্ৰকাৰ

৭.৪ ঋণ মুদ্ৰা সৃষ্টিৰ পদ্ধতি

৭.৫ ঋণ মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়া

৭.৬ ঋণ মুদ্ৰা সৃষ্টিৰ সীমাবদ্ধতা

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবৰ বাবে

৭.৯ অগ্ৰগতিৰ খতিয়ান

৭.১০ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঋণ মুদ্ৰা সৃষ্টিৰ পদ্ধতি জানিব পাৰিব
- ঋণ মুদ্ৰা সৃষ্টিৰ বিভিন্ন সীমাবদ্ধতা সমূহ আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

মুদ্ৰা আৰু বেংকিং দৈনন্দিন জীৱনৰ একো একোটা অংশ। আমাৰ ধন দৈনন্দিনভাৱে পৰিচালনা কৰাত সহায়ক হিচাপে বেংকসমূহে সকলোধৰণৰ বিত্তীয় দ্ৰব্যৰ যোগান ধৰে। বেংক হ'ল তেনেকুৱা এটা স্থান য'ত আমি জমা কৰা ধন নিৰাপদে থাকে। সেই ধনৰ ওপৰত আমি সুত পাওঁ। ইয়াকে আমানত বুলি কোৱা হয় আৰু প্ৰতিটো আমানতৰ বাবে বেংকে সুকীয়া পৰিচয় স্থিৰ কৰে যাক হিচাপ বুলি জনা যায়।

এটা হিচাপক পৃথকভাৱে দেখুৱাবলৈ আমি কিছুমান সংখ্যা ব্যৱহাৰ কৰো। যাক হিচাপ নম্বৰ বুলি কোৱা হয়। ই বৰ্ণবোৰৰ সংযোজনো হ'ব পাৰে। বেংক আমানতে বিভিন্ন ধৰণৰ মানুহৰ বিভিন্ন ধৰণৰ উদ্দেশ্য সাধন কৰে। কিছুমান মানুহে নিয়মিতভাৱে জমা কৰিব নোৱাৰে। তেওঁলোকে বেংকত তেতিয়াহে ধন জমা কৰে যেতিয়া তেওঁলোকৰ হাতত অতিৰিক্তভাৱে আয় থাকে। এইক্ষেত্ৰত আমানৰ উদ্দেশ্য হ'ল ভৱিষ্যতৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ধন নিৰাপদ ৰখা। কিছুমান মানুহে সুত অৰ্জনৰ লগতে অট্টালিকা ক্ৰয় তথা বৃদ্ধাৱস্থাত চিকিৎসালয় ব্যয় বহনৰ বাবে ধন সঞ্চিত কৰাৰ উদ্দেশ্যৰে দীৰ্ঘ সময়ৰ বাবে বেংকত ধন জমা ৰাখে। কিছুমান

আকৌ বিশেষভাৱে ব্যৱসায়ীসকলে তেওঁলোকৰসকলো আয় বেংকত জমা কৰে আৰুসেই আমানতৰ পৰা সকলো ধৰণৰ ব্যৱসায়িক ব্যয় পৰিশোধ কৰে।

এই অধ্যায়টিত আমি বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ মুদ্রাৰ সৃষ্টিৰ বিষয়ে আলোচনা কৰিম।

৭.৩ আমান আৰু হিচাপৰ প্ৰকাৰ

সেৱা প্ৰদানৰ ওপৰত ভিত্তি কৰি বেংক আমানতক তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰি—

সঞ্চয় বেংক হিচাপ ঃ

সঞ্চয় জমা হিচাপ নিৰ্দিষ্ট পৰিমাণৰ আয় অৰ্জন কৰা ব্যক্তিসকলৰ বাবে উপযুক্ত। এই ধৰণৰ হিচাপ কম পৰিমাণৰ প্ৰাৰম্ভিক আমানতৰে খুলিব পাৰি আৰু ই বেংকসমূহৰ মাজত বেলেগ বেলেগ হয়। এই হিচাপৰ অধীনত যিকোনো সময়তে ধন জমা কৰিব পাৰি। ধন উলিওৱা পত্ৰত চহী কৰি নাইবা চেক বিলি কৰি নাইবা এ টি এম কার্ড ব্যৱহাৰ কৰি ধন উলিয়াব পাৰি। সাধাৰণতে বেংকসমূহে এই হিচাপৰ পৰা ধন উলিয়াব পৰা সংখ্যাৰ ওপৰত নিষেধাজ্ঞা ৰাখে। আৰু হিচাপটো থকা উদ্বৃত্তৰ ওপৰত সুত প্ৰদান কৰা হয়। অৱশ্যে সঞ্চয়ী জমা হিচাপৰ অধীনত বেংকসমূহৰ মাজত সুতৰ হাৰৰ তাৰতম্য দেখা যায় আৰু বেংকসমূহে নিৰ্দিষ্ট কৰা অনুসৰি এটা ন্যূনতম উদ্বৃত্ত হিচাপটো ৰাখিব লগা হয়।

চলিত জমা হিচাপ ঃ

ডাঙৰ ডাঙৰ ব্যৱসায়ীসকল, কোম্পানী, অনুষ্ঠান প্ৰতিষ্ঠান যেনে— স্কুল, কলেজ আৰু চিকিৎসালয়সমূহে নিয়মিতভাৱে বেংক হিচাপৰ যোগেদি ধন পৰিশোধ কৰিব লগা হয়। যিহেতু সঞ্চয়ী জমা হিচাপত ধন উলিওৱাৰ সংখ্যাৰ ওপৰত নিষেধাজ্ঞা থাকে। সেয়ে এইসকলৰ বাবে সঞ্চয়ী জমা হিচাপ উপযুক্ত নহয়। তেওঁলোকক তেনেকুৱা হিচাপ লাগে যাৰ দ্বাৰা নিয়মিতভাৱে কোনোধৰণৰ নিষেধাজ্ঞা নথকাকৈ ধন উলিয়াব পাৰে।

তেওঁলোকৰ বাবে বেংকসমূহে চলিত হিচাপৰ সেৱা আগবঢ়ায়। সঞ্চয়ী জমা হিচাপৰ দৰে, এই হিচাপতো, হিচাপ খোলাৰ সময়ত নিৰ্দিষ্ট পৰিমানৰ ন্যূনতম ধন জমা কৰিব লাগে। এই জমাৰ ওপৰত বেংকে কোনোধৰণৰ সুত পৰিশোধ নকৰে। বৰঞ্চ হিচাপ ধাৰকেহে কার্যকৰী ব্যয় হিচাপে প্ৰতিবছৰে নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰে।

এই হিচাপবোৰে অধিবিকর্ষৰ সুবিধা প্ৰদান কৰে। হিচাপধাৰক সুবিধার্থে বেংকসমূহে জমা উদ্বৃত্ততকৈয়ো বেছি ধন উলিওৱাৰ সুবিধা দিয়ে। এই সেৱাক অধিবিকল্প সেৱা বুলি কোৱা হয়। এইটো অৱশ্যে বেংকৰ লগত আগতীয়া চুক্তি বা বন্দৰস্তৰ বিপৰীতেহে নিৰ্দিষ্ট পৰিমাণে কিছুমান বিশেষ গ্ৰাহকক আগবঢ়োৱা হয়। এই হিচাপৰ অধীনত আমানত জমা আৰু ধন উলিওৱাৰ কোনো ধৰণৰ সীমা নাথাকে।

স্থায়ী জমা হিচাপ ঃ

কিছুমান গ্ৰাহকে দীৰ্ঘ সময়ৰ বাবে ধন বেংকত জমা ৰাখিব বিচাৰে। আৰু এই জমাৰ ওপৰত অত্যধিক সুত আগবঢ়োৱা হয়। যদি সঞ্চয় জমা হিচাপত ধন জমা ৰখা হয়, বেংকসমূহে কম সুত আগবঢ়ায়। সেয়ে, উচ্চ হাৰত সুত অৰ্জন কৰাৰ বাবে স্থায়ী জমা হিচাপত ধন জমা ৰখা হয়।

এই ঋণৰ জমা হিচাপে এটা নিৰ্দিষ্ট সময়ৰ বাবে ধন জমা ৰখাক বুজায়। এই জমা ৰখা সময়সীমা ১৫ দিনৰ পৰা ৩ বছৰ বা অত্যধিক সময়ক সাঙুৰি লয় যিখিনি সময়ৰ ভিতৰত ধন উলিওৱাৰ কোনো ধৰণৰ সুবিধা নাথাকে। সি যি কি নহওঁক, অনুৰোধ সাপেক্ষে জমাকাৰীয়ে পূৰ্ণনা প্ৰাপ্ত বা নিৰ্ধাৰিত সময়সীমাৰ আগতেই ধন ঘূৰাই ল'ব পাৰে। এই ক্ষেত্ৰত বেংকে বন্দোৱস্ত হোৱা সুতৰ হাৰতকৈ কম সুত আগবঢ়াব। স্থায়ী জমা হিচাপৰ ওপৰত সুত এটা নিৰ্দিষ্ট সময়ৰ পিছতহে উলিয়াব পাৰি। নিৰ্ধাৰিত সময়সীমা শেষ হোৱাৰ পিছত জমা কৰা ধন উলিয়াব পাৰে আৰু নাইবা ভৱিষ্যতৰ বাবে পুনৰ জমা কৰিব পাৰে। স্থায়ী জমা হিচাপৰ নিৰাপত্তা পত্ৰৰ ওপৰত বেংকে ঋণো আগবঢ়ায়।

আবৃত্ত জমা হিচাপ ঃ

হিচাপ এটা খোলোতে এজন ব্যক্তিয়ে এটা নিৰ্দিষ্ট সময়ৰ বাবে এটা মাহত নিয়মিতভাৱে এটা নিৰ্দিষ্ট পৰিমাণৰ ধন জমা কৰিবলৈ সন্মত হয়। এই ক্ষেত্ৰত সম্পূৰ্ণ জমাখিনি সুতৰ সৈতেসময়সীমা অন্ত পৰাৰ পিছত পৰিশোধ কৰিব লগা হয়। সি যি কি নহওঁক, জমাকাৰীক সময়সীমা শেষ হোৱাৰ আগতেও হিচাপটো বন্ধ কৰিবলৈ সন্মতি দিয়া হয় আৰু সুতৰ সৈতে ধন পৰিশোধ কৰা হয়।

এটা হিচাপ এজন ব্যক্তিয়ে ব্যক্তিগতভাৱে, যুটীয়াভাৱে নাবালকৰ নামত অভিভাৱকে খোলিব পাৰে। আবৃত্ত জমা হিচাপত সঞ্চয়ী জমা হিচাপতকৈ বেছি কিন্তু স্থায়ী জমা হিচাপতকৈ কম হাৰত সুত প্ৰদান কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আবৃত্ত জমা হিচাপ মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ চলিত জমা হিচাপ মানে কি?

.....

.....

৭.৪ ঋণ মুদ্ৰা সৃষ্টিৰ পদ্ধতি

তলত দিয়া দিশকেইটাই আমানতৰ জৰিয়তে ঋণ মুদ্ৰা সৃষ্টিৰ দুটা পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰে। এই পদ্ধতি দুটা হ'ল—

১। প্ৰাথমিক আমানত ঃ

বেংকসমূহে তেতিয়া প্ৰাথমিক বা নিষ্ক্ৰিয় আমানত সৃষ্টি কৰে যেতিয়া বেংকে সেইসকল গ্ৰাহকৰ নাম জমা হিচাপ খোলে যিয়ে নিজৰ হিচাপত ধন বা চেক জমা কৰে বা ঋণ মুদ্ৰা কৰে। আৰু বেংকসমূহে এই আমানতৰ পৰাই গ্ৰাহকক ঋণ আৰু আগধন আগবঢ়ায়। কিন্তু এই প্ৰাথমিক বা নিষ্ক্ৰিয় আমানতে ইতিমধ্যে জমা থকা ধনৰ লগত কোনো ধনৰ অতিৰিক্ত ধন যোগ নকৰে, এই আমানতবোৰে প্ৰচলিত মুদ্ৰাক জমা ধন বা আমানত মুদ্ৰালৈ ৰূপান্তৰিত কৰে। গতিকে এই প্ৰাথমিক বা নিষ্ক্ৰিয় আমানত সৃষ্টি মানে মুদ্ৰা সৃষ্টি নুবুজায়, কিন্তু এই প্ৰাথমিক আমানতে পুঁজিৰ যোগান ধৰে যাৰ অধীনত বেংকে গ্ৰাহকক ঋণ আৰু আগধন আগবঢ়ায়।

বেংকসমূহে এইটো জানে যে, জমাকাৰীয়ে একে সময়তে এই প্ৰাথমিক আমানতৰ ধন বেংকৰ পৰা নুঠায়। এই আমানতৰ এটা ক্ষুদ্ৰ অংশহে জমাকাৰীসকলে তেওঁলোকৰ নিৰ্দিষ্ট সময়ৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি বেংকৰ পৰা উলিয়াই সেই কাৰণে বেংকে এই আমানতৰ এটা ক্ষুদ্ৰ পৰিমাণ নগদ হিচাপে ৰাখি বাকী অংশ গ্ৰাহকক ঋণ আৰু আগধন দিয়াৰ বাবে ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত সাধাৰণ বাণিজ্যিক বেংকসমূহে আমাৰ ১০ শতাংশ নগদ হিচাপে ৰাখি বাকী ৯০ শতাংশ ঋণ আৰু আগধন হিচাপে আগবঢ়ায় অৰ্থাৎ ৯০ শতাংশ ক্ৰেডিট সৃষ্টিত ব্যৱহাৰ কৰে।

২। অমৌলিক বা সক্ৰিয় আমানত ঃ

বেংকসমূহে, সেইসকল ব্যক্তিৰ নামত জমা হিচাপ খুলি অমৌলিক বা সক্ৰিয় আমানতৰ সৃষ্টি কৰে। যি ব্যক্তিয়ে বেংকৰ পৰা ধন ধাৰে ল'বলৈ যোগাযোগ কৰে। এই ক্ষেত্ৰত বেংকে সেইধৰণৰ আমানত সৃষ্টিত সক্ৰিয় ভূমিকা পালন কৰে। এইধৰণৰ ব্যৱস্থাকে সক্ৰিয় আমানত বা অমৌলিক আমানত বুলি জনা যায়।

উদাহৰণস্বৰূপে, ধৰাহ'ল বেংকে তাৰ গ্ৰাহকক যিকোনো তাৰল্য প্ৰতিভূতিৰ বিপৰীতে ২ লাখ টকাৰ ঋণ আগবঢ়োৱাৰ সন্মতি দিলে। ইয়াৰ পিছত বেংকে ঋণ আগবঢ়োৱা ব্যক্তিজনৰ নামত এটা হিচাপ খুলিব। আৰু বেংকে সেই হিচাপত ২ লাখ টকাটো ঋণ মুদ্ৰা কৰিব অথবা জমা কৰিব। বেংকে ধাৰ লওঁতাজনক নগদ ২ লাখ টকা নিদিয়ে।

ধাৰ লওঁতাজনে ততালিকে গোটেই ধন খিনি তেওঁৰহিচাপৰ পৰা উলিয়াই ল'ব পাৰে নাইবা তেওঁৰ প্ৰয়োজন অনুসৰি সময়ে সময়ে উলিয়াব পাৰি। এই ক্ষেত্ৰত এইটো উল্লেখ কৰিব পাৰি যে, বেংকে এনেধৰণে ঋণ প্ৰদানৰ দ্বাৰা একে সময়তে বেংক বহীত এটা নতুন আমানতৰ সৃষ্টি কৰে।

ইয়াৰ উপৰিও, বেংকে জনসাধাৰণ নাইবা চৰকাৰৰ পৰা নিৰাপত্তাপত্ৰ অথবা অন্য সম্পত্তি ক্ৰয়ৰ দ্বাৰা সক্ৰিয় আমানতৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে— যেতিয়া বেংকে চৰকাৰী নিৰাপত্তাপত্ৰ নাইবা ব্যক্তিগত কোম্পানীৰ বা প্ৰতিষ্ঠানৰ ঋণপত্ৰ ক্ৰয় কৰে, তেতিয়া বেংকে তেওঁলোকৰ নামত হিচাপ খুলি সেই সম্পত্তিৰ বা প্ৰতিভূতিৰ বিক্ৰেতাক ধন পৰিশোধ কৰে। বেংকসমূহে বিনিময় পত্ৰ ক্ৰয় কৰোতেও বিক্ৰেতাৰ নামত জমা হিচাপ খুলি আমানতৰ সৃষ্টি

কৰে। এই সকলোধৰণৰ লেনদেন সক্রিয় নাইবা অমৌলিক আমানতৰ জৰিয়তে সম্পাদন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অমৌলিক আমানত মানে কি?

.....

.....

প্রশ্ন নং ৪ ঃ নিষ্ক্রিয় আমানত মানে কি?

.....

.....

৭.৫ ঋণ মুদ্রা সৃষ্টিৰ পদ্ধতি

যদি আমি বেংকিঙৰ ঐতিহাসিক দিশবোৰ বিবেচনা কৰো তেতিয়া আমি গল্ড স্মিথে কেনেকৈ ধন ধাৰে দি লাভ অর্জনৰ ধাণা পোষণ কৰিছিল তাৰ বিষয়ে জানিব পাৰিম। আৰু ধনৰ মালিকে বা জমাকাৰীয়ে ধন ধাৰে দি সুত অর্জন কৰিছিল। তাৰ বিষয়ে গম পাম।

তেওঁলোকে এইটো নিৰীক্ষণ কৰিছিল যে, জমা কৰা মুঠ ধন এটা অংশহে জমাকাৰীৰ প্রয়োজন সাপেক্ষে দাবী কৰিলে দিব পৰাকৈ ৰাখিব লাগে। আৰু অতিৰিক্ত মুদ্রাখিনি (সোণ, ৰূপ বা অন্যান্য মূল্যবান ধাতু) লাভজনকভাৱে বিনোয়োগ বা ব্যৱহাৰ কৰি গল্ড স্মিথৰ বেংকাৰসকললৈ এটা মোটা অংকৰ ধন আগবঢ়াব পাৰি।

কিন্তু এই ক্ষেত্রত এটা প্রশ্ন উদয় হৈছিল যে জমাৰ কিমান অংশ জমাকাৰীয়ে প্রয়োজন সাপেক্ষে দাবী কৰা মাত্রেই আদায় দিয়াৰ বাবে সংৰক্ষণ কৰি ৰাখিব লাগিব আৰু অতিৰিক্তখিনি ঋণ দিওঁতে কি কি সাৱধানতা অৱলম্বন কৰিব লাগিব যাতে ঋণ গ্রহীতাই ঋণৰ সম্পূর্ণ ধন নির্ধাৰিত সময়ত আদায় দিয়ে।

লাহে লাহে কেন্দ্রীয় বেংকৰ ধাৰণাটো আহিছিল আৰু মুঠ আমানত পৰী নগদ সংৰক্ষণ অর্থাৎ জমাকাৰীৰ নির্দেশ মর্মে আদায় দিবৰ বাবে নগদ সংৰক্ষণ তথা অতিৰিক্ত ধন বিনিয়োগ কৰাৰ সম্পর্কত ভালেমান নির্দেশনা জাৰি কৰা হ'ল। ন্যূনতম নগদ সংৰক্ষণৰ ওপৰত কেন্দ্রীয় বেংকৰ চোকা নির্দেশনা আছে। আমাৰ অর্থনীতিত সকলো বেংক (যথাযথ) নগদ সংৰক্ষণ আৰু আমানতৰ মাজত অনুপাত ২০% যিটো নেকি ৫ ভাগৰ ১ অংশ ৰখাটো দায়বদ্ধ।

আমি এইটো ধাৰণা কৰো যে, (১) বেংকসমূহে অতিৰিক্ত বা অত্যধিকভাৱে নগদ সংৰক্ষণ নাৰাখে। অন্য অর্থত, বেংকসমূহে ন্যূনতম পৰিমাণে নগদ সংৰক্ষণ কৰাৰ পিছত আয় উৎপন্ন হোৱা সকলো পথতে সর্বোচ্চ পৰিমাণে ধন বিনিয়োগ কৰে। (২) ধন যোগানৰ কোনো ধৰণৰ পথ নাথাকে, অর্থাৎ জনসাধাৰণতে হঠাতে অমূলক মুদ্রা ধাৰণ নকৰা বা ম্যাদী আমানতৰ পৰা ধন উলিয়াব নোখোজে।

ওপৰোক্ত ধাৰণাকেইটাৰ অধীনত গ্ৰাহক এজনে বেংকত জমা থোৱা ধনৰ পাৰঞ্চী ৰূপৰ বিষয়ে এটা উদাহৰণ আগবঢ়াব পাৰি। ধৰাহ'ল গ্ৰাহক এজনে বেংকত ১০,০০০ টকা জমা কৰিছে। বেংকেও সেই গ্ৰাহকজনৰ হিচাপত ১০,০০০ টকাৰ আমানত সৃষ্টি কৰিছে। এই ক্ষেত্ৰত টকা বৃদ্ধি হৈছে। কিন্তু এই সময়ত ধনৰ যোগান বৃদ্ধি নহয়, কাৰণ বেংকত জমা কৰা নগদ ১০,০০০ টকাৰে ওপৰত উল্লেখ কৰা সেই অতিৰিক্ত ১০,০০০ বেংক মুদ্ৰা বা আমানত ভাৰসাম্য কৰা হৈছে।

বেংকৰ এতিয়া নিজৰ আওতাত ১০,০০০ টকা অতিৰিক্ত নগদ ধন আছে। যিহেতু কেৱল ২০% নগদ সংৰক্ষণ কৰিব লাগে, বেংকৰ হাতত অতিৰিক্তভাৱে ৮,০০০ টকা নগদ সংৰক্ষণ (জমা) আছে। আমাৰ ধাৰণা অনুসৰি, বেংকে এই ৮,০০০ টকা জনসাধাৰণলৈ ঋণ দিব পাৰে। আৰু এইটো কৰিলে, যদি দেনাদাৰে অন্য বেংক B ত থকা নিজৰ হিচাপত সেই ধন জমা কৰে তেতিয়া বেংক B য়েও ৮,০০০ টকাৰ আমানত সৃষ্টি কৰিব।

এইক্ষেত্ৰত বেংক B ৰো অতিৰিক্ত নগদ সংৰক্ষণ থাকিব ৬৪০০ টকা (৮০০০ৰ ৮০ শতাংশ) আৰু বেংক B য়ে এই ৬৪০০ টকা জনসাধাৰণক ঋণ দিব পাৰে। অনুৰূপ ধৰণে, আকৌ এই ৬৪০০ টকাই বেংক C ৰ বাবেও আমানত সৃষ্টি কৰিব ৬৪০০ টকা আৰু এইদৰে হৈ থাকিব।

এতিয়া মুঠ আমানত বাঢ়ি হ'বগৈ = ১০০০+৮০০০+৬৪০০+ ..... অতিৰিক্ত নগদ সংৰক্ষণ শেষ নোহোৱালৈকে আৰু যেতিয়া সেইটো পৰ্যায় পাব, ওপৰোক্তবোৰৰ মুঠ হ'বগৈ ৫০,০০০ টকা।

আমি এইটো লক্ষ্য কৰিম যে, ওপৰোক্ত কথাখিনি এটা ধাৰণাৰ আধাৰতহে সম্ভৱপৰ হয়। সেই সত্যটো হ'ল— বেংকে কেতিয়াও দেনাৰ (আমানত)ৰ সমান্তৰালকৈ বা সমানভাৱে নগদ অৰ্থ ভাণ্ডাৰ নাৰাখে। গ্ৰাহকৰ আমানতৰ ধনৰ এটা অংশহে নিজৰ লগত নগদ হিচাপে ৰাখে যিটো ওপৰৰ উদাহৰণটোত ২০ শতাংশ আছিল।

ইয়াক বীজগাণিতিকভাৱে দেখুৱাব পাৰি যে, যদি M এ মুদ্ৰাৰ মুঠ যোগানক সূচায়, AM এ বেংক আমানতৰ বঢ়াৰ বাবে মুদ্ৰাৰ যোগান বৃদ্ধিক প্ৰতিনিধিত্ব কৰে।

R এ ন্যূনতম নগদ সংৰক্ষণ অনুপাতক বুজায়।

$\triangle C$ এ প্ৰাথমিকতে ব্যৱস্থাটোত সংলগ্ন কৰা অতিৰিক্ত নগদ সংৰক্ষণক সূচাব (ওপৰৰ উদাহৰণটোত এইটো আছিল ১০,০০০ টকা)

$\triangle M = \triangle C/r$

(ওপৰৰ উদাহৰণটোত আছিল $r = 1/5$ আৰু $\triangle C = 10,000$)

$\triangle M = 50000$

এই পদ্ধতিটোকে বহুমাত্ৰিক বা যৌগিক ঋণ মুদ্ৰা সৃষ্টি বুলি কয়। এতিয়া নগদ ১০,০০০ টকাক ৫০,০০০ টকা বেংক আমানতলৈ ৰূপান্তৰিত কৰা হ'ল য'ত ঋণ মুদ্ৰা হ'ল ৪০,০০০।

এইক্ষেত্ৰত এইটো উল্লেখ কৰিব পাৰি যে, ওপৰৰ পদ্ধতিটো তেতিয়াহে কাম কৰিব,

যেতিয়া ব্যৱস্থাটোত ভালেমান বেংক থাকিব যিবোৰে আমি উল্লেখ কৰা স্বীকার্য কেইটাৰ অনুশীলন অনুসৰণ কৰিব। সি যি কি নহওঁক, ব্যৱস্থাটোত এটা মাত্ৰ বেংকে অনুশীলন কৰিলেও ঋণ মুদ্রা সৃষ্টিৰ পদ্ধতিত বহু ডাঙৰ পার্থক্য বা অমিল নাথাকিব।

এইধৰণৰ পৰিস্থিতিত, গৌণ আমানত বা জমা ৮০০০ টকা একে বেংকলৈ ঘূৰি আহিব। বেংকে আমানতৰ প্রয়োজনীয় সংৰক্ষণ ৰাখি অতিৰিক্তখিনি ঋণ হিচাপে আগবঢ়াব। এই ক্ষেত্রত গৌণ আমানতখিনি পুনৰ আগৰ বেংকলৈ উভতিব আৰু ঋণ মুদ্রা সৃষ্টিৰ প্রক্রিয়াটো আগলৈ গতি কৰিব যদি এইটো বহুমাত্রিক বেংক অর্থনীতি হ'লহেঁতেন।

৭.৬ ঋণ মুদ্রা সৃষ্টিৰ সীমাবদ্ধতা

১) **নগদ সংৰক্ষণ অনুপাত ঃ** ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা বেংকৰ হাতত থকা নগদ ধনৰ পৰিমাণৰ ওপৰত নির্ভৰ কৰে। নগদ ধন বেছি থাকিলে ঋণ মুদ্রা সৃষ্টিৰ পৰিমাণো বেছি হ'ব। গতিকে, বেংকৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা বেংকত থকা নগদ ধনৰ দ্বাৰা সীমাবদ্ধ থাকে।

২) **সঠিক আৰু পর্যাপ্ত নিৰাপত্তা পত্রৰ উপলব্ধতা ঃ** যদি সঠিক নিৰাপত্তা পত্র বা তাৰল্য প্রতিভূতি জনসাধাৰণৰ হাতত নাথাকে বেংকে ঋণ মুদ্রা সৃষ্টি কৰিব নোৱাৰে। ক্র'উডাৰৰ (Crowther) মতে, 'বেংকে ঘনীভূত বায়ুৰ পৰা মুদ্রা সৃষ্টি নকৰে, ই অন্য ধৰণৰ সম্পদক মুদ্রালৈ ৰূপান্তৰিত কৰে।'

৩) **কেন্দ্রীয় বেংকত ধন সংৰক্ষণ ঃ** প্রতিটো সম্বন্ধিত আৰু সংলগ্ন বেংকে দেশৰ কেন্দ্রীয় বেংকত নির্দিষ্ট পৰিমাণৰ ধন সংৰক্ষণ কৰিব লাগে। কেন্দ্রীয় বেংকে এই সংৰক্ষণৰ হাৰ সময়ে সময়ে সলনি কৰি থাকে। যেতিয়া কেন্দ্রীয় বেংকে এই সংৰক্ষণৰ হাৰ বৃদ্ধি কৰে সেই একে অনুপাততে বাণিজ্যিক বেংকবোৰৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা হ্রাস পায়। অন্যহাতে, যদি কেন্দ্রীয় বেংকে এই সংৰক্ষণৰ হাৰ কমায় তেতিয়া সেই একে অনুপাততে বাণিজ্যিক বেংকৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা বৃদ্ধি পায়। গতিকে এইটো ক'ব পাৰি যে, বাণিজ্যিক বেংকবোৰৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা সম্পূর্ণৰূপে কেন্দ্রীয় বেংকৰ ওপৰত নির্ভৰশীল।

৪) **জনসাধাৰণৰ বেংকিং অভ্যাস ঃ** মানুহৰ বেংকিং অভ্যাস হৈছে অন্যতম গুৰুত্বপূর্ণ কাৰক যিয়ে বেংকৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা প্রভাৱান্বিত কৰে। যদি মানুহে নগদৰ পৰিৱর্তে চেকৰ ব্যৱহাৰ নকৰে, তেতিয়া বেংকিং ব্যৱস্থাৰ পৰা ঋণ মজুতৰ সময়ত নগদ ধনৰ স্থানান্তৰ বৃদ্ধি কৰে আৰু ই বেংক হিচাপত নগদ মুদ্রাৰ হ্রাসৰ বাবে আকাংক্ষিত হিচাপত ক্রেডিট সৃষ্টিৰ ক্ষমতা হ্রাস কৰাব।


৫) **ঋণগ্রহীতাৰ দ্বাৰা অত্যধিক নগদ আহৰণ ঃ** যদি ঋণগ্রহীতাই চেকৰ পৰিৱর্তে নগদ মুদ্রা আহৰণ কৰে তেতিয়া ই নগদ আমানত হ্রাস কৰাব। অত্যধিক নগদ আহৰণ কৰিলে বেংকৰ নগদ সংৰক্ষণ নিশ্চিতভাৱে হ্রাস পাব। আৰু যিয়ে ক্রেডিট

সৃষ্টিৰ ক্ষমতা হ্রাস কৰাব।

৬) **অৰ্থনীতিত অত্যধিক নগদ লেনদেন ঃ** অত্যধিক নগদ লেনদেনে বেংকৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা হ্রাস কৰে। অনুন্নত তথা পিছপৰা অঞ্চলবোৰত সাধাৰণতে চেক বা অনলাইন বেংকিং লেনদেনৰ পৰিৱর্তে নগদ ধনৰ লেনদে নঅত্যধিক হয়। আৰু ই বেংকৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতাত প্রশ্ন চিহ্ন উঠায়।

৭) **বেহা-বেপাৰ আৰু ব্যৱসায়ৰ অৰ্থনৈতিক অৱস্থা ঃ** বাণিজ্যিক বেংকবোৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা দেশখনৰ অৰ্থনৈতিক বাতাবৰণৰ ওপৰতো নির্ভৰশীল। অৰ্থনীতিৰ সমৃদ্ধিৰ সময়ত, লাভজনক বিনিয়োগৰ সুযোগ বাঢ়ে আৰু ব্যৱসায়ীসকলৰ ঋণ লোৱাৰ চাহিদা বৃদ্ধি পায়। গতিকে সেই সময়ত, বেংকে অত্যধিকভাৱে ঋণ মুদ্রা সৃষ্টি কৰিবলৈ সক্ষম হয়। একেধৰণে, মন্দাৱস্থাৰ সময়ত, ব্যৱসায়ীসকলৰ বাবে লাভজনক বিনিয়োগৰ সুযোগ হ্রাস পায়। গতিকে বিনিয়োগকাৰীসকল বেংকৰ পৰা ঋণ গ্রহণ কৰাৰ প্রতি কম আগ্রহী হয় আৰু সেয়ে বেংকৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতাও সমান্তৰালভাৱে হ্রাস পায়।

৮) **'বিধিবদ্ধ তাৰল্য অনুপাত' সংৰক্ষণ কৰাৰ প্রয়োজনীয়তা ঃ** বিভিন্ন বেংকিং বিধি অনুসৰি বাণিজ্যিক বেংকবোৰে তাৰল্য সম্পদৰ ৰূপত 'দ্বিতীয় শাৰীৰ প্রতিৰক্ষা' বজাই ৰখাৰ প্রয়োজন হয়। ভাৰতবর্ষত বাণিজ্যিক বেংকবোৰে মুঠ সম্পদৰ ৩৪ শতাংশ তৰল ৰূপত ৰাখিব লাগে। তৰল সম্পদবোৰক চৰকাৰী বস্তু আৰু প্রতিভূতি, কোষাগাৰ বিল আৰু অন্যান্য অনুমোদিত প্রতিভূতি হিচাপে বিবেচনা কৰা হয়। যিবোৰক তৎক্ষণাত নগদলৈ ৰূপান্তৰ কৰিব পাৰি। এই বিধিবদ্ধ তাৰল্য অনুপাতৰ নিষেধাজ্ঞাই বেংকত ধাৰে দিব লগা সম্পদৰ পৰিমাণ হ্রাস কৰিছে আৰু বাণিজ্যিক বেংকবোৰ ঋণ মুদ্রা সৃষ্টিৰ ক্ষমতা হ্রাস কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ঋণ মুদ্রা সৃষ্টিৰ দুটা সীমাবদ্ধতা উল্লেখ কৰা।

.....

.....



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বেংক হ'ল তেনেকুৱা এটা স্থান য'ত এবাৰ ধন জমা থলে ই নিৰাপদ থাকে আৰু সময়ৰ লগে লগে সুত অর্জন কৰে। ই নিৰাপদে থাকে আৰু সমৰ লগে লগে সুত অর্জনকৰে।

ইয়াকে আমানত বুলি জনা যায় আৰু প্ৰতিটো আমানতকে বেংকে এক সুকীয়া পৰিচয় দিয়ে যাক হিচাপ বুলি জনা যায়।

- সঞ্চয়ী জমা হিচাপ ন্যূনতম প্ৰাথমিক জমাৰে খুলিব পাৰি যিটো জমাৰ হাৰ বেংকসমূহৰ মাজত বেলেগ বেলেগ হ'ব পাৰে। এই হিচাপত ধন সকলো সময়তে জমা কৰিব পাৰি। ধন উলিওৱা ফৰ্মত চহী কৰি, বা চেক বিলি কৰি বা এ টি এমৰ দ্বাৰা ধন আহৰণ কৰিব পাৰি।
- আবৃত্ত জমা হিচাপ খোলোতে এজন ব্যক্তিয়ে এটা নিদিষ্ট পৰিমাণৰ ধন, নিয়মিতভাৱে মাহত এবাৰকৈ কিস্তিৰ দৰে নিৰ্দিষ্ট সময়ৰ বাবে জমা কৰিবলৈ সন্মত হয় আৰু ম্যাদ সম্পূৰ্ণ হোৱাৰ পিছত জমাকাৰীয়ে সুতৰ সৈতে জমা কৰা সকলো ধন লাভ কৰে।
- বেংকে তেতিয়া নিষ্ক্ৰীয় আমানত সৃষ্টি কৰে, যেতিয়া, বেংকে সেইসকল গ্ৰাহকৰ নামত জমা হিচাপ খোলে যিসকলে সিহঁতৰ হিচাপত ক্ৰেডিট কৰিব নগদ ধন নাইবা চেক আনে। বেংকে এই আমানতৰ পৰাই ঋণ আৰু আগধন আগবঢ়ায়।
- বেংকৰ পৰা ঋণ ল'ব বিচাৰি যোগাযোগ কৰা ব্যক্তিৰ নামত জমা হিচাপ খুলি বেংকে অমৌলিক বা সক্ৰিয় আমানৰ সৃষ্টি কৰে।
- বেংকে মুঠ জমাৰ গ্ৰাহকৰ নিৰ্দেশমৰ্মে দাবী কৰা মাত্ৰেই দিব পৰাকৈ এটা অংশ ৰাখি অতিৰিক্তখিনি ঋণ গ্ৰহণ কৰিব বিচৰা অন্যান্য গ্ৰাহকক ঋণ হিচাপে আগবঢ়ায়। যাৰ দ্বাৰা বেংকে বৃহৎ আকাৰৰ সুত লাভ কৰে। ই প্ৰক্ৰিয়াকে ঋণ মুদ্ৰা সৃষ্টি বুলি কোৱা হয়।



৭.৮ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



৭.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আবৃত্ত জমা হিচাপ খোলোতে এজন ব্যক্তিয়ে এটা নিৰ্দিষ্ট পৰিমাণৰ ধন নিয়মিতভাৱে মাহত এবাৰকৈ কিস্তিৰ দৰে নিৰ্দিষ্ট সময়ৰ বাবে জমা কৰিবলৈ সন্মত হয়। আৰু ম্যাদ সম্পূৰ্ণ হোৱাৰ পিছত জমাকাৰীয়ে সুতৰ সৈতে জমা কৰা সকলো ধন লাভ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ডাঙৰ ডাঙৰ ব্যৱসায়ীসকল, কোম্পানীসমূহ আৰু অন্যান্য প্ৰতিষ্ঠানসমূহ যেনে— বিদ্যালয়, মহাবিদ্যালয় আৰু চিকিৎসালয়সমূহে বেংক হিচাপৰ জৰিয়তে নিয়মিত আৰু নিৰবচ্ছিন্নভাৱে ধন পৰিশোধ কৰিব লাগে। সেইসকলৰ বাবে বেংকে চলিত হিচাপ খোলে। সঞ্চয়ী জমা হিচাপৰ দৰে, এই হিচাপৰ ক্ষেত্ৰতো, হিচাপ খোলোতে এক নিৰ্দিষ্ট পৰিমাণৰ ন্যূনতম ধন জমা কৰিব লাগে। এই আমানতৰ ক্ষেত্ৰত বেংকে সুত প্ৰদান নকৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বেংকৰ পৰা ঋণ ল'ব বিচাৰি যোগাযোগ কৰা ব্যক্তিৰ নামত হিচাপ খুলি বেংকে অমৌলিক বা সক্ৰিয় আমানতৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত বেংক এই আমানত সৃষ্টিত সক্ৰিয় ভূমিকা পালন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বেংকে তেতিয়া নিষ্ক্ৰীয় আমানতৰ সৃষ্টি কৰে যেতিয়া বেংকে সেইসকল গ্ৰাহকৰ নামত জমা হিচাপ খোলে যিসকলে সিহঁতৰ হিচাপত ঋণ মুদ্ৰা কৰিব নগদ ধন নাইবা চেক আনে। বেংকে এই আমানতৰ পৰাই ঋণ আৰু আগধন আগবঢ়ায়। কিন্তু এই আমানতে ইতিমধ্যে জমা থকা ধনৰ লগত কোনো ধৰণৰ অতিৰিক্ত ধন যোগ নকৰে। এই আমানতবোৰে প্ৰচলিত মুদ্ৰাক জমা ধন বা আমানত মুদ্ৰালৈ ৰূপান্তৰিত কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নগদ সংৰক্ষণ অনুপাত আৰু সঠিক আৰু পৰ্যাপ্ত প্ৰতিভূতি পত্ৰ উপলব্ধতা।



৭.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিভিন্ন প্ৰকাৰৰ বেংক হিচাপবোৰ কি কি? ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ ঋণ মুদ্ৰা সৃষ্টি মানে কি? ঋণ মুদ্ৰা সৃষ্টিৰ সীমাবদ্ধতা আলোচনা কৰা।

প্ৰশ্ন ৩ ঃ ঋণ মুদ্ৰা সৃষ্টিৰ বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰা।

প্ৰশ্ন ৪ ঃ ঋণ মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ৮ ঃ কেন্দ্রীয় বেংক

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ কেন্দ্রীয় বেংকৰ অর্থ আৰু ধাৰণা

৮.৪ কেন্দ্রীয় বেংকৰ কার্যৱলীসমূহ

৮.৫ ভাৰতীয় ৰিজার্ভ বেংক

৮.৬ বিভিন্ন দেশৰ কেন্দ্রীয় বেংকসমূহ

- ৮.৬.১ বাংলাদেশ বেংক
- ৮.৬.২ ৰয়েল মনিটৰি অথৰিটী
- ৮.৬.৩ নেপাল ৰাষ্ট্র বেংক
- ৮.৬.৪ দি পীপল্ছ বেংক অৰ চাইনা (PBC)
- ৮.৬.৫ দি ষ্টেট বেংক অৰ পাকিস্থান
- ৮.৬.৬ বেংক অৰ জাপান
- ৮.৬.৭ বেংক অৰ ইংলেণ্ড
- ৮.৬.৮ ফেডাৰেল ৰিজার্ভ ছিষ্টেম

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান

৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কেন্দ্রীয় বেংকৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- কেন্দ্রীয় বেংকৰ কার্যৱলীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় ৰিজার্ভ বেংকৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- কিছুমান দেশৰ কেন্দ্রীয় বেংকৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়বোৰত আমি বাণিজ্যিক বেংকৰ বিষয়ে, যিবোৰে জনসাধাৰণ আৰু বিভিন্ন অনুষ্ঠানৰ লগত লেনদেন কৰে সেই সম্পর্কে আলোচনা কৰিছো। যিহেতু বাণিজ্যিক

বেংক আৰু অন্যান্য বিত্তীয় অনুষ্ঠানসমূহে জনসাধাৰণৰ ধনৰ লেনদেন কৰে, এই ক্ষেত্ৰত এনেকুৱা অনুষ্ঠানসমূহক নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ কৰাতো অতি জৰুৰী। বৰ্তমান অৱস্থাত বিশ্বৰ প্ৰায় প্ৰতিখন দেশতে এনেকুৱা অনুষ্ঠান আছে যিয়ে এই বিত্তীয় অনুষ্ঠানসমূহ আৰু মুদ্ৰা ব্যৱস্থাক নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। এই অনুষ্ঠানসমূহক কেন্দ্ৰীয় বেংক বোলে। কেন্দ্ৰীয় বেংকে বিত্তীয় সম্পদৰ নিৰাপত্তা নিশ্চিত কৰে আৰু জনসাধাৰণ আৰু ব্যৱসায় প্ৰতিষ্ঠানক বিশ্বাস প্ৰদান কৰে।

এই অধ্যায়ত আমি কেন্দ্ৰীয় বেংকৰ বিভিন্ন কাৰ্য আৰু লগতে অন্যান্য দেশৰ কেন্দ্ৰীয় বেংক সম্পৰ্কে আলোচনা কৰিম।

৮.৩ কেন্দ্ৰীয় বেংকৰ অৰ্থ আৰু ধাৰণা

প্ৰতিখন অৰ্থনীতিতে মুদ্ৰা ব্যৱস্থাক নিয়ন্ত্ৰণ, পৰিচালনা আৰু নিৰীক্ষণ কৰাৰ বাবে এটা শীৰ্ষ অনুষ্ঠানৰ প্ৰয়োজন আছে। এটা কেন্দ্ৰীয় বেংক এখন দেশৰ মুদ্ৰা আৰু বেংক ব্যৱস্থাৰ শীৰ্ষ অনুষ্ঠান। ই দেশৰ বাণিজ্যিক বেংকৰ কাৰ্যৱলীসমূহ নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ কৰে। ই দেশখনৰ মুদ্ৰা ছপা আৰু ঋণ ব্যৱস্থাৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত একমাত্ৰ কৰ্তৃত্ব হিচাপে কাৰ্য সম্পাদন কৰে।

বিশ্বৰ প্ৰায় প্ৰতিখন দেশৰে এটা কেন্দ্ৰীয় বেংক আছে। প্ৰতিখন দেশে এটা কেন্দ্ৰীয় বেংক প্ৰতিষ্ঠা কৰাটো কুৰি শতিকাৰ এটা পৰিঘটনা। Sveriges Risksbanks, 1668 ত স্থাপন কৰা বিশ্বৰ আটাইতকৈ পুৰণি কেন্দ্ৰীয় বেংক যি Sweden দেশৰ কেন্দ্ৰীয় বেংক । The Bank of England ক যদিও 1694 ত স্থাপন কৰা হৈছিল, ই The Bank of Charter Act ৰ অনুমোদনৰ পিছত 1882 ৰ পৰাহে কাৰ্যক্ষম হৈছিল। যিবিলাক দেশে ঊনবিংশ শতিকাত কেন্দ্ৰীয় বেংক স্থাপন কৰিছিল সেইবিলাক দেশ হ'ল— 1800 চনত France, Netherland এ 1814 ত Russia ই 1860 চনত, Germany য়ে 1875 চনত, ইত্যাদি। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় বেংক The Federal Reserve System ক 1913 চনত আৰু ভাৰতে The Reseve Bank of India ক 1935 চনত স্থাপন কৰিছিল।

৮.৪ কেন্দ্ৰীয় বেংকৰ কাৰ্যৱলীসমূহ

আমি জানো যে প্ৰতিখন দেশতে বেলেগ বেলেগ কেন্দ্ৰীয় বেংক থাকে। যদিও কেন্দ্ৰীয় বেংকৰ কাৰ্যসমূহ প্ৰতিখন দেশতে বেলেগ হয়, তথাপি তলত উল্লেখ কৰা কাৰ্যসমূহ প্ৰতিটো কেন্দ্ৰীয় বেংকৰ সাধাৰণ কাৰ্যৱলী।

১। **মুদ্ৰা ছপাৰ একচেটিয়া অধিকাৰ ঃ** প্ৰতিখন দেশৰে কেন্দ্ৰীয় বেংকৰ মুদ্ৰা ছপা কৰাৰ একচেটিয়া অধিকাৰ আছে। যি মুদ্ৰা ছপা আৰু প্ৰচলন কেন্দ্ৰীয় বেংকৰ দ্বাৰা কৰা হয় তাক বিধি সন্মতভাৱে গোটেই দেশখনত গ্ৰহণ কৰা। কিন্তু কিছুমান দেশত কেন্দ্ৰীয় বেংকৰ এই একচেটিয়া অধিকাৰ প্ৰায় আংশিক। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষত এক টকীয়া নোটসমূহ ভাৰত চৰকাৰ বিত্ত মন্ত্ৰণালয়ে আৰু বাকী নোটসমূহ ভাৰতীয় ৰিজাৰ্ভ বেংকে ছপা কৰে।

মুদ্রা ছপা কৰাৰ একচেটিয়া অধিকাৰ কেন্দ্রীয় বেংকসমূহক প্রদান কৰাৰ প্রধান সুবিধাসমূহ হ'ল— (ক) ই মুদ্রা ব্যৱস্থাক একৰূপতা প্রদান কৰে আৰু (খ) কেন্দ্রীয় বেংকে মুদ্রা ব্যৱস্থাক বেছি ভালকৈ পৰিচালনা কৰিব পাৰে। বিভিন্ন দেশৰ কেন্দ্রীয় বেংকসমূহে মুদ্রা ছপা কৰাৰ ক্ষেত্রত বিভিন্ন ব্যৱস্থা গ্রহণ কৰে— যেনে আংশিক ফিডুচিআ'ৰি ব্যৱস্থা, সর্বোচ্চ ফিডুচিআ'ৰি ব্যৱস্থা, সামানুপাতিক সংৰক্ষণ ব্যৱস্থা সর্বনিম্ন সংৰক্ষণ ব্যৱস্থা আৰু বৈদেশিক বিনিময় সংৰক্ষণ ব্যৱস্থা। ভাৰতীয় ৰিজার্ভ বেংকে সর্বনিম্ন সংৰক্ষণ ব্যৱস্থা অনুসৰণ কৰে।

২। **চৰকাৰৰ বেংক, এজেণ্ট আৰু উপদেষ্টা ঃ** কেন্দ্রীয় বেংকে চৰকাৰৰ বেংক, এজেণ্ট তথা উপদেষ্টা হিচাপে কাম কৰে। বেংকাৰ হিচাপে কেন্দ্রীয় বেংকে চৰকাৰৰ সকলো লেনদেনৰ হিচাপ ৰাখে, চৰকাৰৰ হৈ আমানত গ্রহণ কৰে আৰু চৰকাৰলৈ হ্রস্বকালীন ঋণ আগবঢ়ায়। এজেণ্ট হিচাপে কেন্দ্রীয় বেংকে চৰকাৰৰ হৈ কৰ সংগ্রহ আৰু অন্যান্য পৰিশোধ কার্য সম্পন্ন কৰে। চৰকাৰৰ বিত্তীয় পৰামর্শদাতা হিচাপে কেন্দ্রীয় বেংকে বিভিন্ন বিত্তীয়, অর্থনৈতিক আৰু মুদ্রানীতি সম্পর্কে পৰামর্শ প্রদান কৰে।

৩। **বেংকবিলাকৰ বেংক ঃ** কেন্দ্রীয় বেংকে দেশখনৰ সকলো বাণিজ্যিক বেংকৰ বেংক হিচাপে কাম কৰে। কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰৰ বেংক হিচাপে তিনিটা কার্য সম্পাদন কৰে। সেইবোৰ হ'ল— (ক) নগদ সংৰক্ষণৰ তত্বাৱধানক (খ) অন্তিম মুহূর্তৰ ঋণদাতা, আৰু (গ) নিষ্পত্তি গৃহ। সকলো বাণিজ্যিক বেংকে তেওঁলোকৰ মুঠ পুঁজিৰ এটা অংশ নগদ হিচাপত কেন্দ্রীয় বেংকত ৰাখিব লাগে। ইয়াকে নগদ সংৰক্ষণ অনুপাত বোলে।

৪। **অন্তিম মুহূর্তৰ ঋণদাতা ঃ** কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবিলাকৰ বেংক হৈ অন্তিম ঋণদাতা হিচাপে কাম কৰে। যদি বাণিজ্যিক বেংক এটাই ইয়াৰ বিত্তীয় প্রয়োজনীয়তা অন্যান্য উৎসৰ পৰা নাপায়, তেতিয়া সেই বেংকটোৱে কেন্দ্রীয় বেংকৰ পৰা অন্তিম ঋণদাতা হিচাপে বিত্তীয় সহযোগৰ বাবে কাষ চাপি আহে। কেন্দ্রীয় বেংকে বিনিময় পত্র পুনৰ বাট্টাকৰণৰ যোগেদি বাণিজ্যিক বেংকক বিত্তীয় সহায় আগবঢ়ায়।


৫। **নিষ্পত্তি গৃহ ঃ** যিহেতু বাণিজ্যিক বেংকৰ নগদ সংৰক্ষণৰ তত্বাৱধায়ক হ'ল কেন্দ্রীয় বেংকে আৰু বাণিজ্যিকসমূহৰ কেন্দ্রীয় বেংকত তেওঁলোকৰ হিচাপ থাকে, গতিকে কেন্দ্রীয় বেংকে অতি সহজেই বাণিজ্যিক বেংকসমূহৰ অভিযোগসমূহ কম নগদ ধনৰ ব্যৱহাৰেৰে নিষ্পত্তি কৰিব পাৰে।

৬। **বৈদেশিক বিনিময় পুঁজিৰ সংৰক্ষক ঃ** কেন্দ্রীয় বেংকে দেশখনৰ বৈদেশিক মুদ্রা পুঁজিৰ সংৰক্ষক হিচাপে কার্য সম্পাদন কৰে। কেন্দ্রীয় বেংকে বৈদেশিক বিনিময়ৰ হাৰ নিয়ন্ত্রণ আৰু চৰকাৰক আন্তর্জাতিক মঞ্চত প্রতিনিধিত্ব কৰে।

৭। **ঋণ নিয়ন্ত্রক ঃ** ঋণ নিয়ন্ত্রণ কৰাটো কেন্দ্রীয় বেংকৰ অন্যতম প্রধান কার্য। কেন্দ্রীয় বেংকৰ ঋণ নিয়ন্ত্রণ কার্যই দেশখনৰ অর্থনীতিত প্রত্যক্ষ প্রভাৱ পেলায়। এই কার্যৰ দ্বাৰা কেন্দ্রীয়

বেংকে মুদ্রাৰ যোগান নিয়ন্ত্রণ কৰে। কার্যক্ষম ঋণ নিয়ন্ত্রণে দৰ স্তৰ আৰু বিনিময় হাৰৰ স্থিৰতা আনে।

৮। **আন কার্যাৱলী ঃ** ওপৰত উল্লেখ কৰা কার্যসমূহৰ উপৰিও কেন্দ্রীয় বেংকে কিছুমান অন্যান্য কার্যাৱলী সম্পাদন কৰে, যেনে— অনুসন্ধান আৰু আলোচনা চক্র পতা, দেশৰ মুদ্রানীতি গঠন, বেংক ব্যৱস্থাৰ বিকাশ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কেন্দ্রীয় বেংকৰ তিনিটা কার্যৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ঃ বিশ্বৰ আটাইতকৈ পুৰণি কেন্দ্রীয় বেংকটোৰ নাম কি?

.....

.....

৮.৫ ভাৰতীয় ৰিজার্ভ বেংক

ভাৰতীয় ৰিজার্ভ বেংকৰ জন্মৰ অৱস্তুণি ১৯২৬ চনত হৈছিল যেতিয়া হিল্টন ইয়ং কমিচন বা মুদ্রা আৰু বিস্তৰ ওপৰত ৰয়েল কমিচননে দেশৰ বেংক ব্যৱস্থাৰ প্রসাৰ কৰাৰ কাৰণে চৰকাৰৰ পৰা মুদ্রা আৰু ঋণৰ নিয়ন্ত্রণ পৃথক কৰাৰ পৰামর্শ দিছিল।

ভাৰতীয় ৰিজার্ভ বেংক, ভাৰতীয় ৰিজার্ভ বেংক আইন— ১৯৩৪ ৰ অধিনত ১৯৩৫ চনৰ ১ এপ্রিল তাৰিখে প্রতিষ্ঠা কৰা হৈছিল। প্রথমতে ভাৰতীয় ৰিজার্ভ বেংকৰ মুখ্য কার্যালয় কলিকতাত আছিল পিছলৈ ১৯৩৭ চনত ইয়াক মুম্বাইলৈ স্থানান্তৰ কৰা হয়। ভাৰতবর্ষৰ বিভাজনৰ পিছত ১৯৪৮ চনৰ জুন মাহলৈ ভাৰতীয় ৰিজার্ভ বেংকে পাকিস্থানৰ ও কেন্দ্রীয় বেংক হিচাপে কাম কৰিছিল। আৰম্ভণিতে ই এটা অংশধাৰকৰ বেংক আছিল আৰু ১৯৪৯ চনত ইয়াক ৰাষ্ট্রীয়কৰণ কৰা হৈছিল। তেতিয়া পৰা ভাৰতীয় ৰিজার্ভ বেংকৰ ভূমিকা আৰু কার্যৱলী, ভাৰতীয় অর্থ ব্যৱস্থাৰ পৰিৱর্তনৰ লগত সংগতি ৰাখি বিভিন্ন পৰিৱর্তনক আকোৱালি লৈছে।

ভাৰতীয় ৰিজার্ভ বেংকে কেন্দ্রীয় বেংকৰ কার্যৱলী পালন কৰাৰ উপৰিও বিভাগীয় আৰু উন্নয়নমূলক কাম-কাজসমূহও কৰে। সর্বসাধাৰণক বেংক ব্যৱস্থাটোৰ প্রতি আকর্ষিত কৰিবলৈ, জমাকাৰীৰ স্বার্থ সুৰক্ষিত কৰিবলৈ আৰু বিত্তীয় ব্যৱস্থাৰো বিকাশ স্থায়ী কৰি ৰাখিবলৈ বেংক আৰু অনা বেংকিং প্রতিষ্ঠানসমুহক নিয়ন্ত্রণ কৰিবলৈ নীতি নির্ধাৰণ কৰে।

ভাৰতীয় ৰিজার্ভ বেংকৰ সাংগঠনিক গাঁঠনি তলত দিয়া ধৰণৰ—

সঞ্চালকৰ কেন্দ্রীয় বোর্ড
গভর্ণৰ
উপ-গভর্ণৰ
কার্যকৰী সঞ্চালক
প্রধান মুখ্য সাধাৰণ প্রবন্ধক
মুখ্য প্রবন্ধক
উপ-সাধাৰণ প্রবন্ধক
সহকাৰী সাধাৰণ প্রবন্ধক
প্রবন্ধক
সহকাৰী প্রবন্ধক
সহায়ক কর্মীবৃন্দ

সঞ্চালকৰ কেন্দ্রীয় বোর্ড

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সাংগঠনিক গঠনত সঞ্চালকৰ কেন্দ্রীয় বোর্ডৰ স্থান সর্বোচ্চ। ভাৰতীয় ৰিজাৰ্ভ বেংক আইন ১৯৩৪ ৰ অধিনত ভাৰত চৰকাৰে নিযুক্তি দিয়া কেন্দ্রীয় বোর্ডৰ ৰিজাৰ্ভ বেংকক চোৱা চিতা কৰাৰ সম্পূর্ণ দায়িত্ব আৰু অধিকাৰ আছে। কেন্দ্রীয় বোর্ডে নির্দিষ্ট কার্যসমূহ স্থানীয় বোর্ডক বা বিভিন্ন সমিতিক অর্পন কৰে। গভর্ণৰ হ'ল ভাৰতীয় বেংকৰসমূহ কামকাজৰ নির্দেশনা আৰু চোৱা-চিতা গভর্ণৰে কৰে। পৰিচালনা গোটত উপ-গভর্ণৰ আৰু কার্যবাহী সঞ্চালকো অন্তর্ভূক্ত। চাৰিখন স্থানীয় বোর্ডৰ পৰা এজনকৈ সঞ্চালক সহিতে মুঠ ১৪জন সঞ্চালক কেন্দ্রীয় চৰকাৰে ৰিজাৰ্ভ বেংকত মনোনীত কৰে। অন্য দহজন সঞ্চালক অর্থনীতিৰ বিভিন্ন ক্ষেত্র যেনে --কৃষি, উদ্যোগ, বাণিজ্য ইত্যাদি প্রতিনিধিত্ব কৰে। এওঁলোকক সকলোকে চাৰি বছৰত বাৰে নিযুক্ত দিয়া হয়। কেন্দ্রীয় চৰকাৰে চৰকাৰৰ প্রতিনিধিত্ব কৰিবলৈ এজন সঞ্চলক নিযুক্তি কৰে, যিজন সাধাৰণতে ভাৰত চৰকাৰৰ বিত্তীয় সচিব হয়। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভর্ণৰ আৰু চাৰিজন উপ-গভর্ণৰো কেন্দ্রীয় বোর্ডৰ পদেন সঞ্চালক।

স্থানীয় বোর্ড

ভাৰতবর্ষৰ পূব, পশ্চিম, উত্তৰ আৰু দক্ষিণ প্রান্তত ৰিজাৰ্ভ বেংকৰ চাৰিখন স্থানীয় বোর্ড আছে যি কেইখন মুম্বাই, কলকতা, চেন্নাই আৰু দিল্লীত অৱস্থিত। প্রত্যেকখন বোর্ডত কেন্দ্রীয় চৰকাৰে চাৰিজন সদস্য চাৰিবছৰৰ বাবে নিয়োগ কৰে। স্থানীয় বোর্ডসমুহে নির্দিষ্ট ভৌগলিক আৰু অর্থনৈতিক এলেকাক প্রতিনিধিত্ব কৰে আৰু সেই এলেকাৰ পৰিস্থিতিও বিষয়ে কেন্দ্রীয় বোর্ডক অৱগত কৰে। কেন্দ্রীয় বোর্ডে অর্পন কৰা আন দায়িত্বসমূহো স্থানীয় বোর্ডে পালন কৰে।

কার্যালয় আৰু শাখা

ভাৰতীয় ৰিজাৰ্ভ বেংকে ইয়াৰ কাম-কাজসমূহ সমগ্র দেশত সিঁচৰিত হৈ থকা শাখাসমূহৰ দ্বাৰা পৰিচালনা কৰে। মুম্বাই, কলকাতা, দিল্লী আৰু চেন্নাইত থকা গোটসমুহক কার্যলয় হিচাপে

জনা যায়। আনহাতে অন্য ঠাইত থকা গোটসমুহক শাখা হিচাপে জনা যায়। বর্তমান ভাৰতীয় ৰিজার্ভ বেংকৰ ২৭ ঠাইত কার্যালয় আৰু ডাঙৰ শাখা আছে। কার্যালয় আৰু ডাঙৰ শাখাসমুহ মূখ্য সাধাৰণ পৰিচালকৰ দ্বাৰা পৰিচালিত হয় আৰু মূখ্য সাধাৰণ পৰিচালক জনক ক্ষেত্রীয় প্রবন্ধক হিচাপে কার্যনির্বাহ কৰে।অন্যহাতে সৰু শাখাসমুহ মুখ্য সাধাৰণ পৰিচালক পদৰ জেষ্ঠ বিষয়াই পৰিচালনা কৰে।

কেন্দ্রীয় কার্যলয়ৰ বিভাগসমূহ

ৰিজার্ভ বেংকৰ বিভিন্ন কাম-কাজসমুহ বিভিন্ন বিভাগৰ মাজত ভগায় দিয়া হয়। ৰিজার্ভ বেংকৰ ভূমিকাৰ পৰিবর্তনৰ লগে লগে কিছুমান পুৰণা বিভাগ বন্ধ কৰি দিয়া হয় আৰু কিছুমান নতুন বিভাগ খোলা হয়। বর্তমান ভাৰতীয় ৰিজার্ভ বেংকে মুম্বাইস্থিত মুখ্য কার্যলয়ত অৱস্থিত ২৭ টা বিভাগৰ দ্বাৰা ইয়াৰ কাম-কাজসমুহ মুখ্য সাধাৰণ পৰিচালক পদৰ জেষ্ঠ বিষয়াই পৰিচালনা কৰা এই বিভাগসমুহ হ'ল —

বজাৰ

বহিঃ বিনিয়োগ আৰু কার্যকৰণ বিভাগ

বিত্তীয় বজাৰ বিভাগ

বিত্তীয় সুস্থিৰকৰণ গোট

অন্তৰর্তি ঋণ পৰিচালনা বিভাগ

মুদ্রানীতি বিভাগ

নিয়ন্ত্রণ আৰু তত্বাবধান

বেংকিং কার্যকৰণ আৰু উন্নয়ন বিভাগ

বেংকিং তত্বাবধন বিভাগ

অনা বেংকিং তত্বাৱধন বিভাগ

বৈদেশিক মুদ্রা বিভাগ

গ্রাম্য পৰিকল্পনা আৰু ঋণ বিভাগ

চহৰীয় বেংক বিভাগ

গবেষণা

অর্থনৈতিক পর্যালোচনা আৰু নীতি বিভাগ

পৰিসংখ্যা আৰু তথ্য পৰিচালনা বিভাগ

সেবা

উপভোক্তা সেৱা বিভাগ

মুদ্রা নিয়ন্ত্রণ বিভাগ

চৰকাৰী আৰু বেংক হিচাপ বিভাগ

আদায় আৰু পৰিশোধ ব্যৱস্থা বিভাগ

সমর্থন

প্রশাসন আৰু ব্যক্তিগত পৰিচালনা বিভাগ

যোগাযোগ বিভাগ

খৰচ আৰু ৰাজই নিয়ন্ত্রণ বিভাগ

তথ্য প্রযুক্তি বিভাগ

মানব সম্পদ উন্নয়ণ বিভাগ

পৰিদর্শন বিভাগ

আইনী বিভাগ

স্থাপনা বিভাগ

ৰাজ্যভাষা বিভাগ

সচিবসমুহত বিভাগ

৮.৬ বিভিন্ন দেশৰ কেন্দ্রীয় বেংকসমূহ

এই অধ্যায়ৰ আৰম্ভণিত আমি আলোচনা কৰিছো যে বিশ্বৰ প্রতিখন দেশতে তেওঁলোকৰ নিজা কেন্দ্রীয় বেংক থাকে। অধ্যায়ৰ এই অংশত বিভিন্ন দেশৰ কিছুমান কেন্দ্রীয় বেংকৰ বিষয়ে আলোচনা কৰিম, বিশেষকৈ আমাৰ চুবুৰীয়া দেশসমূহৰ।

৮.৬.১ বাংলাদেশ বেংক

বাংলাদেশ বেংক হ'ল বাংলাদেশৰ কেন্দ্রীয় বেংক। ই বাংলাদেশ মুদ্রাগত আৰু বিত্তীয় ব্যৱস্থাৰ শীর্ষ নিয়ন্ত্রক। বাংলাদেশ বেংক অর্ডাৰ, ১৯৭২ অধীনত বাংলাদেশ বেংকক প্রতিষ্ঠা কৰা হৈছিল। বাংলাদেশ বেংকৰ মুখ্য কার্যালয় ঢাকাত অৱস্থিত। বর্তমান ইয়াৰ দহটা কার্যালয় দেশখনৰ বিভিন্ন প্রান্তত অৱস্থিত

৮.৬.২ ৰয়েল মনিটৰি অর্থৰিটী

ৰয়েল মনিটৰি অর্থৰিটী (RMA) হ'ল ভূটানৰ কেন্দ্রীয় বেংক। 1982 চনত The RMA-ক স্থাপন কৰাৰ আগতে তিনিটা সংস্থা— বিত্ত মন্ত্রালয়, ভূটান ৰাজ্যিক বাণিজ্য নিগম আৰু বেংক অৱ ভূটানে কেন্দ্রীয় বেংকৰ কার্যাৱলী সম্পাদন কৰিছিল। বিত্ত মন্ত্রালয়ৰ পৰা কাগজী মুদ্রা আৰু ধাতব মুদ্রা ছপা কৰাৰ দায়িত্ব গ্রহণ কৰি RMA পহিলা নৱেম্বৰ, 1982 চনৰ পৰা ইয়াৰ কার্য আৰম্ভ কৰে। চৰকাৰৰ জমা গ্রহণ আৰু বিভিন্ন কার্যৰে চৰকাৰক ঋণ আদায় দি RMA-ই 1988 চনত চৰকাৰৰ বেংক হিচাপে দায়িত্ব গ্রহণ কৰে। 1992 চনত The Royal Monetary Authority Act, 1982 সংশোধন কৰি ভূটানৰ বিত্তীয় অনুষ্ঠানৰ অনুজ্ঞা, পৰিচালন আৰু নিৰীক্ষণ কার্যক অন্তর্ভুক্ত কৰা হয়। ভূটান দেশ অতি গুৰুত্বপূর্ণভাৱে 2008 চনত এক 'গণতান্ত্রিক সাংবিধানিক ৰাজতন্ত্র'

লৈ পৰিৱৰ্তন হোৱাৰ পিছত The Royal Monetary Authority of Bhutan Act, 1982 ৰ সংশোধন ঘটায় আৰু 2010 চনৰ জুন মাহত ভূটান দেশৰ সংসদৰ দ্বাৰা The Royal Monetary Authority Act of Bhutan, 2010 বলবৎ কৰে। এই ইতিহাসিক বলবৎকৰণ আৰু 2010 চনৰ 18 আগষ্টত ভূটানৰ কেন্দ্রীয় বেংকৰ প্রথমজন গৰ্ভণৰৰ নিযুক্তিৰ দ্বাৰা RMA-ৰ স্থিতিক এক স্বাধীন কেন্দ্রীয় বেংকৰ মাত্রা প্রদান কৰা হয়। যিয়ে RMA ক ইয়াৰ কার্য সম্পাদন আৰু নির্ণায়ক ভূমিকাক অধিক ক্ষমতা প্রদান কৰে। অন্য দেশসমূহৰ কেন্দ্রীয় বেংকে যি যি কার্য সাধাৰণতে কৰে সেই সকলোবোৰ কার্যই এতিয়া RMA সম্পাদন কৰে।

৮.৬.৩ নেপাল ৰাষ্ট্র বেংক

নেপাল ৰাষ্ট্র বেংক হ'ল নেপালৰ কেন্দ্রীয় বেংক যাক 1956 চনত The Nepal Rastra Bank Act, 1955 ৰ অধীনত স্থাপন কৰা হৈছিল। এই আইনখনক 2002 চনত The Nepal Rastra Bank Act, 2002 ৰ দ্বাৰা সংশোধন কৰা হয়, আৰু ইয়াৰ কার্যাৱলী আৰু উদ্দেশ্যক নতুন ৰূপ দিয়া হয়।

৮.৬.৪ দি পীপল্ছ বেংক অৱ চাইনা (PBC)

দি পীপল্ছ বেংক অৱ চাইনা হ'ল 1948 চনত স্থাপন কৰা চীনদেশৰ কেন্দ্রীয় বেংক। 1950 আৰু 1978 চনৰ মাজভাগত এই PBC এ Peoples Republic of China ৰ একমাত্র বেংক আছিল আৰু বাণিজ্যিক আৰু কেন্দ্রীয় বেংকৰ দুয়োটাৰে দায়িত্ব বহন কৰিছিল। 1983 চনৰ ছেপ্টেম্বৰ মাহত ৰাজ্যিক পৰিষদে PBC-ক কেন্দ্রীয় বেংক হিচাপে বিচাৰিছিল। Peoples Republic of China ই 1995 চনৰ 18 মার্চত PBC সম্পর্কে আইন গ্রহণ কৰে আৰু কেন্দ্রীয় বেংকৰ আইনী মর্যদা প্রদান কৰে।

৮.৬.৫ দি ষ্টেট বেংক অৱ পাকিস্থান

'দি ষ্টেট বেংক অৱ পাকিস্থান হ'ল পাকিস্থানৰ কেন্দ্রীয় বেংক। ব্রিটিছ ঊপনিৱেশৰ সময়ত ভাৰতীয় ৰিজার্ভ বেংক ভাৰত আৰু পাকিস্থান দুয়োখন দেশৰে কেন্দ্রীয় বেংক আছিল। 1948 চনৰ 30 ডিচেম্বৰত ব্রিটিছ চৰকাৰৰ আয়োগে ভাৰতীয় ৰিজার্ভ বেংকৰ সংৰক্ষণত 30 : 70 অনুপাতত ভাৰত আৰু পাকিস্থানৰ মাজত বিতৰণ কৰে। মহম্মদ আলি জিন্নাই 1948 চনৰ মে' মাহত দি ষ্টেট বেংক অৱ পাকিস্তানক স্থাপন কৰিবলৈ পদক্ষেপবোৰ গ্রহণ কৰে। এই পদক্ষেপবোৰ 1948 চনৰ জুন মাহত কার্যকৰী কৰা হয় আৰু দি ষ্টেট বেংক অৱ পাকিস্থানে ইয়াৰ কার্যভাৰ 1948 চনৰ পহিলা জুলাইৰ পৰা আৰম্ভ কৰে। ইয়াৰ মুখ্য কার্যালয় পাকিস্তানৰ বিত্তীয় ৰাজধানী কৰাচীত আৰু দ্বিতীয় মূখ্য কার্যালয় ৰাজধানী ইছলামাবাদত অৱস্থিত।

৮.৬.৬ বেংক অৱ জাপান

বেংক অৱ জাপান হ'ল জাপানৰ কেন্দ্রীয় বেংক। ইয়াক Bank of Japan Act, 1882 ৰ অধীনত স্থাপন কৰা হৈছিল আৰু 1882 চনৰ অক্টোবৰ মাহৰ পৰা কেন্দ্রীয় বেংক হিচাপে কাম-কাজ আৰম্ভ কৰে। ইয়াক 1942 চনত পুনৰ সংগঠিত কৰা হয়। 1942 চনৰ আইনখন দ্বিতীয় বিশ্বযুদ্ধৰ পিছত কেইবাবাৰো সংশোধন কৰা হয়। এই সংশোধনৰ ভিতৰত 1949 চনৰ জুন মাহত স্থাপন কৰা নীতি নির্ধাৰক সংসদ যি বেংকৰ সর্বোচ্চ সিদ্ধান্ত নির্ধাৰক নিকায়ও অন্তর্ভুক্ত। 1942 চনৰ আইনখনক 1997 চনৰ জুনমাহত 'স্বাধীনতা' আৰু 'স্বচ্ছতা' এই দুই নীতিৰ অধীনত সম্পূর্ণ সংশোধন কৰা হয়। এই সংশোধিত আইনখন 1998 চনৰ পহিলা এপ্রিলৰ পৰাহে কার্যকৰী হয়। এই বেংকৰ মুখ্য কার্যালয় ট'কিঅ' চহৰত অৱস্থিত।

৮.৬.৭ বেংক অৱ ইংলেণ্ড

বেংক অৱ ইংলেণ্ড হ'ল ব্রিটিছ যুক্তৰাজ্যৰ কেন্দ্রীয় বেংক। 1694 চনত স্থাপিত এই বেংকটো বিশ্বৰ দ্বিতীয় পুৰণি বেংক। ইয়াক ব্রিটিছ চৰকাৰৰ বেংক হিচাপে স্থাপন কৰা হৈছিল আৰু এতিয়াও ই ব্রিটিছ যুক্তৰাজ্যৰ বেংক হিচাপে কার্যনির্বাহ কৰি আছে। প্রকৃততে ইয়াক 1946 চনত ৰাষ্ট্রীয়কৃত বেংক হিচাপে প্রতিষ্ঠা কৰাৰ আগলৈ ই বেচৰকাৰী বেংক হিচাপে অংশধাৰকসকলৰ অধীনত আছিল। এই বেংক 1988 ৰাজহুৱা সংগঠন হৈ পৰে যাক সম্পূর্ণভাৱে চৰকাৰৰ হৈ Treasury Salicitor য়ে নিয়ন্ত্রণ কৰে।

৮.৬.৮ ফেডাৰেল ৰিজার্ভ ছিষ্টেম

ফেডাৰেল ৰিজার্ভ বা ফেডাৰেল ৰিজার্ভ ছিষ্টেম হ'ল সংযুক্ত মার্কিন যুক্তৰাষ্ট্রৰ কেন্দ্রীয় বেংক ব্যৱস্থা। মার্কিন যুক্তৰাষ্ট্রক সুৰক্ষিত, নমনীয় আৰু অধিক সুস্থিৰ মূদ্রাগত আৰু वित्तीय ব্যৱস্থা প্রদান কৰিবলৈ ইয়াক প্রতিষ্ঠা কৰা হৈছিল। ফেডাৰেল ৰিজার্ভক 1913 চনৰ ডিচেম্বৰ মাহৰ 13 তাৰিখে স্থাপন কৰা হৈছিল যেতিয়া ইয়াক ৰাষ্ট্রপতি ৱুড্রো উইলছন ফেডাৰেল ৰিজার্ভ আইনত স্বাক্ষৰ প্রদান কৰে।



৮.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- কেন্দ্রীয় বেংক হ'ল কোনো এখন দেশৰ মুদ্রাগত আৰু বেংকীয় ব্যৱস্থাৰ শীর্ষ প্রতিষ্ঠান।

- কেন্দ্রীয় বেংকে সমাধা কৰা প্ৰধান কাৰ্যসমূহ হ'ল— নোট বা মুদ্ৰা ছপা কৰা, চৰকাৰৰ বেংক, বেংকসমূহৰ বেংক, অন্তিম ঋণদাতা, নিষ্পত্তি গৃহ ইত্যাদি।
- ঋণ নিয়ন্ত্ৰণ কাৰ্যৰে কেন্দ্ৰীয় বেংকে অৰ্থনীতিত মুদ্ৰাৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে।
- ঋণ নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় বেংকে গ্ৰহণ কৰা পদ্ধতিসমূহ হ'ল— বেংক হাৰ নীতি, মুক্ত বজাৰ প্ৰক্ৰিয়া, নৈতিক আৱেদন, ঋণৰ যুক্তিযুক্ততা নিৰ্ধাৰণ, নিৰ্দেশাত্মক নীতি ইত্যাদি।



৮.৮ অধিক জানিবলৈ

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



৮.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ কেন্দ্ৰীয় বেংকৰ তিনিটা প্ৰধান কাৰ্যাৱলী হ'ল— চৰকাৰৰ বেংক, এজেণ্ট আৰু পৰামৰ্শদাতা, মুদ্ৰা ছপা কৰাৰ একচেটিয়া অধিকাৰ আৰু বেংকসমূহৰ বেংক।

২ নং প্ৰশ্নৰ উত্তৰঃ Sveriges Risk Bank হ'ল বিশ্বৰ আটাইতকৈ পুৰণি কেন্দ্ৰীয় বেংক, যি চুইডেনৰ কেন্দ্ৰীয় বেংক।

৩ নং প্ৰশ্নৰ উত্তৰঃ মুকলি বজাৰ প্ৰক্ৰিয়া, বেংক হাৰ নীতি, নগদ সংৰক্ষণৰ পৰিৱৰ্তন হ'ল তিনিবিধ পৰিমাণবাচক ঋণ নিয়ন্ত্ৰণ পদ্ধতি।

৪ নং প্ৰশ্নৰ উত্তৰঃ প্ৰান্তিক প্ৰয়োজনীয়তা নিৰ্ধাৰণ, ঋণৰ যুক্তিযুক্ততা, উপভোক্তাৰ ঋণৰ নিয়ন্ত্ৰণ ইত্যাদি হ'ল তিনিবিধ গুণবাচক ঋণ নিয়ন্ত্ৰণ পদ্ধতি।



৮.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ কেন্দ্ৰীয় বেংকৰ কাৰ্যৱলীসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ঋণ নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় বেংকে কি কি পদ্ধতি অৱলম্বন কৰে?

প্ৰশ্ন ৩ঃ ভূটান আৰু নেপালৰ কেন্দ্ৰীয় বেংকৰ ওপৰত চমুটোকা লিখক।

*** ***** ***

অধ্যায় ৯ ঃ ঋণ নিয়ন্ত্রণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ঋণ নিয়ন্ত্রণৰ অর্থ
৯.৪ ঋণ নিয়ন্ত্রণৰ পদ্ধতিবোৰ
৯.৪.১ মানগত বা সাধাৰণ পদ্ধতিসমূহ
৯.৪.২ গুণগত পদ্ধতিসমূহ
৯.৫ ঋণ নিয়ন্ত্রণৰ উদ্দেশ্য
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবৰ বাবে
৯.৮ অগ্রগতিৰ খতিয়ান
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঋণ নিয়ন্ত্রণৰ অর্থ ব্যাখ্যা জানিব পাৰিব
- ঋণ নিয়ন্ত্রণৰ পদ্ধতিসমূহ বর্ণনা জানিব পাৰিব
- ঋণ নিয়ন্ত্রণৰ উদ্দেশ্য ব্যাখ্যা জানিব পাৰিব।

৯.২ পৰিচয়

তোমালোকে নিশ্চয় ৰিপ'ৰেট, নগদ সংৰক্ষণ অনুপাত, বিধিবদ্ধ তাৰল্য অনুপাত ইত্যাদিৰ বিষয়ে শুনিছা। এইবোৰ হৈছে কিছুমান আহিলা যাৰ সহায়ত ভাৰতীয় ৰিজার্ভ বেংকে ঋণৰ মাত্রা নিয়ন্ত্রণ কৰে।

এই অধ্যায়ত আমি ঋণ নিয়ন্ত্রণৰ উদ্দেশ্য আৰু বিভিন্ন ধৰণৰ ঋণ নিয়ন্ত্রণ পদ্ধতিৰ বিষয়ে আলোচনা কৰিম।


৯.৩ ঋণ নিয়ন্ত্রণৰ অর্থ

ঋণ নিয়ন্ত্রণ হৈছে ৰিজার্ভ বেংকৰ এক অতি গুৰুত্বপূর্ণ কার্য মুদ্রাস্ফীতি পৰীক্ষা আৰু অর্থনৈতিক উন্নয়নৰ উদ্দেশ্যৰে ৰিজার্ভ বেংকে দেশ এখনত ঋণ নিয়ন্ত্রণ কৰে। ঋণ নিয়ন্ত্রণ মানে হ'ল দেশ এখনৰ অর্থনীতিত ঋণৰ সৃষ্টি, সংকোচন আৰু দিশসমূহ নিয়ন্ত্রণ কৰা। বেংক

ঋণ আৰু অন্যান্য ধৰণৰ ঋণৰ বা বৃদ্ধিৰ কাৰণে ঋণ নিয়ন্ত্রণৰ গুৰুত্ব বাঢ়ি আহিছে। ঋণ সৃষ্টিৰ দ্বাৰা বাণিজ্যিক বেংকসমূহে দেশত মুদ্রাৰ বা পুঁজিৰ ওপৰত নির্ভৰ কৰি দ্রব্য আৰু সেৱাৰ ক্রয়-বিক্রয় কৰে আৰু এই উন্নয়নৰ বাবেই পৃথিৱীৰ বিভিন্ন দেশ মুদ্রা অর্থনীতিৰ পৰিৱর্তে ঋণ অর্থনীতিৰ ওপৰত নির্ভৰশীল হৈছে।

৯.৪ ঋণ নিয়ন্ত্রণৰ পদ্ধতিসমূহ

ৰিজার্ভ বেংকে সম্পাদন কৰা কার্যাৱলীসমূহৰ ভিতৰত ঋণ নিয়ন্ত্রণ হৈছে এক অতি গুৰুত্বপূর্ণ কার্য। মুদ্রাস্ফীতি নিৰীক্ষণ আৰু দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ উদ্দেশ্যৰে ৰিজার্ভ বেংকে ঋণ নিয়ন্ত্রণ কৰে ৰিজার্ভ বেংকে ব্যৱহাৰ কৰা ঋণ নিয়ন্ত্রণ আহিলাবোৰ প্রধানতঃ দুই ধৰণৰ— মানগত আৰু গুণগত ৰিজার্ভ বেংক অৱ ইণ্ডিয়া আইন, ১৯৩৪ আৰু বেংকিং নিয়ন্ত্রণ আইন, ১৯৪৯ য়ে দিয়া ক্ষমতাৰ আধাৰত ৰিজার্ভ বেংকে ৰেগুলেছন উল্লেখিত দুয়োটা আহিলা প্রয়োগেৰে ঋণ কৰে।



৯.৪.১ মানগত বা সাধাৰণ পদ্ধতিসমূহ

মানগত পদ্ধতিবোৰ হৈছে কেন্দ্রীয় বেংকে ব্যৱহাৰ কৰা ঋণ নিয়ন্ত্রণৰ পৰম্পৰাগত পদ্ধতি। এই পদ্ধতিবোৰ ব্যৱহাৰ কৰি কেন্দ্রীয় বেংকে ঋণৰ আয়তন বা পৰিমাণ নিয়ন্ত্রণ কৰে। ঋণ নিয়ন্ত্রণৰ বিভিন্ন ধৰণৰ সংখ্যাত্মক পদ্ধতিসমূহ তলত আলোচনা কৰা হ'ল—

১) সংৰক্ষণ অনুপাত ঃ

(ক) নগদ সংৰক্ষণ অনুপাত ঃ সকলো বাণিজ্যিক বেংকেই এক নির্দিষ্ট পৰিমাণৰ নগদ ধন কেন্দ্রীয় বেংকত জমা ৰাখিব লাগে। এই আমানতকেই নগদ সংৰক্ষণ বুলি জনা যায়। অর্থনীতিত ঋণৰ পৰিমাণ নিয়ন্ত্রণ কৰিবলৈ কেন্দ্রীয় বেংকে এই নগদ সংৰক্ষণ অনুপাত ব্যৱহাৰ কৰে।

যেতিয়া কেন্দ্রীয় বেংকে ঋণৰ পৰিমাণ হ্রাস কৰিব বিচাৰে ই বাণিজ্যিক বেংকসমূহে ৰাখিব লগা নগদ সংৰক্ষণ অনুপাতৰ হাৰ বা পৰিমাণ বৃদ্ধি কৰে আৰু এইটোৱে বাণিজ্যিক বেংকসমূহৰ ধাৰ দিয়াৰ ক্ষমতা হ্রাস কৰে। অন্যহাতে, যেতিয়া কেন্দ্রীয় বেংকে ঋণৰ পৰিমাণ বৃদ্ধি কৰিব বিচাৰে, ই নগদ সংৰক্ষণ অনুপাতৰ পৰিমাণ হ্রাস কৰিব আৰু যিয়ে বাণিজ্যিক বেংকবোৰৰ ধাৰ দিয়াৰ ক্ষমতা বৃদ্ধি কৰাব আৰু এইদৰেই কেন্দ্রীয় বেংকে নগদ সংৰক্ষণ অনুপাতক ঋণ নিয়ন্ত্রণৰ অস্ত্র হিচাপে ব্যৱহাৰ কৰে।

(খ) বিধিবদ্ধ তাৰল্য অনুপাত ঃ বিধিবদ্ধ তাৰল্য অনুপাতে মুঠ আমানতৰ সেইটো অনুপাতক সূচায় যিটো বাণিজ্যিক বেংকসমূহে নিজৰ লগত তৰল ৰূপত ৰাখিব লাগে। সাধাৰণতে, বাণিজ্যিক বেংকসমূহে চৰকাৰী প্রতিভূতি ক্রয়ৰ বাবে এই ধনৰ ব্যৱহাৰ কৰে। এইদৰে এটা দিশত বিধিবদ্ধ তাৰল্য অনুপাত বেংকিং ব্যৱস্থাৰ অতিৰিক্ত তাৰল্য ব্যৱহাৰ কৰা হয় আৰু আন দিশত, ইয়াক চৰকাৰৰ বাবে পুঁজি বা ৰাজহ সমবেতকৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। ৰিজার্ভ বেংক অৱ ইণ্ডিয়াই এই বিধিবদ্ধ তাৰল্য অনুপাত বাণিজ্যিক বেংকসমূহৰ মুঠ আমানতৰ ৪০ শতাংশলৈ বৃদ্ধি কৰিব পাৰে।

(গ) মুকলি বজাৰৰ কার্য ঃ ই মুদ্রা বজাৰৰ পৰা কেন্দ্রীয় বেংকে চৰকাৰী প্রতিভূতি ক্রয়-বিক্রয় কৰাক সূচায়। যিবোৰ দেশত চৰকাৰী প্রতিভূতিৰ বাবে বজাৰ সীমাবদ্ধ থাকে, সেইবোৰ দেশত মুকলি বজাৰ কার্যই চৰকাৰী জামিন বা নিশ্চিত প্রতিভূতি আৰু পৌ বা অন্যান্য প্রতিভূতিৰ ক্রয়-বিক্রয়ক অন্তর্ভুক্ত কৰে। বহুতো দেশত এই কার্যই চৰকাৰী প্রতিভূতিৰ ক্রয়-বিক্রয়কে সাঙুৰি লয়।

যেতিয়া কেন্দ্রীয় বেংকে ঋণৰ পৰিমাণ বা মাত্রা হ্রাস কৰিব বিচাৰে, ই বজাৰত যোগ্য প্রতিভূতি বিক্রী কৰে। যেতিয়া বাণিজ্যিক বেংকসমূহে এই নিৰাপত্তাপত্র বা প্রতিভূতিবোৰ ক্রয় কৰে, বেংকসমূহে কেন্দ্রীয় বেংকক ধন পৰিশোধ কৰিব লাগে। আৰু ই বাণিজ্যিক বেংকসমূহৰ পৰা কেন্দ্রীয় বেংকসমূহলৈ ধনৰ প্রবাহ প্রতিফলিত কৰে আৰু লগে লগে বাণিজ্যিক বেংকসমূহৰ প্রাথমিক সঞ্চিত পুঁজিৰ পৰিমাণ হ্রাস কৰে। এইদৰে, বেংকসমূহৰ ঋণ বৃদ্ধি কৰিব পৰা ক্ষমতা হ্রাস কৰায়। এইটো বিশেষভাৱে মুদ্রাস্ফীতিৰ অৱস্থাত সংঘটিত হয়।

অন্যহাতে, যেতিয়া কেন্দ্রীয় বেংকে ঋণৰ পৰিমাণ বৃদ্ধি কৰিব বিচাৰে, ই মুকলি

বজাৰৰ পৰা প্ৰতিভূতিপত্ৰ ক্ৰয় কৰে। যেতিয়া কেন্দ্ৰীয় বেংকে প্ৰতিভূতিপত্ৰ ক্ৰয় কৰে, তেতিয়া বাণিজ্যিক বেংকসমূহক ধন পৰিশোধ কৰিব লাগে আৰু লগে লগে কেন্দ্ৰীয় বেংকৰ পৰা বাণিজ্যিক বেংকসমূহলৈ ধনৰ প্ৰৱাহ ঘটে। আৰু এইটোৱে বাণিজ্যিক বেংকসমূহৰ হাতত সঞ্চিত পৰিমাণ বৃদ্ধি কৰে। এই পৰিস্থিতিত বাণিজ্যিক বেংকসমূহে ঋণ বৃদ্ধি কৰিব পাৰে। আৰু এইটো মুদ্ৰাস্ফীতি হ্ৰাস বা বিচ্ছুৰিত সময়ত দেখিবলৈ পোৱা যায়।

৩) পলিচি অনুপাতৰ বা ৰেটসমূহ

(ক) বেংক ৰেট পলিচি ঃ বেংক ৰেট বা বাট্টা হাৰ হৈছে এক ৰেট য'ত প্ৰথম শ্ৰেণীৰ বিনিময়পত্ৰ পুনৰ বাট্টা কৰাৰ বাবে কেন্দ্ৰীয় বেংক সাজু থাকে। অন্য অৰ্থত, বেংক ৰেট হৈছে সেইটো সুতৰ হাৰ যিটো হাৰত বিল পুনৰ বাট্টা কৰাৰ বাবে কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকৰ ওপৰত আৰোপ কৰে। বেংক ৰেট সলনি কৰি কেন্দ্ৰীয় বেংকে ঋণৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে। বেংক ৰেট আৰু বজাৰ সুতৰ হাৰৰ মাজত এটা প্ৰত্যক্ষ বিনিয়োগ থাকে। বেংক ৰেটৰ, পৰিৱৰ্তনে বজাৰত চলি থকা অন্যান্য সুতৰ হাৰসমূহো সলনি কৰে। বেংক ৰেটৰ বৃদ্ধিয়ে সাধাৰণতে তলত দিয়াসমূহ পৰিৱৰ্তিত কৰে—

(১) ঋণ অথবা ঋণ অত্যধিক খৰচী হয়।

(২) মুদ্ৰাৰ যোগান কম।

(৩) অৰ্থনৈতিক কাৰ্যকলাপ নিৰুৎসাহিত কৰে।

(৪) দৰস্তৰৰ হ্ৰাস।

একেধৰণে বেংক ৰেটৰ হ্ৰাসেও তলত দিয়াবোৰ পৰিৱৰ্তি কৰে ঃ

(১) মিত্যবয়ী বা কম খৰচী ঋণ।

(২) মুদ্ৰাৰ যোগানৰ পৰিমাণ বৃদ্ধি।

(৩) ঋণ গ্ৰহণ উৎসাহিত কৰে।

(৪) অৰ্থনৈতিক কাৰ্যকলাপ আৰু দৰৰ স্তৰ বৃদ্ধি।

(খ) তাৰল্য নিয়ন্ত্ৰণ সুবিধা ঃ এই সুবিধাৰ অধীনত, চৰকাৰী প্ৰতিভূতিৰ বিপৰীতে অতিৰিক্ত তাৰল্যতা কৰিবলৈ অনুসূচীভুক্ত বাণিজ্যিক বেংক আৰু প্ৰাথমিক ব্যৱসায়ীসকলক ৰিজাৰ্ভ বেংকৰ তাৰল্যতা প্ৰদান কৰে।

তাৰল্য নিয়ন্ত্ৰণ সুবিধাৰ অধীনত যিটো সুতৰ হাৰত ৰিজাৰ্ভ বেংকে বেংকসমূহক তাৰল্যতা প্ৰদান কৰে তাকে ৰিপ'ৰেট বুলি কোৱা হয়। আৰু যিটো সুতৰ হাৰত বেংকসমূহৰ অতিৰিক্ত তাৰল্য বেংকসমূহে কৰে তাকে বিপৰীত ৰিপ'ৰেট বুলি কোৱা হয়।

ৰিপ'ৰেট হ্ৰাসে বেংকসমূহক কম হাৰত ধন লাভ কৰাত সহায় কৰে। অন্যহাতে ৰিপ'ৰেটৰ বৃদ্ধিয়ে বাণিজ্যিক বেংকবোৰৰ বাবে কেন্দ্ৰীয় বেংকৰ পৰা

ঋণ গ্রহণ অধিক খৰচী কৰি তোলে। একেধৰণে, বেংকসমূহৰ বাবে কেন্দ্রীয় বেংকে ঋণ গ্রহণ কম খৰচী কৰিব বিচাৰি এই সুবিধাৰ অধীনত, বাণিজ্যিক বেংকসমূহে এক দণ্ডনীয় সুতৰ হাৰত বিধিবদ্ধ তাৰল্য অনুপাতৰ এক নির্দিষ্ট সীমালৈকে ৰিজার্ভ বেংকৰ পৰা অতিৰিক্ত ধন ধাৰে ল'ব পাৰে। এই সুবিধাক বেংকসমূহৰ বাবে খিৰিকী বুলি কোৱা হয় যাৰ জৰিয়তে বেংকবোৰে আন্তঃবেংক তাৰল্যতা শূন্য হোৱাৰ বাবে সৃষ্টি হোৱা জৰুৰী অৱস্থাত ৰিজার্ভ বেংকৰ পৰা ঋণ গ্রহণ কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ঋণ বা ঋণ নিয়ন্ত্রণ মানে কি বুজা?

.....

.....

প্রশ্ন নং ২ ঃ ৰিপ'ৰেট কি?

.....

.....

৯.৪.২ গুণগত পদ্ধতিসমূহ

গুণাত্মক বা বাচনিকৃত পদ্ধতিসমূহ ঋণ নিয়ন্ত্রণৰ সাধাৰণ পদ্ধতি হিচাপে ব্যৱহাৰ কৰা হয়। কিছুমান পৰিস্থিতিত এই পদ্ধতিসমূহ সহায়ক নহ'বও পাৰে।

বাচনিকৃত ঋণ নিয়ন্ত্রণ পদ্ধতিসমূহে সকলো ধৰণৰ ঋণ বা ঋণৰ পৰিৱর্তে নির্দিষ্ট পৰিমাণৰ ঋণহে নিয়ন্ত্রণ কৰে। এইবোৰে বেংক ঋণৰ চাহিদা আৰু বেংকসমূহৰ ধাৰে দিব পৰা ক্ষমতাৰ ওপৰত প্রত্যক্ষভাৱে প্রভাৱ পেলায়। প্রচলিত সুতৰ হাৰত কোনোধৰণৰ পৰিৱর্তন নোহোৱাকৈ এই পদ্ধতিবোৰ ফলপ্রসূভাৱে ব্যৱহাৰ কৰিব পাৰি। এই পদ্ধতিসমূহৰ অধীনত উৎপাদনশীল আৰু অগ্রাধিকাৰ ক্ষেত্রসমূহৰ বাবেহে ঋণ বা ঋণ উপলব্ধ কৰা হয়। অন্য দিশসমূহৰ বাবে নহয়। এই পদ্ধতিসমূহ উন্নয়নশীল আৰু অনুন্নত অর্থনীতিৰ বাবে অতি সহায়কাৰীক হিচাপ বিবেচিত। তলত বিভিন্ন ধৰণৰ গুণাত্মক ঋণ নিয়ন্ত্রণ আহিলাৰ বিষয়ে আলোচনা কৰা হ'ল।

(ক) ঋণ সংভৰন ঃ এই পদ্ধতিৰ জৰিয়তে কেন্দ্রীয় বেংকে বেংকসমূহে সৃষ্টি কৰা ঋণ নিয়ন্ত্রণ কৰে। এই পদ্ধতিৰ অধীনত, কেন্দ্রীয় বেংকে, বেংকসমূহে সকলো উদ্দেশ্যৰ বাবে এটা নির্দিষ্ট বিভাগক দিব পৰা ঋণৰ সীমা নিৰূপণ কৰে। সি যি কি নহওঁক, ঋণ সংভৰন, সাধাৰণ পৰিস্থিতিত ঋণ নিয়ন্ত্রণৰ আহিলা হিচাপে ব্যৱহাৰ কৰা নহয়। ইয়াক ব্যতিক্রমী পৰিস্থিতিতহে ব্যৱহাৰ কৰা হয়।

(খ) **প্রান্তীয় প্রয়োজনীয়তা নির্ধাৰণ ঃ** প্রান্তীয় প্রয়োজনীয়তা হ'ল নিৰাপত্তা পত্রৰ বজাৰ মূল্য আৰু নিৰাপত্তা পত্রৰ বিপৰীতে থকা সর্বাধিক ঋণ মূল্যৰ পার্থক্য। যদি এখন নিৰাপত্তা পত্রৰ বজাৰ মূল্য ১০০০ টকা আৰু কেন্দ্রীয় বেংকে ৬০ শতাংশ প্রান্তীয় সীমা নির্ধাৰণ কৰে, বেংকসমূহে নিৰাপত্তা পত্রখনৰ বিপৰীতে কেৱল ৪০ টকাহে অগ্রিম কৰিব পাৰে। কেন্দ্রীয় বেংকে প্রান্তীয় সীমা নির্ধাৰণ কৰে যিটো বেংক আৰু অন্যান্য ঋণদাতাসকলে নিৰাপত্া পত্র বিপৰীতে ঋণ দিওঁতে মানি চলিব লাগে।

কেন্দ্রীয় বেংকৰ দ্বাৰা প্রান্তীয় প্রয়োজনীয়তা বৃদ্ধিকৰণে ধাৰ গ্রহণ কৰোতাসকললৈ ঋণৰ ধন হ্রাস কৰে আৰু প্রান্তীয় প্রয়োজনীয়তাৰ হ্রাসকৰণে ধাৰ গ্রহণ কৰোতাসকললৈ ঋণৰ ধন বৃদ্ধি কৰে।

(গ) **উপভোক্তা ঋণ নিয়ন্ত্রণ ঃ** উপভোক্তা ঋণ ব্যৱস্থাৰ অধীনত, গ্রাহকে বা উপভোক্তাই ব্যৱহার্য দ্রব্য ক্রয় কৰাৰ পিছত সেই দ্ব্যৰ মূল্যৰ এটা অংশ গ্রাহকে নগদ পৰিশোধ কৰে। যিটো উপভোক্তাই বেংকক কিস্তিত পৰিশোধ কৰিব লগা হয়। কেন্দ্রীয় বেংকে তলত উল্লেখিত ধৰণে উপভোক্তা ঋণ নিয়ন্ত্রণ কৰে—

(১) উপভোক্তা দ্রব্য ক্রয়ৰবাবে ঋণ লোৱা ধনৰ পৰিমাণ সলনি।

(২) পৰিশোধৰ পৰিমাণ নির্ধাৰণ।

(৩) বাণিজ্যিক বেংকসমূহৰ ঋণ প্রদানৰ নীতি নিয়ন্ত্রণ কৰা।

(ঘ) **নির্দেশনা জাৰি বা বিলি ঃ** বেংকসমূহে সৃষ্টি কৰা ঋণৰ পৰিমাণ নিয়ন্ত্রণ কৰিবলৈ কেন্দ্রীয় বেংকে সময়ে সময়ে নির্দেশনা জাৰি কৰে। এই নির্দেশনাবোৰ লিখিত নির্দেশ, সতর্কবাণী আৰু আৱেদনৰ আকাৰত হ'ব পাৰে। তলত দিয়া উদ্দেশ্যবোৰ আগত ৰাখি কেন্দ্রীয় বেংকে নির্দেশনা জাৰি কৰে।


(১) ঋণ প্রৱাহ উৎপাদনশীল কার্যলৈ পৰিৱর্তিত কৰা।

(২) কেইটামান উদ্দেশ্যত ঋণৰ সর্বাধিক সীমা নির্ধাৰণ কৰা।

(৩) বাণিজ্যিক বেংকসমূহৰ ঋণ প্রদানৰ নীতি নিয়ন্ত্রণ কৰা।

(ঘ) **নৈতিক যুক্তি সম্পাদন ঃ** নৈতিক যুক্তি সম্পাদন হৈছে সাধাৰণ মৌদ্রিক নীতি বাস্তৱায়িত কৰোতে কেন্দ্রীয় বেংকক সহযোগ কৰিবলৈ বাণিজ্যিক বেংকসমূহক দিয়া উপদেশ, পৰামর্শ আৰু উদাহৰণস্বৰূপে, অনৈতিক বা বে-আইনী উদ্দেশ্য বা কার্যত ঋণ প্রদান নকৰিবলৈ কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকসমূহক অনুৰোধ কৰিব পাৰে। আৰু যদি বাণিজ্যিক বেংকসমূহে সেই উপদেশ অনুসৰণ নকৰে তেতিয়া সেই বেংকসমূহৰ বিপৰীতে কোনোধৰণৰ দণ্ডনীয় শাস্তি প্রদান কৰা নহয়।

(চ) **প্রত্যক্ষ কার্য ঃ** এইটো হৈছে ঋণ সৃষ্টি নিয়ন্ত্রণ কৰা আটাইতকৈ ফলপ্রসূ অস্ত্র। এইবোৰ হৈছে কিছুমান নির্দেশনা যিবোৰ ঋণ প্রদান আৰু বিনিয়োগ নীতি সম্পর্কত কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকসমূহলৈ জাৰি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ঋণ নিয়ন্ত্রণৰ তিনিটা সংখ্যাত্মক পদ্ধতি উল্লেখ কৰা।

.....

.....

প্রশ্ন নং ৪ ঃ ঋণ নিয়ন্ত্রণৰ তিনিটা গুণাত্মক পদ্ধতি উল্লেখ কৰা।

.....

.....

৯.৫ ঋণ নিয়ন্ত্রণৰ উদ্দেশ্য

দেশ এখনৰ ঋণৰ মাত্রা নিয়ন্ত্রণ কৰিবলৈ কেন্দ্রীয় বেংকে বিভিন্ন ধৰণৰ আহিলা ব্যহাৰ কৰে। তলত দিয়া বেংকে বিভিন্ন ধৰণৰ আহিলা ব্যৱহাৰ কৰে। তলত দিয়া উদ্দেশ্যসমূহ আগত লৈ ঋণ নিয়ন্ত্রণৰ আহিলাসমূহে কাম কৰে।

(১) **আভ্যন্তৰীণ দৰস্তৰৰ স্থিৰতা ঃ** বাণিজ্যিক বেংকসমূহৰ মুখ্য কার্য হৈছে ঋণ প্রদান আৰু ঋণ গ্রহণ, সেয়ে বেংকসমূহে ঋণ সৃষ্টি কৰিব পাৰে। বেংকসমূহে নিজৰ হাতত নগদ ধন বৃদ্ধি নকৰাকৈ ঋণ সৃষ্টি কৰে। আৰু ই বহুতো মানুহৰ ক্রয় ক্ষমতা বৃদ্ধি কৰে। যাৰ ফলত দৰ বৃদ্ধি হয়। ঋণৰ যোগান আৰু সেই যোগানে সৃষ্টি কৰা প্রভাৱৰ মাজত সঠিক সমন্বয় আনিবলৈ কেন্দ্রীয় বেংকে ঋণ নিয়ন্ত্রণৰ পদ্ধতিসমূহ প্রয়োগ কৰে আৰু ইয়ে দৰস্তৰৰ সুস্থিৰ কৰাত সহায় কৰে।

(২) **উন্নতি আৰু হতাশা বা মন্দাৱস্তা পৰীক্ষাকৰণ ঃ** বাণিজ্য চক্রৰ কার্যকলাপসমূহে দেশত অস্থিৰতা আনে। সেই কাৰণে বাণিজ্য চক্রৰ দ্বাৰা সৃষ্টি হোৱা অস্থিৰতা হ্রাস কৰাৰ বাবে ঋণ নিয়ন্ত্রণৰ আহিলাসমূহে সঠিকভাৱে প্রয়োগ কৰিব লাগে। কেন্দ্রীয় বেংকে ঋণৰ মাত্রা বৃদ্ধি আৰু হ্রাসকৰণৰ দ্বাৰা বাণিজ্য চক্রৰ কার্যকলাপসমূহৰ লগত সমন্বয় ৰাখে।

(৩) **অর্থনৈতিক বিকাশ ত্বৰান্বিত কৰা ঃ** পিছপৰা আৰু অনুন্নত দেশসমূহত ঋণ নিয়ন্ত্রণ নীতিৰ উদ্দেশ্য কম সময়ৰ ভিতৰতে অর্থনৈতিক বিকাশ সুনিশ্চিত কৰা হোৱা উচিত। সাধাৰণতে এই দেশসমূহত বিত্তীয় সম্পদৰ অভাৱৰ বাবেই অর্থনৈতিক উন্নয়ন সম্ভৱপৰ নহয় বুলি কোৱা হয়। গতিকে, এই দেশসমূহত কেন্দ্রীয় বেংকে ঋণৰ পৰিকল্পিত বৃদ্ধিৰ দ্বাৰা বিত্তীয় সমস্যাসমূহৰ সমাধান কৰাৰ বাবে চেষ্টা কৰিব লাগে।

(৪) **বেংকিং কার্যকলাপ বৃদ্ধি তথা নিয়ন্ত্রণ ঃ** ৰিজার্ভ বেংক অব ইণ্ডিয়াই দেশৰ বেংকিং ব্যৱস্থা নিয়ন্ত্রণ কৰে। ৰিজার্ভ বেংকে দেশৰ সকলো অংশলৈ বেংকিং সেৱা সম্প্রসাৰিত কৰে। মৌদ্রিক নীতিৰ জৰিয়তে, বেংকসমূহক কযষি ঋণ সম্প্রসাৰণ কৰিবলৈ গ্রাম্য শাখা খোলাৰ বাবে ৰিজার্ভ বেংকে নির্দেশনা জাৰি কৰে। ইয়াৰ উপৰিও চৰকৰেও সমবায়

বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংক স্থাপন কৰে। এই সকলোবোৰে দেশৰ প্ৰতিটো অংশলৈ বেংকিং সেৱা সম্প্ৰসাৰণ কৰে।

(৫) **মুদ্ৰা বজাৰ স্থিৰকৰণ ঃ** কিছুমান অৰ্থনীতিবিদৰ মতে, দেশৰ মুদ্ৰা বজাৰত স্থিৰতা আনিবলৈ কেন্দ্ৰীয় বেংকে ঋণ নিয়ন্ত্ৰণ নীতি প্ৰস্তুত কৰিব লাগে। আৰু এইবাবে কেন্দ্ৰীয় বেংকে পুঁজিৰ যোগানৰ ঋতুগত পাৰ্থক্য বা তাৰতম্যসমূহ প্ৰতিৰোধ কৰিব লাগে। উদাহৰণস্বৰূপে জৰুৰীকালীন সময়ত অতিৰিক্ত ঋণ যোগান ধৰা। আচলতে কেন্দ্ৰীয় বেংকে ঋণ নিয়ন্ত্ৰণ ক্ষমতাটো এনেধৰণে প্ৰয়োগ কৰিব লাগে যাতে সকলো সময়তে মুদ্ৰাৰ যোগান আৰু চাহিদাৰ সামঞ্জস্য ৰাখিব পাৰে।

(৬) **বিনিময় হাৰৰ স্থিৰতা ঃ** বিনিময় হাৰত স্থিৰতা অনাটোও ঋণ নিয়ন্ত্ৰণৰ আন এক গুৰুত্বপূৰ্ণ উদ্দেশ্য। ঋণ নিয়ন্ত্ৰণৰ আহিলাসমূহে দেশৰ দৰস্তৰত প্ৰভাৱ পেলায়। আভ্যন্তৰীণ দৰ স্তৰে দেশৰ আমদানি আৰু ৰপ্তানিৰ পৰিমাণত প্ৰভাৱ পেলায় আৰু যিবোৰে বৈদেশিক বিনিময় হাৰত তাৰতম্য আনে ঋণ নিয়ন্ত্ৰণৰ আহিলাবোৰ প্ৰয়োগ কৰোতে যাতে বিনিময় হাৰত কোনোধৰণৰ তাৰতম্য নঘটে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।

(৭) **যুদ্ধ আৰু অন্যান্য জৰুৰীকালীন অৱস্থাৰ বাবে প্ৰস্তুতি ঃ** ঋণ নিয়ন্ত্ৰণৰ আন এক উদ্দেশ্য হ'ল ঋণৰ সম্প্ৰসাৰণৰ জৰিয়তে যুদ্ধ আৰু অন্যান্য জৰুৰীকালিন অৱস্থা প্ৰস্তুত হ'বৰ বাবে চৰকাৰৰ বিত্তীয় প্ৰয়োজনীয়তা পূৰণ কৰা। বৰ্তমানৰ পৰিৱেশত যুদ্ধৰ প্ৰস্তুতি কৰিবলৈ হ'লে বেংকিং ঋণৰ সঠিক সম্প্ৰসাৰণ হ'বই লাগিব অন্যথা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিব পৰা নাযাব। দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত, প্ৰায় প্ৰতিখন দেশেই যুদ্ধৰ অত্যধিক খৰচ বহন কৰাৰ বাবে বৃহৎ আকাৰত ঋণ সম্প্ৰসাৰণ কৰিছিল।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কেন্দ্ৰীয় বেংক হৈছে দেশৰ মুদ্ৰা আৰু বেংকিং ব্যৱস্থাৰ শীৰ্ষস্থানীয় প্ৰতিষ্ঠান।
- কেন্দ্ৰীয় বেংকে সম্পাদন কৰা প্ৰধান কাৰ্যসমূহ হ'ল— নোট প্ৰৱৰ্তন, চৰকাৰৰ বেংক, বেংকৰ বেংক, শেষ মুহূৰ্তৰ ঋণদাতা, পৰিশোধ ভৱনৰ কাৰ্য ইত্যাদি।
- ঋণ নিয়ন্ত্ৰণৰ দ্বাৰা কেন্দ্ৰীয় বেংকে দেশৰ মুদ্ৰাৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে।
- কেন্দ্ৰীয় বেংকে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ ঋণ নিয়ন্ত্ৰণৰ আহিলাসমূহ হ'ল— বেংক ৰেট পলিচি, মুকলি বজাৰৰ কাৰ্য, নৈতিক চুক্তি সম্পাদন, ঋণ সংভৱন, নিৰ্দেশনা জাৰি ইত্যাদি।



৯.৭ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঋণ নিয়ন্ত্রণ মানে হ'ল অর্থনীতিত ঋণৰ সৃষ্টি, সংকোচন আৰু দিশ নিয়ন্ত্রণ কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ তাৰল্য নিয়ন্ত্রণ সুবিধাৰ অধীনত যিটো সুতৰ হাৰত ৰিজার্ভ বেংকে বেংকসমূহক তাৰতম্য প্রদান কৰে তাকে ৰিপ'ৰেট বোলে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মুকলি বজাৰৰ কার্য, বেংক ৰেট পলিচি, নগদ সংৰক্ষণ অনুপাতৰ তাৰতম্য ইত্যাদি হ'ল ঋণ নিয়ন্ত্রণৰ সংখ্যাত্মক পদ্ধতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রান্তিয় প্রয়োজনীয়তা স্থিৰকৰণ, ঋণ সংভৰন, উপভোক্তা ঋণৰ নিয়ন্ত্রণ ইত্যাদি হ'ল ঋণ নিয়ন্ত্রণৰ গুণাত্মক পদ্ধতি।



৯.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ঋণ নিয়ন্ত্রণৰ উদ্দেশ্যসমূহ কি কি?

প্রশ্ন ২ ঃ ঋণ নিয়ন্ত্রণৰ বাবে কেন্দ্রীয় বেংকে ব্যৱহাৰ কৰা পদ্ধতিসমূহ আলোচনা কৰা।

*** ***** ***

অধ্যায় ১০ ঃ ভাৰত বেংকিং বিধি-বিধান

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ বেংকিং নিয়ামক আইন, ১৯৪৯
১০.৩.১ বেংকিং নিয়ামক আইন, ১৯৪৯ৰ উদ্দেশ্য
১০.৩.২ বেংকিং নিয়ামক আইনৰ প্ৰসাৰতা আৰু ব্যৱহাৰ
১০.৩.৩ সাধাৰণ ব্যৱস্থাৱলী
১০.৪ ন্যূনতম মূলধন আৰু সংৰক্ষিত ধন
১০.৫ সঞ্চালক মণ্ডলীৰ গঠন
১০.৬ বেংকিং কোম্পানীৰ অনুজ্ঞাপত্ৰ লাভ প্ৰক্ৰিয়া
১০.৭ হিচাপ আৰু গণনা
১০.৮ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ক্ষমতা
১০.৯ ভাৰতত জমা বীমা
১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১১ অধিক জানিবৰ বাবে
১০.১২ অগ্ৰগতিৰ খতিয়ান
১০.১৩ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেংকিং নিয়ামক আইন, ১৯৪৯ উদ্দেশ্য সম্পৰ্কে জানিব পাৰিব
- বেংকিং নিয়ামক আইন, ১৯৪৯-ৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাৱলী আলোচনা কৰিব পাৰিব
- চৰকাৰ আৰু আৰ বি আইৰ বেংক নিয়ন্ত্ৰণ আৰু নিয়মাধীন কৰাৰ ক্ষমতা সম্পৰ্কে বুজিব পাৰিব।

১০.২ পৰিচয়

বেংক হৈছে ৰাইজৰ জমা পুঁজিৰে ব্যৱসায় কৰা ৰাজহুৱা সেৱা প্ৰতিষ্ঠান। যৌথ ষ্টক কোম্পানীয়ে অংশীদাৰৰ পৰা প্ৰয়োজনীয় মূলধন সংগ্ৰহ কৰাৰ বিপৰীতে বেংকবোৰে আকৌ তেওঁলোকৰ বেছিখিনি মূলধন ৰাইজৰ পৰা জমা ধনৰ আকাৰত সংগ্ৰহ কৰে। সেয়ে বেংকবোৰক সুকীয়া আইনেৰে নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰাটো ৰাষ্ট্ৰৰ স্বাৰ্থতেই প্ৰয়োজনীয়।

একেবাৰে প্ৰথমে ভাৰতত বেংকবোৰক নিয়ন্ত্ৰণৰ বাবে কোনো আইন নাছিল আৰু বেংকবোৰক ভাৰতৰ কোম্পানী আইনৰ যোগেদিয়েই নিয়ন্ত্ৰণৰ দিহা কৰা হৈছিল যদিও কেন্দ্ৰীয় বেংকিং অনুসন্ধান সমিতিয়ে এখন সুকীয়া আইনৰ পোষকতা কৰিছিল, তথাপি কিন্তু বিষয়টোত প্ৰয়োজনীয় গুৰুত্ব দিয়া হোৱা নাছিল।

এই অধ্যায়ত আমি ভাৰতবৰ্ষৰ বেংক ব্যবস্থাৰ লগত জড়িত কিছু আইনী দিশ আলোচনা কৰিম।

১০.৩ বেংকিং নিয়ামক আইন, ১৯৪৯

বেংক প্ৰতিষ্ঠানসূহৰ নিয়মাৱলী সুদৃঢ়কৰণৰ বাবে ১৯৪৯ চনৰ 'বেংকিং কোম্পানীজ এক্ট' গৃহীত হৈছিল। কোনো কোনো বেংক প্ৰতিষ্ঠান নিয়ন্ত্ৰণৰ নামত একাংশ লোকৰ অতপালি ৰোধৰ লগতে ধন জমাকাৰীৰ স্বাৰ্থ সুৰক্ষিত কৰা আৰু সামগ্ৰিকভাৱে দেশৰ অৰ্থনীতি সবল কৰাৰ লক্ষ্যৰেই এই আইন গ্ৰহণ কৰা হৈছিল। ১৯৬৬ চনৰ পহিলা মাৰ্চত আইনখন 'বেংকিং এক্ট' বা 'বেংকিং নিয়ামক আইন' হিচপে নামকৰণ কৰা হয়।

এই আইনে ভাৰতৰ সকলো বেংককে নিয়ন্ত্ৰণ আৰু নিয়মাধীন কৰাৰ পৰিকাঠামো গঢ়ি দিছে। ১৯৫৬ চনৰ 'কোম্পানীজ এক্ট'ৰ সহযোগী আইন বুলি এই আইন গ্ৰহণ কৰিব পাৰি। এই আইনে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওপৰত বেংকৰ অনুজ্ঞাপত্ৰ দিয়া, শাখা সম্প্ৰসাৰণ আৰু সম্পদৰ তৰলীকৰণ, ব্যৱস্থাপনা, কৰ্মপদ্ধতি, বেংক সংযুক্তকৰণ, পুনৰগঠন আদিৰ ক্ষেত্ৰত দায়িত্বভাৰ অৰ্পন কৰিছে। সময়ে সময়ে আইনৰ বিভিন্ন ধাৰালৈ পৰিৱৰ্তনো অনা হৈছে আৰু বি আইৰ মাজতো আৰু দায়িত্ব বৃদ্ধিৰ লগতে আইনলৈ অধিক নমনীয়তা অনাৰ স্বাৰ্থতে এনে প্ৰয়োজনীয় সাল-সলনি ঘটোৱা হৈছে।

১০.৩.১ বেংকিং নিয়ামক আইন, ১৯৪৯ৰ উদ্দেশ্য

বেংকিং নিয়ামক আইনত বেংকিঙৰ এটা বিস্তাৰিত সংজ্ঞা দিয়া হৈছে আৰু বেংকিং ব্যৱসায় কৰা সকলো প্ৰতিষ্ঠানকে ইয়াৰ অধীনলৈ আনিছে। আইনখনৰ প্ৰধান উদ্দেশ্যবোৰ তলত দিয়া হ'ল—

(১) আইনে অনা বেংকিং প্ৰতিষ্ঠানক প্ৰয়োজনত ওভোটাই ল'ব পৰাকৈ ধন জমা ৰাখিবলৈ বাৰণ কৰিছে।

(২) অনা বেংকিং প্ৰত্যাহ্বানবোৰ নিৰ্মূলৰ বাবে বেংকে কোনো ব্যৱসায় কৰিব নোৱাৰিব।

(৩) মূলধনৰ অভাৱত বেংকে যাতে দেউলীয়া নহয়, তাৰ বাবে ন্যূনতম মূলধনৰ মানক আইনে স্থিৰ কৰি দিছে।

(৪) বেংকৰ অনুজ্ঞাপত্ৰ লাভৰ বিস্তৃ ব্যৱস্থা ইয়াত আছে। বেংকসমূহৰ শাখাবোৰ

খোলাৰ নিয়মো ইয়াত আছে যাতে প্ৰতিযোগিতাৰ বাবে বেংকবোৰে যধেমধে শাখা খুলি ব্যৱসায় কৰিব নোৱাৰে।

(৫) ভাৰতৰ বাহিৰত প্ৰতিষ্ঠিত বা নিয়মিত বেংকবোৰো ইয়াৰ আওতাত পৰে।

(৬) আইনে কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকক বেংকবোৰৰ কাম-কাজ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণৰ ক্ষমতা প্ৰদান কৰিছে।

(৭) বেংকসমূহৰ তৰলীকৰণ প্ৰক্ৰিয়া সহজ আৰু ক্ষিপ্ৰ কৰাৰ ব্যৱস্থাৱলীও ইয়াত আছে।

১০.৩.২ বেংকিং নিয়ামক আইনৰ প্ৰসাৰতা আৰু ব্যৱহাৰ

বেংকিং নিয়ামক আইনৰ প্ৰসাৰতা সমগ্ৰ ভাৰততে বিয়পি আছে। ইয়াৰ আওতাত পৰে—

(১) ব্যক্তিগত খণ্ডৰ বেংকসমূহ

(২) ৰাজহুৱা খণ্ডৰ বেংকসমূহ

(৩) তলত দিয়া সমূহৰ বাদে সমবায় বেংকসমূহ ইয়াৰ আওতাত নপৰে—

(ক) প্ৰাথমিক কৃষি ঋণদান সমিতিসমূহ,

(খ) দেয় মূলধন আৰু সংৰক্ষিত পুঁজিৰ পৰিমাণ এক লাখ টকাতকৈ কমৰ আকৃতি প্ৰাথমিক ঋণদান সমিতিসমূহ,

(গ) বেংকিং মুখ্য ব্যৱসায় নোহোৱা অথচ সদস্যৰ পৰা জমা গ্ৰহণ কৰা আৰু তেওঁলোকক বিত্তীয় সহায় কৰা সমবায় ঋণদান সমিতিসমূহ,

(ঘ) বেংক ব্যৱসায় নকৰা সমবায় সমিতিসমূহ, আৰু

(চ) ভূমি বন্ধকীৰ ব্যৱসায় কৰা বেংকবোৰ।

১০.৩.৩ সাধাৰণ ব্যৱস্থাৱলী

বেংকিং নিয়ামক আইন ১৯৪৯-ৰ সাধাৰণ ব্যৱস্থাৱলী তলত চমুকৈ আলোচনা কৰা হ'ল—

১) বেংকিং প্ৰতিষ্ঠানবোৰে কেনে ব্যৱসায় কৰিব পাৰে তাৰ বিৱৰণ (শাখা-৬)

এটা বেংক প্ৰতিষ্ঠানে বেংকিং ব্যৱসায়ৰ বাদেও তলত উল্লেখ কৰা ধৰণৰ ব্যৱসায়ৰ সৈতে জড়িত হ'ব পাৰে ঃ

(ক) মৌলিক ব্যৱসায়

(১) ধন ধাৰকৰ, বৰঙনি তোলা আৰু ধন সংগ্ৰহ কৰা।

(২) আমানত লৈ বা নোলোৱাকৈ ধন ধাৰে দিয়া।

(৩) বিনিময়ৰ মাধ্যম, হুন্ডি, প্ৰতিশ্ৰুত নোট, কুপন, ড্ৰাফ্ট, মাছুল পত্ৰ আদায়ৰ

বিল, ৰে'লৱে ৰিকিট, ডিবেন্সাৰ আদি গ্ৰহম, প্ৰস্তুতকৰণ, মুকলিকৰণ, ৰেহাইদান, ক্ৰয়, বিক্ৰী, সংগ্ৰহ আদি কৰিব পাৰে। এনে লেনদেনৰ আহিলা বা ছিকিউৰিটীবোৰ হস্তান্তৰযোগ্য হ'বও পাৰে, নহ'বও পাৰে।

(৪) ঋণপত্ৰ, ট্ৰেভেলার্ছ চেক, বজাৰৰ চলা নোট আদিত অনুমোদন।

(৫) বৈদেশিক মুদ্ৰাকে ধৰি বৈদেশিক বিনিময়ৰ মাধ্যমৰূপে ক্ৰয়-বিক্ৰয় কৰা।

(৬) ষ্টক, নিধি, অংশ, ডিবেন্সাৰ, ডিবেন্সাৰ ষ্টক, বণ্ড, ধনাদেশ, ছিকিউৰিটিজ আৰু অন্য সকলো প্ৰকাৰৰ বিনিয়োগ গ্ৰহণ, ধৰি ৰখা, কমিছনৰ ভিত্তিত আদায়কৰণ, লিখিত প্ৰতিশ্ৰুতিৰ আধাৰত লেনদেন কৰা।

(৭) সহ প্ৰতিষ্ঠানৰ হৈ বণ্ড বা আন প্ৰকাৰৰ ছিকিউৰিটিজৰ সুবিধা ক্ৰয় কৰা, ঋণৰ বাবে আলোচনা কৰা আৰু ধন আদায়ৰ সুবিধা আগবঢ়োৱা।

(৮) সকলো প্ৰকাৰৰ বণ্ড, বা অন্য মূল্যৱান সম্পদ বা ধন নিৰাপদ স্থানত ৰখাৰ ব্যৱস্থা কৰা।

(৯) জমাৰ বাবে নিৰাপদ ভল্টৰ সুবিধা আগবঢ়োৱা তথা ধন আৰু ছিকিউৰিটিজ সংগ্ৰহ আৰু হস্তান্তৰকৰণ।

(খ) এজেন্সী ব্যৱসায়

(১) যিকোনো চৰকাৰ বা স্থানীয় কৰ্তৃপক্ষ নাইবা ব্যক্তি আৰু ব্যক্তিৰ মাজৰ এজেণ্ট হিচাপে কাম কৰা।

(২) বস্তু-বাহানিৰ ক্ৰয়-বিক্ৰয়, মাছুল আদি আদায় আদিকে ধৰি বিভিন্ন শিতানৰ ব্যৱসায়ৰ এজেন্সীৰূপে কাম কৰা।

(৩) ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ ঋণৰ বিষয়ে আলোচনা কৰা আৰু সেয়া আদায়ৰ ব্যৱস্থা কৰা।

(৪) ৰাজ্যিক, পৌৰ নিকায় আৰু অন্য ঋণ বা অংশ, ষ্টক, ডিবেন্সাৰ, ডিবেন্সাৰ ষ্টক আদি চোৱাচিতা কৰা। এনে লেনদেন কোম্পানী, নিগম আৰু সংস্থাৰ সৈতে সম্পন্ন হয়। এনে লেনদেন কার্যকৰীকৰণ, নিশ্চিতকৰণ, লিখিত প্ৰতিশ্ৰুতি দান আদিৰ ক্ষেত্ৰতে াবেংক এজেন্সীৰূপে কাম কৰে।

(৫) নিশ্চিতিদান আৰু ক্ষতিপূৰণৰ ক্ষেত্ৰতো লেনদেনৰ মাধ্যমৰূপে কাম কৰা।

(৬) প্ৰতিষ্ঠানৰ অধীনলৈ অহা যিকোনো সম্পত্তি ব্যৱস্থাপনা, বিক্ৰী আৰু আহৰণ কৰা। নিজৰ দাবীৰ পৰিপ্ৰেক্ষিততে এই কাম বেংকে আংশিকভাবেও কৰিব পাৰে।

(৭) ন্যাস অধিগ্ৰহণ আৰু কার্যপৰিচালনা, ইত্যাদি।

২) বাণিজ্য প্ৰতিৰোধকৰণ (ধাৰা ৮)

এটা বেংকিং প্ৰতিষ্ঠানে প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনো বস্তু ক্ৰয়-বিক্ৰয়ত জড়িত হ'ব নোৱাৰে।

৩) **অনা বেংকিং সম্পদৰ ব্যৱস্থাপনা (ধাৰা ৯)**

ঋণ বা প্ৰতিশ্ৰুতি পূৰণৰ নামত কোনো সম্পত্তি বেংকে সাত বছৰতকৈ অধিক সময়ৰ বাবে ৰাখি থ'ব নোৱাৰে। সাত বছৰৰ সময়সীমা ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰয়োজনীয় বুলি ভাবিলে পুনৰ পাঁচ বছৰলৈ বঢ়াই দিব পাৰে।

৪) **অনাদায় মূলধনৰ ওপৰত মাছুল (ধাৰা ১৪)**

কোনো বেংকিং প্ৰতিষ্ঠানেই বেংকৰ অনাদায় মূলধৰণৰ বাবে মাছুল আদায় কৰিব নোৱাৰে আৰু তেনে মাছুল ল'লেও সেয়া অবৈধ হ'ব।

৫) **লভ্যাংশ আদায় (ধাৰা ১৫)**

বেংকিং প্ৰতিষ্ঠানবোৰে ইয়াৰ প্ৰাথমিক ব্যয়, সংগঠনিক ব্যয়, দালকীৰ মাছুল আদি সম্পূৰ্ণ আদায় নিদিয়াকৈ ইয়াৰ অংশীদাৰক লভ্যাংশ আদায় দিব নোৱাৰে।

৬) **সংৰক্ষিত পুঁজি (ধাৰা ১৭)**

সকলো বেংকিং প্ৰতিষ্ঠানে ইয়াৰ কৰ আৰু সুদ আদায়ৰ যোগেদি হোৱা আয়ৰ পৰা একোটা সংৰক্ষিত পুঁজি গঠন কৰিব লাগে। এই পুঁজিৰ পৰিমাণ হ'ব লাগে হাৰ নিৰ্বিশেষে লাভৰ ২০ শতাংশ। যদিহে প্ৰতিষ্ঠানটোৰ মুঠ দেয় মূলধনৰ পৰিমাণ সংৰক্ষিত পুঁজিৰ মুঠ পৰিমাণ আৰু ছিকিউৰিটিজৰ প্ৰিমিয়ামৰ সমান হয় তেন্তে এই পুঁজি গঠন নকৰিলেও চলে।

৭) **নগদী জমা (ধাৰা ১৮)**

বেংকৰ মুঠ চাহিদা আৰু সময় সাপেক্ষে আদায় দিবলগীয়া ধন ৰাশিৰ কমেও তিনি শতাংশ ভাৰতীয় ৰিজাৰ্ভ বেংকত চলিত জমা শাখাত সংৰক্ষিত কৰি ৰাখিব লাগে। সময় সাপেক্ষ দেনাৰ ভিতৰত অৱশ্যে আৰ বি আই/এক্সিম বেংক/ডেভেলপমেণ্ট বেংক বা অন্য তেনে বেংকৰ পৰা লাভ কৰা ধন অন্তৰ্ভুক্ত নহয়। প্ৰতি মাহৰ দ্বিতীয় শাখাৰ শেষৰটো শুকুৰবাৰে এই ধন ৰাশি জমা দিব লাগে। আনহাতে 'ৰিটার্ণ জমা দিয়াৰ দিন হৈছে প্ৰতিমাহৰ বিংশতম দিনৰ আগত ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা দিয়া ধনৰ তথ্য দি ইয়াত আবেদন কৰিব লাগে।

৮) **ঋণ আৰু আগধন (ধাৰা ২০)**

বেংকৰ সঞ্চালকমণ্ডলীয়ে ঋণ বা আগধন ল'ব নোৱাৰে. অৱশ্যে বেংকবোৰে মুখ্য কাৰ্যবাহী বিষয়া, পূৰ্ণকালীন সঞ্চালক আদিক গাড়ী ক্ৰয়, ব্যক্তিগত কম্পিউটাৰ ক্ৰয়, আচবাব, গৃহ নিৰ্মাণ বা ক্ৰয়, উৎসৱৰ সময়ত প্ৰয়োজন হোৱা ধন, ক্ৰেডিট কাৰ্ডৰসীমা আদিৰ ক্ষেত্ৰত ঋণ বা আগধন দিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেংকিং নিয়ামক আইন কেতিয়া গৃহীত হয়?

.....

.....

প্রশ্ন নং ২ ঃ বেংকিং কোম্পানী আইন ১৯৪৯ ক কেতিয়া বেংকিং নিয়ামক আইনৰূপে নামকৰণ কৰা হয়?

.....

.....

প্রশ্ন নং ৩ ঃ বেংকিং নিয়ামক আইন ১৯৪৯ গ্রহণৰ উদ্দেশ্য কি?

.....

.....

প্রশ্ন নং ৪ ঃ বেংকিং নিয়ামক আইনে ৰিজার্ভ বেংকক কি অর্পণ কৰিছে?

.....

.....

প্রশ্ন নং ৫ ঃ বেংকিং নিয়ামক আইন ১৯৪৯ৰ কোন ধাৰাই বাণিজ্য নিষেধ কৰে?

.....

.....

১০.৪ ন্যূনতম মূলধন আৰু সংৰক্ষিত ধন

কোনো বেংকে যাতে দুর্বল আৰু ভংগুৰ মূলধনৰ ব্যৱসায় কৰিব নালাগে সেয়া নিশ্চিত কৰাৰ লক্ষ্যৰে আইনৰ ১১ নম্বৰ ধাৰাত ভাৰতত ব্যৱসায়ৰ বাবে আগ্রহী বেংকসমূহৰ ব্যৱসায়ৰ বাবে প্রয়োজনীয় ন্যূনতম মূলধন আৰু সংৰক্ষত ধনৰ পৰিমাণ সন্দর্ভত ন্যূনতম সীমা নির্ধাৰণ কৰি দিছে।

বেংক প্রতিষ্ঠানসমূহৰ বাবে প্রয়োজনীয় ন্যূনতম দেয় মূলধন সম্পর্কে তলত উল্লেখ কৰা হ'ল—

(ক) ভাৰতত ব্যৱসায়ৰ বাবে গঠন কৰি মুম্বাই আৰু কলকাতাৰ মহানগৰী এখন বা দুয়োখনকে বাদ দি একাধিক ৰাজ্যত ব্যৱসায় কৰিব খোজা বেংকৰ বাবে পাঁচ লাখ টকা।

(খ) মুম্বাই অথবা কলকাতা অথবা দুয়োখন মহানগৰীকে সামৰি ভাৰতত ব্যৱসায় কৰিবলৈ আগ্রহী বেংকৰ বাবে দহ লাখ টকা।

(গ) মুম্বাই আৰু কলকাতা মহানগৰীৰ বাদে এখন ৰাজ্যত ব্যৱসায় কৰা বেংক প্রতিষ্ঠানৰ বাবে প্রধান ঠাইডোখৰৰ বাবে এক লাখ টকা আৰু ব্যৱসায় কৰা জিলাখনৰ বাবে দহ হাজাৰ টকা তথা অন্য জিলাৰ বাবে ২৫ হাজাৰ টকা। এই ক্ষেত্রত বেংকৰ মুঠ মূলধনৰ সর্বাধিক মূল্য পাঁচ লাখ হ'ব লাগিব।

(ঘ) এঠাইতে থাকি ব্যৱসায় কৰা বেংক প্ৰতিষ্ঠানৰ আদায়যোগ্য মূলধন আৰু সংৰক্ষিত ধনৰ পৰিমাণ ৫০ হাজাৰ টকাৰ অধিক হ'ব লাগিব।

যদিহে প্ৰতিষ্ঠানটো ভাৰতৰ বাহিৰত গঠিত তেন্তে ইয়াৰ মুঠ আদায়যোগ্য মূলধন আৰু সংৰক্ষিত ধনৰ পৰিমাণ ১৫ লাখতকৈ কম হ'ব নোৱাৰিব। যদিহে প্ৰতিষ্ঠানটোৰ ব্যৱসায়ৰ স্থান মুম্বাই বা কলকাতাৰ বা দুয়ো ঠাইতে আছে, তেন্তে মূলধন আৰু সংৰক্ষিত ধনৰ পৰিমাণ ২০ লাখতকৈ কম হ'ব নোৱাৰিব।

ভাৰতৰ বাহিৰৰ বেংকবোৰে দেয় ধনৰাশি নগদ বা ভাৰমুক্ত প্ৰতিভূতি (ছিকিউৰিটিজ)ৰ ৰূপত নাইবা আংশিক নগদ আৰু আংশিক ছিকিউৰিটিজৰ ৰূপত ভাৰতীয় ৰিজাৰ্ভ বেংকক জমা দিব লাগিব।

ভাৰতত গঠিত বেংকবোৰৰ মূলধন ইকুইটি বা সাধাৰণ অংশৰূপেহে সংগৃহীত হ'ব লাগিব।

১৯৪৪ চনৰ পলিহা জুলাইৰ পূৰ্বে মুকলি হোৱা অগ্ৰাধিকাৰভিত্তিক অংশৰ বাদে বেংক প্ৰতিষ্ঠানবোৰে কোনো অগ্ৰাধিকাৰ অংশ জাৰি কৰিব নোৱাৰিব।

১০.৫ সঞ্চালক মণ্ডলীৰ গঠন

এই আইনে বেংকিং প্ৰতিষ্ঠানৰ সঞ্চালকমণ্ডলীত বৃত্তিগত আৰু অন্য অভিজ্ঞতা থক লোকক অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিছে। সেয়ে আইনে বেংকৰ সঞ্চালকমণ্ডলীৰ ৫১ শতাংশ বা তাতোকৈ ওপৰৰ সংখ্যক সঞ্চালকৰ বাবে তলত উল্লেখ কৰা ধৰণৰ অৰ্হতা স্থিৰ কৰিছে।

(১) তেওঁলোকৰ তলত দিয়া বিষয়বোৰৰ এটা বা একাধিক দিশত বিশেষ জ্ঞান বা বাস্তৱমুখী অভিজ্ঞতা থাকিব লাগিব ঃ

(ক) হিচাপশাস্ত্ৰ
(খ) কৃষি আৰু গ্ৰাম্য অৰ্থনীতি
(গ) বেংকিং
(ঘ) সমবায়
(ঙ) অৰ্থনীতি
(চ) বিত্ত
(ছ) আইন
(জ) ক্ষুদ্ৰ উদ্যোগ
(ঝ) ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকৰ বাবে উপযুক্ত জ্ঞান কৰা অন্য যিকোনো বিষয়।

ওপৰত উল্লেখ কৰা সঞ্চালকমণ্ডলীৰ ভিতৰত কমেও দুগৰাকীৰ কৃষি বা গ্ৰাম্য অৰ্থনীতি সমবায় বা ক্ষুদ্ৰ উদ্যোগ সম্পৰ্কে বিশেষ জ্ঞান বা বাস্তৱিক অভিজ্ঞতা থাকিব লাগিব।

(২) তেওঁলোক হ'ব নালাগিব

(ক) কার্যকৰী বা প্রবন্ধকৰূপে কোনো প্রতিষ্ঠানৰ সৈতে জড়িত থকা বা বিশেষ প্রতিষ্ঠানৰ প্রতি আগ্রহ থকা তেনে প্রতিষ্ঠান হ'ল—

(১) কোম্পানীজ এক্ট ১৯৫৬ৰ ২৫ নং ধাৰামতে প্রতিষ্ঠিত নোহোৱা কোম্পানী, নাইবা

(২) কোনো ব্যৱসায়-বাণিজ্যত জড়িত প্রতিষ্ঠান বা ক্ষুদ্র উদ্যোগৰ বাদে অন্য প্রকাৰৰ উদ্যোগ, বা

(খ) ক্ষুদ্রৰ বাদে অন্য উদ্যোগ, বাণিজ্যিক সংস্থা আদিৰ মালিক হ'ব নোৱাৰিব।

যদিহে কোনো বেংকৰ সঞ্চালকমণ্ডলীৰ গঠন আশা কৰা ধৰণৰ নহয়, তেন্তে ভাৰতীয় ৰিজার্ভ বেংকে তেনে প্রতিষ্ঠানক কথাটো জনাই কিছু সময় দিব পাৰে আৰু তাৰ পাছত লিখিতভাৱে সঞ্চালকমণ্ডলী পুনৰ গঠন কৰিবলৈ নির্দেশ দিব পাৰে। যদিহে নির্দেশ লাভৰ দুটা মাহৰ ভিতৰত বেংকটোৱে নির্দেশনা পালন নকৰে, তেন্তে ৰিজার্ভ বেংকে সেই ব্যক্তিক সঞ্চালকমণ্ডলীৰ পৰা আঁতৰাই কোনো যোগ্য লোকক তেওঁৰ স্থলাভিষিক্ত কৰিব পাৰে।

তদুপৰি কোনো বেংকৰ সঞ্চালকমণ্ডলীৰ অধ্যক্ষ বা পূর্ণকালীন সঞ্চালকৰ বাদে অন্য সঞ্চালকে আঠ বছৰৰ অধিককাল কার্যনির্বাহ কৰিব নোৱাৰে। যদিহে বেংকৰঅধ্যক্ষ বা পূর্ণকালীন সঞ্চালক পদৰ পৰা অপসাৰণ কৰা হয় তেন্তে তেওঁ বেংকটোৰ সঞ্চালক পদৰ পৰাও অপৰাসিত হয়। তেওঁৰ অপসাৰণৰ পৰা কৰি বছৰটো তেওঁক কোনো অন্য বেংকৰ সঞ্চালক ৰূপে পুনৰ নিযুক্তি দিব পৰা নাযায়।

১০.৬ বেংকিং কোম্পানীৰ অনুজ্ঞাপত্র লাভ প্রক্রিয়া

বেংকিং নিয়ামক আইনৰ ২২ নম্বৰ ধাৰা মতে বেংকিং প্রতিষ্ঠানৰ অনুজ্ঞাপত্র লাভৰ ব্যৱস্থা কৰা হৈছে। এই ধাৰা মতে, ভাৰতীয় ৰিজার্ভ বেংকৰ পৰা অনুজ্ঞাপত্র লাভ নকৰিলে ভাৰতত কোনো প্রতিষ্ঠানে বেংক ব্যৱসায় কৰিব নোৱাৰে। অনুজ্ঞাপত্রখন ৰিজার্ভ বেংকে নিজৰ চর্ত অনুসৰিহে জাৰি কৰে। এই আইন কার্যকৰী হোৱাৰ সময়ত ভাৰতত থকা বেংকবোৰে আইন কার্যকৰীকৰণৰ ছমাহৰ ভিতৰত আৰু নতুন প্রতিষ্ঠানবোৰে ব্যৱসায় আৰম্ভ কৰাৰ পূর্বেই লিখিতভাৱে অনুজ্ঞাপত্র বিচাৰি ৰিজার্ভ বেংকৰ ওচৰত আৱেদন জনাব লাগিব।

অনুজ্ঞাপত্র দিয়াৰ পূর্বে ভাৰতীয় ৰিজার্ভ বেংকে কেতবোৰ দিশ চালি জাৰি চায়। সেই দিশবোৰ হ'ল—

১) প্রতিষ্ঠানবোৰে যাতে ধন জমাকাৰীয়ে বিচৰাধৰণে ধন আদায় কৰিব পাৰে সেয়া নিশ্চিতকৰণ।

২) প্রতিষ্ঠানৰ কাম-কাজবোৰ যাতে বর্তমানৰ বা পৰৱর্তী সময়ৰ ধন জমাকাৰীৰ বাবে ক্ষতিকাৰক নহয়।

৩) প্রতিষ্ঠানৰ প্রস্তাৱিত ব্যৱস্থাপনা যাতে বর্তমানৰ বা ভৱিষ্যতৰ জমাকাৰীৰ ৰাজহুৱা স্বার্থৰ ক্ষতিকাৰক নহয়।

৪) কোম্পানীৰ পর্যাপ্ত মূলধন গঠন আৰু উপার্জনৰ সুবিধা থকা।

৫) প্রতিষ্ঠানটোক বেংক ব্যৱসায়ৰ অনুসৰি দিলে ভাৰতৰ সর্বসাধাৰণৰ স্বার্থ পূৰ হ'ব।

৬) প্রতিষ্ঠানৰ প্রধান কর্মক্ষেত্রত আগবঢ়াব খোজা সা-সুবিধাবোৰ, ব্যৱসায় ক্ষেত্রৰ পৰিসৰৰ সম্প্রসাৰণৰ ক্ষেত্রত পূর্বৰে পৰা থকা সা-সুবিধা আৰু অন্য বিষয়বোৰ বিবেচনা কৰা। প্রতিষ্ঠানৰ কর্মপদ্ধতি যাতে ক্ষতিকাৰক নহয় আৰু অর্থনৈতিক স্থিৰতা তথা বিকাশত যাতে বেংক ব্যৱস্থাই সংহত কৰাত অৰিহনা যোগাব পাৰে তালৈ চকু ৰখা।

৭) অন্য চর্তাৱলী, যিবোৰ পূৰণ কৰা কার্য ৰিজার্ভ বেংকে প্রয়োজনীয় বুলি ভাবে সেয়া পূৰ কৰা। তাৰ ভিতৰত বেংকিং ব্যৱসায় সুকলমে চলিবলৈ আৰু ধন জমাকাৰী তথা ৰাজহুৱা স্বার্থ ক্ষতিকাৰক নহ'বলৈ প্রয়োজনীয় চর্তাৱলীয়েই প্রধান।

অনুজ্ঞাপত্র বাতিলকৰণ ঃ আৰ বি আয়ে কোনো বেংকক প্রদান কৰা অনুজ্ঞাপত্র তলত উল্লেখ কৰা কাৰণবোৰৰ পৰিপ্রেক্ষিতত বাতিল কৰিব পাৰে—

১) যদি প্রতিষ্ঠানটোৱে ভাৰতত ব্যৱসায় কৰিবলৈ বাদ দিয়ে,

২) যদি প্রতিষ্ঠানৰ ওপৰত আৰোপ কৰা চর্তাৱলী পূৰণত ব্যর্থ হয়।

অনুজ্ঞাপত্র বাতিলৰ পূর্বে অৱশ্যে ৰিজার্ভ বেংকে চর্তাৱলী পূৰণৰ বাবে বেংকক পর্যাপ্ত সময় দিয়ে।

১০.৭ হিচাপ আৰু গণনা

বেংবিং নিয়ামক আইনৰ ২৯ আৰু ৩০ নম্বৰ ধাৰা বেংক প্রতিষ্ঠানৰ হিচাপৰক্ষণ আৰু গণনাকৰণৰ ব্যৱস্থাৱলী বর্ণিত হৈছে।

বেংকে প্রতি কেলেণ্ডাৰ বর্ষৰ বাবে একোখনকৈ 'বেলেঞ্চ শ্বীট' প্রস্তুত কৰে আৰু লাভ-লোকচানৰ হিচপে ৰাখে। সেই হিচাপ স্বীকৃত গাণনিকৰ হতুৱাই পৰীক্ষা কৰাই ল'ব লাগে। এনে গাণনিকৰ নিযুক্তি, পুনঃনিযুক্তি বা আঁতৰোৱাৰ ক্ষেত্রত আৰ বি আৰ আগতীয়া অনুমোদনৰ প্রয়োজন।

বিদেশী বেংকৰ ক্ষেত্রত লাভ-লোকচানৰ হিচাপ বেংকৰ অন্তিমটো কর্মদিনৰ দুমাহৰ আগতেই প্রস্তুত কৰিব লাগে। ৰিজার্ভ বেংকে ধন জমাকর্তাৰ তথা ৰাইজৰ স্বার্থত যিকোনো ৰকমৰ লেনদেনৰ হিচাপ গণনা কৰাৰ নির্দেশনা গাণনিকক দিব পাৰে। প্রতিদেন হিচাপ আৰু 'বেলেন্স শ্বীট' প্রকাশ কৰিব লাগে আৰু তাৰ তিনিটা প্রতিলিপি ৰিজার্ভ বেংকলৈ গণনা সম্পন্ন হোৱাৰ তিনিমাহৰ ভিতৰত প্রেৰণ কৰিব লাগে।

কোম্পানীসমূহৰ পঞ্জীয়কেও গণনাৰ প্রতিবেদন, লাভ-লোকচানৰ হিচাপ আৰু বেলেন্স শ্বীটৰ তিনিটা প্রতিলিপি পাব লাগে। বেংকৰ প্রধান কার্যালয় আৰু শাখা কার্যালয়সমূহত গণনাকৃত 'বেলেন্স শ্বীট' আৰু লাভ-লোকচানৰ হিচাপ ৰাজহুৱাকৈ দেখা পোৱাকৈ ৰাখিব লাগে।

১০.৮ আৰ বি আইৰ ক্ষমতা

ভাৰতীয় ৰিজাৰ্ভ বেংক হৈছে ভাৰতৰ সৰ্বোচ্চ বেংকিং প্ৰতিষ্ঠান। দেশত সেৱা আগবঢ়োৱা বাণিজ্যিক বেংকসমূহৰ ই হৈছে বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক। বাণিজ্যিক বেংকসমূহৰ কাম-কাজ নিয়ন্ত্ৰণ আৰু সঠিক পথেৰে পৰিচালনা কৰাৰ যোগেদি দেশৰ বেংকিং খণ্ডৰ সুষ্ঠ বিকাশ সুনিশ্চিত কৰিবলৈ বেংকিং নিয়ামক আইনে আৰ বি আইৰ হাতত কেতবোৰ ক্ষমতা অৰ্পণ কৰিছে। তেনে ক্ষমতা কেতবোৰ হ'ল—

(১) **বেংকিং প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ প্ৰদান ঃ** আইনৰ ২২ নম্বৰ ধাৰা মতে আৰ বি আয়ে দিয়া অনুজ্ঞাপত্ৰ নোহোৱাকৈ কোনো প্ৰতিষ্ঠানে ভাৰতত বেংক ব্যৱসায় কৰিব নোৱাৰে।

(২) **অনুজ্ঞাপত্ৰ বাতিলকৰণ ঃ** ২২ নম্বৰ ধাৰা মতে তলত দিয়া কাৰণবোৰৰ পৰিপ্ৰেক্ষিতত আৰ বি আয়ে বেংকিং প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰে —

(ক) প্ৰতিষ্ঠানটোৱে ভাৰতত ব্যৱসায় কৰিবলৈ বাদ দিলে।

(খ) আইনৰ ২২ (১) ধাৰামতে নিৰ্ধাৰিত চৰ্তবোৰ পূৰণ কৰাত ব্যৰ্থ হ'লে।

আইনৰ ২২ (৩) আৰু ২২ (৩ ক) ধাৰা ভংগ হ'লেও যিকোনো সময়তে ৰিজাৰ্ভ বেংকে বেংকবোৰৰ অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰে।

(৩) **বেংক প্ৰতিষ্ঠানৰ আগধন ব্যৱস্থা নিয়ন্ত্ৰণৰ ক্ষমতা (ধাৰা ২১) ঃ** যদিহে আৰ বি আয়ে বিশ্বাস কৰে যে জনস্বাৰ্থৰ খাতিৰত বা ধন জমাকৰ্তাৰ স্বাৰ্থত নাইবা বেংকৰ ৰীতি মতে বেংকসমূহৰ আগধন নীতিৰ কিছু পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়োজন আছে তেন্তে ৰিজাৰ্ভ বেংকে এই সম্পৰ্কীয় নিয়মলৈ কিছু পৰিৱৰ্তন আনিব পাৰে। আৰ বি আয়ে সাধন কৰিব বিচৰা নীতিবোৰ সকলো বেংকে মানি চলিবলৈ বাধ্য।

(৪) **নতুন সঞ্চালক বাছনি ঃ** ৰিজাৰ্ভ বেংকে দিয়া নিৰ্দেশ মৰ্মে বেংক প্ৰতিষ্ঠানসমূহে নিৰ্দেশস লাভৰ দুমাহৰ ভিতৰত বা নিৰ্ধাৰিত সময়ত অংশীদাৰসকলৰ সাধাৰণ সভাৰ আহ্বান কৰি ভোটদান ব্যৱস্থাৰে নতুন সঞ্চালক বাছনি কৰিব পাৰে। এনে নিৰ্দেশ মানিবলৈ বেংক প্ৰতিষ্ঠান বাধ্য।

(৫) **অধ্যক্ষ আৰু পৰিচালন সঞ্চালক নিয়োগ ঃ** ৰিজাৰ্ভ বেংকে বেংকৰ সঞ্চালকমণ্ডলীৰ অধ্যক্ষজন বা পৰিচালন সঞ্চালকজনক নিয়োগ কৰিব পাৰে, যদিহে এই দুটা পদ খালী হৈ থাকে।

প্ৰতিটো বেংকে অধ্যক্ষ, পৰিচালন সঞ্চালক বা অন্য সঞ্চালকনিয়োগ, পুনঃনিয়োগ, সেৱা নিবৃত্তি বা তেওঁলোকৰ মাননি নিৰ্ধাৰণৰ বাবে ৰিজাৰ্ভ বেংকৰ আগতীয়া অনুমতি লোৱা প্ৰয়োজন। তদুপৰি তেনে লোকৰ নিযুক্তি, পুনঃ নিযুক্তি বা মাননি নিৰ্ধাৰণৰ বিষয়টো কাৰ্যকৰীকৰণৰ ক্ষেত্ৰতো ৰিজাৰ্ভ বেংকৰ আগতীয়া অনুমতিৰ প্ৰয়োজন।

(৬) **অতিৰিক্ত সঞ্চালক নিযুক্তি ঃ** ধন জমাকৰ্তাৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ৰিজাৰ্ভ বেংকে বেংক প্ৰতিষ্ঠানসমূহত অতিৰিক্ত সঞ্চালক নিয়োগ কৰে। এনেদৰে নিযুক্তি দিয়া সঞ্চালকৰ

সংখ্যাই পাঁচজন বা সঞ্চালকমণ্ডলীৰ মুঠ সংখ্যাৰ এক তৃতীয়াংশতকৈ (যিটো কম) অধিক হ'ব নোৱাৰে।

(৭) **নির্দেশনাৰ ক্ষমতা (ধাৰা ৩৫-ক) ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকে মাজে-সময়ে সকলো বেংকলৈ বা কোনো বিশেষ বেংকলৈ কেতবোৰ নির্দেশনা জাৰি কৰিব পাৰে। যেনে—

(ক) ৰাজহুৱা স্বার্থৰ খাতিৰত, বা

(খ) বেংক নীতিৰ আধাৰত, বা

(গ) ধন জমাকর্তাৰ স্বার্থত, বা

(ঘ) বেংক প্রতিষ্ঠানৰ সঠিক ব্যৱস্থাপনাৰ স্বার্থত।

(৮) **পৰিদর্শনৰ ক্ষমতা ঃ** আৰ বি আয়ে যিকোনো সময়তে কেন্দ্রীয় চৰকাৰৰ নির্দেশত বেংক পৰিদর্শন কৰি ইয়াৰ হিচাপ-নিকাট পৰীক্ষা কৰিব পাৰে। ইয়াৰ যোগেদি বেংকে ধন জমাকাৰীৰ স্বার্থত কাম কৰি আছেনে নাই সেয়া নিশ্চিত কৰিব পৰা যায়।

(৯) **তথ্য প্রকাশ ঃ** জনস্বার্থৰ খাতিৰত ৰিজাৰ্ভ বেংকে আহৰিত তথ্য ৰাজহুৱাকৈ প্রকাশৰ দিহা কৰিব পাৰে।

(১০) **সংযুক্তিকৰণ আৰু ভংগকৰণ ঃ** দুটা বা ততোধিক বেংকৰ সংযুক্তিকৰণৰ বিষয়টোত ৰিজাৰ্ভ বেংকৰ অনুমোদনৰ প্রয়োজন। অন্যথা ই বৈধ নহ'ব। তদুপৰি কোনো বেংক ভংগকৰণৰ ক্ষেত্রতো উচ্চ ন্যায়ালয়ত আৱেদন জনোৱাৰ ক্ষমতা ৰিজাৰ্ভ বেংকৰ আছে।

১০.৯ ভাৰতত জমা বীমা


অর্থ ঃ জমাধন বীমাকৰণৰ অর্থ হৈছে যিকোনো দেশত বেংকত ধন জমা হোৱা লোকসকলৰ জমাধনৰ পূর্ণ শতাংশ বা কিয়দংশ ঘূৰাই পোৱাৰ নিশ্চয়তা, যাতে বেংকে প্রয়োজনত ধনখিনি ঘূৰাব নোৱাৰিলেও সেই অংশটো তেওঁলোকে ঘূৰাই পাব পাৰে। দেশৰ বিত্তীয় স্থিৰতা ৰক্ষাৰ বাবে থকা সুৰক্ষা ব্যৱস্থাৰ এটা অংশ হৈছে জমাধন বীমাকৰণ কার্যসূচী।

ভাৰতত বেংকত জমা ৰখা ধনৰ নিৰাপত্তাৰ দায়িত্বত আছে ডিপ'জিট ইনছুৰেন্স এণ্ড ক্রেডিট গেৰাণ্টী কৰপোৰেছন'। এয়া এটা ৰিজাৰ্ভ বেংকৰ সহযোগী সংস্থা। ১৯৬১ চনৰ 'ডিপ'জিট ইনছুৰেন্স এণ্ড ক্রেডিট গেৰাণ্টী কৰপোৰেচন আইন'ৰ অধীনত ১৯৭৮ চনৰ ১৫ জুলাইত ইয়াক স্থাপন কৰা হৈছিল। DIGCয়ে বেংকৰ সকলোধৰণৰ জমা যেনে— জমাধন, স্থায়ী জমা, চলিত জমা আদিৰ সর্বাধিক এক লাখ টকালৈকে বীমা কৰে। যদিহে এজন লোকৰ বিভিন্ন একাউণ্টত ধন থাকে, তেন্তে সকলোবোৰ একাউণ্টৰ সর্বাধিক এক লাখ টকা পর্যন্ত বীমা কৰা থাকিব। যদিহে এটা বেংকতে একাধিক একাউণ্ট থাকে তেন্তে এই আটাইবোৰ একাউণ্ট এটা বুলি ধৰি লোৱা হয়। এই বীমাৰ প্রিমিয়াম বেংকেই দিয়ে। অর্থাৎ বেংকবোৰে বিনামূল্যে তেওঁলোকৰ গ্রাহকসকলৰ ধনৰাশি বীমা কৰি দিয়ে। যদিহে বেংকবোৰে তিনিটা অর্ধবর্ষকাল ধাৰাবাহিকভাৱে প্রিমিয়াম আদায় দিয়াত ব্যর্থ হয় তেতিয়া কৰপোৰেচনে বেংকটোৰ অনুজ্ঞাপত্ত বাতিল কৰিব পাৰে। যদিহে বেংকে বাকী ৰৈ যোৱা প্রিমিয়ামৰ ধন সুদসহ পুনৰ আদায় দিবলৈ

অনুৰোধ জনায়। তেন্তে কৰপোৰেচনে বাতিল হোৱা অনুজ্ঞাপত্ৰ পুনৰ কার্যকৰী কৰিব পাৰে।

কৰপোৰেচনে মেঘালয়, চণ্ডীগড়, লাক্ষাদ্বীপ আৰু দাদৰা আৰু নগৰ হাভেলীৰ বাদে সমগ্ৰ দেশৰ সকলো বাণিজ্যিক আৰু সমবায় বেংকক সামৰি লয়। ইয়াত মাথোঁ প্ৰাথমিক সমবায়হে পঞ্জীকৃত নহয়। সকলো বেংক জমা, স্থায়ী জমা, চলিত জমা আৰু ৰেকাৰিং জমাক ই সামৰি লয়। অৱশ্যে কৰপোৰেচনে তলত দিয়া ধৰণৰ জমাক সুৰক্ষা নিদিয়ে ঃ

- বৈদেশিক চৰকাৰৰ জমা।
- কেন্দ্ৰ/ৰাজ্য চৰকাৰ জমা।
- আন্তঃবেংক জমা।
- ৰাজ্যিক সমবায় বেংকৰ সৈতে জমা ভূমি উন্নয়ন বেংকৰ জমা।
- ভাৰতৰ বাহিৰত কৰা জমাধনৰ বাবদ দেয় ধন।
- আৰ বি আইৰ আগতীয়া অনুমতি অবিহনে কৰপোৰেচনৰ আওতাত নপৰা ধৰণেৰে কৰা জমা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ কোনো গাণনিকৰ নিযুক্তি, পুনঃনিযুক্তি বা অপসাৰণৰ ক্ষেত্ৰত বেংকবোৰক আৰ বি আইৰ আগতীয়া অনুমতিৰ প্ৰয়োজন নে?

.....

.....

প্ৰশ্ন নং ৭ ঃ বেংকিং নিয়মক আইন ১৯৪৯ ৰ কোন ধাৰামতে ভাৰতীয় ৰিজার্ভ বেংকে নির্দেশনা দিব পাৰে?

.....

.....

প্ৰশ্ন নং ৮ ঃ জমাধন বীমাৰ উদ্দেশ্য কি?

.....

.....



১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ১৯৪৯ চনৰ 'বেংকিং কোম্পানীজ এক্ট'ক ১৯৬৬ চনৰ ১ মার্চত বেংকিং নিয়ামক আইনৰূপে নামাংকিত কৰা হয়।

- এই আইনে ভাৰতৰ সকলো বেংক প্ৰতিষ্ঠানক নিয়ন্ত্ৰণ কৰে। ভাৰতৰ বাণিজ্যিক বেংকবোৰ পুনৰীক্ষণ আৰু নিয়ন্ত্ৰণৰ বাবেও এই আইনত ব্যৱস্থা আছে।
- আইন সমগ্ৰ দেশতে প্ৰসাৰিত। ৰাজহুৱা খণ্ড, ব্যক্তিগত খণ্ড আৰু সমবায় বেংকবোৰ ইয়াৰ ভিতৰুৱা। প্ৰাথমিক কৃষি সমাজ, অনা-ক-ষি প্ৰাথমিক ঋণদান সমিতি আৰু সমবায় ভূমি বন্দকী বেংক ইয়াৰ আওতাত নপৰে।
- আইনৰ ৮ নম্বৰ ধাৰামতে বেংক প্ৰতিষ্ঠানে পোনপটীয়াকৈ কোনো বস্তু ক্ৰয়-বিক্ৰয় বা বিনিময় কৰিব নোৱাৰে।
- একাদশ ধাৰাত ভাৰতত ব্যৱসায় কৰিবলৈ আগ্ৰহী বেংক প্ৰতিষ্ঠানৰ দেয় মূলধন আৰু সংৰক্ষিত ধনৰ ন্যূনতম সীমাৰ উল্লেখ আছে।
- ধৰা ২২ মতে ৰিজাৰ্ভ বেংকে দিয়া অনুজ্ঞাপত্ৰ অবিহনে ভাৰতত কোনো বেংকে ব্যৱসায় কৰিব নোৱাৰে।
- বাণিজ্যিক বেংকবোৰৰ কাম-কাজ নিয়ন্ত্ৰণ আৰু শৃংখলাবদ্ধ কৰিবৰ বাবে আৰু তাৰ যোগেদি দেশৰ বেংক খণ্ডৰ সঠিক বিকাশৰ বাবে আইনে আৰ বি আইৰ ওপৰত কেতবোৰ ক্ষমতা অৰ্পণ কৰিছে।
- ভাৰতত বেংকত জমাধনৰ বীমাৰ সুবিধা 'ডিপ'জিট ইনছুৰেন্স এণ্ড ক্ৰেডিট গেৰাণ্টী কৰপোৰেচন' অৰ্থাৎ 'জমাধন বীমা আৰু ঋণ নিশ্চিতি নিগম'-এ আগবঢ়ায়।



১০.১১ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



১০.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৯।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬৬।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৯ চনৰ বেংকিং নিয়ামক আইন বেংকসমূহক নিয়ন্ত্ৰণ, ধন জমাকাৰী স্বাৰ্থৰক্ষা আৰু তাৰ যোগেদি দেশৰ অৰ্থনীতিক সুৰক্ষা দিবলৈ প্ৰণয়ন কৰা হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বেংকিং নিয়ামক আইনে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওপৰত বেংকক অনুজ্ঞাপত্ৰ প্ৰদান, শাখা সম্প্ৰসাৰণ, সম্পদৰ তাৰল্য, ব্যৱস্থাপনা, কৰ্মপদ্ধতি, সংযুক্তিকৰণ, পুনৰগঠন আৰু তৰলীকৰণ সম্পৰ্কত কেতবোৰ ক্ষমতা আৰোপ কৰিছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ধাৰা ৮।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, গাণনিকৰ নিযুক্তি, পুনৰ নিযুক্তি বা অপসাৰণৰ ক্ষেত্ৰত বেংকবোৰে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আগতীয়া অনুমতি লোৱাৰ প্ৰয়োজন।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ধাৰা ৩৫-ক।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ গ্ৰাহকৰ প্ৰয়োজনত বেংকবোৰে জমাধন ঘূৰাই দিয়াত ব্যৰ্থ হ'লে তেওঁলোকৰধন ওভোটাই দিবৰ বাবে জমাধন বীমাৰ ব্যৱস্থা কৰা হয়।

১০.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বেংকিং নিয়ামক আইন, ১৯৪৯ৰ ব্যৱস্থাৱলী আলোচনা কৰা ঃ

(ক) ন্যূনতম মূলধন আৰু বেংক প্ৰতিষ্ঠানৰ সংৰক্ষিত ধনৰ ক্ষেত্ৰত।

(খ) সঞ্চালকমণ্ডলীৰ গঠনৰ ক্ষেত্ৰত।

(গ) বেংক প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰৰ ক্ষেত্ৰত।

(ঘ) হিচাপৰক্ষণ আৰু গণনাৰ ক্ষেত্ৰত।

প্ৰশ্ন ২ ঃ 'বেংকিং' ব্যৱসায়ৰ বাদেও বেংক প্ৰতিষ্ঠানবোৰে অন্য কেনে ব্যৱসায় কৰিব পাৰে?

প্ৰশ্ন ৩ ঃ ভাৰতৰ বাণিজ্যিক বেংকবোৰ নিয়ন্ত্ৰণ আৰু নিয়ামনৰ ক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ক্ষমতাৱলী আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ কি পৰিস্থিতিত ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকবোৰৰ অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰে?

প্ৰশ্ন ৫ ঃ 'ভাৰতত জমাধন বীমা' সম্পৰ্কে এটা চমুটোকা লিখা।

*** ***** ***

অধ্যায় ১১ ঃ হস্তান্তৰযোগ্য দলিল

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ হস্তান্তৰযোগ্য দলিলৰ অর্থ

১১.৪ প্রতিজ্ঞা-পত্রৰ অর্থ আৰু বৈশিষ্টসমূহ

১১.৫ বিনিময় পত্রৰ অর্থ আৰু বৈশিষ্টসমূহ

১১.৬ ধনাদেশৰ অর্থ আৰু বৈশিষ্টসমূহ

১১.৭ ধনাদেশৰ প্রকাৰ

১১.৭.১ মুকলি ধনাদেশ

১১.৭.২ ৰেখাংকিত ধনাদেশ

১১.৮ পৃষ্ঠাংকনৰ অর্থ আৰু প্রকাৰ

১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.১০ অধিক জানিবৰ বাবে

১১.১১ অগ্রগতিৰ খতিয়ান

১১.১২ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হস্তান্তৰযোগ্য দলিলৰ অর্থ আৰু ইয়াৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রতিজ্ঞা-পত্র, বিনিময় পত্র আৰু ধনাদেশৰ অর্থ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- প্রতিজ্ঞা-পত্র, বিনিময় পত্র আৰু ধনাদেশৰ মাজৰ পার্থক্যসমূহ বর্ণনা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ ধনাদেশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ধনাদেশ ৰেখাংকিত কৰাৰ অর্থ আৰু বিভিন্ন প্রকাৰৰ ৰেখাংকনৰ বিষয়ে জানিব পাৰিব
- পৃষ্ঠাংকনৰ অর্থ আৰু ইয়াৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

ব্যক্তি, ব্যৱসায়ী আৰু প্রতিষ্ঠানবিলাকে মুদ্রা আৰু লেনদেনৰ বিভিন্ন চুক্তি হস্তান্তৰ কৰিবলৈ বিভিন্ন ধৰণৰ দলিল (instrument) ব্যৱহাৰ কৰে। আপুনি হয়তো ধনাদেশ (cheque) বা হুণ্ডি শব্দটো শুনিছে আৰু যদি আপোনাৰ বেংকত 'একাউণ্ট' আছে তেন্তে হয়তো আপুনি

ধনাদেশৰ ব্যৱহাৰো জানে। এজন লোকৰ পৰা আন এজনলৈ ধন হস্তান্তৰ কৰিবলৈ ধনাদেশ ব্যৱহাৰ কৰা হয়। ধন হস্তান্তৰ কৰিবলৈ ব্যৱসায়ত ব্যৱহাৰ কৰা আন কিছুমান নথিপত্ৰ আছে। এই নথিপত্ৰ বিলাকক হস্তান্তৰযোগ্য দলিল (negotiable instrument) বোলা হয়। এই অধ্যায়ত আমি হস্তান্তৰযোগ্য দলিলৰ অৰ্থ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰিম। এই হস্তান্তৰযোগ্য দলিলবিলাকত জড়িত হৈ থকা পক্ষসমূহৰ বিষয়েও আমি আলোচনা কৰিম।

১১.৩ হস্তান্তৰযোগ্য দলিলৰ অৰ্থ

আপুনি জানে যে একোটা ব্যৱসায় প্ৰতিষ্ঠানে নগদ অথবা বাকীকৈ সামগ্ৰী ক্ৰয় আৰু বিক্ৰয় কৰিব পাৰে। নগদ লেনদেনৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে নগদ ধন পৰিশোধ বা গ্ৰহণ কৰি লেনদেন নিষ্পত্তি কৰা হয় আৰু তেনে ক্ষেত্ৰত পক্ষসমূহৰ ধনৰ লেনদেনত ভৱিষ্যতলৈ কোনো বাধ্যবাধকতা নাথাকে। কিন্তু বাকীত হোৱা লেনদেনৰ ক্ষেত্ৰত তেনে নহয়। বাকীকৈ সামগ্ৰী ক্ৰয় কৰা ক্ৰেতাজনে লগে লগে ধন পৰিশোধ নকৰিলেও পাছৰ কোনোবা দিনত পৰিশোধ কৰিবলগীয়া হয়। এই ক্ষেত্ৰত, বিক্ৰেতাজনে এখন নিৰ্দেশনা পত্ৰ (এক লিখিত নথি) ক্ৰেতাজনলৈ লিখে যে এক নিৰ্দ্ধাৰিত সময়ৰ পাছত তেওঁ ধন পৰিশোধ কৰিব লাগিব। সেই নিৰ্দেশনা মানি লোৱা বুলি আৰু নিৰ্দ্ধাৰিত তাৰিখত পৰিশোধ কৰিব বুলি সন্মতি জনাই ক্ৰেতাজনে নিৰ্দেশনা পত্ৰত চহী কৰিব লাগে। ক্ৰেতাই ধন পৰিশোধ কৰা নিৰ্দ্ধাৰিত তাৰিখলৈকে বিক্ৰেতাজনে নিৰ্দেশনা পত্ৰখন তেওঁৰ লগত ৰাখে।

কিন্তু বিক্ৰেতাজনে নিৰ্দ্ধাৰিত তাৰিখত ধন ৰাশি সংগ্ৰহ কৰিবলৈ অপেক্ষা কৰাৰ পৰিৱৰ্তে তেওঁৰ নিজৰ ব্যাৱসায়িক প্ৰয়োজন পূৰাবলৈ উক্ত নথি আন কোনোবা লোকলৈ হস্তান্তৰ কৰিব পাৰে। বিক্ৰেতাজনে নথিৰ পিছফালে ব্যক্তিজনৰ নাম লিখি নথি হস্তান্তৰ কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা নিৰ্দ্ধাৰিত তাৰিখত সেই লোকজনক ধনৰাশি পৰিশোধ কৰিবলৈ ক্ৰেতাক কোৱা হয়। নথি হস্তান্তৰ কৰিবলৈ বিক্ৰেতাজনে নথিৰ পিছফালে চহী কৰিব লাগিব। নিৰ্দ্ধাৰিত সময়ছোৱাৰ অন্তত সেই লোকজনে ক্ৰেতাজনৰ পৰা ধনখিনি সংগ্ৰহ কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা এই কথা ক'ব পাৰি যে ব্যৱসায়ত ধন পৰিশোধ কৰিবলৈ কিছুমান নিৰ্দিষ্ট নথিপত্ৰ থাকে আৰু ইয়াৰ জৰিয়তে নগদ ধনৰ লেনদেন হ্ৰাস কৰা হয়। এই নথিপত্ৰ বিলাকক হস্তান্তৰযোগ্য দলিল বোলা হয়।

কাজেই হস্তান্তৰযোগ্য দলিলবিলাকক লিখিত নথি বুলিব পাৰি যিবিলাক চূড়ান্ত পৰিশোধ নকৰা পৰ্যন্ত পৰিশোধ কৰিবলৈ এজন লোকৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পাৰি। ভাৰতত, হস্তান্তৰযোগ্য দলিল সম্পৰ্কীয় বিধি-বিধানবিলাক হস্তান্তৰযোগ্য দলিল আইন-১৮৮১ (Negotiable Instruments Act, 1881)ত সন্নিবিষ্ট আছে। এই আইনৰ ১৩নং অনুচ্ছেদ অনুসৰি হস্তান্তৰযোগ্য দলিল মানে হৈছে— এখন প্ৰতিজ্ঞা-পত্ৰ (Promissory Note), বিনিময় পত্ৰ বা ধনাদেশ, যিবিলাক নিৰ্দেশ অনুসৰি (Order) বা ধাৰক (Bearer)ক আদায় দিব লাগে, দলিলত 'নিৰ্দেশ' (Order) বা 'ধাৰক' (Bearer) শব্দ দুটা থাকক বা নাথাকক।'

এই সংজ্ঞা অনুসৰি হস্তান্তৰযোগ্য দলিল কেৱল তিনি প্ৰকাৰৰ যেনে— প্ৰতিজ্ঞা-পত্ৰবিনিময় পত্ৰ আৰু ধনাদেশ। কিন্তু আন কিছুমান নথি যেনে— লভ্যাংশৰ চমন (dividend warrants), ৰে'ল বিভাগৰ 'ৰচিদ (railway receipts), হুণ্ডি (hundies) ইত্যাদিও আছে যিবিলাকক হস্তান্তৰযোগ্য দলিল হিচাপে গণ্য কৰা হয় যদিহে এইবিলাকে এখন বৈধ হস্তান্তৰযোগ্য দলিলৰ চৰ্তাৱলী পূৰণ কৰে। এতিয়া আমি এই হস্তান্তৰযোগ্য দলিলবিলাকৰ বিষয়ে আন কিছুমান কথা আলোচনা কৰিম।

১১.৪ প্ৰতিজ্ঞা-পত্ৰৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহ

প্ৰতিজ্ঞা-পত্ৰ হৈছে এবিধ হস্তান্তৰযোগ্য দলিল য'ত এজন নিৰ্দিষ্ট লোকক বা দলিলৰ ধাৰকজনক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ নিঃচৰ্ত প্ৰতিশ্ৰুতি দিয়া থাকে। এটা উদাহৰণ লোৱা যাওক। ধৰা হ'ল শ্ৰীৰামে শ্ৰীঅমলৰ পৰা ১০,০০০ টকাৰ এটা ঋণ ল'লে। এতিয়া, শ্ৰীৰামে 'মই শ্ৰীঅমলক ১০,০০০ টকা, প্ৰাপ্ত মূল্য পৰিশোধ কৰিম বুলি প্ৰতিশ্ৰুতি দিলো' বুলি এখন প্ৰতিজ্ঞা-পত্ৰ লিখিব পাৰে। ইয়াক এখন বৈধ প্ৰতিজ্ঞা-পত্ৰত পৰিণত কৰিবলৈ শ্ৰীৰামে চহী কৰিব লাগিব আৰু সঠিকভাৱে মোহৰ মাৰিব লাগিব।

হস্তান্তৰযোগ্য দলিল, আইন (N.I.Act) ১৮৮১ৰ ৪নং অনুচ্ছেদ অনুসৰি প্ৰতিজ্ঞা-পত্ৰৰ সংজ্ঞা হৈছে— 'এবিধ লিখিত দলিল (বেংকৰ টকা বা মুদ্ৰা নহয়) য'ত এক নিঃচৰ্ত চুক্তি থাকে, চুক্তি কৰোঁতাই চহী কৰে, এজন নিৰ্দিষ্ট লোকক বা দলিলৰ ধাৰকজনক নিৰ্দিষ্ট নিৰ্দেশ অনুসৰি নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিব লাগে।'

এনেদৰে, এখন প্ৰতিজ্ঞা-পত্ৰত ভৱিষ্যতৰ এক নিৰ্দিষ্ট তাৰিখত দলিল এজন নিৰ্দিষ্ট লোকক বা তেওঁৰ নিৰ্দেশ অনুসৰি আন কোনো লোকক এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰাৰ এক নিঃচৰ্ত প্ৰতিশ্ৰুতি থাকে।

প্ৰতিজ্ঞা-পত্ৰৰ পক্ষসমূহ ঃ

এখন প্ৰতিজ্ঞা-পত্ৰত জড়িত হৈ থকা পক্ষসমূহ হৈছে—

(১) **প্ৰস্তুত কৰোঁতা বা ধন প্ৰতিশ্ৰুতিদাতা ঃ** দলিলৰ চুক্তি কৰা বা ধন দিবলৈ প্ৰতিশ্ৰুতি দিয়া লোকজনক প্ৰতিজ্ঞা-পত্ৰ প্ৰস্তুত কৰোঁতা বা প্ৰতিশ্ৰুতিদাতা (maker) বোলা হয়। চুক্তি কৰোঁতাজনে প্ৰতিজ্ঞা-পত্ৰত নিৰ্দ্ধাৰিত ধন ৰাশি পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ পত্ৰখনত চহী কৰিব লাগে।

(২) **গ্ৰহীতা ঃ** যিজন লোকক ধনখিনি পৰিশোধ কৰা হ'ব তেওঁক গ্ৰহীতা বোলা হয়। পাওনাদাৰে তেওঁৰ ব্যাৱসায়ীক প্ৰয়োজন পূৰণ কৰিবলৈ নিৰ্দ্ধাৰিত তাৰিখৰ আগতে এই দলিল হস্তান্তৰ কৰিব পাৰে। এনেকুৱা ক্ষেত্ৰত পক্ষবিলাক হ'ব—

- **অনুমোদনকাৰী ঃ** যিজন লোকে (গ্ৰহীতা) তেওঁৰ ব্যাৱসায়ীক প্ৰয়োজন পূৰণ কৰিবলৈ অন্য এজন লোকক এই দলিল হস্তান্তৰ কৰে তেওঁক অনুমোদনকাৰী বোলা হয়।

- **যাৰ নামত অনুমোদন কৰা হয় ঃ** যিজন লোকৰ নামত দলিল হস্তান্তৰ কৰা হয় তেওঁক endorsee বোলা হয়।

এতিয়া, আমি প্রতিজ্ঞা-পত্রৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিম—

- **এবিধ লিখিত নথি ঃ** এক বৈধ বা প্রযোজ্য দলিল হ'বলৈ হ'লে ই লিখিত ৰূপত থাকিবই লাগিব। পৰিশোধ কৰাৰ মৌলিক প্রতিশ্রুতি প্রতিজ্ঞা-পত্র হ'ব নোৱাৰে।
- **পৰিশোধৰ নিঃচর্ত প্রতিশ্রুতি ঃ** প্রতিজ্ঞা-পত্রত পৰিশোধ কৰিব বুলি এক নিঃচর্ত প্রতিশ্রুতি থাকিবই লাগিব। চর্ত সাপেক্ষে দিয়া পৰিশোধৰ প্রতিশ্রুতি প্রতিজ্ঞা-পত্র নহয়। উদাহৰণস্বৰূপে যদি এনেদৰে লিখা হয়— 'মই হৰিক ৫,০০০ টকা পৰিশোধ কৰিম বুলি প্রতিশ্রুতি দিলোঁ, যদিহে তেওঁ মোৰ ঘৰলৈ আহে,' ই এখন প্রতিজ্ঞা-পত্র নহ'ব।
- **পক্ষসমূহ নির্দিষ্ট হ'ব লাগিব ঃ** প্রতিজ্ঞা-পত্রৰ প্রস্তুত কৰোঁতা আৰু গ্রহীতাৰ নাম নির্দিষ্টকৈ উল্লেখ থাকিব লাগিব।
- **পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ নির্দিষ্ট হ'ব লাগিব ঃ** প্রতিজ্ঞা-পত্র প্রস্তুত কৰোঁতাই দিয়া প্রতিশ্রুতি অনুসৰি পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ নির্দিষ্ট হ'ব লাগে। ইয়াত ধন বোলোতে প্রচলিত আইন সন্মত মুদ্রাক বুজোৱা হৈছে। মুদ্রাৰ বাহিৰে যদি আন কিবা বস্তু দিয়াৰ প্রতিশ্রুতি দিয়া হয়, তেতিয়া ই প্রতিজ্ঞা-পত্র নহ'ব।
- **প্রস্তুত কৰোঁতাৰ দ্বাৰা স্বাক্ষৰিত হ'ব লাগে ঃ** প্রতিজ্ঞা-পত্র প্রস্তুত কৰোঁতাই এই দলিলত চহী কৰিবই লাগিব। প্রস্তুত কৰোঁতাৰ প্রতিনিধিয়েও ইয়াত চহী কৰিব পাৰে কিন্তু প্রতিনিধিজনে কাৰ হৈ চহী কৰিছে সেই কথা স্পষ্টকৈ উল্লেখ কৰিব লাগিব। প্রতিজ্ঞা-পত্রত সঠিকভাৱে তাৰিখ লিখা থাকিব লাগিব আৰু ভাৰতীয় মোহৰ আইন (Indian Stamp Act) অনুসৰি মোহৰ মাৰিব লাগিব।
- **পৰিশোধৰ সময় ঃ** এখন প্রতিজ্ঞা-পত্র বিচৰা মতে বা এছোৱা নির্দ্ধাৰিত সময়ৰ পাছত পৰিশোধ কৰিবলগীয়া হ'ব পাৰে। বিচৰা মতে পৰিশোধ কৰিবলগীয়া প্রতিজ্ঞা-পত্রকে দাবীকৃত প্রতিজ্ঞা-পত্র (demand promissory note) বোলা হয় আৰু এক নির্দিষ্ট সময়ৰ পাছত পৰিশোধ কৰিবলগীয়া প্রতিজ্ঞা-পত্রবিলাকক সময় প্রতিজ্ঞা-পত্র (time promissory note) বোলা হয়।

প্রতিজ্ঞা-পত্রৰ এটা নমুনা তলত দিয়া হ'ল—


Rs. 10,000 Guwahati
June 12, 2009

I, Shri Ram promise to Shri Amal or order a sum of Rupees Ten Thousand, value received.

To

Shri Amal Sd/- Ram

Nalbari Stamp



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ প্রতিজ্ঞা পত্রৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক?

.....

.....

১১.৫ বিনিময় পত্রৰ অর্থ আৰু বৈশিষ্ট্যসমূহ

এতিয়া আমি আন এবিধ হস্তান্তৰযোগ্য দলিল অর্থাৎ বিনিময় পত্রৰ বিষয়ে আলোচনা কৰিম। হস্তান্তৰযোগ্য দলিল আইন, ১৮৮১ৰ অনুচ্ছেদ ৫ত বিনিময় পত্র (bill of exchange)ৰ সংজ্ঞা দিয়া আছে— 'এক লিখিত চুক্তি পত্র য'ত এক নিঃচর্ত নির্দেশনা থাকে, প্রস্তুত কর্তাই স্বাক্ষৰ কৰে, এজন নির্দিষ্ট লোকক বা নির্দেশানুসৰি এজন নির্দিষ্ট লোকক বা চুক্তি পত্রৰ ধাৰকজনক নির্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ এজন নির্দিষ্ট লোকক নির্দেশ দিয়া থাকে।'

একোখন বিনিময় পত্রত এক নিঃচর্ত নির্দেশ থাকে যিটো এখন প্রতিজ্ঞা-পত্রত থকা নিঃচর্ত প্রতিশ্রুতিৰ বিপৰীত। এই পত্রত প্রস্তুতকর্তাই, সাধাৰণতে পাওনাদাৰে স্বাক্ষৰ কৰি ধৰুৱাক ভৰিষ্যতৰ এটা নির্দ্ধাৰিত তাৰিখত পৰিশোধ কৰিবলৈ নির্দেশ দিয়ে।

আন এটা উদাহৰণ লোৱা যাওক। ধৰা হ'ল অমৰে হৰিৰ পৰা ৫,০০০ টকাৰ বস্তু বাকীকৈ ক্রয় কৰিলে। অমৰ হ'ল ধৰুৱা আৰু তেওঁ হৰিক (পাওনাদাৰ) ৫,০০০ টকা পৰিশোধ কৰিব লাগিব। এতিয়া হৰিয়ে অমৰক এখন বিনিময় পত্র লিখি দিব পাৰে। ইয়াত উল্লেখ কৰিব লাগিব যে অমৰে ভৰিষ্যতৰ এটা নির্দিষ্ট তাৰিখত হৰিক ৫,০০০ টকা পৰিশোধ কৰিব। সেই নির্দিষ্ট সময়ত ধন পৰিশোধ কৰা কথাটো মানি লৈ অমৰে পত্রখন গ্রহণ কৰিব লাগিব। এতিয়া ধৰক হৰি ৰাকেশৰ ওচৰত ৫,০০০ টকাৰ ধৰুৱা হৈ আছে। হৰিয়ে এই দলিল ৰাকেশক হস্তান্তৰ কৰিব পাৰে আৰু তেওঁ (ৰাকেশ) নির্দিষ্ট তাৰিখত অমৰৰ পৰা ধনখিনি সংগ্রহ কৰিব।

একোখন বিনিময় পত্রত জড়িত হৈ থকা পক্ষবিলাক হৈছে—

- **প্রস্তুত কৰোঁতা ঃ** যিজনে এই পত্রখন প্রস্তুত কৰে তেওঁক প্রস্তুত কৰোতা বা drawer বোলা হয়।
- **পৰিশোধকাৰী বা গ্রহণ কৰোঁতা ঃ** যিজন লোকক উদ্দেশ্য কৰি পত্রখন প্রস্তুত কৰা হয় তেওঁক গ্রহণ কৰোঁতা বা গ্রহীতা বোলা হয়।
- **প্রাপক ঃ** যিজন লোকক পত্রৰ ধন পৰিশোধ কৰা হয় তেওঁক প্রাপক বোলা হয়। প্রস্তুত কৰোঁতা লোকজন নিজেও প্রাপক হ'ব পাৰে।

এতিয়া, আমি বিনিময় পত্রৰ বৈশিষ্টবিলাক লক্ষ্য কৰিম ঃ

- বিনিময় পত্র লিখিত ৰূপত থাকিবই লাগিব।
- বিনিময় পত্রত পৰিশোধৰ এক নিঃচর্ত নির্দেশনা থাকিবই লাগিব।
- বিনিময় পত্রত প্রস্তুত কৰোঁতা (drawer), গ্রহণ কৰোঁতা (drawee) আৰু পাওনাদাৰ

(payee) নির্দিষ্টকৈ উল্লেখ থাকিবই লাগিব।

- পত্রৰ জৰিয়তে পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ নির্দিষ্ট হ'ব লাগিব। ইয়াত ধন বোলোতে প্রচলিত আইনসম্মত মুদ্রা বুজোৱা হৈছে।
- প্রস্তুত কৰোঁতাই পত্রত চহী কৰিব লাগে। ভাৰতীয় ষ্টাম্প আইন অনুসৰি ইয়াত উপযুক্তভাৱে তাৰিখ লিখি মোহৰ মাৰিব লাগিব।
- গ্রহণ কৰোঁতাই পত্রত চহী কৰি পত্রখন গ্রহণ কৰিব লাগিব।
- বিনিময় পত্র বিচৰামতে বা এছোৱা নির্দ্ধাৰিত সময়ৰ পাছত পৰিশোধৰ যোগ্য হ'ব পাৰে।

তলত বিনিময় পত্রৰ এটা নমুনা দিয়া হ'ল ঃ

Rs. 10,000 Guwahati
June 12, 2008

Three months after date pay Mr. ..... or order a sum of Rs. 10,000, value received.

To

Mr. .....
Barpeta


Sd/- .....
Stamp

প্রতিজ্ঞা-পত্র আৰু বিনিময় পত্রৰ মাজৰ পার্থক্য ঃ

আমি জানো যে প্রতিজ্ঞা-পত্র আৰু বিনিময় পত্র দুয়োবিধেই হস্তান্তৰযোগ্য দলিল। এই দুয়োবিধ দলিল বা চুক্তি পত্রৰ বৈশিষ্টবিলাকৰ বিষয়ে আমি ইতিমধ্যে আলোচনা কৰিছোঁ। এতিয়া এই দুয়োবিধ দলিলৰ মাজৰ পার্থক্যবিলাক আলোচনা কৰিম ঃ

বিষয়	প্রতিজ্ঞা-পত্র	বিনিময় পত্র
পক্ষৰ সংখ্যা	ইয়াত প্রধানকৈ দুটা পক্ষ থাকে— প্রস্তুতকর্তা আৰু গ্রহীতা	ইয়াত প্রধানকৈ তিনিটা পক্ষ থাকে— পত্র প্রস্তুতকর্তা, গ্রহণ কৰোঁতা আৰু পাওনাদাৰ। প্রস্তুতকর্তাজন পাওনাদাৰ হ'ব পাৰে আৰু তেনে ক্ষেত্রত পক্ষৰ সংখ্যা দুটা হ'ব।
প্রতিশ্রুতি/নির্দেশ	ইয়াত পৰিশোধ কৰাৰ এক নিঃচর্ত প্রতিশ্রুতি থাকে।	ইয়াত পৰিশোধ কৰাৰ এক নিঃচর্ত নির্দেশ থাকে।
গ্রহণ	গ্রহীতাই গ্রহণ কৰাটো প্রয়োজনীয় নহয়।	গ্রহণ কৰোঁতাই পত্র গ্রহণ কৰিবই লাগিব।

ধৰুৱা/পাওনাদাৰ	প্রস্তুত কর্তাজন ধৰুৱা।	প্রস্তুত কর্তাজন পাওনাদাৰ।
প্রস্তুতকর্তাৰ দায়বদ্ধতা	প্রস্তুতকর্তাৰ দায়বদ্ধতা প্রাথমিক আৰু নিশ্চিত।	গ্রহীতাৰ বিফলতাৰ ক্ষেত্রত পত্র প্রস্তুতকর্তাৰ দায়বদ্ধতা দ্বিতীয় পর্যায়ৰ আৰু চর্তসাপেক্ষ।
প্রস্তুতকর্তাৰ সম্পর্ক	প্রস্তুতকর্তাৰ সৈতে পাওনাদাৰৰ তাৎক্ষণিক সম্পর্ক থাকে।	পত্র প্রস্তুতকর্তা আৰু পত্র গ্রহীতাৰ মাজত তাৎক্ষণিক সম্পর্ক হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ গ্রহীতা বুলিলে কাক বুজে?

.....

.....

প্রশ্ন নং ৩ ঃ প্রতিজ্ঞা-পত্র আৰু বিনিময় পত্রৰ মাজৰ দুটা পার্থক্য উল্লেখ কৰক।

.....

.....

১১.৬ ধনাদেশৰ অর্থ আৰু বৈশিষ্টসমূহ

আমি ইতিমধ্যে জানিব পাৰিলোঁ যে হস্তান্তৰযোগ্য দলিল আইন, ১৮৮১ত তিনিবিধ দলিল বা চুক্তি পত্রক হস্তান্তৰযোগ্য দলিল বা চুক্তিপত্র হিচাপে স্বীকৃতি দিয়া হৈছে। সেইবিলাক হৈছে প্রতিজ্ঞা-পত্র, বিনিময় পত্র আৰু ধনাদেশ। এতিয়ালৈকে আমি দুবিধ হস্তান্তৰযোগ্য দলিল— প্রতিজ্ঞা-পত্র আৰু বিনিময় পত্রৰ বিষয়ে আলোচনা কৰিলোঁ। এই শাখাত আমি তৃতীয়বিধ হস্তান্তৰযোগ্য দলিল 'ধনাদেশ' (cheque)ৰ বিষয়ে আলোচনা কৰিম। আপোনালোকে চাগে ধনাদেশ দেখিছে। এজন লোকৰ পৰা আন এজনলৈ ধন হস্তান্তৰ কৰিবলৈ বেংকে একাউণ্ট থকা লোকক ধনাদেশ দিয়ে।

হস্তান্তৰযোগ্য দলিল আইনৰ অনুচ্ছেদ ৬ত ধনাদেশৰ সংজ্ঞা দিয়া আছে— 'এক বিনিময় পত্র যাক একোটা নির্ধাৰিত বেংকাৰে উলিয়াই দিয়ে আৰু নিবিচৰাকৈ যি পৰিশোধৰ যোগ্য নহয়।' ধনাদেশ এবিধ নিঃচর্ত নির্দেশো। এজন বেংকাৰ (banker)ক ইয়াৰ গ্রাহকে নির্দিষ্ট পৰিমাণৰ ধন নির্দিষ্ট লোকক বা ধনাদেশৰ ধাৰক (bearer) জনক বা যাৰ নামত ধনাদেশ জাৰি কৰা হৈছে তেওঁৰ দ্বাৰা কর্তৃত্বপ্রাপ্ত লোকক পৰিশোধ কৰিবলৈ এই নির্দেশ দিয়ে। কেৱল একাউণ্ট থকা লোকজনেহে তেওঁৰ বেংকলৈ ধনাদেশ জাৰি কৰিব পাৰে। ধনাদেশ পাওনাদাৰক চমজাই দিয়া হয় আৰু পাওনাদাৰে নিজে গৈ বা তেওঁৰ বেংকৰ জৰিয়তে উল্লিখিত ধন সংগ্রহ কৰে।

একোখন ধনাদেশৰ প্ৰধান পক্ষবিলাক হৈছে ঃ


- **প্ৰস্তুতকৰ্তা ঃ** ধনাদেশ জাৰি কৰা লোকজনক প্ৰস্তুতকৰ্তা (drawer) বোলা হয়। এই drawer জন বেংকৰ একাউণ্ট থকা লোক অৰ্থাৎ তেওঁ আমানতকাৰী।
- **যাৰ নামত উলিওৱা হয় ঃ** যি বেংকৰ নামত ধনাদেশ জাৰি কৰা হয় তাক drawee বোলা হয়। ধনাদেশৰ ক্ষেত্ৰত drawee সদায় একোটা বেংকেই হয়।
- **প্ৰাপক ঃ** ধনাদেশৰ ধন যাক পৰিশোধ কৰিবলগীয়া হয় তেওঁক প্ৰাপক বোলা হয়।

ধনাদেশৰ বৈশিষ্টসমূহ

ধনাদেশ হৈছে একোখন বিনিময় পত্ৰ। কিন্তু ইয়াৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট আছে। সেইবিলাক হৈছে ঃ


- ধনাদেশ সদায় লিখিত ৰূপত থাকে।
- ধনাদেশত তাৰিখ থাকিবই লাগিব।
- ইয়াত পৰিশোধৰ এক নিঃচৰ্ত নিৰ্দেশ থাকে।
- প্ৰস্তুতকৰ্তাই ইয়াত চহী কৰিব লাগে। ধনাদেশ প্ৰস্তুতকৰ্তাৰ স্বাক্ষৰ তেওঁ বেংকত একাউণ্ট খোলাৰ সময়ত দিয়া স্বাক্ষৰৰ নমুনাৰ লগত মিলিব লাগিব।
- ধনাদেশৰ ধন সদায় বিচৰামতে পৰিশোধ কৰা হয়। অৰ্থাৎ যেতিয়া যিমান পৰিশোধৰ বাবে ধনাদেশ দাখিল কৰা হয় তেতিয়াই সিমান ধন বেংকাৰে পৰিশোধ কৰিব লাগে, যদিহে অন্য আইনসংগত চৰ্তাৱলী যেনে একাউণ্টধাৰীৰ একাউণ্টত পুঁজিৰ পৰ্যাপ্ততা, ধনাদেশত আখৰেৰে লিখা পৰিমাণৰ সৈতে অংকৰে লিখা পৰিমাণৰ সাদৃশ্য, ইত্যাদি পূৰণ কৰা হয়।
- ধনাদেশ সদায় নিৰ্দ্ধাৰিত বেংকাৰলৈ জাৰি কৰা হয়।
- ধনাদেশৰ পক্ষবিলাক নিৰ্দিষ্ট হ'ব লাগে।
- পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ স্পষ্ট আৰু নিৰ্দিষ্ট হ'ব লাগে।

তলত ধনাদেশৰ এটা নমুনা দিয়া হ'ল—



ধনাদেশ আৰু বিনিময় পত্ৰৰ মাজৰ পার্থক্যবিলাক হৈছে—

বিষয়	**ধনাদেশ**	**বিনিময় পত্ৰ**
পৰিশোধকাৰী	ধনাদেশ সদায় বেংকাৰে পৰিশোধ কৰে।	বিনিময় পত্ৰ বেংকাৰকে ধৰি যিকোনো লোকে পৰিশোধ কৰিব পাৰে।
স্বীকাৰ	পৰিশোধকাৰীয়ে (drawee) স্বীকাৰ কৰাৰ আৱশ্যকতা নাই।	বিনিময় পত্ৰ গ্ৰহীতাই স্বীকাৰ কৰিবই লাগিব।
পৰিশোধ	চেক সদায় চাহিদা অনুসৰি পৰিশোধ কৰা হয়।	বিনিময় পত্ৰ চাহিদা অনুসৰি বা নির্দিষ্ট সময় শেষ হোৱাৰ পাছত পৰিশোধ কৰিব পাৰি।
মোহৰ	চেকত কোনোধৰণৰ মোহৰৰ দৰকাৰ নহয়।	বিনিময় পত্ৰত সঠিকভাৱে মোহৰ মাৰিবই লাগিব।
ৰেখাংকন	ধনাদেশত ৰেখাংকন কৰিব পাৰি।	বিনিময় পত্ৰত ৰেখাংকন কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলৰ বিৱৰণবিলাক শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) প্ৰস্তুতকর্তাই (drawer) চেকত চহী কৰিব লাগে।

(খ) ধনাদেশ পাওনাদাৰৰ ওপৰত লিখা হয়।

(গ) ধনাদেশ চাহিদা অনুসৰি পৰিশোধ কৰিব পাৰি।

(ঘ) ধনাদেশ হস্তান্তৰযোগ্য দলিল নহয়।

(ঙ) ধনাদেশত মাত্ৰ দুটা পক্ষ থাকে।

১১.৭ ধনাদেশৰ প্ৰকাৰ

ওপৰত দিয়া ধনাদেশৰ নমুনাটোত 'Bearer' (ধাৰক) শব্দটো লিখা হৈছে। এখন ধনাদেশত এই শব্দটোৰ এক বিশেষ অর্থ আছে। ধনাদেশত যদি 'Bearer' শব্দটো লিখা হয়, ইয়াৰ অর্থ হৈছে ধনাদেশখনত যাৰ নাম লিখা আছে বা পৰিশোধৰ বাবে বেংকাৰক যিজন লোকে ধনাদেশখন দিছে তেওঁক ধনাদেশ পৰিশোধ কৰিব পাৰি। এই বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি, ধনাদেশবিলাকক দুটা প্ৰধান গোটত শ্ৰেণীবদ্ধ কৰিব পাৰি। সেইবিলাক হৈছে—

- মুকলি ধনাদেশ (open cheques), আৰু
- ৰেখাংকিত ধনাদেশ (crossed cheques)।

১১.৭.১ মুকলি ধনাদেশ

মুকলি ধনাদেশৰ ক্ষেত্ৰত, এনে ধনাদেশৰ ধন বেংকৰ কাউণ্টাৰৰ পৰা পাওনাদাৰে (payee) সংগ্ৰহ কৰিব পাৰে। এনেধৰণৰ ধনাদেশৰ দুটা প্ৰকাৰ আছে—

- **ধাৰক ধনাদেশ ঃ** ধাৰক বা গৰাকীক পৰিশোধ কৰিবলগীয়া চেকক ধাৰক চেক (bearer cheque) বোলা হয়। পৃষ্ঠাংকন (endorsement) নকৰাকৈ এনে ধৰণৰ ধনাদেশ হস্তান্তৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে, "Pay Ram or bearer" এখন bearer cheque য'ত ৰাম বা চেকখনৰ গৰাকী যিকোনো লোকে ধনাদেশৰ ধন সংগ্ৰহ কৰিব পাৰে।
- **আদেশী ধনাদেশ ঃ** যিবিলাক ধনাদেশ কেৱল এজন নিৰ্দিষ্ট লোকক (যাৰ নাম চেকত লিখা থাকে) বা তেওঁৰ নিৰ্দেশ অনুসৰি পৰিশোধ কৰিব লাগে তেনে ধনাদেশক আদেশী ধনাদেশ (order cheque) বোলা হয়। ধনাদেশত 'Bearer' শব্দটোৰ পৰিৱৰ্তে 'Order' শব্দটো লিখা হয়। প্ৰস্তুতকৰ্তাই 'Bearer' শব্দটো কাটি পেলাব পাৰে আৰু 'Order' শব্দটো লিখি ইয়াক এখন আদেশী ধনাদেশ কৰিব পাৰে। পৃষ্ঠাংকনৰ অবিহনে আদেশী ধনাদেশ হস্তান্তৰ কৰিব নোৱাৰি আৰু এনেধৰণৰ ধনাদেশৰ ধন পৰিশোধ কৰাৰ পূৰ্বে পৰিশোধ কৰা বেংকাৰে যুক্তিসংগত সতৰ্কতা অৱলম্বন কৰিব লাগে। উদাহৰণ স্বৰূপে, "Pay Ram or order" এখন আদেশী ধনাদেশ য'ত কেৱল ৰামক বা ৰামে পৃষ্ঠাংকন কৰি অনুমোদন জনোৱা লোককহে পৰিশোধ কৰা হ'ব।

১১.৭.২ ৰেখাংকিত ধনাদেশ

ৰেখাংকিত ধনাদেশৰ ক্ষেত্ৰত, তেনে ধনাদেশৰ ধন বেংকৰ কাউণ্টাৰৰ পৰা সংগ্ৰহ কৰিব নোৱাৰি। এনেকুৱা ধনাদেশৰ ধন পাওনাদাৰৰ একাউণ্টৰ জৰিয়তে পৰিশোধ কৰা হয়। কাজেই, মুকলি ধনাদেশৰ তুলনাত এনেকুৱা ধনাদেশ অধিক সুৰক্ষিত। ধনাদেশৰ সন্মুখভাগত পথালিকৈ দুডাল সমান্তৰাল ৰেখা আঁকি 'and company' বা 'not negotiable' বা 'account payee' শব্দকেইটা লিখি বা নিলিখাকৈ ধনাদেশ ৰেখাংকন কৰিব পাৰি। পথালিকৈ দুডাল সমান্তৰাল আঁচ টনাৰ অৰ্থ হৈছে নিৰ্দিষ্ট লোকজনক পোনপটীয়াকৈ (নগদ) নহয় বৰং তেওঁৰ একাউণ্টলৈ হস্তান্তৰ কৰি পৰিশোধ কৰা।

তলত দিয়া ব্যক্তিসমূহে ধনাদেশ এখন ৰেখা অংকন কৰিব পাৰে।

- প্ৰস্তুতকৰ্তাই (Drawer), বা
- ধাৰক, যেতিয়া চেক মুকলি হয়, বা

- সংগ্রহ কৰা বেংকাৰ (Collecting banker)।

এতিয়া আমি ৰেখাংকনৰ প্রকাৰবিলাকৰ বিষয়ে আলোচনা কৰিম—

- **সাধাৰণ ৰেখাংকন ঃ** হস্তান্তৰযোগ্য দলিল আইন, ১৮৮১ৰ অনুচ্ছেদ ১২৩ত সাধাৰণ ৰেখাংকনৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— য'ত একোখন ধনাদেশৰ সন্মুখ ভাগত 'and company' বা তাৰ কোনো সংক্ষিপ্ত ৰূপ সাধাৰণভাৱে পথালিকৈ টনা দুডাল সমান্তৰাল ৰেখাৰ মাজত লিখা থাকে, ইয়াৰ সৈতে 'not negotiable' শব্দকেইটা লিখা থাকক বা নাথাকক, তেতিয়া ধনাদেশখন সাধাৰণভাৱে ৰেখাংকন কৰা বুলি গণ্য কৰা হয়।


  ইয়াৰ অর্থ হৈছে পথালিকৈ দুডাল সমান্তৰাল ৰেখা সহজে অংকন কৰি ধনাদেশ ৰেখাংকন কৰিব পাৰি। ধনাদেশৰ ওপৰফালৰ বাওঁহাতৰ কোণত সাধাৰণতে সমান্তৰাল ৰেখা দুডাল আঁকা হয়। সমান্তৰাল ৰেখা দুডালৰ মাজত 'and company' বা 'not negotiable' শব্দকেইটা লিখিব পাৰি বা নিলিখিলেও হয়।



চিত্র ঃ সাধাৰণ ৰেখাংকিত ধনাদেশৰ নমুনা

- **বিশেষ ৰেখাংকন ঃ** হস্তান্তৰযোগ্য দলিল আইনৰ অনুচ্ছেদ ১২৪ত বিশেষ ৰেখাংকনৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— য'ত ধনাদেশৰ সন্মুখভাগত এজন বেংকাৰৰ নামৰ সৈতে পথালিকৈ সমান্তৰাল আঁচ টনা থাকে আৰু ইয়াৰ লগত 'Not negotiable' শব্দকেইটা থাকিব বা নাথাকিবও পাৰে, এনেদৰে অতিৰিক্ত উল্লেখ থকা ধনাদেশক বিশেষ ৰেখাংকন (crossed) ধনাদেশ হিচাপে গণ্য কৰা হয় আৰু সেই বেংকাৰৰ নামত ৰেখাংকন কৰা হয়।

  বিশেষ ৰেখাংকন ক্ষেত্রত সমান্তৰাল ৰেখা দুডালৰ মাজত একোটা নির্দিষ্ট বেংকৰ নাম লিখা থাকে। এনেধৰণৰ ৰেখাংকন কৰাৰ অর্থ হৈছে ধনাদেশৰ ধনৰাশি সেই নির্দ্ধাৰিত বেংকাৰক পৰিশোধ কৰা হ'ব যাৰ নাম ৰেখা দুডালৰ মাজত লিখা আছে।



চিত্র ঃ বিশেষ ৰেখাংকিত ধনাদেশ

- **প্রাপকৰ হিচাপত ৰেখাংকন (Account payee crossing) ঃ** 'Account payee' শব্দ দুটা লিখি এই ধৰণৰ ৰেখাংকন কৰা হয়। সাধাৰণ ৰেখাংকন আৰু বিশেষ ৰেখাংকন দুয়ো ধৰণে এইটো কৰিব পাৰি। এই ধৰণৰ ৰেখাংকন প্রয়োগ কৰাৰ অর্থ হৈছে সংগ্রহকাৰী বেংকাৰে ধনাদেশৰ ধন কেৱল প্রাপকৰ বাবেহে সংগ্রহ কৰিব লাগে। যদি তেওঁ ভুলবশতঃ অন্য একাউণ্টলৈ ধনাদেশৰ ধন হস্তান্তৰ কৰে আৰু তাৰ বাবে তেওঁ নিজে দায়বদ্ধ হ'ব।
- **অসম্প্রদেয় ৰেখাংকন (Not negotiable Crossing) ঃ** সাধাৰণ বা বিশেষ পথালি ৰেখাংকিত ধনাদেশত যেতিয়া 'not negotiable' শব্দ দুটা লিখা হয় তেতিয়া ইয়াক অসম্প্রদেয় ৰেখাংকন (not negotiable crossing) বোলা হয়। অসম্প্রদেয় ৰেখাংকনযুক্ত ধনাদেশৰ ক্ষেত্রত ইয়াৰ হস্তান্তৰযোগ্যতা লোপ পায়। এই ধৰণৰ ধনাদেশ হস্তান্তৰ কৰিলে, হস্তান্তৰকাৰী (transferor) আৰু হস্তান্তৰ গ্রহীতাৰ (transferee) স্বত্বাধিকাৰ সম্পর্কে সাৱধান হ'ব লাগে।

১১.৮ পৃষ্ঠাংকনৰ অর্থ আৰু প্রকাৰ

ওপৰৰ আলোচনাৰ পৰা আমি বুজিলো যে এখন হস্তান্তৰযোগ্য দলিল বা চুক্তিপত্র (প্রতিজ্ঞা-পত্র, বিনিময় পত্র, ধনাদেশ) এজন লোকৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পাৰি। এতিয়া আমি হস্তান্তৰযোগ্য দলিল বা চুক্তি পত্রৰ হস্তান্তৰ সম্পর্কীয় কেতবোৰ গুৰুত্বপূর্ণ দিশৰ কথা আলোচনা কৰিম। হস্তান্তৰযোগ্য চুক্তিপত্রৰ হস্তান্তৰৰ অর্থ আৰু উদ্দেশ্যৰ বিষয়ে প্রথমে আলোচনা কৰা যাওক।

প্রথমতে এখন হস্তান্তৰযোগ্য দলিল প্রস্তুতকর্তাই (Drawer) প্রস্তুত কৰে। এখন প্রতিজ্ঞা-পত্র বা বিনিময় পত্র বা ধনাদেশৰ প্রাপকে (payee) অন্য লোকৰ সৈতে থকা তেওঁৰ হিচাপ নিকাচ নিষ্পত্তি কৰিবলৈ নগদ ধন নিদি এনে চুক্তিপত্র হস্তান্তৰ কৰিব পাৰে। হস্তান্তৰযোগ্য

চুক্তি পত্ৰ হস্তান্তৰ কৰাৰ অৰ্থ হৈছে এনে চুক্তি পত্ৰৰ ধাৰকে চুক্তি পত্ৰৰ মালিকীস্বত্ব হস্তান্তৰ কৰাৰ উদ্দেশ্যে চুক্তিপত্ৰ হস্তান্তৰ কৰে আৰু যাৰ নামত হস্তান্তৰ কৰা হয় তেৱেঁই তেতিয়া চুক্তিপত্ৰৰ গৰাকী (owner) হৈ পৰে।

হস্তান্তৰৰ জৰিয়তে হস্তান্তৰযোগ্য চুক্তিপত্ৰ হস্তান্তৰ কৰিব পাৰি। হস্তান্তৰৰ (Negotiation) অৰ্থ হৈছে এখন দলিলৰ মালিকীস্বত্ব (Ownership right) এজন লোকৰ পৰা আন এজন লোকলৈ হস্তান্তৰ কৰা।

ধাৰক (Bearer)ক পৰিশোধ কৰিবলগীয়া হস্তান্তৰযোগ্য চুক্তিপত্ৰ কেৱল অৰ্পণ (delivery) কৰিয়েই হস্তান্তৰ কৰিব পাৰি। কিন্তু নিৰ্দেশ (order) অনুসৰি পৰিশোধ কৰিব লগা হস্তান্তৰযোগ্য চুক্তিপত্ৰ পিছফালে পৃষ্ঠাংকন (endorsement) আৰু অৰ্পণ কৰি হস্তান্তৰ কৰিব পাৰি।

এতিয়া পৃষ্ঠাংকন ('Endorsement') শব্দটিৰ অৰ্থ কি? ইয়াৰ অৰ্থ হৈছে যিজন লোকৰ নামত চুক্তিপত্ৰ হস্তান্তৰ কৰিব বিচৰা হয় সেই লোকজনৰ নাম চুক্তিপত্ৰৰ পিছফালে লিখা কাৰ্য। এটা উদাহৰণ লোৱা যাওক। শ্ৰীযুত A ই শ্ৰীযুত Bক এখন ধনাদেশ হস্তান্তৰ কৰিব বিচাৰে। এতিয়া শ্ৰীযুত A ই ধনাদেশৰ পিছফালে শ্ৰীযুত B ৰ নাম লিখিব আৰু ধনাদেশখন হস্তান্তৰ কৰিবলৈ চহী কৰিব আৰু তাৰ পাছত তেওঁ ধনাদেশখন শ্ৰীযুত B ক প্ৰদান কৰিব। এই কামটোকে পৃষ্ঠাংকন বোলা হয়। ইয়াত শ্ৰীযুত A হৈছে পৃষ্ঠাংকন কৰোঁতা (endorser) আৰু শ্ৰীযুত B হৈছে পৃষ্ঠাংকন গ্ৰহীতা (endorsee)।

পৃষ্ঠাংকনৰ প্ৰকাৰ ঃ এতিয়া আমি বিভিন্ন প্ৰকাৰৰ পৃষ্ঠাংকনৰ বিষয়ে আলোচনা কৰিম—

- **সাধাৰণ পৃষ্ঠাংকন ঃ** সাধাৰণ পৃষ্ঠাংকনত পৃষ্ঠাংকন কৰোঁতাই পৃষ্ঠাংকন গ্ৰহীতাৰ নাম উল্লেখ নকৰাকৈ চুক্তি পত্ৰৰ পিছফালে স্বাক্ষৰ কৰে। আদেশী দলিল এখনত সাধাৰণ পৃষ্ঠাংকন কৰিলে সেইখন ধাৰকক পৰিশোধ কৰিব পৰা যায়। সাধাৰণ পৃষ্ঠাংকনক খালী পৃষ্ঠাংকন বুলিও কোৱা হয়।
- **বিশেষ পৃষ্ঠাংকন ঃ** এইধৰণৰ পৃষ্ঠাংকনত পৃষ্ঠাংকন কৰোঁতাই এজন নিৰ্দিষ্ট লোকক বা তেওঁৰ দ্বাৰা নিৰ্দেশিত লোকক পত্ৰৰ ধন পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়ে। সেয়ে, এনে পত্ৰৰ ধাৰকজনক (bearer) পত্ৰৰ ধনৰাশি পৰিশোধ কৰিবলগীয়া নহয়। বিশেষপৃষ্ঠাংকনক সম্পূৰ্ণ পৃষ্ঠাংকন বুলিও কোৱা হয়।
- **নিষেধক পৃষ্ঠাংকন ঃ** এনেধৰণৰ পৃষ্ঠাংকনে পৃষ্ঠাংকন গ্ৰহীতাৰ হস্তান্তৰৰ ক্ষেত্ৰত যি অধিকাৰ থাকে, তাৰ ওপৰত বাধা আৰোপ কৰে। উদাহৰণস্বৰূপে, শ্ৰী A ই এখন পত্ৰত 'Pay Mr. B only' বুলি চৰ্ত আৰোপ কৰিলে, তেনে কাৰ্য এক নিষেধক পৃষ্ঠাংকন হ'ব।
- **চৰ্তসাপেক্ষ পৃষ্ঠাংকন ঃ** দলিল এখন পৃষ্ঠাংকন কৰোতে যদি কোনো চৰ্ত সংযোজন কৰা হয় তেতিয়া তাক চৰ্তসাপেক্ষ পৃষ্ঠাংকন বা অৰ্হতাযুক্ত পৃষ্ঠাংকন বোলা হয়। এই ধৰণৰ পৃষ্ঠাংকনত পৃষ্ঠাংকনকাৰীৰ দায়বদ্ধতা সংৰক্ষিত থাকে। চৰ্তসাপেক্ষ পৃষ্ঠাংকন endorsement বিলাক তলত দিয়া ধৰণৰ—

- **Sans recourse endorsement ঃ** পৃষ্ঠাংকনৰ এটা অংশ হিচাপে যেতিয়া 'sans recourse' শব্দকেইটা সংযোজন কৰা হয় তেতিয়া ই চৰ্তসাপেক্ষ পৃষ্ঠাংকন হৈ পৰে। এইধৰণৰ পৃষ্ঠাংকনৰ অর্থ হৈছে দলিলৰ অবমাননাৰ বাবে পৃষ্ঠাংকন গ্রহীতা বা ধাৰকৰ ওচৰত পৃষ্ঠাংকনকাৰীজন দায়বদ্ধ নহয়।
- **Facultative endorsement ঃ** এই ধৰণৰ পৃষ্ঠাংকনত পত্রৰ অৱমাননাৰ ক্ষেত্রত পৃষ্ঠাংকন কৰোঁতাজন দায়বদ্ধ। যদিও তেওঁলৈ অৱমাননাৰ জাননী প্রেৰণ কৰা নহয়।
- **Sans frias endorsement ঃ** 'Sans fria's পৃষ্ঠাংকনৰ জৰিয়তে পৃষ্ঠাংকন কৰোঁতাই এইটো স্পষ্ট কৰি দিয়ে যে হস্তান্তৰিত পত্রৰ ক্ষেত্রত পৃষ্ঠাংকন গ্রহীতাই বা ধাৰকে তেওঁৰ একাউণ্টৰ পৰা কোনোধৰণৰ ব্যয় বহন কৰিব নালাগে।
- **সাম্ভাব্য ব্যয়ৰ ক্ষেত্রত স্বাক্ষৰকাৰীৰ দায়বদ্ধতা ঃ** এই ধৰণৰ পৃষ্ঠাংকনত একোটা আকস্মিক ঘটনাৰ বাবে হ'বলগীয়া ব্যয়ৰ দায়িত্ব পৃষ্ঠাংকন কৰোতাই বহন কৰিবলগীয়া হয়। যদি তেনে ঘটনা নঘটে, পৃষ্ঠাংকন কৰোতাৰ দায়িত্বও নাথাকে। উদাহৰণস্বৰূপে, যদি শ্রী অমৰে এনেদৰে এটা পৃষ্ঠাংকন কৰে— "Pay Mr. B on his arrival"।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ তলৰ পৰিস্থিতিত পক্ষবিলাক চিনাক্ত কৰক—

(ক) ABC বেংকৰ গ্রাহক শ্রীযুত X-এ শ্রীযুত Yৰ হকে এখন চেক লিখিলে যিজনে ধনাদেশখনৰ পিছফালে স্বাক্ষৰ কৰি শ্রীযুত Zক দিলে।

প্রশ্ন নং ৬ঃ তলৰ বিৱৰণবিলাক শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ধনাদেশত দুডাল সমান্তৰাল ৰেখা আঁকি ইয়াক হস্তান্তৰ কৰিব পাৰি।

(খ) একোখন আদেশী ধনাদেশ ধাৰকক পৰিশোধ কৰিব পাৰি।

(গ) সাধাৰণ পৃষ্ঠাংকনত পৃষ্ঠাংকন কৰোতাই স্বাক্ষৰ কৰাৰ দৰকাৰ নাই।

(ঘ) নিষেধক পৃষ্ঠাংকনত পৃষ্ঠাংকন কৰোতাৰ অধিকাৰত বাধা আৰোপ কৰা থাকে।

(ঙ) বিশেষ ৰেখাংকনযুক্ত (specially crossed) ধনাদেশৰ ধন নির্দিষ্ট কৰা বেংকাৰক পৰিশোধ কৰিব লাগে।



১১.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ—

- হস্তান্তৰযোগ্য দলিলবিলাকে এজন লোকৰ পৰা আন এজনলৈ ধন হস্তান্তৰ কৰে।
- ভাৰতত হস্তান্তৰযোগ্য দলিল সম্পৰ্কীয় বিধি বিধানবিলাক হস্তান্তৰযোগ্য দলিল আইন, ১৮৮১ত সন্নিবিষ্ট আছে।
- হস্তান্তৰযোগ্য দলিল আইন, ১৮৮১ অনুসৰি প্ৰতিজ্ঞা-পত্ৰ, বিনিময় পত্ৰ আৰু ধনাদেশ হৈছে হস্তান্তৰযোগ্য দলিল।
- একোখন প্ৰতিজ্ঞা-পত্ৰত এজন নিৰ্দিষ্ট লোকক বা দলিলৰ ধাৰকজনক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ নিঃচৰ্ত প্ৰতিশ্ৰুতি দিয়া থাকে। ইয়াত প্ৰস্তুতকৰ্তাই স্বাক্ষৰ কৰিব লাগে।
- একোখন বিনিময় পত্ৰত এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ এক নিঃচৰ্ত নিৰ্দেশ থাকে। পৰিশোধকাৰীয়ে (drawee) ইয়াক স্বীকাৰ কৰিব লাগে।
- একোখন ধনাদেশ সদায় এজন নিৰ্দিষ্ট বেংকাৰলৈ জাৰি কৰা হয় আৰু বিচৰামতে ইয়াক পৰিশোধ কৰা হয়।
- মুকলি ধনাদেশ দুই ধৰণৰ— ধাৰক (bearer) ধনাদেশ আৰু আদেশী (order) ধনাদেশ।
- ধনাদেশৰ সন্মুখ ভাগত পথালিকৈ দুডাল সমান্তৰাল ৰেখা আঁকি ইয়াক ৰেখাংকন কৰিব পাৰি।
- বিভিন্ন ধৰণৰ ৰেখাংকনবিলাক হৈছে— সাধাৰণ ৰেখাংকন, বিশেষ ৰেখাংকন,অসম্প্ৰদেয় ৰেখাংকন আৰু প্ৰাপকৰ হিচাপত ৰেখাংকন।
- পৃষ্ঠাংকন মানে হৈছে পত্ৰৰ পিছফালে এজন লোকৰ নাম লিখি তেওঁৰ হকে পত্ৰৰ মালিকীস্বত্ব হস্তান্তৰ কৰা।
- একোটা হস্তান্তৰযোগ্য পত্ৰৰ পিছফালে চহী কৰোঁতাজনক পৃষ্ঠাংকন কৰোঁতা বোলা হয় আৰু যাৰ নামত হস্তান্তৰ কৰা হয় তেওঁক পৃষ্ঠাংকন গ্ৰহীতা বোলা হয়।



১১.১০ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy

১১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ প্রতিজ্ঞা-পত্রৰ দুটা বৈশিষ্ট্য হ'ল— (ক) পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ নির্দিষ্ট হ'ব লাগে, (খ) প্রস্তুত কৰোতাৰ দ্বাৰা স্বাক্ষৰিত হ'ব লাগে।

২ নং প্রশ্নৰ উত্তৰঃ যিজন লোকক উদ্দেশ্য কৰি পত্রখন প্রস্তুত কৰা হয় তেওঁক গ্রহণ কৰোঁতা বা গ্রহীতা বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰঃ (১) প্রতিজ্ঞা-পত্রত প্রধানকৈ দুটা পক্ষ থাকে। বিনিময় পত্রত প্রধানকৈ তিনিটা পক্ষ থাকে।

(২) প্রতিজ্ঞা-পত্রত পৰিশোধৰ এক নিঃচর্ত প্রতিশ্রুতি থাকে। বিনিময় পত্রত পৰিশোধৰ এক নিঃচর্ত নির্দেশ থাকে।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

(ঘ) অশুদ্ধ (ঙ) অশুদ্ধ

৫ নং প্রশ্নৰ উত্তৰঃ শ্রীযুত X ———— প্রস্তুতকর্তা (drawer)

ABC বেংক ———— যাৰ নামত উলিওৱা হৈছে (drawee)

শ্রীযুত Y ———— প্রাপক আৰু পৃষ্ঠাংকন কৰোঁতা (payee আৰু endorser)

শ্রীযুত Z ———— পৃষ্ঠাংকন গ্রহীতা (endorsee)

৬ নং প্রশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) অশুদ্ধ

(ঘ) অশুদ্ধ (ঙ) শুদ্ধ



১১.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ বিনিময় পত্রৰ সংজ্ঞা দিয়ক। বিনিময় পত্রৰ পক্ষবিলাক উল্লেখ কৰক।

প্রশ্ন ২ঃ ধনাদেশৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৩ঃ প্রতিজ্ঞা-পত্র আৰু বিনিময় পত্রৰ মাজৰ পার্থক্য উল্লেখ কৰক।

প্রশ্ন ৪ঃ ধনাদেশত ৰেখাংকন (crossing)ৰ অর্থ কি?

প্রশ্ন ৫ঃ চমু টোকা লিখক ঃ

(ক) সাধাৰণ ৰেখাংকন।

(খ) বিশেষ স্বাক্ষৰ পৃষ্ঠাংকন।

****

অধ্যায় ১২ ঃ আদায়কাৰী বেংকাৰৰ ক্ষেত্ৰত থকা বিধিগত সুৰক্ষা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ আদায়কাৰী বেংকাৰ (Paying Banker)ৰ অৰ্থ

১২.৪ আদায়কাৰী বেংকাৰে লোৱা আগতীয়া সাৱধানতা

১২.৫ চেকৰ মান্যতা বিঘ্নিত হ'লে উদ্ভৱ হোৱা পৰিস্থিতি

১২.৬ আদায়কাৰী বেংকাৰৰ কৰ্তব্য

১২.৭ আদায়কাৰী বেংকাৰৰ বাবে থকা বিধিগত সুৰক্ষা

১২.৭.১ বিধিগত সুৰক্ষাৰ বাবে থকা চৰ্তাৱলী

১২.৮ ভুলবশতঃ চেকৰ ধন পৰিশোধ

১২.৯ অন্য স্থানৰ হিচাপ-পত্ৰ (Domiciled Bills) পৰিশোধ

১২.১০ অধ্যায়টোৰ পৰা আমি কি শিকিলো

১২.১১ অধিক জানিবৰ বাবে

১২.১২ অগ্ৰগতিৰ খতিয়ান

১২.১৩ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আদায়কাৰী বেংকাৰ হিচাপে একোজন বেংকাৰৰ ভূমিকাৰ গুৰুত্বপূৰ্ণ দিশবিলাকৰ বিষয়ে বুজিব পাৰিব।
- আদায়কাৰী বেংকাৰে গ্ৰহণ কৰিবলগীয়া কাৰ্য পদ্ধতি আৰু আগতীয়া সাৱধানতা সম্পৰ্কে সঠিকভাৱে জানিব পাৰিব।

১২.২ পৰিচয়

বেংকসমূহে সঞ্চয় বেংক (Savings Bank), চলিত (Current), অভাৰড্ৰাফ্ট (Over-draft) আৰু নগদ ধনৰ (Cash Credit) হিচাপ বহীৰ দৰে বিভিন্ন ধৰণৰ কাম-কাজৰ 'একাউণ্ট' চলায়। এইবিলাক বেংকাৰৰ ওপৰত ভিত্তি কৰি একাউণ্টধাৰীয়ে ব্যৱহাৰ কৰা চেক (Cheque)ৰ জৰিয়তে চলোৱা হয়। এই চেকবিলাক আদান-প্ৰদান কৰোতে একোজন বেংকাৰে আদায়কাৰী বেংকাৰ হিচাপে কাম কৰিব পাৰে (যেতিয়া চেকবিলাক তেওঁৰ ওপৰত ভিত্তি কৰি লয়)। একোখন

চেকক মান্যতা প্ৰদান কৰিবৰ বাবে বেংকসমূহ একোটা বিধিগত বাধ্যবাধকতাৰ অধীনত থাকে আৰু প্ৰাসংগিক বিধিসমূহ পূৰণ কৰিলে চেকৰ বিপৰীতে ধন পৰিশোধ কৰা হয়। একোখন চেকৰ ধন আদায় দিওঁতা (drawee) হিচাপে বেংকাৰৰ এই বাধ্যবাধকতা থাকে, এই বাধ্যবাধকতা খুবেই গুৰুত্বপূৰ্ণ। বাস্তৱ ক্ষেত্ৰত ইয়াৰ ভিত্তিতে বেংক সেৱাৰ ব্যৱসায় চলে।

এই অধ্যায়টিত আমি আদায়কাৰী বেংকৰ অৰ্থ, দায়িত্ব, কৰ্তব্য, বিধিগত সুৰক্ষা ইত্যাদি আলোচনা কৰিম।

১২.৩ আদায়কাৰী বেংকাৰৰ অৰ্থ

আদায়কাৰী বেংকাৰ (Paying Banker) বুলিলে ধন আদায় দিওঁতা বেংকৰ অৱস্থান আৰু কৰ্তব্যক বুজোৱা হয়, যি ধন ইয়াৰ গ্ৰাহকে এনে বেংকৰ পৰা চেকৰ পৰিশোধৰ ক্ষেত্ৰত লয়। একোজন গ্ৰাহকে তেওঁৰ বেংক একাউণ্টত ৰখা ধন গ্ৰাহকজনে চেকৰ জৰিয়তে ল'ব বিচাৰিলে চেকৰ মান্যতা অনুসৰি সেয়া পৰিশোধ কৰা হয় আৰু চেকৰ বিধিগত ধাৰকজনক সেই ধন দিয়া হয়। ই হৈছে বেংকাৰ আৰু গ্ৰাহকৰ মাজৰ এটা প্ৰযোজ্য চুক্তি। এনেদৰে বেংকাৰজন, যাৰ পৰা একোখন চেকৰ ধন লোৱা হয় বা তেনে বেংকাৰ, যি গ্ৰাহকে দাবী কৰা চেকৰ ধন পৰিশোধ কৰিব লাগে, তেওঁক কোৱা হয় আদায়কাৰী বেংকাৰ (Paying Banker)।

১২.৪ আদায়কাৰী বেংকাৰে গ্ৰহণ কৰা আগতীয়া সাৱধানতা

কোৱা হয় যে, যেতিয়া পৰিশোধৰ বাবে একোখন চেক বেংকাৰক দিয়া হয়, তেতিয়া তেওঁ সাগৰত পৰাৰ দৰে হয় কিয়নো ভুলকৈ ধন পৰিশোধ কৰিলে তেওঁ গ্ৰাহকৰ একাউণ্টৰ পৰা ধন কৰ্তন কৰিব নোৱাৰিব অথবা ভুলবশতঃ চেকক মান্যতা প্ৰদান নকৰিলে গ্ৰাহকে তেওঁৰ ধন প্ৰাপ্তিৰ ক্ষেত্ৰত হোৱা ক্ষয়-ক্ষতিৰ বাবে বেংকাৰজনক দায়বদ্ধ কৰিব পাৰিব। গ্ৰাহকৰ সমান্তৰালকৈ চেকৰ মান্যতা সুৰক্ষিত কৰিবৰ বাবে আদায়কাৰী বেংকাৰে গ্ৰাহকৰ চেকৰ বিপৰীতে ধন পৰিশোধ কৰোতে তলত দিয়া আগতীয়া সাৱধানতাবিলাক অৱলম্বন কৰিব লাগেঃ

১। **চেকৰ গঠন (form)ৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** চেক সঠিক গঠনত থাকিব লাগে। যদিও একোখন চেকৰ গঠন কেনেকুৱা হ'ব লাগে সেই সম্পৰ্কে Negotiable Instruments Actত নিৰ্দিষ্ট কৰা নাই, বেংকসমূহে গ্ৰাহকৰ ব্যৱহাৰৰ বাবে ছপা চেক প্ৰদান কৰে। দৰাচলতে, গ্ৰাহকে একাউণ্ট চলোৱাৰ নিয়মসমূহ বেংকে নিৰ্দিষ্ট কৰি দিয়ে। নিৰ্ধাৰিত ৰূপত নাথাকিলে একোখন চেকৰ মান্যতা অগ্ৰাহ্য কৰিবলৈ বেংকসমূহে অধিকাৰ সংৰক্ষিত ৰাখে। এনেকুৱা ঘটনাবিলাকত বেংকসমূহে একোখন চেকক মান্যতা প্ৰদান নকৰিব পাৰে, যদিহে সেই চেক নিৰ্ধাৰিত গঠনত নাথাকে। এনেধৰণৰ যিকোনো নিয়ম নাথাকিলে বেংকে চেকক মান্যতা প্ৰদান কৰিব লাগিব, যদিও তেনে চেক সঠিক ৰূপত নাথাকে, যদিহে ই একোটা চৰ্তহীন ব্যৱস্থাৰ ক্ষেত্ৰত সংঘটিত হয় আৰু ই অন্য চৰ্তাৱলী পূৰণ কৰে।

২। **তাৰিখ (date)ৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** একোখন চেকত আহিলাত উল্লেখ থকা অনুসৰি এটা তাৰিখ নিশ্চিতভাৱে থাকিব লাগে। তাৰিখটো সম্পূৰ্ণ হ'ব লাগিব। ইয়াত দিন, মাহ আৰু বছৰ উল্লেখ থাকিব লাগিব। এই তাৰিখ চেকখনক কাৰ্যকৰী কৰিবৰ বাবে আৱশ্যকীয়। অৱশ্যে, তাৰিখ নথকা একোখন চেক ম্যাদবিহীন হৈ নাযায়। চেকৰ ধাৰকজনে ধন লাভৰ বাবে ইয়াক উপস্থাপন কৰাৰ পূৰ্বে তাৰিখটো ভৰাই দিব পাৰে। কিন্তু ধন পৰিশোধৰ বাবে একোখন তাৰিখ নথকা চেক উপস্থাপন কৰা হয়, তেতিয়া বেংকাৰে ইয়াৰ ধনাদায় অস্বীকাৰ কৰিব। যদি একোখন চেক আগৰ তাৰিখৰ হয়, অৰ্থাৎ যিখন চেকত চেকখন লিখাৰ তাৰিখৰ আগৰ এটা তাৰিখ উল্লেখ থাকে, যদিহে সেই সময়ত চেকখন ম্যাদবিহীন হৈ যোৱা নাই তেন্তে ইয়াৰ বিপৰীতে ধন পৰিশোধ কৰিব পাৰে। একোখন চেকত যেতিয়া ম্যাদৰ অনুমোদিত সৰ্বাধিক সময়সীমা উকলি যোৱা এটা তাৰিখ থাকে, তেতিয়া ইয়াক কোৱা হয় ম্যাদ ওকলা চেক (stale cheque)। যদি একোখন চেক পিছৰ তাৰিখৰ, অৰ্থাৎ এতিয়াও আহিবলগীয়া একোটা তাৰিখ যদি ইয়াত থাকে, তেতিয়া বেংকাৰে ইয়াৰ সঠিক তাৰিখ অনুসৰিহে ইয়াক মান্যতা প্ৰদান কৰিব লাগে।

৩। **পৰিমাণ (amount)ৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** পৰিশোধ কৰিবৰ বাবে উত্থাপিত চেকৰ ধনৰ পৰিমাণ আখৰ আৰু সংখ্যা দুয়োটাতে উল্লেখ থাকিব লাগে আৰু দুয়োটাৰে পৰস্পৰৰ মাজত মিল থাকিব লাগে।

৪। **গ্ৰাহকৰ পুঁজি (funds)ৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** চেকৰ বিপৰীতে পৰিশোধ কৰিবৰ বাবে গ্ৰাহকৰ একাউণ্টত পৰ্যাপ্ত পুঁজি থাকিব লাগে। যদি একাউণ্টত থকা পুঁজি একোখন চেকক মান্যতা দিবৰ বাবে পৰ্যাপ্ত নহয়, আদায়কাৰী বেংকাৰে তেতিয়া ইয়াক ওভতাই দিব পাৰে। সেয়ে, একোখন চেকক মান্যতা প্ৰদান কৰাৰ পূৰ্বে বেংকাৰে তেওঁৰ গ্ৰাহকৰ একাউণ্টৰ বৰ্তমানৰ স্থিতি পৰীক্ষা কৰিব লাগে। বেংকে চেকৰ ক্ৰম অনুসৰি লাভ কৰা ৰচিদৰ ভিত্তিত পৰিশোধ কৰিব লাগে। সেই অনুসৰি, প্ৰথমে লাভ কৰা চেকৰ ধন প্ৰথমে পৰিশোধ কৰিব লাগে। এই ক্ষেত্ৰত চেকবিলাকৰ জাৰি কৰাৰ তাৰিখ বা ক্ৰমিক নম্বৰৰ গুৰুত্ব নাথাকে। সেয়ে, পৰ্যাপ্ত পুঁজি নাথাকিলে, চেকবিলাক বেংকে লাভ কৰা ক্ৰম অনুসৰি পুঁজিৰ পৰিসৰত থকা চেক পৰিশোধ কৰিব লাগে আৰু বাকীবিলাকক মান্যতা প্ৰদান কৰিব নালাগে।

৫। **বিষয়বস্তুৰ সাল-সলনিৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** বিষয়বস্তু সাল-সলনি হৈ থকা চেকৰ ক্ষেত্ৰত আদায়কাৰী বেংকে ধন পৰিশোধ কৰিব নালাগে। একোখন চেকত বিষয়বস্তু সাল-সলনি হৈ থাকিলে ইয়াৰ মৌলিক চৰিত্ৰ প্ৰভাৱিত হয়। উদাহৰণস্বৰূপে— তাৰিখৰ সাল-সলনি, পৰিশোধৰ স্থান, পূৰণ চিন, পৰিমাণ ইত্যাদিৰ ক্ষেত্ৰত হোৱা সাল-সলনি। বিষয়বস্তুৰ সাল-সলনি হৈ থকা কোনো চেকৰ বিপৰীতে যদি ধন পৰিশোধ কৰা হয় তেতিয়া ধন লওঁতা (drawer)ৰ ওচৰত বেংকাৰজন দায়বদ্ধ হ'ব। অৱশ্যে, কেৱল তলত দিয়া পৰিস্থিতিবিলাকত তেওঁ দায়বদ্ধতাৰ পৰা মুক্ত হ'বঃ

- যুক্তিসংগত যতন, ব্যৱস্থা আৰু পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা উক্ত সাল-সলনি ধৰা পেলাব নোৱাৰিলে।
- যথাবিহিত প্ৰক্ৰিয়াৰ মাজেৰে ধন পৰিশোধ কৰা হ'লে।

৬। **ধন লওঁতাৰ (drawer's) স্বাক্ষৰৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** বেংকাৰৰ নথিত ৰাখি থোৱা নমুনা স্বাক্ষৰৰ সৰিশেষৰ সৈতে ধন লওঁতাৰ স্বাক্ষৰৰ সত্যাসত্য পৰীক্ষা কৰাটো আদায়কাৰী বেংকাৰৰ এটা গুৰুত্বপূৰ্ণ কাম। নমুনা স্বাক্ষৰৰ সৈতে চেকত থকা ধন লওঁতাৰ স্বাক্ষৰ একে বুলি নিশ্চিত হোৱাৰ পিছতহে ধন পৰিশোধ কৰিব লাগে। যেতিয়া যুটীয়া একাউণ্ট (joint account) থাকে, তেতিয়া চেকত থকা দুয়োটা বা সকলো স্বাক্ষৰ সত্য হ'ব লাগিব। যিকোনো এটা স্বাক্ষৰ যদি ভুৱা হয়, তেতিয়া বেংকে ধন পৰিশোধ কৰিব নালাগে।

৭। **খণ্ডিত চেকৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** দুটা বা অধিক টুকুৰাত যেতিয়া একোখন চেক ফাটি যায় তেতিয়া ইয়াক খণ্ডিত (muti-lated) চেক বোলা হয়। এনেধৰণৰ খণ্ড খণ্ড হোৱাটো ইচ্ছাকৃত নহয় বুলি পতিয়ন নোযোৱালৈকে আৰু এই ক্ষেত্ৰত ধন লওঁতাৰ পৰা নিশ্চয়তা লাভ নকৰা পৰ্যন্ত বেংকাৰে এনে চেকৰ বিপৰীতে ধন পৰিশোধ কৰিব নালাগে।

৮। **বেংক সেৱাৰ সময়ৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** বেংক সেৱাৰ সময়ছোৱাত পৰিশোধৰ বাবে উত্থাপন কৰা চেকবিলাকৰ বিপৰীতে বেংকাৰে ধন পৰিশোধ কৰিব লাগে। বেংক সেৱাৰ সময়ৰ পিছত উত্থাপন কৰা চেকৰ বিপৰীতে কৰা যিকোনো ধনাদায় যথাবিহিত প্ৰক্ৰিয়া অনুসৰি কৰা পৰিশোধ হিচাপে গণ্য নহয় আৰু যদিহে এনে পৰিশোধৰ ক্ষেত্ৰত গ্ৰাহকে আপত্তি দৰ্শাই অথবা তেনেকুৰা আন কিছুমান ঘটনা সংঘটিত হয় তেতিয়া বেংকাৰে গ্ৰাহকৰ একাউণ্টৰ পৰা ধন কৰ্তন কৰিব নোৱাৰে।

৯। **পূৰণ চিনেৰে কটাৰ ক্ষেত্ৰত আগতীয়া সাৱধানতা ঃ** যদি চেকখন পূৰণ চিনেৰে কটা থাকে, তেতিয়া ইয়াক কাউণ্টাৰত পৰিশোধ কৰিব নালাগে কিন্তু একোটা সংগ্ৰহকাৰী বেংকাৰ (collecting banker)ৰ জৰিয়তে পৰিশোধ কৰিব লাগে। যদি এই ক্ষেত্ৰত অৱজ্ঞাসূচকভাৱে ধন পৰিশোধ কৰা হয় তেতিয়া বেংকাৰে বিধিগত সুৰক্ষা লাভ নকৰিব।

১২.৫ চেকৰ মান্যতা বিঘ্নিত হ'লে উদ্ভৱ হোৱা পৰিস্থিতি

একোজন আদায়কাৰী বেংকাৰে তেওঁৰ গ্ৰাহকৰ বাধ্যবাধকতাক মান্যতা প্ৰদান কৰিবলৈ বিধিগতভাৱে বাধ্য। তেওঁৰ গ্ৰাহকৰ সৈতে থকা চুক্তিবদ্ধ সম্পৰ্কৰ অধীনত তেনে কৰিবলৈ তেওঁ বাধ্য। একোখন চেকক ভুলবশতঃ মান্যতা প্ৰদান নকৰিলে বেংকাৰৰ ওপৰত বেয়া প্ৰভাৱ পৰিব। অৱশ্যে, তলত দিয়া পৰিস্থিতিবিলাকত চেকৰ ধন পৰিশোধ কৰিবলৈ নিশ্চিতভাৱে অস্বীকাৰ কৰিব পাৰেঃ

১। **ওলোটা নির্দেশনা (countermanding) ঃ** ওলোটা নির্দেশনা বা countermanding হৈছে একোটা বেংকৰ গ্ৰাহকে তেওঁ জাৰি কৰা কোনো এখন নির্দিষ্ট চেকক মান্যতা প্ৰদান নকৰিবলৈ বেংকক দিয়া নির্দেশনা। যেতিয়া এনে নির্দেশনা লাভ কৰে, তেতিয়া বেংকাৰে তেনে চেকৰ বিপৰীতে পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰিব।

২। **অপর্যাপ্ত পুঁজি ঃ** বেংকাৰে তেনে চেকৰ ধন পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে যি চেকৰ দাবী পূৰণ কৰিবলৈ গ্ৰাহকৰ একাউণ্টত পর্যাপ্ত পুঁজি নাথাকে।

৩। **সথিক অৱস্থাত নথকা চেক (improper cheque) ঃ** পৰিশোধৰ বাবে উপযুক্ত নোহোৱা চেকৰ বিপৰীতে বেংকাৰে ধন পৰিশোধ নকৰিব পাৰে। যেনে— ন্যাস (trust)ৰ একাউণ্টৰ পৰা ধন পৰিশোধ কৰিবলগীয়া ব্যক্তিগত চেক (personal cheque)ৰ ধনাদায়।

৪। **প্ৰধান ধন লওঁতাৰ মৃত্যু ঃ** প্ৰধান ধন লওঁতা (principal drawer) বা গ্ৰাহকৰ মৃত্যু হোৱা বুলি জাননী বা খবৰ লাভ কৰিলে তেওঁৰ একাউণ্টৰ বিপৰীতে জাৰি কৰা সকলো চেকৰ ধন পৰিশোধ কৰিবলৈ বেংকাৰে অস্বীকাৰ কৰিব লাগে। বেংকাৰে উৰা-বাতৰি বিশ্বাস কৰিব নালাগে আৰু নির্ভৰযোগ্য উৎসৰ পৰা গ্ৰাহকৰ মৃত্যুৰ সত্যাসত্য নিৰূপণ কৰিব লাগে। উত্তৰসুৰীয়ে যাৱতীয় প্ৰমাণপত্ৰ বা মৃতকৰ ইচ্ছাপত্ৰ বা প্ৰশাসনৰ পত্ৰ দাখিল কৰিলেহে সেই একাউণ্ট উত্তৰসুৰীক চলোৱাৰ অনুমতি দিব লাগে।

৫। **প্ৰধান ধন লওঁতাৰ দেউলীয়া অৱস্থা (insolvency of the principal drawer)ঃ** যিজন প্ৰধান ধন লওঁতা-গ্ৰাহক দেউলীয়া হোৱা বুলি আবেদন দাখিল কৰা হৈছে তেওঁৰ একাউণ্টৰ বিপৰীতে জাৰি কৰা সকলো চেকৰ পৰিশোধ বেংকাৰে বন্ধ কৰিব লাগে আৰু তেনে একাউণ্ট বন্ধ কৰিব লাগে আৰু ন্যায়িক প্ৰক্ৰিয়াৰ নির্দেশনা জাৰি হোৱা অনুসৰি চৰকাৰী গ্ৰহণ কৰোতা (Official Receiver)ক একাউণ্টৰ বাকী থকা ধন দিব লাগে। দেউলীয়া হিচাপে ঘোষিত হোৱা যুটীয়া একাউণ্টধাৰীৰ অংশীদাৰিত্ব নির্দিষ্ট নোহোৱা পর্যন্ত যুটীয়া একাউণ্টৰ পৰা বেংকাৰে ধন পৰিশোধ কৰিব নালাগে।

৬। **কোম্পানীৰ ঋণ পৰিশোধ (Liquidation of the Company) ঃ** কোম্পানীৰ ঋণ পৰিশোধৰ ক্ষেত্ৰত সঞ্চালকসকলে স্বাক্ষৰ কৰা চেকৰ বিপৰীতে বেংকে কোম্পানীৰ একাউণ্টৰ পৰা ধন পৰিশোধ কৰিব নালাগে, যিহেতু কোম্পানীৰ দেউলীয়া অৱস্থাৰ বাবে সঞ্চালকমণ্ডলী আৰু পৰিচালকসকলৰ ক্ষমতা ৰদ কৰা হয় আৰু সিবিলাক ঋণ পৰিশোধকাৰীলৈ স্থানান্তৰিত হয়।

৭। **অন্য পৰিস্থিতি ঃ** ওপৰত দিয়াবিলাকৰ উপৰি নিম্নোল্লিখিত পৰিস্থিতিবিলাকত বেংকাৰে ধনাদায় কৰিবলৈ অস্বীকাৰ কৰিবঃ

- যেতিয়া গ্ৰাহকে বেংকক চেক হেৰোৱা বুলি জনায়।
- একোখন চেক উত্থাপন কৰোতে ব্যক্তিজনৰ নামত ভুল থকা বুলি গ্ৰাহকে বেংকক জনায়।

- বিশ্বাস ভংগ কৰি পুঁজিৰ অপপ্ৰয়োগ হোৱাৰ বিষয়ে যেতিয়া বেংকে জানিব পাৰে।
- যেতিয়া বেংকে কোনো গ্ৰাহকৰ বাকী থকা ধনৰ কোনো এটা দায়িত্বভাৰ থকা বুলি জাননী লাভ কৰে।
- ধনাদায়ৰ বাবে চেক উপস্থাপন কৰাৰ পূৰ্বে যদিহে গ্ৰাহকে একাউণ্ট বন্ধ কৰে।
- যেতিয়া চেকখন পিছৰ তাৰিখৰ হয় আৰু ইয়াৰ নিৰ্দিষ্ট তাৰিখৰ আগতেই ধনাদায়ৰ বাবে উপস্থাপন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১। আদায়কাৰী বেংকাৰ (Paying Banker) কোন?

.....

.....

প্ৰশ্ন ২। আগতীয়া তাৰিখৰ চেক (Antedated Cheque) কোনবিলাক?

.....

.....

প্ৰশ্ন ৩। পিছৰ তাৰিখৰ চেক (Postdated Cheque) কোনবিলাক?

.....

.....

প্ৰশ্ন ৪। ম্যাদ ওকলা চেক (stale cheque) কোনবিলাক?

.....

.....

১২.৬ আদায়কাৰী বেংকাৰৰ কৰ্তব্য

১। যেতিয়া এজন বেংকাৰৰ পৰা লোৱা চেক ধনাদায়ৰ বাবে উপস্থাপন কৰা হয় তেতিয়া চেকৰ বিপৰীতে ধন পৰিশোধ কৰিব লাগে।

২। পৰ্যাপ্ত পুঁজি অনুসৰি আৰু পৰিশোধৰ ক্ষেত্ৰত আইনগত বাধা নাথাকিলে বেংকাৰে তেওঁৰ গ্ৰাহকৰ চেকক মান্যতা দিবলৈ বাধ্য।

৩। বেংক সেৱাৰ সময়ৰ ভিতৰত ধন পৰিশোধ কৰিব লাগে।

৪। আদায়কাৰী বেংকাৰে একোখন চেকৰ বিপৰীতে ধন আদায় দিওঁতে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে তেওঁৰ গ্ৰাহকৰ একাউণ্টৰ পুঁজিত কোনোধৰণৰ ক্ষয়-ক্ষতি নহয়।

৫। কাউণ্টাৰত ৰেখাংকিত চেকৰ বিপৰীতে তেওঁ ধন পৰিশোধ কৰিব নালাগে, অৰ্থাৎ যদিহে চেকবিলাক সাধাৰণতে ৰেখাংকিত হয় তেতিয়া ৰেখাংকিত চেকৰ বিপৰীতে বেংকাৰে

পৰিশোধ কৰিব লাগে অথবা বিশেষ ৰেখাংকিতৰ বাবে বিশেষ বেংকাৰে পৰিশোধ কৰিব লাগে।

এনেদৰে আদায়কাৰী বেংকাৰে Negotiable Instruments Act অনুসৰি ধন পৰিশোধ কৰিব লাগে। চেকৰ মান্যতা নিৰূপণ কৰোতে আদায়কাৰী বেংকাৰে যথোচিত ব্যৱস্থাৰে আৰু সতর্কতাৰে কাম কৰিব লাগে।

ৰেখাংকৃত চেকৰ ক্ষেত্ৰত ঃ

ধন লওঁতাই ৰেখাংকণৰ জৰিয়তে কি নির্দেশনা দিছে, সেই অনুসৰি আদায়কাৰী বেংকাৰে ধন পৰিশোধ কৰিবলৈ বাধ্য। কেৱল সংগ্রহকাৰী বেংকাৰৰ (collecting banker) জৰিয়তেহে আদায়কাৰী বেংকাৰে একোখন ৰেখাংকৃত চেক (crossed cheque)ৰ বিপৰীতে ধন পৰিশোধ কৰিব লাগে। বিশেষ ৰেখাংকণৰ ক্ষেত্ৰত চেকৰ পৰিশোধ কেৱল তেনে বেংকাৰেহে কৰিব লাগে যাৰ নাম দুডাল সমান্তৰাল ৰেখাৰ মাজত উল্লেখ কৰা থাকে। ওপৰত উল্লেখ কৰা নিয়মবিলাকৰ উলংঘা কৰি আদায়কাৰী বেংকাৰে একোখন ৰেখাংকৃত চেকৰ বিপৰীতে ধন পৰিশোধ কৰিলে ইয়াৰ দায়বদ্ধতা তলত দিয়াৰ দৰে হ'বঃ

(১) ভুল ব্যক্তিক ধন পৰিশোধ কৰা হ'লে, ইয়াৰ ফলত সৃষ্টি হোৱা যিকোনো ক্ষতিৰ বাবদ আদায়কাৰী বেংকাৰ প্রকৃত স্বত্বাধিকাৰীৰ ওচৰত দায়বদ্ধ।

(২) কোনো ভুল ব্যক্তিক ধন পৰিশোধ কৰা হ'লে, যিহেতু এই ক্ষেত্ৰত গ্রাহকৰ নির্দেশনা অনুসৰণ কৰা হোৱা নাই, সেয়ে আদায়কাৰী বেংকাৰে তেনে পৰিশোধৰ বিনিময়ত তেওঁৰ গ্রাহকৰ একাউণ্টৰ পৰা ধন কর্তন কৰিব নোৱাৰে।

১১.৭ আদায়কাৰী বেংকাৰৰ বাবে থকা বিধিগত সুৰক্ষা

একোজন আদায়কাৰী বেংকাৰৰ বিধিগত কর্তব্য অত্যন্ত দায়িত্বপূর্ণ, কিয়নো চেকৰ বিপৰীতে পৰিশোধ কৰিবলগীয়া ধন সঠিক ব্যক্তিৰ হাতত নপৰিবও পাৰে। বেংকে কোনো ভুল ব্যক্তিক ধন পৰিশোধ কৰিলে, সেই ক্ষতি বেংকাৰে ভৰিব লাগিব। বেংক সেৱাৰ কাম-কাজত বেংকাৰে তেওঁৰ গ্রাহকৰ চেকবিলাকক মান্যতা প্রদান কৰে আৰু বেংকৰ কাউণ্টাৰত চেক জমা দিয়া লোকজনৰ নাম অথবা স্থিতিৰ বিষয়ে তেওঁ কোনো অনুসন্ধান চলাব নোৱাৰে। যদি অনুসন্ধান চলোৱা হয় তেনেহ'লে সময় আৰু ধন দুয়োটা ব্যয় হ'ব আৰু সেয়ে দাবীৰ ওপৰত ভিত্তি কৰি প্রক্রিয়া অনুসৰি চেকৰ বিপৰীতে ধন পৰিশোধ কৰা হয়। Negotiable Instruments Actত আদায়কাৰী বেংকাৰক কিছুমান পৰিস্থিতি অনুসৰি সুৰক্ষা প্রদান কৰা হৈছে। এই পৰিস্থিতিবিলাক তলত উল্লেখ কৰা হ'লঃ

১। **বহনকাৰী চেক (Bearer Cheque)ৰ ক্ষেত্ৰত থকা সুৰক্ষা ঃ** Negotiable Instruments Act, 1881ৰ অনুচ্ছেদ ৮৫ (২)ত বহনকাৰী চেক বা বিয়েৰা চেকৰ ক্ষেত্ৰত সুৰক্ষা প্রদান কৰি কোৱা হৈছে যে বিয়েৰাৰ চেক সম্পূর্ণৰূপে ইয়াৰ বহনকাৰীৰ

হাতত ন্যস্ত থাকে। ই খালী (blank) বা সম্পূৰ্ণ চেকত পিঠিফালে স্বাক্ষৰ কৰা হ'ব পাৰে আৰু পৰৱৰ্তী আলোচনাৰ জৰিয়তে ইয়াক পূৰণ কৰা হ'ব বা নহ'ব পাৰে। একোখন বিয়েৰা চেক চুৰি হ'লে বা হেৰালে আৰু বেংকাৰে সেই বিষয়ে নজনাকৈ চেকখনক মান্যতা প্ৰদান কৰিলে, আইনত প্ৰদান কৰা সুৰক্ষাৰ অধীনত বেংকাৰক তেওঁৰ কৰ্তব্যৰ পৰা বৰ্খাস্ত কৰা হ'ব। এনে ক্ষেত্ৰত, আদায়কাৰী বেংকাৰে বিয়েৰাৰ চেকৰ পিঠিফালে থকা স্বাক্ষৰ পৰীক্ষা কৰিব নালাগে।

২। **চেকৰ নিৰ্দেশনাৰ ক্ষেত্ৰত থকা সুৰক্ষা ঃ** পাওনাদাৰ (payee)ৰ বাহিৰে অন্য লোকক ধন পৰিশোধ কৰিলে Negotiable Instruments Actৰ অধীনত আদায়কাৰী বেংকাৰে কোনো সুৰক্ষা লাভ নকৰে। যদি চেকৰ পিঠিফালে থকা স্বাক্ষৰ সঠিক হয় আৰু যাৱতীয় প্ৰক্ৰিয়াৰ মাজেৰে পৰিশোধ কৰা হয় তেতিয়া Negotiable Instruments Act, 1881ৰ অনুচ্ছেদ ৮৫ (১)ৰ অধীনত আদায়কাৰী বেংকাৰে সুৰক্ষা লাভ কৰে।

এনেদৰে, পৰিশোধ কৰিবলগীয়া একোখন চেক পাওনাদাৰ বা তেওঁৰ হৈ সঠিকভাৱে অনুমোদিত হ'লে যাৱতীয় প্ৰক্ৰিয়াৰ মাজেৰে আদায়কাৰী বেংকাৰে ধন পৰিশোধ কৰে। অৱশ্যে, এই ক্ষেত্ৰত সুৰক্ষা লাভ কৰিবৰ বাবে দুটা চৰ্ত পূৰণ কৰিব লাগিব। সেই দুটা হৈছে— (ক) অনুমোদন স্বাক্ষৰ সঠিক হ'ব লাগিব আৰু (খ) এনেদৰে কৰা পৰিশোধৰ পৰিমাণ যথাবিহিত হ'ব লাগিব।

৩। **ৰেখাংকিত চেকৰ ক্ষেত্ৰত থকা সুৰক্ষা ঃ** Negotiable Instruments Actৰ অনুচ্ছেদ ১২৮ অনুসৰি ৰেখাংকিত চেক (crossed cheque)ৰ ক্ষেত্ৰত আদায়কাৰী বেংকাৰক বিধিগত সুৰক্ষা প্ৰদান কৰা হৈছে। আইনখনৰ এই অনুচ্ছেদত কোৱা হৈছে— 'Where a banker on whom a crossed cheque is drawn has paid the same in due course, the banker paying the cheque and (in case such cheques has come to the hands of the payee) the drawer thereof, shall respectively be entitled to the same rights and be placed in the same position in all respects, as they would respectively be placed if the amount of the cheque had been paid to and received by the true owner thereof'. আদায়কাৰী বেংকাৰ এই আইনৰ অধীনত বিধিগত সুৰক্ষা লাভৰ বাবে যোগ্যতাসম্পন্ন হয়, যদিহে (ক) বেংকাৰে যাৱতীয় প্ৰক্ৰিয়াৰ মাজেৰে ধন পৰিশোধ কৰে আৰু (খ) পূৰণ চিনৰ প্ৰয়োজনীয়তা ৰক্ষা কৰি ধন পৰিশোধ কৰা হয়, অৰ্থাৎ সাধাৰণ পূৰণ চিনৰ ক্ষেত্ৰত যিকোনো বেংকাৰৰ জৰিয়তে ধন পৰিশোধ কৰিলে আৰু বিশেষ পূৰণ চিনৰ ক্ষেত্ৰত বিশেষ বেংকাৰৰ জৰিয়তে ধন পৰিশোধ কৰা হয়।

৪। **ক্ষয়প্ৰাপ্ত চেকৰ ক্ষেত্ৰত থকা সুৰক্ষা ঃ** Negotiable Instruments Actৰ অনুচ্ছেদ ৮৯ত ক্ষয়প্ৰাপ্ত চেকৰ ক্ষেত্ৰত বেংকাৰক সুৰক্ষা প্ৰদান কৰা হৈছে। এই অনুচ্ছেদ অনুসৰি যেতিয়া কোনো এখন চেকত কৰা ৰেখাংকণ চিন অসৎ লোকে মচি পেলায়, তেতিয়া

আদায়কাৰী বেংকাৰে সুৰক্ষা লাভ কৰিব যদিহে তেওঁ চেকত স্পষ্ট হোৱা নির্দেশনা অনুসৰি আৰু যাৱতীয় প্ৰক্ৰিয়াৰ মাজেৰে ধন পৰিশোধ কৰে।

৫। **একোটা বেংকৰ এটা কার্যালয়ৰ ড্রাফ্ট একেটা বেংকৰ আন এটা কার্যালয়ে জাৰি কৰাৰ ক্ষেত্ৰত থকা সুৰক্ষা ঃ** একোখন ড্রাফ্ট চেক নহয়, কিন্তু বেংকৰ সুৰক্ষাৰ বাবে ইয়াক চেক হিচাপে গণ্য কৰা হয়। Negotiable Instruments (Amendment) Act, 1930ৰ অনুচ্ছেদ ৮৫ (এ) অনুসৰি এটা বেংকৰ এটা কার্যালয়ে আন এটা কার্যালয়ৰ ড্রাফ্ট উলিয়ালে আদায় কৰোতা (drawee) বেংকাৰক তেনে ড্রাফ্টৰ ক্ষেত্ৰত বিধিগত সুৰক্ষা প্ৰদান কৰা হয়। আইনখনৰ এই অনুচ্ছেদত কোৱা হৈছে— 'Where any draft, that is an order to pay money, drawn by one office of a bank upon another office of the same bank for a sum of money payable to order on demand, purports to be endorsed by or on behalf of the payee, the bank is discharged by payment in due course'.

১২.৭.১ বিধিগত সুৰক্ষাৰ বাবে থকা চর্তাৱলী

১। ভুলবশতঃ অনুমোদনৰ স্বাক্ষৰ থকা চেকৰ ক্ষেত্ৰতহে বেংকাৰক সুৰক্ষা প্ৰদান কৰা হয়।

২। যদি আদায় কৰোতাৰ স্বাক্ষৰ ভুৱা হয়, তেনে ক্ষেত্ৰত ই বেংকাৰক কোনো সুৰক্ষা প্ৰদান নকৰে।

৩। যাৱতীয় প্ৰক্ৰিয়াৰ মাজেৰে ধন পৰিশোধ কৰা হ'ব লাগিব।

১২.৮ ভুলবশতঃ চেকৰ বিপৰীতে কৰা পৰিশোধ

একোখন চেকৰ বিপৰীতে ধন পৰিশোধ কৰাৰ পূৰ্বে বেংকাৰে সম্পূৰ্ণ যতন ল'ব লাগে। ধন পৰিশোধ কৰাৰ পূৰ্বে চেকৰ সত্যতা নিৰূপণ কৰিব লাগে। যদিহে ভুলতে বেঠিক চেকত ধন পৰিশোধ কৰা হয় তেতিয়া এনেদৰে ধন লওঁতাৰ পৰা আদায়কাৰী বেংকাৰে সেই ধনৰাশি ওভতাই আনিব পাৰে। এনেকুৱা হ'লে ভুল ধৰা পেলোৱাৰ আগতে আদায়কাৰী বেংকাৰৰ অসুবিধা হোৱাকৈ ধন আদায় লওঁতাৰ অৱস্থানৰ পৰিৱর্তন নোহোৱা দৰকাৰ। এনেকুৱা হ'লে, ধন আদায় লওঁতাই বেংকাৰৰ পৰা ভুলবশতঃ ধন লোৱা কথাটো বিবেচনা কৰিব লাগিব আৰু আদায় দিওঁতাক সেই ধন ওভতাই দিব লাগিব। এইটো নির্ভৰ কৰে Doctrine of Equityৰ ওপৰত।

তলত দিয়া পৰিস্থিতিবিলাকত ভুলবশতঃ পৰিশোধ কৰা ধন ওভতাই আনিব পাৰিঃ

১। **অকর্তৃত্বশীল লোকে লোৱা ধন ওভতাই আনিব পাৰি ঃ** অশুভ বিশ্বাসৰ ওপৰত ভিত্তি কৰি ভুলবশতঃ কোনো লোকক ধন দিয়া হ'লে, সেই ধন তেওঁ পাবৰ যোগ্য নহয় বুলি জানিলে, বেংকাৰে তেনে ধনৰাশি ওভতাই আনিব পাৰে।

২। **ভুল তথ্যৰ ভিত্তিত পৰিশোধ কৰা ধন ওভতাই আনিব পাৰি ঃ** যদি তথ্য বিভ্ৰান্তি ঘটে আৰু তাৰ আধাৰত পৰিশোধ কৰা হয়, তেন্তে তেনে ধন ওভতাই আনিব পাৰি। উদাহৰণস্বৰূপে, এজন বেংকাৰে যদি 'খ' বুলি ভাবি 'ক'ক ধন পৰিশোধ কৰে, তেনেহ'লে পক্ষ চিনাক্তকৰণৰ ক্ষেত্ৰত এইটো এটা বিভ্ৰান্তি। তেনে ক্ষেত্ৰত 'ক'ই বেংকাৰক ধনখিনি ওভতাই দিয়াটো বিধিগত কৰ্তব্য।

৩। **আদায় দিওঁতা পক্ষ আৰু গ্ৰহণ কৰোতা পক্ষৰ মাজত হোৱা ভুল ঃ** যদি ধন আদায় দিওঁতা পক্ষ আৰু ধন গ্ৰহণ কৰোতা পক্ষৰ মাজত ভুল সংঘটিত হয়, তেতিয়া সেই ধন ওভতাই আনিব পাৰি। উদাহৰণস্বৰূপে, ধন দিওঁতাৰ একাউণ্টত পৰ্যাপ্ত পৰিমাণ নথকা সত্বেও এজন বেংকাৰে ভুলতে ধন লওঁতা 'ক'ক এখন চেক পৰিশোধ কৰিলে। এনে পৰিস্থিতিত, ভুলতে পৰিশোধ কৰা ধনৰাশি বেংকাৰজনে ওভতাই আনিব নোৱাৰে, কিয়নো এই ভুল ধন পৰিশোধ কৰা পক্ষ (banker) আৰু ধন গ্ৰহণ কৰোতা পক্ষ (ক)ৰ মাজত হোৱা নাই, এই ভুল হৈছে বেংকাৰ আৰু ধন দিওঁতা (drawer)ৰ মাজত।

উদাহৰণস্বৰূপে, যদি চেকখন ৫৮০টকাৰ হয় আৰু যদি ভুলতে বেংকাৰে ৮৫০টকা পৰিশোধ কৰে, তেতিয়া তেওঁ অতিৰিক্ত ধনৰাশি ধন লওঁতাই বেংকৰ চৌহদ ত্যাগ কৰাৰ পূৰ্বে ওভতাই ল'ব পাৰে। যদি ধন লওঁতাজনে বেংকৰ চৌহদ ত্যাগ কৰে তেতিয়া বেংকাৰজনে এই কথা প্ৰমাণ কৰিব লাগিব যে অতিৰিক্ত ধন থকা বুলি জানিও ধন লওঁতাই সেই ধনৰাশি গ্ৰহণ কৰিছে।

নিম্নোল্লিখিত পৰিস্থিতিত, ভুলবশতঃ পৰিশোধ কৰা ধন ওভতাই আনিব নোৱাৰিঃ

১। যদি ই সাধাৰণ আইনৰ সৈতে সম্পৰ্কত থকা ভুল হয়।

২। যদিহে প্ৰতিনিধিজনে প্ৰধানজনৰ হৈ ধনৰাশি গ্ৰহণ কৰে আৰু সেই ধন তেওঁৰ প্ৰধানজনক ওভতাই দিয়ে।

৩। নিৰ্ধাৰিত তাৰিখৰ ক্ষেত্ৰত পৰিপূৰ্ণ হোৱাৰ আগতেই যদিহে বেংকে ভুলবংশতঃ 'বিল অফ এক্সচেঞ্জ' পৰিশোধ কৰে।

৪। যদিহে ধাৰকক বিশ্বাসৰ ভিত্তিত ধন পৰিশোধ কৰ হয় আৰু কিছু সময়ৰ ব্যৱধানৰ মাজত ধাৰকে বিশ্বাসৰ ভিত্তিত সেই ধনৰাশি গ্ৰহণ কৰে আৰু পৰৱৰ্তী সময়ত অৱস্থান সলনি কৰে। আন কথাত ক'বলৈ গ'লে, একোটা বুজা-বুজিৰ চৰ্তৰ আধাৰত ধন পৰিশোধ কৰা হ'লে যুক্তিসংগত বিলম্ব হোৱাৰ পিছত তেনে ধন ওভতাই আনিব নোৱাৰি।

এনেদৰে ভুলবশতঃ পৰিশোধ কৰা ধন ওভতাই অনাটো প্ৰকৃত পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল।

১২.৯ অন্য স্থানৰ হিচাপ-পত্ৰ (Domiciled Bills) পৰিশোধ

যেতিয়া একোজন আদায় লওঁতা (drawee)ই তেওঁৰ ব্যৱসায়ৰ স্থান অথবা ব্যক্তিগত ঠিকনাৰ বাহিৰৰ আন কোনো স্থানৰ হিচাপ-পত্ৰ বা 'বিল অফ এক্সচেঞ্জ' গ্ৰহণ কৰে, তেতিয়া

তেনে বিলক কোৱা হয় পৰিশোধৰ স্থানৰ হিচাপ বা domiciled bills। একোজন বেংকাৰে তেওঁৰ সৈতে অন্য স্থানৰ 'বিল' পৰিশোধ কৰিবলগীয়া চুক্তি প্ৰযোজ্য নহ'লে গ্ৰাহকৰ বাবে কোনোধৰণৰ পৰিশোধ কৰিবলগীয়া নহয়।

সাধাৰণতে, বেংকাৰসকলে কোনো গ্ৰাহকৰ হৈ অন্য স্থানত 'বিল' পৰিশোধ কৰিবৰ বাবে চুক্তিবদ্ধ হোৱাৰ পূৰ্বে গ্ৰাহকৰ পৰা একোটা বাধ্যবাধকতা আহৰণ কৰে। এই বাধ্যবাধকতাৰ ভিতৰত আছে অন্য স্থানৰ হিচাপ-পত্ৰ বা domiciled billsত ভুৱা অনুমোদনৰ স্বাক্ষৰ থাকিলে গ্ৰাহকে বেংকাৰক তাৰ বাবে জগৰীয়া কৰিব নোৱাৰিব।

যিবিলাক হিচাপ-পত্ৰ বা 'বিল' পৰিশোধৰ ক্ষেত্ৰত বেংকে বিশেষ পৰিশোধকাৰী হিচাপে (domiciliary agent) কাম কৰে, তেনে পৰিশোধ হৈছে প্ৰধানজনৰ পৰা লাভ কৰা নিৰ্দেশনা অনুসৰি প্ৰধান পৰিশোধকৰ্তাৰ হৈ বেংকে কাৰ্যকৰী কৰা ব্যৱস্থা, এনে নিৰ্দেশনাৰ ভিতৰত আছেঃ

- হিচাপ-পত্ৰৰ ধাৰক (bill holder)ৰ পৰা 'বিল অফ এক্সচেঞ্জ'ৰ প্ৰাপ্তি
- 'বিল অফ এক্সচেঞ্জ'ৰ ভিত্তিত পৰিশোধ কৰা
- 'বিল'ৰ ধন সম্পূৰ্ণ পৰিশোধ হোৱাৰ পিছত বিল পৰিশোধকৰ্তাক বিল হস্তান্তৰ কৰা।

সাধাৰণ বিল (ordinary bill) আৰু হস্তান্তৰ বিল (transfer bill) উভয়ৰে বাবে বিশেষ পৰিশোধকাৰী হিচাপে (domiciliary) একোটা বেংকক নিযুক্ত কৰিব পাৰি।


যদি ধন আদায় দিওঁতাই কোনো বিশেষ পৰিশোধকাৰী (domiciliary) নিৰ্দিষ্ট কৰি নিদিয়ে, তেতিয়া গ্ৰহণযোগ্যতাৰ ভিত্তিত পৰিশোধকাৰীয়ে ইয়াক নিযুক্ত কৰিব পাৰে। অৱশ্যে, পৰিশোধকাৰীয়ে পৰিশোধৰ স্থান সলনি কৰিব নোৱাৰে। বিল প্ৰাপ্তিৰ ওপৰত পৰিশোধৰ স্থান পৰিৱৰ্তন কৰাটো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাৰ সৈতে সমান। যদি 'বিল অফ এক্সচেঞ্জ' পৰিশোধকাৰীৰ বাসস্থানত পৰিশোধ কৰিব লাগে, তেতিয়া ইয়াৰ গ্ৰহণযোগ্যতাৰ ভিত্তিত, একে স্থানৰ (বাসস্থান) আন এটা ঠিকনা তেওঁ ক'ব পাৰে।

প্ৰধানজনৰ নিৰ্দেশাৱলীৰ ভিত্তিত পৰিশোধৰ বাবে বেংকে 'বিল অফ এক্সচেঞ্জ' গ্ৰহণ কৰিব পাৰে আৰু প্ৰধানজনৰ ব্যয় হিচাপে সিবিলাক পৰিশোধ কৰিব পাৰে। ইয়াত প্ৰধানজন ধন আদায় দিওঁতা, বিল গ্ৰহণ কৰোতা অথবা 'বিল অফ এক্সচেঞ্জ' হস্তান্তৰৰ পৰিশোধকাৰী হ'ব পাৰে।

এই নিষ্পত্তিকৰণৰ ক্ষেত্ৰত, বেংক এটা বিশেষ পৰিশোধকাৰী (domiciliary) আৰু বেংকে কেৱল তেতিয়াহে একোটা 'বিল অফ এক্সচেঞ্জ' পৰিশোধ কৰে যেতিয়া প্ৰধানজনে আগতীয়াকৈ তেওঁক বিলৰ ধনৰাশি পৰিশোধ কৰি থয়।

বিলৰ পৰিশোধ কাৰ্য সম্পন্ন কৰাৰ চৰ্তাৱলী চেকৰ ধন পৰিশোধ কৰাৰ সৈতে, বিস্তৃত হাৰত একেই। এনেদৰে, গ্ৰহণ কৰোতাৰ স্বাক্ষৰ ইত্যাদিৰ সত্যাসত্যৰ লগতে অনুমোদনৰ স্বাক্ষৰ, প্ৰক্ৰিয়াৰ যথোপযুক্ততা, সত্যতা নিৰূপণ কৰাটো বেংকাৰৰ কৰ্তব্য। ধন আদায় দিওঁতাৰ স্বাক্ষৰ সঠিক বুলি নিশ্চিত কৰাটো গ্ৰহণ কৰোতাৰ কৰ্তব্য। এনে কাম কৰোতে চুক্তিত নিৰ্দিষ্ট কৰা

প্ৰধানজনৰ নিৰ্দেশাৱলী সঠিকভাৱে কাৰ্যকৰী কৰিবলৈ বেংক দায়বদ্ধ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ Negotiable Instruments Actৰ অনুচ্ছেদ ৮৫ (১)ৰ অধীনত সুৰক্ষা লাভ কৰিবলৈ পূৰণ কৰিবলগীয়া দুটা চর্ত কি কি?

.....

.....

প্ৰশ্ন ৬ ঃ ভুলবশতঃ পৰিশোধ কৰা ধন বেংকাৰে ওভতাই আনিব পাৰেনে?

.....

.....

প্ৰশ্ন ৭ ঃ Domiciled Bill মানে কি?

.....

.....



১২.১০ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়ত আমি তলত দিয়া বিষয়বিলাক আলোচনা কৰিলো ঃ

- বেংকাৰ আৰু গ্ৰাহকৰ মাজত এটা চুক্তিবদ্ধ সম্পৰ্ক থাকে।
- দাবী অনুসৰি গ্ৰাহকক পৰিশোধ কৰাটো বেংকাৰৰ কর্তব্য।
- চেক আদান-প্ৰদান কৰোতে, আদায়কাৰী বেংকাৰে, অত্যন্ত সতর্কতাৰে আৰু আইনসংগভাৱে কাম কৰিব লাগে। তেওঁ তেওঁৰ গ্ৰাহকক চেকৰ মান্যতা প্ৰদান কৰা বা নকৰাৰ ক্ষেত্ৰত অত্যন্ত যতন ল'ব লাগে।
- আদায়কাৰী বেংকাৰে গ্ৰাহকৰ নির্দেশনা অনুসৰি গ্ৰাহকৰ একাউণ্টত থকা ধনৰাশিৰ ভিত্তিত চেকৰ বিপৰীতে ধন পৰিশোধ কৰাটো বিধিগত বাধ্যবাধকতা।
- যিহেতু বেংকসমূহত প্ৰতিদিনে হাজাৰ হাজাৰ লেন-দেন সম্পন্ন হয়, সেয়ে ভুল হৈ যোৱাটো স্বাভাৱিক। কেতিয়াবা ভুলতে একোজন বেংকাৰে নিদিবলগীয়া লোকক ধন দি দিব পাৰে, কিন্তু তেনেকুৱা হ'লে আনটো পক্ষৰ ওপৰত বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ বেংকাৰে ভুলতে পৰিশোধ কৰা ধনৰাশি ওভতাই আনিব পাৰে।
- যিবিলাক হিচাপ-পত্ৰ বা 'বিল' পৰিশোধৰ ক্ষেত্ৰত বেংকে বিশেষ পৰিশোধকাৰী হিচাপে (domiciliary agent) কাম কৰে, তেনে পৰিশোধ হৈছে প্ৰধানজনৰ পৰা লাভ কৰা নির্দেশনা অনুসৰি প্ৰধান পৰিশোধকর্তাৰ হৈ বেংকে কার্যকৰী কৰা ব্যৱস্থা।



১২.১১ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy

১২.১২ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ একোটা বুজাবুজিৰ আহিলাৰ ভিত্তিত ধন পৰিশোধ কৰা বেংকাৰক আদায়কাৰী বেংকাৰ বা paying banker বোলা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ যিখন চেকত চেক লিখাৰ আগৰ তাৰিখ উল্লেখ থাকে, সেইখনকে আগতীয়া তাৰিখৰ চেক বা ante dated cheque বোলা হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ যিখন চেকত এতিয়াও আহিবলগীয়া একোটা তাৰিখ উল্লেখ থাকে, সেইখনকে পিছৰ তাৰিখৰ চেক বা post-dated cheque বোলা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ যিখন চেকত এনে এটা তাৰিখ উল্লেখ থাকে, যিটো অনুমোদিত সৰ্বাধিক ম্যাদৰ পৰিসীমা চেৰাই গৈছে, তেনে চেকক ম্যাদ ওকলা চেক বা stale cheque বোলা হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অনুমোদনৰ স্বাক্ষৰ নিয়মীয়া হ'ব লাগিব।

(খ) যাৱতীয় প্ৰক্ৰিয়াৰ মাজেৰে ধন পৰিশোধ কৰিব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ হয়, ভুলতে পৰিশোধ কৰা ধন বেংকাৰে ওভতাই আনিব পাৰে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ Domiciled Bill of Exchange হৈছে এনে একোখন বিল বা হিচাপ-পত্ৰ য'ত পৰিশোধৰ স্থান ধন আদায় লওঁতাৰ স্থায়ী বাসস্থানৰ সৈতে একে নহয়।



১২.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়াবিলাক পৰিশোধ কৰোতে একোজন আদায়কাৰী বেংকাৰে উপভোগ কৰা বিধিগত সুৰক্ষাবিলাকৰ বিষয়ে আলোচনা কৰকঃ

(১) বিয়েৰাৰ চেক

(২) অৰ্ডাৰ চেক

(৩) ক্ৰছ চেক

প্ৰশ্ন ২ ঃ চেকৰ বিপৰীতে ধন পৰিশোধ কৰোতে একোজন আদায়কাৰী বেংকাৰে ল'বলগীয়া আগতীয়া সাৱধানতাবিলাক উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ গ্ৰাহকৰ একোখন চেকক মান্যতা দিবলৈ কি পৰিস্থিতিৰ অধীনত অস্বীকাৰ কৰিব পাৰে উল্লেখ কৰক। একোখন চেকৰ মান্যতা ভুলবশতঃ অস্বীকাৰ কৰা হ'লে বেংকাৰৰ দায়বদ্ধতা কি হ'ব, আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ একোজন আদায়কাৰী বেংকাৰৰ কৰ্তব্য আৰু দায়বদ্ধতা ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ চমু টোকা লিখকঃ

(ক) ভুলবশতঃ চেকৰ পৰিশোধ

(খ) Domiciled Bill পৰিশোধ

****

অধ্যায় ১৩ ঃ সংগ্রহকাৰী বেংকাৰৰ ক্ষেত্রত থকা বিধিগত সুৰক্ষা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সংগ্রহকাৰী বেংকাৰৰ অর্থ

১৩.৪ এজন সংগ্রহকাৰী বেংকাৰে ল'বলগীয়া আগতীয়া সাৱধানতা

১৩.৫ মূল্যৰ ধাৰক হিচাপে সংগ্রহকাৰ বেংকাৰ

১৩.৫.১ প্রভাৱ

১৩.৬ এজন প্রতিনিধি হিচাপে সংগ্রহকাৰী বেংকাৰ

১৩.৬.১ সংগ্রহকাৰী বেংকাৰৰ দ্বাৰা কৰা ৰূপান্তৰ

১৩.৬.২ ৰূপান্তৰ কৰোতে হোৱা পৰিস্থিতি

১৩.৬.৩ ৰূপান্তৰ কৰিবৰ সময়ত সংগ্রহকাৰী বেংকাৰৰ দায়বদ্ধতা

১৩.৭ সংগ্রহকাৰী বেংকাৰৰ কর্তব্য

১৩.৭.১ সংগ্রহৰ প্রক্রিয়া

১৩.৮ সংগ্রহকাৰী বেংকাৰৰ বিধিগত সুৰক্ষা

১৩.৯ অৱজ্ঞাৰ ভিত্তি

১৩.১০ অধ্যায়টোৰ পৰা আমি কি শিকিলো

১৩.১১ অধিক জানিবৰ বাবে

১৩.১২ অগ্রগতিৰ খতিয়ান

১৩.১৩ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- একোজন বেংকাৰৰ এজন সংগ্রহকাৰী বেংকাৰ হিচাপে থকা ভূমিকাৰ মৌলিক দিশসমূহ বুজিব পাৰিব
- বেংকসমূহে গ্রহণ কৰা বেংক সেৱাৰ কার্যাৱলী আৰু আগতীয়া সাৱধানতাবিলাকৰ আইনগত দিশবিলাকৰ বিষয়ে জানিব পাৰিব।

১৩.২ পৰিচয়

এজন আধুনিক বেংকাৰে তেওঁৰ গ্রাহকক প্রদান কৰা অবিচ্ছেদ্য সেৱাৰ ভিতৰত আছে গ্রাহকৰ হৈ চেক (cheque), বিনিময়ৰ হিচাপ বা বিল অফ এক্সচেঞ্জ (bill of exchange) আৰু অন্যান্য আহিলাবিলাক সংগ্রহ কৰা। বেংক সেৱাৰ অভ্যাস বৃদ্ধি পোৱাৰ লগতে পূৰণ চিন দিয়া বা ক্রছ্ড চেক (crossed cheque)ৰ ব্যাপক ব্যৱহাৰৰ লগে লগে একোজন বেংকাৰৰ বাবে চেক সংগ্রহ কৰাটো এটা গুৰুত্বপূর্ণ কাম হৈ পৰিছে, যিবিলাক কেৱল একোজন বেংকাৰেহে সংগ্রহ কৰিবলগীয়া হয়। নিজৰ গ্রাহকৰ চেক সংগ্রহ কৰোতে একোজন বেংকাৰে—

(১) এজন মূল্য ধাৰণাকাৰী, অথবা

(২) গ্রাহকৰ এজন প্রতিনিধি হিচাপে কাম কৰে।

সেয়ে, সংগ্রহকাৰী বেংকাৰৰ বিধিগত অৱস্থান সেই সক্ষমতাৰ ওপৰত নির্ভৰ কৰে, যাৰ পৰিসৰত তেওঁ চেকবিলাক সংগ্রহ কৰে। সংগ্রহকাৰী বেংকাৰে আদায় কৰোতা গৃহ বা clearing houseৰ জৰিয়তে চেকবিলাক উপস্থাপন কৰিলেও প্রভেদ নাথাকে।

১৩.৩ সংগ্রহকাৰী বেংকাৰৰ অর্থ

আন কোনো বেংকাৰৰ পৰা লোৱা একোখন চেক যেতিয়া বেংকাৰৰ এজন গ্রাহকে লয় তেতিয়া তেওঁৰ ওচৰত দুটা বিকল্প থাকে — (১) যিটো বেংকৰ পৰা লোৱা হৈছে, সেইটোত drawee নিজে অথবা তেওঁৰ প্রতিনিধিৰ জৰিয়তে ইয়াৰ ধনাদায় গ্রহণ কৰা, অথবা (২) সেই দিওঁতা বেংক drawee ৰ পৰা সংগ্রহ কৰিবৰ বাবে চেকখন তেওঁৰ নিজৰ বেংকাৰলৈ প্রেৰণ কৰা। পিছৰটোৰ ক্ষেত্রত, আন এজন বেংকাৰৰ পৰা চেকৰ ধন সংগ্রহ কৰিবলৈ দায়িত্ব দিয়া বেংকাৰজনক বোলা হয় সংগ্রহকাৰী বেংকাৰ (collectine banker)। পৰৱর্তী প্রক্রিয়াৰ বাবে তেওঁ চেকখন দিওঁতা বেংকাৰক দিয়ে আৰু সেই ধন লাভ কৰিলে লাভ কৰা ধনৰাশি গ্রাহকজনৰ খাটা বা একাউণ্টত সংযোগ কৰে।

এনেদৰে দিওঁতা বেংক (drawee bank) ৰ পৰা চেক আৰু ধনপ্রাপ্তি (credit) ৰ অন্য আহিলা সংগ্রহ কৰা কামটো কৰা বেংকাৰজনক সংগ্রহকাৰী বেংকাৰ বা collecting banker বোলা হয়।

১৩.৪ সংগ্রহকাৰী বেংকাৰে ল'বলগীয়া আগতীয়া সাৱধানতা

চেক সংগ্রহ কৰোতে একোজন সংগ্রহকাৰী বেংকাৰে তলত দিয়া আগতীয়া সাৱধানতাবিলাক গ্রহণ কৰিব লাগেঃ

১। তেওঁ কেৱল এজন গ্রাহকৰ হৈ হে চেকৰ ধন গ্রহণ কৰিব লাগে, কোনো অন্য লোকৰ হৈ নহয়।

২। তেওঁ কেৱল ৰেখাংকিত চেক (crossed cheque)হে সংগ্রহ কৰিব লাগে।

৩। তেওঁ নিজৰ গ্রাহকজনৰ এজন প্রতিনিধি হিচাপে নিজৰ সক্ষমত অনুসৰিহে চেক সংগ্রহ কৰিব লাগে, মূল্যৰ এজন ধাৰক হিচাপে নহয়।

৪। পিঠিফালে অনুমোদৰ স্বাক্ষৰ (endorsement) আৰু চেকৰ অন্য বিষয়বিলাক পুনৰীক্ষণ কৰি চেকত থকা গ্রাহকৰ নাম সতর্কতাৰে পৰীক্ষা কৰি চাব লাগে।

৫। তেওঁ অৱজ্ঞা নকৰি নিভৰযোগ্য বিশ্বাস ৰাখি কাম কৰিব লাগে।

১৩.৫ মূল্যৰ ধাৰক হিচাপে সংগ্রহকাৰী বেংকাৰ

চেক সংগ্রহত কিছু সময় লাগে, বিশেষকৈ বাহিৰৰ চেকৰ ক্ষেত্রত। দিওঁতা বেংকাৰে (drawee banker) চেকৰ ধনৰাশি প্রকৃতার্থত প্রদান কৰাৰ আগতেই যদি সংগ্রহকাৰী বেংকাৰজনে গ্রাহকৰ একাউণ্টত সেই চেকৰ ধনৰাশি সংযোজন কৰে তেওঁক সেই ধন উলিয়াই নিবলৈ দিয়ে, তেতিয়া সংগ্রহকাৰী বেংকাৰজনক এইক্ষেত্রত ইয়াৰ 'মূল্যৰ ধাৰক' (holder for value) বুলি গণ্য কৰা হয়। তেনে ক্ষেত্রত তেওঁ গ্রাহকজনৰ পৰা এনে এক চুক্তি আদায় কৰে যে চেকখনক মান্যতা প্রদান নকৰিলে তেওঁ প্রদান কৰা ধনৰাশি ওভতাই দিয়া হ'ব।

তলত দিয়া যিকোনো এটা পদ্ধতিৰে গ্রাহকক মূল্য প্রদান কৰি একোজন বেংকাৰ মূল্যৰ ধাৰক হয় ঃ

(ক) চেকৰ শক্তিৰ ওপৰত নির্ভৰ কৰি আগতীয়াকৈ ধাৰলৈ দি;

(খ) চেকখন আদায় হোৱাৰ আগতেই চেকৰ ধনৰাশিৰ ওপৰত নির্ভৰ কৰি বা ইয়াৰ আংশিক ধন একাউণ্টত বা নগদ প্রদান কৰি;

(গ) চেকৰ ধন আদায় হোৱাৰ আগতেই গ্রাহকজনে ধন ল'ব পাৰে বুলি সন্মত হৈ বা ব্যৱসায়ৰ এটা প্রক্রিয়া হিচাপে তেতিয়াই বা আগতীয়াকৈ ধন দি;

(ঘ) একোখন চলিত অভাৰড্রাফ্ট (overdraft)ৰ প্রতিশ্রুত কর্তন হিচাপে চেকখনক গণ্য কৰি; আৰু

(ঙ) সংগ্রহৰ বাবে প্রদন কৰাৰ সময়তে চেকখন হৈ কাউণ্টাৰক অতিক্রম কৰি নগদ প্রদান কৰি।

১৩.৫.১ প্রভাৱ

একোজন বেংকাৰে মূল্যৰ ধাৰক হিচাপে কাম কৰিলে, তলত দিয়া পৰিণতিবিলাকৰ উদ্ভৱ হয় ঃ

১। যদিহে অন্তিম তথা এটা অনুমোদন স্বাক্ষৰ (endorsement) ভুৱা বুলি প্রতিপন্ন হয়, তেন্তে তেওঁ চেকখনৰ প্রকৃত গৰাকীৰ ওচৰত দায়বদ্ধ হ'ব।

২। অন্তিম অনুমোদন স্বাক্ষৰকাৰী অর্থাৎ তেওঁৰ নিজৰ গ্রাহকজনৰ পৰা ধনৰাশি উদ্ধাৰ কৰাৰ অধিকাৰ সাব্যস্ত কৰে।

৩। যদি গ্রাহকজন পৰিশোধ কৰিবলৈ অক্ষম হয়, তেতিয়া বেংকাৰে নিজে সেই ক্ষতি বহন কৰিব।

৪। যদি সংগ্রহৰ বাবে প্রেৰণ কৰা চেকখন মান্যতা নিদিয়াকৈ ওভতাই দিয়া হয়, তেতিয়া সংগ্রহকাৰী বেংকাৰজনে পূর্বৰ সকলো পক্ষৰ বিৰুদ্ধে চেক মান্যতাবিহীন হোৱা সন্দর্ভত জাননী দিয়াৰ পিছত গোচৰ দিব পাৰে। অৱশ্যে, গ্রাহকক চেকৰ ধন পৰিশোধ কৰাটো ভাল বিশ্বাসৰ ওপৰত আধাৰিত হ'ব লাগিব।

১৩.৬ এজন প্রতিনিধি হিচাপে সংগ্রহকাৰী বেংকাৰ

একোজন সংগ্রহকাৰী বেংকাৰে গ্রাহকৰ প্রতিনিধি হিচাপে কাম কৰে যদিহে তেওঁ দিওঁতা বেংক (drawee bank)ৰ পৰা চেকৰ ধনৰাশি প্রকৃতার্থত আদায় পায় আৰু সেই ধন গ্রাহকৰ একাউণ্টত সংযোগ কৰে। তাৰ পিছতে গ্রাহকে চেকৰ ধন উলিয়াব পাৰে। এনেদৰে বেংকাৰজনে গ্রাহকৰ প্রতিনিধি হিচাপে কাম কৰে আৰু বাহিৰৰ বেংকৰ পৰা ধনৰাশি সংগ্রহ কৰাৰ বিনিময়ত তেওঁৰ পৰা এটা পুৰস্কাৰ বা কমিচন লয়।

নিজৰ গ্রাহকৰ এজন প্রতিনিধি হিচাপে, সংগ্রহকাৰী বেংকাৰজনে তেওঁৰ গ্রাহকৰ নাম-ঠিকনা চেকত নিলিখে। যদিহে গ্রাহকে চেকত কাৰো নাম লিখা নাই বা তেওঁ লিখা নামত বিসংগতি থাকে, তেতিয়াও সংগ্রহকাৰী বেংকাৰজনে সেই বিসংগতি আঁতৰাই চেকত ভালকৈ লিখিব নোৱাৰে। তেওঁ সংগ্রহ কৰা চেকখন তেওঁৰ গ্রাহকৰ নহ'লে, 'ধন ৰূপান্তৰ'ৰ বাবে তেওঁ দায়বদ্ধ হ'ব।

১৩.৬.১ সংগ্রহকাৰী বেংকাৰৰ দ্বাৰা ৰূপান্তৰ

ৰূপান্তৰ (conversion) মানে হৈছে অন্য লোকৰ সম্পত্তিত ভুল অথবা অবৈধ হস্তক্ষেপ (অর্থাৎ ঃ ব্যৱহাৰ কৰা, বিক্রী কৰা, দখল কৰা বা ধৰি ৰখা), যিটো তদাৰকী কৰাৰ স্বত্বাধিকাৰৰ অধিকাৰৰ সৈতে সংগতিপূর্ণ নহয়। কেতিয়াবা যিখন চেকত তেওঁৰ গ্রাহকে উল্লেখ কৰা নাম নাথাকে বা বিসংগতিপূর্ণ নাম থাকে, তেতিয়া তেনে চেকৰ ধন ভুলতে ৰূপান্তৰ কৰা বাবে বেংকাৰক ভৰিবলৈ দিয়া হয়। এনেদৰে, সংগ্রহৰ বাবে নিজৰ গ্রাহকৰ চেক গ্রহণ কৰোতে সংগ্রহকাৰী বেংকাৰজন অত্যন্ত সতর্ক হোৱা দৰকাৰ। নিজৰ গ্রাহকে চেকত লিখা নাম স্পষ্ট আৰু আসোঁৱাহমুক্ত হৈছেনে নাই সেয়া প্রতিজন বেংকাৰে চোৱাটো বাধ্যতামূলক। চেকত কোনো নাম নথকা বা ভুলকৈ নাম থকা কোনো লোকৰ হৈ বেংকাৰে প্রক্রিয়া কৰিলে, ধন ৰূপান্তৰ কার্যৰ বাবে তেওঁ দায়বদ্ধ হ'ব।

একোটা সম্পত্তিৰ প্রকৃত স্বত্বাধিকাৰীয়ে তাক ভুল লোকৰ হাতত পৰাৰ পিছত ওভতাই আনিবলৈ ৰূপান্তৰ (conversion)ৰ পৰৱর্তী নীতি গ্রহণ কৰা হয়।

গ্রাহকৰ এজন প্রতিনিধি হিচাপে কাম কৰা সংগ্রহকাৰী বেংকাৰজনে গ্রাহকে লিখি দিয়া নাম চেকত ভালকৈ লিখি দিব নোৱাৰে।

১৩.৬.২ ৰূপান্তৰ কৰাৰ পিছত উদ্ভৱ হোৱা পৰিণতি

এই ক্ষেত্রত তলত দিয় কথাকেইটাৰ ওপৰত গুৰুত্ব দিব লাগে ঃ

১। গ্রাহকৰ হৈ সংগ্রহ কৰা চেকত যাতে আসোঁৱাহপূর্ণ নাম নাথাকে।

২। অনুমোদনৰ স্বাক্ষৰ ভুৱা নোহোৱাটো নিশ্চিত কৰা।


৩। 'বুজাবুজিবিহীন' (not negotiable) পূৰণ চিন দিয়া চেকৰ ক্ষেত্রত পক্ষসমূহৰ নাম যাতে আসোঁৱাহপূর্ণ নহয়।

১৩.৬.৩ ৰূপান্তৰ কৰোতে সংগ্রহকাৰী বেংকাৰৰ দায়বদ্ধতা

দায়বদ্ধতাবিলাক তলত উল্লেখ কৰা হ'ল ঃ

১। প্রকৃত স্বত্বাধিকাৰীৰ ওচৰত সংগ্রহকাৰী বেংকাৰজন দায়বদ্ধ থাকিব আৰু যিকোনো ক্ষতি ভৰিব লাগিব।

২। সংগ্রহকাৰী বেংকাৰজনে আইনে প্রদান কৰা বিধিগত সুৰক্ষা হেৰুৱাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১। সংগ্রহকাৰী বেংকাৰ কোন?

.....

.....

প্রশ্ন ২। এজন সংগ্রহকাৰী বেংকাৰ কেনেকৈ 'মূল্যৰ ধাৰক' হয়?

.....

.....

প্রশ্ন ৩। সংগ্রহকাৰী বেংকাৰৰ দ্বাৰা ৰূপান্তৰ (conversion) মানে কি?

.....

.....

প্রশ্ন ৪। 'ৰূপান্তৰ'ৰ অন্তর্নিহিত নীতিবোৰ কি কি?

.....

.....

১৩.৭ সংগ্রহকাৰী বেংকাৰৰ কর্তব্য

নিজৰ গ্রাহকৰ প্রতি সংগ্রহকাৰী বেংকাৰে সম্পন্ন কৰিবলগীয়া কর্তব্যসমূহ হৈছে ঃ

১। চেক সংগ্রহ কৰোতে ল'বলগীয়া যতন আৰু প্রতিনিধিত্ব ঃ

একোজন সংগ্রহকাৰী বেংকাৰে তেওঁৰ ওপৰত গ্রাহকে চেকৰ ধন সংগ্রহ কৰিবলৈ আৰোপ কৰা দায়িত্ব যত্নসহকাৰে আৰু সঠিক প্রতিনিধিত্বৰে পালন কৰিব লাগে। দিওঁতা বেংক (drawee bank)ৰ পৰা এটা যুক্তিসংগত সময়সীমাৰ ভিতৰত ধনাদায়ৰ ব্যৱস্থা কৰিব লাগে। বেংক সেৱাৰ নীতি অনুসৰি যদি সংগ্রহকাৰী আৰু আদায়কাৰী বেংকাৰ একে স্থানতে থাকে, তেন্তে পিছৰ দিনাই সংগ্রহকাৰী বেংকাৰে চেক উপস্থাপন কৰিব লাগে। যদি তেওঁলোক বেলেগ বেলেগ স্থানত থাকে, তেন্তে সংগ্রহকাৰী বেংকাৰে গ্রহণ কৰাৰ পিছৰ দিনাই ইয়াক সংগ্রহকৰ বাবে পঠিয়াব লাগে। যুক্তিসংগত সময়ৰ ভিতৰত সংগ্রহকাৰী বেংকাৰে চেকখন উত্থাপন কৰিব নোৱাৰিলে, আৰু ইতিমধ্যে দিওঁতা বেংক (drawee bank) ব্যর্থ হ'লে, ইয়াৰ ফলত হোৱা ক্ষতিৰ বাবে সংগ্রহকাৰী বেংকাৰ গ্রাহকৰ ওচৰত দায়বদ্ধ হ'ব।

অৱশ্যে, সংগ্রহকাৰী বেংকাৰে নিজৰ কর্তব্য অৱহেলা নকৰাকৈ সম্পন্ন কৰিলে তেওঁ গ্রাহকৰ ওচৰত কোনো ক্ষতিৰ বাবে দায়বদ্ধ নহয়।

২। মান্যতাবিহীন কৰাৰ জাননী ঃ

চেক মান্যতাবিহীন কৰিলে, সংগ্রহকাৰী বেংকাৰজনে এক যুক্তিসংগত সময়ৰ ভিতৰত গ্রাহকলৈ নিশ্চিতভাৱে জাননী প্রেৰণ কৰিব লাগে যাতে তেওঁ আগৰ পক্ষৰ বিৰুদ্ধে পদক্ষেপ গ্রহণ কৰিব পাৰে। যদিহে বেংকাৰে গ্রাহকলৈ চেক মান্যতাবিহীন হোৱাৰ জাননী প্রেৰণ কৰাত ব্যর্থ হয়, এনে ব্যর্থতাৰ ফলত হ'ব পৰা যিকোনো হানিৰ বাবে গ্রাহক দায়বদ্ধ হ'ব। যদি দিওঁতা বেংকে (drawee bank) অনুমোদনৰ স্বাক্ষৰ নিশ্চিত কৰিবৰ বাবে চেকখন ঘূৰাই দিয়ে, তেতিয়া ইয়াক মান্যতাহীন কৰা নুবুজায়, কিন্তু এনেকুৱা ক্ষেত্রতো গ্রাহকলৈ জাননী প্রেৰণ কৰিব লাগে। যদি এনে জাননী দিয়া নহয় আৰু দ্বিতীয়বাৰো চেকখন ওভতাই দিয়ে আৰু গ্রাহকৰ ক্ষতি হয়, তেনে ক্ষতিৰ বাবে সংগ্রহকাৰী বেংকাৰজনক দায়বদ্ধ কৰিব পাৰে।

৩। এটা আগতীয়া তাৰিখত গ্রহণৰ বাবে বিল উত্থাপন ঃ

আইনৰ অনুচ্ছেদ ৬১ অনুসৰি, একোখন বিনিময়ৰ হিচাপ-পত্র বা বিল অফ এক্সচেঞ্জ গ্রহণ কৰিবই লাগিব। গ্রহণে বিলখনক এটা অতিৰিক্ত মুদ্রা প্রদান কৰে কিয়নো গ্রহণ কৰাৰ তাৰিখৰ পৰা দিওঁতা বেংক (drawee) তাৰ ওপৰত দায়বদ্ধ হৈ পৰে। তদুপৰি, চোৱাৰ পাছতে একোখন বিল অফ এক্সচেঞ্জ পৰিশোধযোগ্য হ'লে তেতিয়া পৰিপক্কতাৰ তাৰিখ (date of maturity) নির্ধাৰণ কৰিবৰ বাবে গ্রহণ কৰাটো নিশ্চিতভাৱে প্রয়োজনীয়। যদি একোজন বেংকাৰে বিল সংগ্রহ কৰাৰ দায়িত্ব লয়, তেতিয়া সোনকালে সেইবিলাক গ্রহণৰ বাবে উত্থাপন কৰাটো তেওঁৰ কর্তব্য। যিমান সোনকালে একোখন বিল উত্থাপন কৰা হয় আৰু গ্রহণ কৰোৱা হয়, ইয়াৰ পৰিপক্কতাও (maturity) আগতে হয়।

৪। পৰিশোধৰ বাবে বিল উত্থাপন ঃ

বেংকাৰে পৰিশোধৰ বাবে বিলবিলাক সঠিক সময়ত আৰু সঠিক স্থানত উত্থাপন কৰিব লাগে। যদি তেওঁ তেনে কৰাত ব্যর্থ হয় আৰু যদি গ্রাহকৰ কোনোধৰণৰ ক্ষতি হয়, তেতিয়া

বেংকাৰজন দায়বদ্ধ হ'ব। এন আই আইনৰ অনুচ্ছেদ ৬৬ অনুসৰি, একোখন বিল পৰিপক্ক হ'লে পৰিশোধৰ বাবে নিশ্চিতভাৱে উত্থাপন কৰিব লাগে। অনুচ্ছেদ ২১ অনুসৰি, দর্শন বিলবিলাক (sight bills) দাবী অনুসৰি পৰিশোধযোগ্য। অনুচ্ছেদ ২২ত কোৱা হৈছে যে বিলৰ পৰিপক্কতা হৈছে যি তাৰিখত ইয়াক পৰিশোধ কৰিব লাগে, যাৰ লগত অতিৰিক্তভাৱে তিনিটা দয়াপূর্বক দিন (days of grace) যোগ কৰা হয়। এনেদৰে এন আই আইনৰ অনুচ্ছেদ ২৩, ২৪ আৰু ২৬ত পৰিপক্কতাৰ তাৰিখ হিচাপ কৰাৰ নিয়মবিলাক দিয়া আছে।

৫। একোখন বিদেশী বিল গ্রহণ নকৰাৰ প্রতিবাদ আৰু টোকা ঃ

গ্রহণ নকৰি বা পৰিশোধ নকৰি একোখন বিল মান্যতাহীন কৰিলে, লগে লগে গ্রাহকক অৱগত কৰাটো সংগ্রহকাৰ বেংকাৰৰ কর্তব্য। সাধাৰণতে তেওঁ বিলখন গ্রাহকক ওভতাই দিয়ে। নির্দিষ্ট নির্দেশনা নাথাকিলে, মান্যতাৰহিত হোৱা বাবে লিপিবদ্ধ প্রতিবাদিত হোৱা দেশী বিলবিলাক নাপায়। যদি এনেকুৱা প্রশ্ন উত্থাপিত বিলবিলাক বিদেশী বিল হয়, তেতিয়া একোখন ৰাজহুৱা নটাৰীৰ দ্বাৰা বেংকাৰে ইয়াক প্রতিবাদিত (protested) আৰু লিপিবদ্ধ (noted) কৰিব লাগে আৰু তাৰ পিছত ইয়াক গ্রাহকজনলৈ দি দিব লাগে।

১৩.৭.১ সংগ্রহৰ পদ্ধতি

নিজৰ গ্রাহকে জমা দিয়া চেকৰ অগ্রগতিৰ তথ্য সংগ্রহ কৰোতে সংগ্রহকাৰী বেংকাৰে তলত দিয়া পদ্ধতি অৱলম্বন কৰিব লাগে ঃ

১। চেক জমা দিয়া লোকজন সেই বেংকৰ এজন গ্রাহক হ'বই লাগিব আৰু এটা একাউণ্ট থাকিবই লাগিব।

২। চেকখন এখন পূৰণ চিন দিয়া (endorsed) চেক হোৱা দৰকাৰ।

৩। যদি ইয়াক পিঠিফালে চহী কৰি অনুমোদিত কৰা হৈছে (endorsed), তেতিয়া গ্রাহকৰ এটা স্পষ্ট নাম দেখুৱাবলৈ ই এটা নিয়মীয়া অনুমোদন হ'ব লাগে।

৪। গ্রাহকৰ স্পষ্ট নামৰ ওপৰত যদি বেংকাৰজনে সন্দেহ কৰে, তেতিয়া তেওঁ এই ক্ষেত্রত সঠিক প্রমাণৰ দিহা কৰিব লাগে।

৫। যাৰ পৰা ধন উলিওৱা হয় (drawee), সেই বেংকত চেক জমা কৰোতো পলম হ'ব নালাগে।

১৩.৮ সংগ্রহকাৰী বেংকাৰৰ বিধিগত সুৰক্ষা

Negotiable Instruments Act 1981ৰ অনুচ্ছেদ ১৩১ অনুসৰি, একোজন সংগ্রহকাৰী বেংকাৰক সুৰক্ষা প্রদান কৰা হৈছে যি তেওঁৰ গ্রাহকৰ হৈ একোখন crossed cheque বা ড্রাফ্টৰ পৰিশোধ গ্রহণ কৰে। এই বিধিৰ অধীনত, যদি চেকত থকা গ্রাহকৰ নাম আসোঁৱাহপূর্ণ হয় তেন্তে পৰিশোধ কৰা ধন গ্রহণ কৰা বাবে চেকৰ প্রকৃত গৰাকীক ক্ষতিপূৰণ দিবলৈ একোজন সংগ্রহকাৰী বেংকাৰ দায়বদ্ধ নহ'ব।

এনেদৰে এন আই এক্টত ৰূপান্তৰণৰ আশংকা মূৰ পাতি লোৱাৰ বিপৰীতে সংগ্রহকাৰী বেংকাৰক বিধিগত সুৰক্ষা প্রদান কৰা হৈছে। ই হৈছে সংগ্রহকাৰী বেংকাৰক প্রদান কৰা উচ্চ অগ্রাধিকাৰ। ইয়াৰ উদ্দেশ্য হৈছে চেক সংগ্রহ কৰোতে উদ্ভৱ হ'ব পৰা ৰূপান্তৰণৰ আশংকা হ্রাস কৰা যাতে দেশৰ অর্থনীতিত বেংক সেৱা ব্যৱসায়ৰ গুৰুত্ব বৃদ্ধি পায়।

তলৰ চর্তসমূহ পূৰণ কৰিলেহে সংগ্রহকাৰী বেংকাৰে বিধিগত সুৰক্ষা লাভ কৰিব পাৰেঃ

১। ৰেখাংকিত চেক (crossed cheque) ঃ

বিধিগত সুৰক্ষা লাভ কৰিবলৈ চেকখন ৰেখাংকিত চেক হোৱাটো অত্যন্ত গুৰুত্বপূর্ণ। এই ৰেখাংকিত সাধাৰণ চিন বা বিশেষ ৰেখাংকিত হ'ব পাৰে। তদুপৰি, সংগ্রহৰ বাবে ইয়াক জমা কৰাৰ পূর্বে দিওঁতাই (drawer) নিজে এই ৰেখাংকিত লাগে। যদিহে সংগ্রহকাৰী বেংকাৰে চেকখন লাভ কৰাৰ পিছত ৰেখাংকিত তেন্তে সুৰক্ষা উপলব্ধ নহয়। তেনেক্ষেত্রত যদিহে চেকত থকা অনুমোদনত গ্রাহকৰ নাম বিসংগতিপূর্ণ বুলি প্রমাণ হয় আৰু ই ভুৱা বুলি প্রতিপন্ন হয়, তেতিয়া বেংকাৰজন দায়বদ্ধ হ'ব।

২। গ্রাহকক ধনাদায় (payment for customer) ঃ

বিধিগত সুৰক্ষা পাবৰ বাবে, সংগ্রহকাৰী বেংকাৰে গ্রাহকৰ হৈ লওঁতা (drawee) বেংকৰ পৰা ধনাদায় গ্রহণ কৰিব লাগিব। এই উদ্দেশ্যে, 'গ্রাহক' শব্দটোৱে এনে লোকক বুজাইছে বেংকাৰৰ ওচৰত যাৰ এটা একাউণ্ট আছে আৰু বেংকাৰজনৰ সৈতে যাৰ লেনদেন বেংক সেৱা ব্যৱসায়ৰ প্রকৃতি অনুসৰি হয়। সেই অনুসৰি, চেকখনৰ গ্রাহক নোহোৱা কোনো লোকে বেংকলৈ ইয়াক প্রেৰণ কৰিলে, সংগ্রহকাৰী বেংকাৰে বিধিগত সুৰক্ষা লাভ নকৰে।

৩। এজন প্রতিনিধি হিচাপে সংগ্রহ (collection as an agent) ঃ

এজন বেংকাৰে কেৱল তেতিয়াহে বিধিগত সুৰক্ষা দাবী কৰিব পাৰে যেতিয়া তেওঁ মূল্যৰ ধাৰক হিচাপে নহয় বৰং গ্রাহকৰ এজন প্রতিনিধি হিচাপে চেক সংগ্রহ কৰে। মূল্যৰ এজন ধাৰক হিচাপে (holder for value) সংগ্রহকাৰী বেংকাৰজন সেই আহিলা (চেক)ৰ এজন অধিকাৰসম্পন্ন গৰাকী হৈ পৰে।

৪। ভাল বিশ্বাস অনুসৰি আৰু অৱজ্ঞা নকৰাকৈ(In good faith and without negligence) ঃ

এই অনুচ্ছেদৰ অধীনত সুৰক্ষা লাভ কৰিবৰ বাবে, এজন সংগ্রহকাৰী বেংকাৰে নিশ্চিতভাৱে ভাল বিশ্বাস অনুসৰি কাম কৰিব লাগিব আৰু অৱজ্ঞা কৰিব নালাগিব। গ্রাহকৰ পৰা চেকখন লোৱাৰ পৰা আৰম্ভ কৰি আদায়কাৰী বেংকাৰৰ পৰা ধন লোৱালৈকে এই সমগ্র প্রক্রিয়াতে ইয়াক প্রয়োগ কৰিব লাগে।

১৩.৯ অৱজ্ঞাৰ ভিত্তি (Basis of Negligence)

নিগচিয়েবল ইনষ্ট্রুমেণ্ট্ছ এক্ট, ১৮৮১ৰ অনুচ্ছেদ ১৩১ত এই ক্ষেত্রত কোনবোৰ কামক

অৱজ্ঞা হিচাপে গণ্য কৰা হয়, সেই কথা উল্লেখ আছে। মন কৰিবলগীয়া যে এই অনুচ্ছেদৰ অধীনত যাক অৱজ্ঞা বুলি কোৱা হৈছে, সেয়া কম-বেছি পৰিমাণে কৃত্রিম, যিহেতু সংগ্রহকাৰী বেংকাৰ আৰু চেকৰ প্রকৃত গৰাকীৰ মাজত চুক্তিবদ্ধ কোনো সম্পর্ক নাথাকে। বেংকাৰজনৰ কর্তব্যই হৈছে তেওঁৰ গ্রাহকজনক উদ্দেশ্যি।

ডব্লিউ ৱাল বেংক এণ্ড কোম্পানী লিমিটেড বনাম ৱেষ্টমিনষ্টাৰ লিমিটেডৰ ক্ষেত্রত অৱজ্ঞা (negligence) শব্দৰ সংজ্ঞা এনেদৰে দিয়া হৈছিল— 'অৱজ্ঞা হৈছে এনে কাম কৰা যিটোৱে নির্দিষ্ট ঘটনাৰ ক্ষেত্রত সকলো পৰিস্থিতিতে এজন যুক্তিসংগত মানুহে কাম কৰি থাকে, নকৰাকৈ থাকিব, বা কিবা কৰিবলৈ সমর্থ নহ'ব, সেই পৰিস্থিতিবিলাকত এজন যুক্তিসংগত মানুহে যিখিনি কৰিব।' সেয়ে অৱজ্ঞাৰ ধাৰণাটো সাধাৰণতে ইয়াৰ প্রয়োগৰ ক্ষেত্রত সলনি হৈ থাকে, যাৰ বাবে, অৱজ্ঞা কেনেকৈ হয় সেই বিষয়ে নিশ্চিতভাৱে কোৱা টান।

সঠিকভাৱে বুজিবৰ বাবে, নিম্নোল্লিখিত শিৰোনামবিলাকত অৱজ্ঞাৰ বিষয়ে অধ্যয়ন কৰিব পাৰি ঃ

১। সম্পূর্ণ অৱজ্ঞা (Gross Negligence)

২। চেক সংগ্রহৰ লগে লগে সংযুক্ত হৈ থকা অৱজ্ঞা (Negligence connected with the immediate collection of cheque)

৩। আওহতীয়া ঠাইৰ ভিত্তিত হোৱা অৱজ্ঞা (Negligence under remote grounds)

৪। অৰিহণাসূচক অৱজ্ঞা (Contributory negligence)।

১। **সম্পূর্ণ অৱজ্ঞা ঃ** যদি এজন বেংকাৰ একোখন চেক সংগ্রহ কৰাৰ ক্ষেত্রত সম্পূর্ণ অসতর্ক, তেতিয়া তেওঁক সম্পূর্ণ অৱজ্ঞাৰ ভিত্তিৰ অধীনত দায়বদ্ধ কৰা হ'ব।

উদাহৰণ ঃ

(ক) **আদায়কাৰীৰ একাউণ্টৰ পৰিৱর্তে আনৰ বাবে পূৰণ চিন দিয়া 'একাউণ্ট আদায়কাৰী'ৰ চেক সংগ্রহ কৰা ঃ** একাউণ্ট আদায়কাৰীৰ পূৰণ চিনে সংগ্রহকাৰী বেংকাৰজনৰ বাবে একোটা নির্দেশনা বহন কৰে। যদি তেওঁ আদায়কাৰীজনৰ সলনি আন লোকৰ বাবে একাউণ্ট আদায়কাৰীৰ পূৰণ চিনযুক্ত চেক সংগ্রহ কৰে, তেন্তে এই কার্য সম্পূর্ণ অৱজ্ঞা হিচাপে প্রতিপন্ন হ'ব।

(খ) **অনুমোদনৰ শুদ্ধতা পৰীক্ষা কৰাত ব্যর্থতা ঃ** যদি কোনো বেংকাৰে ধনাদায় কৰিবলগীয়া চেকৰ অনুমোদন স্বাক্ষৰৰ শুদ্ধতা পৰীক্ষা কৰাত ব্যর্থ হয়, তেতিয়া তেওঁ বিধিগত সুৰক্ষা লাভ নকৰিব।

(গ) **প্রয়োজনীয় প্রতিটো স্বাক্ষৰ কর্তৃপক্ষৰ অৱস্থান পৰীক্ষা কৰাত ব্যর্থতা ঃ** যদি কোনো সংগ্রহকাৰী বেংকাৰে প্রতিটো যাৱতীয় স্বাক্ষৰৰ বিপৰীতে কর্তৃপক্ষৰ অৱস্থান পৰীক্ষা কৰাত ব্যর্থ হয়, তেতিয়া ই সম্পূর্ণ অৱজ্ঞাৰ এটা প্রমাণ বুলি গণ্য হ'ব।

২। **চেক সংগ্রহৰ লগে লগে হোৱা অৱজ্ঞা ঃ** যদি চেকৰ সন্মুখভাগত এনে এটা সতর্কীকৰণ আছে যে ধনৰ অপপ্রয়োগ হৈছে, তেতিয়া সংগ্রহকাৰী বেংকাৰে তেনে সতর্কীকৰণ

আওকাণ কৰিব নালাগে। তেওঁ কিছুমান যুক্তিসংগত তদন্ত চলাব লাগে আৰু কেতবোৰ সন্তোষজনক ব্যাখ্যা লাভ কৰাৰ পিছতহে, তেওঁ চেক সংগ্রহত অগ্রসৰ হ'ব পাৰে।

উদাহৰণ ঃ

(ক) **তদন্ত নকৰাকৈ প্রধানজনৰ একাউণ্টৰ পৰা এজেণ্টৰ ব্যক্তিগত একাউণ্টলৈ নিয়া চেক সংগ্রহ ঃ** মিডলেণ্ড বেংক বনাম ৰেকিটৰ গোচৰত, এক বিশেষ পাৱাৰ অফ এটর্নী (power of attorney)ৰ সৈতে লর্ড টেৰিংটন নামৰ এজন অধিবক্তাই, ৰেকিটৰ একাউণ্টলৈ চেক স্থানান্তৰ কৰিছিল আৰু মিডলেণ্ড বেংকৰ সহযোগত সেয়া তেওঁৰ ব্যক্তিগত একাউণ্টত পৰিশোধ কৰিছিল, মিডলেণ্ড বেংকে তেওঁৰ বাবে সেই ধন সংগ্রহ কৰিছিল। এই ঘটনাৰ ৰায়দান কৰা হৈছিল যে সঠিক তদন্ত নকৰি বেংকাৰে অৱজ্ঞা কৰিছিল, আৰু সেয়ে, তেওঁ অনুচ্ছেদ ১৩১ৰ অধীনত সুৰক্ষা পাব নোৱাৰে।

(খ) **তদন্ত নকৰাকৈ একোটা প্রতিষ্ঠান বা ফার্মক পৰিশোধ কৰিবলগীয়া চেক একোজন সঞ্চালক বা আন কোনো বিষয়াৰ ব্যক্তিগত একাউণ্টলৈ সংগ্রহ ঃ** বিৱান বনাম নেচনেল বেংক লিমিটেডৰ গোচৰৰ, বেংকাৰে ফার্মক পৰিশোধ কৰিবলগীয়া এখন চেক অংশীদাৰৰ ব্যক্তিগত একাউণ্টলৈ সংগ্রহ কৰিছিল, যাক একাউণ্টটো চলোৱাৰ কর্তৃত্ব প্রদান কৰা হৈছিল। ৰায়দান কৰা হৈছিল যে এই ক্ষেত্রত ৰূপান্তৰৰ বাবে বেংকাৰজন দায়বদ্ধ।

(গ) **তদন্ত নকৰাকৈ কোম্পানীক পৰিশোধ কৰিবলগীয়া চেক কোনো সঞ্চালক বা আন কোনো বিষয়ৰ ব্যক্তিগত একাউণ্টলৈ সংগ্রহ ঃ** আণ্ডাৰউড বনাম দ্য বেংক অফ লিভাৰপুল আৰ মার্টিন্ছৰ গোচৰত, যিহেতা বেংকাৰে এজনীয়া মানুহৰ কোম্পানীক পৰিশোধ কৰিবলগীয়া কিছুমান চেক এজন সঞ্চালকৰ একাউণ্টলৈ সংগ্রহ কৰিছিল, সেয়ে তেওঁক কর্জাখতধাৰী (debenture holder)ৰ ওচৰত কৈফিয়ৎ দিব লাগিব আৰু অৱজ্ঞা কৰিছে বুলি ৰায় দিয়া হৈছিল।

(ঘ) **নিযুক্তিকর্তাক পৰিশোধ কৰিবলগীয়া চেক নিযুক্ত কর্মচাৰীৰ ব্যক্তিগত একাউণ্টলৈ সংগ্রহ কৰাটো** এন আই এক্টৰ অনুচ্ছেদ ১৩১ৰ অধীনত অৱজ্ঞা হিচাপে প্রতিপন্ন হ'ব।

(ঙ) **ন্যাসৰক্ষী (trustee)ক পৰিশোধ কৰিবলগীয়া একোখন চেক ন্যাসৰ একাউণ্ট চলাই থকা লোকৰ ব্যক্তিগত একাউণ্টলৈ সংগ্রহ** কৰা কার্য একোজন বেংকাৰৰ অৱজ্ঞাৰ আন এটা উদাহৰণ।

৩। **আওহতীয়া স্থানৰ ভিত্তিত অৱজ্ঞা ঃ** সাধাৰণতে, কিছুমান নির্দিষ্ট পৰিস্থিতিত বেংকাৰে নির্ভৰযোগ্য হ'ব বুলি আশা কৰিব নোৱাৰি। কিন্তু, যিবিলাক স্থানক 'আওহতীয়া স্থান' বুলি চিহ্নিত কৰা হয়, সেইবিলাক স্থানত কিছুমান পৰিস্থিতিত বেংকাৰক অৱজ্ঞা কৰা বুলি কোৱা হ'ব।

উদাহৰণ ঃ


(১) অনুচ্ছেদ ১৩১ৰ অধীনত একোজন নতুন গ্রাহকৰ নিযুক্তিকর্তাৰ নাম ঠিৰাং কৰাত ব্যর্থ হ'লে অৱজ্ঞা হিচাপে প্রতিপন্ন হ'ব।

(২) একোজন নতুন গ্রাহকৰ পৰা পৰিচয়ৰ পত্র পোৱাত ব্যর্থ হ'লে অৱজ্ঞা হিচাপে গণ্য হ'ব।

(৩) দীর্ঘ সময় ধৰি দুর্বল অৱস্থাত থকা একোটা একাউণ্টলৈ বৃহৎ পৰিমাণৰ ধনৰ যোগানৰ উৎস অনুসন্ধানত ব্যর্থ হ'লে।

৪। **অসাৱধানতাবশতঃ অৱজ্ঞা ঃ** দৰাচলতে, এইটো হৈছে একোজন সংগ্রহকাৰী বেংকাৰে তেওঁৰ অৱজ্ঞা এৰাই চলিব পৰা এটা বিধান। একোজন সংগ্রহকাৰী বেংকাৰে, নিজৰ অৱজ্ঞাৰ কথা স্বীকাৰ কৰাৰ পিছতো, অসাৱধানবশতঃ হোৱা অৱজ্ঞা হিচাপে প্রতিপন্ন কৰিব পাৰে। সেয়া হৈছে, যদি সংঘটিত ক্ষতিত গ্রাহকজনৰ অৱজ্ঞা অধিক পৰিমাণে জড়িত হৈ থাকে, তেতিয়া গ্রাহকজন দায়বদ্ধ হ'ব।

এনেদৰে, বেংক সেৱাৰ আইনত 'অৱজ্ঞা' (negligence) শব্দটোৰ কোনো নির্দিষ্ট অর্থ নাই। বেংকাৰৰ স্থিতিৰ ওপৰত ভিত্তি কৰি আদালতে ইয়াৰ বিস্তৃত ব্যাখ্যা সময়ে সময়ে কৰি আহিছে। নতুন পৰিস্থিতিৰ উদ্ভৱ হ'লে ই প্রসাৰিত ৰূপত সদায় আলোচিত হ'ব পাৰে আৰু ই অত্যন্ত স্থিতিস্থাপক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ নিগছিয়েবল ইনষ্ট্রুমেণ্ট্ছ এক্ট, ১৮৮১ৰ অনুচ্ছেদ ১৩১ত কি আছে?

.....

.....



১৩.১০ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বেংকাৰ আৰু গ্রাহকৰ মাজত এটা চুক্তিবদ্ধ সম্পর্ক থাকে।
- সংগ্রহকাৰী বেংকাৰ হৈছে চেকৰ ধন দিওঁতা (payee) আৰু লওঁতা (drawee)ৰ মাজৰ সম্পর্ক অর্থাৎ আদায়কাৰী বেংকাৰ (paying banker)
- সংগ্রহকাৰী বেংকাৰে এজন মূল্যৰ ধাৰক বা গ্রাহকৰ প্রতিনিধি হিচাপে সক্ষমতা ৰাখি তেওঁৰ গ্রাহকৰ চেক সংগ্রহৰ কাম কৰে।
- আন এজন বেংকাৰৰ নামত উলিওৱা চেক সংগ্রহ কৰাৰ পূর্বে যেতিয়া এজন বেংকাৰে সেই চেকৰ ধনৰাশি পৰিশোধ কৰে তেতিয়া সংগ্রহকাৰী বেংকাৰজনক ইয়াৰ মূল্যৰ ধাৰক (holder for value) হিচাপে গণ্য কৰা হয়।
- দিওঁতা বেংকাৰ (drawee banker)ৰ পৰা প্রকৃতার্থত ধন লাভ কৰাৰ পিছত চেকৰ ধনৰাশি সংগ্রহকাৰী বেংকাৰে সেয়া গ্রাহকৰ একাউণ্টত সংযোগ কৰি গ্রাহকৰ এজন প্রতিনিধি হিচাপে কাম কৰে।

- সংগ্রহকাৰী বেংকাৰজন প্রকৃত স্বত্বাধিকাৰীৰ ওচৰত দায়বদ্ধ থাকিব আৰু ৰূপান্তৰ কৰোতে (conversion) হ'ব পৰা যিকোনো হানিৰ ক্ষতিপূৰণ দিব লাগিব।
- সংগ্রহকাৰী বেংকাৰে তেওঁৰ গ্রাহকৰ এজন প্রতিনিধি হিচাপে কাম কৰে আৰু তেওঁ কৰা ভুলৰ বাবে তেওঁৰ ওচৰত দায়বদ্ধ আৰু এই ক্ষেত্রত নিজৰ গ্রাহকৰ প্রতি সংগ্রহকাৰী বেংকাৰৰ কিছুমান কর্তব্য আছে যেনে— চেক সংগ্রহ কৰোতে সঠিক যতন লোৱা আৰু প্রতিনিধিত্ব কৰা, মর্যাদাহীন হোৱাৰ জাননী দিয়া ইত্যাদি।
- দেশৰ অর্থনীতিত বেংক সেৱাৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি আৰু বেংকাৰে চেক সংগ্রহ কৰোতে হোৱা বিভিন্ন আশংকা হ্রাস কৰিবৰ বাবে নিগছিয়েবল ইনষ্ট্রুমেণ্ট্ছ এক্টত ৰূপান্তৰৰ বিপৰীতে সংগ্রহকাৰী বেংকাৰৰ বিধিগত সুৰক্ষা প্রদান কৰা হৈছে।
- বিধিগত সুৰক্ষা লাভ কৰিবলৈ থকা প্রয়োজনীয়তাবিলাকৰ সবাতোকৈ গুৰুত্বপূর্ণটো হৈছে — বেংকাৰে চেকৰ প্রকৃত স্বত্বাধিকাৰীৰ বাবে তেওঁৰ বিধিগত কর্তব্য সম্পন্ন কৰিবই লাগিব আৰু চেকৰ প্রকৃত স্বত্বাধিকাৰীৰ স্বার্থ সুৰক্ষিত কৰি ৰাখিব লাগিব, কোনো অৱজ্ঞা নকৰাকৈ। অৱজ্ঞা বা অৱহেলা বিভিন্ন ধৰণৰৰ হ'ব পাৰে। প্রতিটো ঘটনাৰ পৰিস্থিতিৰ ওপৰত ই নির্ভৰশীল।



১৩.১১ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy

১৩.১২ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ দিওঁতা বেংক (drawee bank) ৰ পৰা চেক আৰু ধনপ্রাপ্তি (credit) ৰ অন্য আহিলা সংগ্রহ কৰা কামটো কৰা বেংকাৰজনক সংগ্রহকাৰী বেংকাৰ বা collecting banker বোলা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ দিওঁতা বেংকাৰে negligence চেকৰ ধনৰাশি প্রকৃতার্থত প্রদান কৰাৰ আগতেই যদি সংগ্রহকাৰী বেংকাৰজনে গ্রাহকৰ একাউণ্টত সেই চেকৰ ধনৰাশি সংযোজন কৰে তেওঁক সেই ধন উলিয়াই নিবলৈ দিয়ে, তেতিয়া সংগ্রহকাৰী বেংকাৰজনক এইক্ষেত্রত ইয়াৰ 'মূল্যৰ ধাৰক' (holder for value) বুলি গণ্য কৰা হয়।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰূপান্তৰ (conversion) মানে হৈছে অন্য লোকৰ সম্পত্তিত ভুল অথবা অবৈধ হস্তক্ষেপ (অর্থাৎ ঃ ব্যৱহাৰ কৰা, বিক্রী কৰা, দখল কৰা বা ধৰি ৰখা), যিটো তদাৰকী কৰাৰ স্বত্বাধিকাৰৰ অধিকাৰৰ সৈতে সংগতিপূর্ণ নহয়। কেতিয়াবা যিখন চেকত

তেওঁৰ গ্রাহকে উল্লেখ কৰা নাম নাথাকে বা বিসংগতিপূর্ণ নাম থাকে, তেতিয়া তেনে চেকৰ ধন ভুলতে হস্তান্তৰ কৰা বাবে বেংকাৰক ভৰিবলৈ দিয়া হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ 'ৰূপান্তৰ'ৰ অন্তর্নিহিত নীতি হৈছে— একোটা সম্পত্তিৰ প্রকৃত স্বত্বাধিকাৰীয়ে তাক ভুল লোকৰ হাতত পৰাৰ পিছত ওভতাই আনিবলৈ ৰূপান্তৰ (conversion)ৰ পৰৱর্তী নীতি গ্রহণ কৰা হয়। গ্রাহকৰ এজন প্রতিনিধি হিচাপে কাম কৰা সংগ্রহকাৰী বেংকাৰজনে গ্রাহকে লিখি দিয়া নাম চেকত ভালকৈ লিখি দিব নোৱাৰে।

৫নং প্রশ্নৰ উত্তৰ ঃ Negotiable Instruments Act 1981ৰ অনুচ্ছেদ ১৩১ অনুসৰি, একোজন সংগ্রহকাৰী বেংকাৰক সুৰক্ষা প্রদান কৰা হৈছে যি তেওঁৰ গ্রাহকৰ হৈ একোখন crossed cheque বা ড্রাফ্টৰ পৰিশোধ গ্রহণ কৰে।



১৩.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ কাক সংগ্রহকাৰী বেংকাৰ হিচাপে জনা যায়? এজন সংগ্রহকাৰী বেংকাৰৰ কর্তব্যৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ চেক সংগ্রহ কৰোতে একোজন সংগ্রহকাৰী বেংকাৰে ল'বলগীয়া আগতীয়া সাৱধানতাবিলাকৰ বিষয়ে উল্লেখ কৰক।

প্রশ্ন ৩ঃ ভাৰতত একোজন সংগ্রহকাৰী বেংকাৰে লাভ কৰিব পৰা বিধিগত সুৰক্ষা পোৱাৰ আগতে পূৰণ কৰিবলগীয়া চর্তবোৰ কি কি?

প্রশ্ন ৪ঃ কি পৰিস্থিতিত একোজন সংগ্রহকাৰী বেংকাৰে নিগছিয়েবল ইনষ্ট্রুমেণ্ট্ছ এক্টৰ অধীনত বিধিগত সুৰক্ষা দাবী কৰিব পাৰে? তলত দিয়া হিচাপত সংগ্রহকাৰী বেংকাৰৰ অৱস্থানৰ বিষয়ে আলোচনা কৰক ঃ

ক। মূল্যৰ এজন ধাৰক আৰু

খ। গ্রাহকৰ এজন প্রতিনিধি

প্রশ্ন ৫ঃ একোজন সংগ্রহকাৰী বেংকাৰৰ কি পৰিস্থিতিত তেওঁৰ কর্তব্যত অৱজ্ঞা কৰা বুলি গণ্য কৰা হয় চিনাক্ত কৰক।

****

অধ্যায় ১৪ ঃ বেংক অগ্রিম

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ সুস্থ ঋণদানৰ বাবে বিবেচনা কৰিবলগীয়া বিষয়সমূহ

১৪.৪ অগ্রিমৰ প্রকাৰ

- ১৪.৪.১ ঋণ
- ১৪.৪.২ নগদ ঋণ
- ১৪.৪.৩ অধিবিকর্ষ
- ১৪.৪.৪ বিল বাট্টাকৰণ

১৪.৫ সংযোজিত অগ্রিম

১৪.৬ জামিনযুক্ত আৰু জামিনবিহীন অগ্রিম

১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৮ অধিক জানিবৰ বাবে

১৪.৯ অগ্রগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেংকৰ সুস্থ ঋণদান প্রণালীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ ঋণ আৰু অগ্রিমৰ বিষয়ে জানিব পাৰিব
- জামিনযুক্ত আৰু জামিনবিহীন অগ্রিমৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ঋণৰ বাবে আগবঢ়োৱা নিৰাপত্তাৰ প্রকৃতি নির্ণয় কৰিব পাৰিব।

১৪.২ পৰিচয়

আমি প্রথম অধ্যায়ত আলোচনা কৰিছিলো যে বাণিজ্যিক বেংকে আমানত গ্রহণ কৰে আৰু ঋণ আৰু অগ্রিমৰ মাধ্যমেদি ধন প্রদান কৰে। বেংকে গ্রহণ কৰা আমানতৰ বেছি ভাগেই ঋণ আৰু অগ্রিম হিচাপে গ্রাহকক প্রদান কৰে। বেংকে প্রদান কৰা ঋণৰ ওপৰত লোৱা সুত হৈছে তেওঁলোকৰ আয়ৰ মুখ্য অংশ। বেংকে তেওঁলোকৰ জমাধনৰ পৰা ব্যৱসায়, বাণিজ্য আৰু উদ্যোগ প্রতিষ্ঠানলৈ সমল আগবঢ়াই বিত্তীয় মধ্যস্থতাকাৰী হিচাবে কাম কৰে। বাণিজ্যিক বেংকৰ ব্যৱসায় আৰু বাণিজ্যিক কাম-কাজৰ কার্যকৰীকৰণ আৰু সম্প্রসাৰণ ঘাইকৈ বেংকৰ

ঋণ প্রদান কৰা ক্ষমতাৰ ওপৰত নির্ভৰ কৰে। তথাপিও ঋণ প্রদান কৰা কার্য বিপদ মুক্ত বুলি ক'ব নোৱাৰি আৰু সেয়েহে এজন বেংকাৰে ঋণ প্রদান কৰাৰ আগতে যথেষ্ট সতর্ক হ'ব লাগে লগতে সঠিকভাৱে সাৱধানতা অৱলম্বন কৰিব লাগে। বেংক এটাই ঋণ আৰু অগ্রিম ধন প্রদান কৰাৰ ক্ষেত্রত মনত ৰাখিবলগীয়া গুৰুত্বপূর্ণ বিবেচনাসমূহ আমি এই অধ্যায়ত আলোচনা কৰিম।

১৪.৩ সুস্থ ঋণদানৰ বাবে বিবেচনা কৰিবলগীয়া বিষয়সমূহ

এজন বেংকাৰে আগধনপ্রদান কৰাৰ সময়ত বিবেচনা কৰিবলগীয়া বিভিন্ন নীতিসমূহ আমি তলত আলোচনা কৰিম।

a) **নিৰাপত্তা ঃ** ঋণ প্রদানৰ মূল নীতিটো হৈছে 'নিৰাপত্তা'। নিৰাপত্তা মানে হৈছে যেতিয়া ধৰুৱাই বা ঋণ গ্রহীতাই সুতৰ লগতে ঋণৰ ধন ওভোটাই দিয়াৰ বাবে সক্ষম হয়। নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে এজন বেংকাৰে একমাত্র স্পর্শনীয় প্রতিভূতিৰ (tangible securities) বিপৰীতে ঋণ আৰু অগ্রিম ধন প্রদান কৰা উচিত। ইয়াৰোপৰি, ঋণ অনুমোদন কৰাৰ আগতে ধৰুৱাৰ ঋণৰ ধন ওভোটাই দিয়াৰ ক্ষমতা আৰু তেওঁৰ বিত্তীয় স্থিতি ভালকৈ বিবেচনা কৰা উচিত।

b) **তাৰল্যতা ঃ** তাৰল্যতা মানে হৈছে বিনিয়োগ কৰা সম্পদৰাজিৰ মূল্যৰ একো লোকচান নোহোৱাকৈ সহজতে নগদ ধনলৈ ৰূপান্তৰ কৰিব পৰা ক্ষমতা। তাৰল্যতা সুস্থ ঋণদান নীতিৰ এটি গুৰুত্বপূর্ণ নীতি। বেংকাৰজনে ঋণৰ চুক্তি মর্মে গ্রাহকক প্রদান কৰা ঋণ আৰু ইয়াৰ ওপৰত ধার্য কৰা সুত একেলগে সময়মতে আদায় পাবলৈ নিশ্চিত হ'ব লাগে। বেংকাৰে ঋণ প্রদান কৰোতে এইটো ভালকৈ চাব লাগে যাতে বেংকৰ জমা পুঁজি দীর্ঘ সময়ৰ বাবে গ্রাহকৰ ওচৰত বন্ধ হৈ নাথাকে নহ'লে বেংকাৰে জমাকাৰীৰ চাহিদা পূৰণ কৰাত ব্যর্থ হ'ব পাৰে। বেংকাৰে যিমান দূৰ সম্ভৱ কম সময়ৰ বাবে গ্রাহকক ঋণ আৰু অগ্রিম মঞ্জুৰ কৰা উচিত যিয়ে পুঁজিৰ তাৰল্যতা নিশ্চিত কৰে।

c) **লাভ ঃ** সুস্থ ঋণদান নীতিৰ আচল উদ্দেশ্য হৈছে লাভ। বেংকৰ লাভ উপার্জনৰ মুখ্য উৎস হৈছে ঋণ আৰু অগ্রিমৰ পৰা আহৰণ কৰা সুত। বেংকে পুঁজিৰ নিয়োগ কৰি পর্যাপ্ত পৰিমাণৰ লাভ আহৰণ কৰিব লাগে যাতে আমানতকাৰীক সুদ আদায় দিব পাৰে, বেংকৰ কর্মচাৰীক দৰমহা দিব পাৰে, অন্যান্য বিভিন্ন সংস্থাপনৰ বাবে খৰচ বহন কৰিব পাৰে আৰু ইয়াৰ লগতে বেংকৰ মালিক তথা অংশধাৰকসকলকো উচিত পৰিমাণৰ লাভৰ অংশ ঘূৰাই দিব পাৰে।

d) **বিপদ-শঙ্কাৰ পৃথকীকৰণ ঃ** ঋণ আৰু অগ্রিম মঞ্জুৰ কৰাত বহুতো বিপদ-শংকা জড়িত হৈ থাকে। বেংকে সম্ভাব্য সংশয়ৰ বিপৰীতে নিজৰ স্বার্থ অক্ষুণ্ণ ৰাখিবলৈ পুঁজিৰ বিনিয়োগ বিভিন্ন খণ্ডত বিতৰণ কৰিব লাগে আৰু ঋণ আৰু অগ্রিম প্রদানৰ ক্ষেত্রত পৃথকীকৰণ নীতিটো মানি চলিব লাগে। এই নীতি অনুসৰি বেংকাৰে বিভিন্ন শাখাৰ ধৰুৱাক ঋণ আৰু অগ্রিম মঞ্জুৰ কৰাটো উচিত। ঋণৰ পৰিমাণ সদায় কম আৰু হ্রস্বকালীন সময়ৰ বাবে

প্রদান কৰিব লাগে। বেংকে কেতিয়াও বুজন পৰিমাণৰ ঋণ কোনো এজন ব্যক্তি বা এটা দলক প্রদান কৰিব নালাগে কাৰণ ধৰুৱাই কিবা কাৰণত ঋণৰ ধন বেংকক আদায় দিব নোৱাৰিলে বেংক সাংঘাটিকভাৱে ক্ষতিগ্রস্ত হ'ব পাৰে আৰু ইয়ে বেংকৰ লাভ আৰু উৎপাদনৰ ক্ষেত্রত বেয়াকৈ প্রভাৱ পেলাব পাৰে।

e) **ঋণৰ উদ্দেশ্য ঃ** বেংকে গ্রাহকৰ প্রতিটো উদ্দেশ্যত ঋণ প্রদান নকৰে। বিশেষকৈ উৎপাদনশীল কার্যত ব্যৱহাৰ হোৱাকৈ পুঁজিৰ নিৰাপত্তা আৰু তাৰল্যতা চাইহে ঋণ দিয়াটো নিশ্চিত কৰে। ঋণ আৰু অগ্রিম প্রদান কৰাৰ আগতে গ্রাহকক কি উদ্দেশ্যৰ বাবে ঋণৰ প্রয়োজন হৈছে। বেংকাৰে অনুসন্ধান কৰাটো দৰকাৰ। ঋণ লোৱাৰ আবেদন যদি উৎপাদনশীল কার্যৰ উদ্দেশ্যত হয় তেন্তে তেনে ঋণগ্রহীতাক বেছিকৈ অগ্রাধিকাৰ দিয়া হয়। কাৰণ এনে কার্যই ধৰুৱাৰ আয় আহৰণৰ ক্ষমতাত তাৎপর্যপূর্ণভাৱে প্রভাৱ পেলায় লগতে সমাজৰো কল্যাণ সাধন কৰে। ঋণৰ ধন অনা উৎপাদনশীল কার্য যেনে- সামাজিক পর্ব বা উৎসৱ নাইবা পুৰণি ঋণ আদায় দিয়াৰ বাবে আৰু অসৎ কার্য সিদ্ধিৰ বাবে দিয়া নহয়। কোনবিলাক কার্যকলাপত ঋণ আৰু অগ্রিম প্রদান কৰা হ'ব আৰু কোনবিলাক কার্যকলাপত ঋণ আৰু অগ্রিম প্রদানকৰা নহ'ব এই বিষয়ে বেংকিং ৰেগুলেচন আইনৰ ২১ ধাৰাত ভাৰতীয় ৰিজার্ভ বেংকক কার্যকলাপসমূহ সংশ্লিষ্ট কৰাৰ বাবে ক্ষমতা প্রদান কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সুস্থ ঋণদান নীতিৰ তিনিটা নীতি উল্লেখ কৰক।

.....

.....

.....

১৪.৪ অগ্রিমৰ বিভিন্ন প্রকাৰ

বাণিজ্যিক বেংকে চাৰি প্রকাৰে অগ্রিম ধন প্রদান কৰে। যেনে— (ক) প্রত্যক্ষ ঋণ, (খ) নগদ ঋণ, (গ) অধিবিকর্ষ (ঘ) বিল বাট্টাকৰণ, এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল—


১৪.৪.১ ঋণ

ঋণ হৈছে বেংকে তেওঁলোকৰ গ্রাহকক প্রদান কৰা অগ্রিম ধন। এই ঋণৰ টকা নিৰাপত্তাৰ বিপৰীতে হ'ব পাৰে নাইবা নহ'বও পাৰে। ঋণৰ ক্ষেত্রত বেংকে গ্রাহকক বা ধৰুৱাক প্রত্যক্ষভাৱে সমুদায় ঋণৰ ধন প্রদান কৰে নাইবা গ্রাহকৰ বেংকত থকা

হিচাপৰ বহীত জমা কৰি দিয়ে। ঋণৰ টকা এটা নির্দিষ্ট সুতৰ হাৰত নির্দিষ্ট সময়ৰ বাবে দিয়া হয়। এই ঋণৰ টকা কিস্তি হিচাবত নাইবা এটা নির্দিষ্ট সময়ৰ অন্তত বেংকক ঘূৰাই দিব পাৰে। ধৰুৱাই তেওঁৰ হিচাপৰ পৰা ঋণৰ টকা মোকলাই লওঁক বা নলওঁক তথাপিও সুতৰ হাৰ সম্পূর্ণ ঋণৰ টকাৰ ওপৰত দিব লাগিব।

ঋণৰ পদ্ধতি তুলনামূলকভাৱে নগদ ঋণ আৰু অধিবিকর্ষতকৈ সৰল। তদুপৰি ঋণৰ কিস্তি ঘূৰাই দিয়াৰ সময় আগতিয়াকৈ ধৰাবন্ধা থাকে সেয়ে এই ব্যৱস্থাই ধৰুৱাক বিত্তীয় নিয়ম নীতি পালন কৰাত উৎসাহিত কৰে। তথাপিও, ঋণৰ পদ্ধতি কঠিন আৰু বহুতো নথিপত্রৰ দৰকাৰ হোৱা বাবে অসুবিধাৰো কাৰণ হৈ পৰে। ঋণ দুই ধৰণৰ হ'ব পাৰে—

- **চাহিদা ঋণ (Demand Loan) ঃ** চাহিদা ঋণ বেংকৰ চাহিদা মতে পৰিশোধ কৰা হয়। এই চাহিদা ঋণ বেংকক ৩৬ মাহৰ ভিতৰত পৰিশোধ কৰিব লাগে নাইবা বেংকে যিকোনো সময়তে ঋণৰ টকা পৰিশোধ কৰিবৰ বাবে ধৰুৱাক মাতিব পাৰে। সাধাৰণতে এই ঋণৰ টকা কার্যকৰী মূলধনৰ প্রয়োজনীয়তা পূৰণৰ বাবে দিয়া হয়, যেনে— কেঁচামাল ক্রয়ৰ বাবে, হ্রস্বম্যাদী দেনাৰ পৰিশোধৰ বাবে ইত্যাদি।
- **ম্যাদী ঋণ (Term loan) ঃ** মধ্যকালীন আৰু দীর্ঘকালীন ঋণক ম্যাদী ঋণ বুলি কোৱা হয়। ম্যাদী ঋণ এবছৰতকৈ বেছি দিনৰ বাবে প্রদান কৰা হয় আৰু এই ঋণ দীর্ঘকালীন সময়তহে পৰিশোধ কৰা হয়। নতুন ব্যৱসায় স্থাপন, কাৰখানা ভৱনৰ পুনৰ নির্মাণ, আধুনিকীকৰণ, বর্তমান ব্যৱসায় গোটৰ বিস্তাৰ বা সম্প্রসাৰণ আৰু স্থায়ী সম্পত্তিত বিত্তায়ন কৰাৰ বাবে ম্যাদী ঋণ আগবঢ়োৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ ঋণৰ প্রকাৰসমূহ কি কি?

.....

.....

প্রশ্ন নং ৩ঃ সত্য নে অসত্য লিখক ঃ

(i) ঋণ হৈছে বেংকৰ পৰা লোৱা ধন।

(ii) ঋণৰ ধন সদায় সমুদায় পৰিশোধ কৰা হয়।

১৪.৪.২ নগদ ঋণ

নগদ ঋণ হৈছে ঋণদানৰ এটা নমনীয় পদ্ধতি য'ত ধৰুৱাই নিজৰ যেতিয়াই প্রয়োজন তেতিয়াই বেংকৰ পৰা ধন উলিয়াব পাৰে। নগদ ঋণ হৈছে বেংকে ধৰুৱাক

নির্দিষ্ট সময় সীমালৈকে ধন প্রদানৰ বাবে দিয়া এটি ব্যৱস্থা। নগদ ঋণ পণ বন্ধক (pledge) বা বস্তুৰ দায়বন্ধকৰ (hypothecation) ওপৰত মঞ্জুৰ কৰা হয়।

'পণ বন্ধক' (Pledge) মানে হৈছে ঋণ পৰিশোধৰ বাবে নিৰাপত্তাৰ স্বাৰ্থত দিয়া সামগ্ৰীৰ জামিন। ইয়াৰ প্ৰাথমিক উদ্দেশ্যটো হৈছে কোনো সামগ্ৰী পণবন্ধক হিচাপে ঋণদাতাক দখলীস্বত্ব দিয়া। যদি কোনো ঋণ গ্ৰহীতাই ঋণৰ টকা পৰিশোধ কৰাত ব্যৰ্থ হয়, তেন্তে ইয়ে ঋণৰ টকা ঘূৰাই পোৱাত নিশ্চিয়তা প্ৰদান কৰে। দায়বন্ধকত সামগ্ৰীৰ দখলীস্বত্ব ঋণগ্ৰহীতাৰ হাতত থাকে। বেংকে যেতিয়াই বিচাৰে তেতিয়াই সামগ্ৰীৰ গৰাকীস্বত্ব ল'ব পাৰে। গ্ৰাহকে পণবন্ধকতকৈ (pledge) দায়বন্ধকৰ (Hypothecation) ব্যৱস্থাটো বেছিকৈ পছন্দ কৰে। কাৰণ পণবন্ধক ব্যৱস্থাটোত গ্ৰাহকৰ সন্মান লাঘৱ হয় বুলি বিবেচনা কৰে।

ভাৰতৰ ব্যৱসায়িক গোষ্ঠীটোৱে ঋণ গ্ৰহণ কৰাৰবাবে আটাইতকৈ আগ্ৰহী হোৱা ব্যৱস্থাটোৱে হৈছে নগদ ঋণ ব্যৱস্থা। এই ব্যৱস্থাটো প্ৰকৃততে এটি নমনীয় ব্যৱস্থা। এই ব্যৱস্থাৰ অধীনত বেংকাৰে গ্ৰাহকক ঋণৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিয়ে আৰু গ্ৰাহকক ঋণৰ টকা উলিয়াবৰ বাবে অনুমতি প্ৰদান কৰে। নগদ ঋণৰ সীমাৰ বিপৰীতে অনুমোদিত সীমাৰ প্ৰতি লক্ষ্য ৰাখি ধৰুৱাজনক তেওঁৰ প্ৰয়োজন হোৱা মাত্ৰে টকা উলিয়াবলৈ অনুমতি দিয়া হয়। ঋণগ্ৰহীতাই যিকোনো সময়তে টকা উলিয়াব পাৰে আৰু সুতৰ হাৰ কেৱল মাত্ৰ যিমানখিনি টকা বেংকৰ পৰা উলিওৱা হয় তাৰ ওপৰতহে ধাৰ্য কৰা হয়। গোটেই ঋণৰ টকাৰ ওপৰত সুতৰ হাৰ ধাৰ্য কৰা নহয়।

নগদ ঋণ ব্যৱস্থাৰ ক্ষেত্ৰত, বেংকে ঋণ লোৱাৰ উদ্দেশ্যতকৈ ঋণগ্ৰহীতাই আগবঢ়োৱা জামিনৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। ইয়াৰ ফলত পুঁজিৰ বিনিয়োজন আন উদ্দেশ্যতো ব্যৱহাৰ হ'ব পাৰে বা বেংকৰ অজ্ঞাতে পুঁজিৰ অপব্যৱহাৰো হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ ঋণ আৰু নগদ ঋণৰ মাজত থকা দুটা পাৰ্থক্য বিচাৰি উলিওৱা।

.....


.....

১৪.৪.৩ অধিবিকৰ্ষ

অধিবিকৰ্ষ (Overdraft) হৈছে বেংকে তেওঁলোকৰ চলিত হিচাপৰ গৰাকীক আগবঢ়োৱা এটি হ্ৰস্বকালীন বিত্তীয় সাহায্য। বেংকৰ সৈতে হোৱা সহমত চুক্তিৰ ব্যৱস্থা মতে চলিত হিচাপৰ গ্ৰাহকক তেওঁৰ/তাইৰ বেংকত থকা জমাৰ পৰিমাণতকৈ অধিক

টকা আহৰণ কৰিবলৈ অনুমতি দিয়াটোৱেই হৈছে অধিবিকর্ষৰ ব্যৱস্থা। গ্রাহকে যেতিয়াই তেওঁৰ পুঁজিৰ ৰাহি হয় তেতিয়াই বেংকক পৰিশোধ কৰিব পাৰিব। অধিবিকর্ষৰ সুবিধা আদায় কৰিবলৈ গ্রাহকে বেংকক এখন লিখিত আবেদন দিব লাগিব আৰু গ্রাহকজনে এটা চলিত হিচাপ বেংকত খুলিব লাগিব। গ্রাহকে আহৰণ কৰা টকাৰ নিশ্চিত নিৰাপত্তাৰ বাবে বেংকে ধৰুৱাৰ পৰা কেতিয়াবা প্রতিশ্রুতি পত্র বা ব্যক্তিগত প্রতিভূতি লয়। গ্রাহকে আহৰণ কৰা প্রকৃত টকাৰ ওপৰতহে বেংকে সুতৰ হাৰ ধার্য কৰে কিন্তু বেংকে মঞ্জুৰ কৰা টকাৰ ওপৰত সুদৰ হাৰ ধার্য নকৰে।

অধিবিকর্ষৰ সুবিধা কম বেচি পৰিমাণে নগদ ঋণৰ ব্যৱস্থাৰ লগত একে। নগদ ঋণ আৰু অধিবিকর্ষ দুয়োটাতে ঋণদানৰ পদ্ধতি নমনীয় য'ত ঋণগ্রহীতাৰ প্রয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি ঋণ প্রদান কৰা হয়। যি কি নহওঁক নগদ ঋণৰ ব্যৱস্থা প্রকৃততে অত্যন্ত অস্থায়ী। 'অধিবিকর্ষ'ৰ ক্ষেত্রত গ্রাহকে বেংকত এটা চলিত হিচাপ খোলাটো প্রয়োজন কিন্তু 'নগদ ঋণ'ৰ ক্ষেত্রত গ্রাহকজনৰ নামত বেংকত বেলেগকৈ এটা ঋণৰ হিচাপ খুলিব লাগে। 'নগদ ঋণ' আৰু অধিবিকর্ষ দুয়োটা ব্যৱস্থাই সৰল আৰু গ্রাহকৰ হ্রস্বকালীন বিত্তীয় প্রয়োজনীয়তা পূৰণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ঋণগ্রহীতাই কোনটো ঋণদান ব্যৱস্থাৰ অধীনত নিজৰ প্রয়োজন অনুসাৰে ঋণৰ ধন উলিয়াবৰ বিকল্প ব্যৱস্থা আছে?

.....

.....

১৪.৪.৪ বিলৰ বাট্টাকৰণ

বেংকে বিনিময় বিল বাট্টাকৰণ কৰি হ্রস্বকালীন অগ্রিম মঞ্জুৰ কৰে। বেংকবোৰে তেওঁলোকৰ পুঁজিৰ এটা ভাল অংশ বিল বাট্টাকৰণত বিনিয়োগ কৰে। এই পদ্ধতি উন্নত দেশবোৰত বহুত জনপ্রিয়।

বিনিময় বিল এখন বাণিজ্যিক লেনদেনৰ পৰা উদ্ভৱ হয়। এই পদ্ধতিৰ অধীনত বেংকে গ্রাহকক অগ্রিম হিচাপে টকা পৰিশোধ কৰে অর্থাৎ দেয় তাৰিখৰ আগতে পৰিশোধ কৰে। প্রকৃত ধনৰাশিৰ পৰা সুদৰ টকা বিয়োগ কৰিলে (যাক বাট্টা বুলি কোৱা হয়) যি ধন বাকী থাকে সেই ধন খিনি গ্রাহকৰ হিচাপত জমা কৰা হয়। বাট্টাকৃত বিলখন বেংকে দেয় তাৰিখলৈকে ৰাখি থয় আৰু ম্যাদৰ তাৰিখত বিল গ্রহীতাৰ ওচৰত দাখিল কৰে। বিল বাট্টাকৰণৰ যোগেদি যেতিয়া আগধন প্রদান কৰা হয় তেতিয়া বেংকে বিল প্রস্তুত কৰোঁতাৰ লগতে বিল গ্রহীতাৰ সাধুতা, সততা আৰু বিশ্বাসযোগ্যতাৰ

ওপৰত নিজকে প্ৰতিপন্ন কৰাটো বাঞ্ছনীয়। বেংকৰ আটাইতকৈ ডাঙৰ নিৰাপত্তা হ'ল যদি দেয় তাৰিখত বিলখন অগ্ৰাহ্য হয় তেন্তে সুত আৰু অন্যান্য মাছুলৰ (other charges) সৈতে বেংকে গ্ৰাহকৰ হিচাপত ডেবিট কৰা হয়।

এই পদ্ধতিটো বিল সংগ্ৰহ কৰাৰ পৰা পৃথক হোৱাৰ মূল কথাটো হ'ল যে বিল বাট্টাকৰণৰ ক্ষেত্ৰত বেংকে বিলৰ প্ৰকৃত ধন আদায়ৰ পূৰ্বে গ্ৰাহকৰ হিচাপত জমা কৰে কিন্তু বিল সংগ্ৰহ কৰাৰ ক্ষেত্ৰত বেংকে প্ৰথমতে বিলৰ টকা সংগ্ৰহ কৰে। তাৰ পিছত সেই টকা গ্ৰাহকৰ হিচাপত জমা কৰে।

গ্ৰাহকলৈ হ্ৰস্বকালীন বিত্তীয় সাহায্য প্ৰদান কৰাৰ আন এটা পদ্ধতি হ'ল বিল ক্ৰয় কৰা। বেংকে বিলখন নিৰাপত্তা হিচাপে লৈ গ্ৰাহকলৈ 'নগদ ঋণ' নাইবা 'ঋণ' প্ৰদান কৰে।

১৪.৫ সংযোজিত আগধন

ভাৰতৰ বাণিজ্যিক বেংকসমূহে নতুনকৈ সংযোজিত ভিত্তিত আগধন প্ৰদান কৰা আৰম্ভ কৰিছে। সংযোজিত আগধনৰ ক্ষেত্ৰত বিভিন্ন বেংকসমূহ একেলগ হৈ তেওঁলোকৰ সামৰ্থ অনুসৰি বহু সংখ্যক ঋণ গ্ৰহীতাক তেওঁলোকৰ ঋণৰ প্ৰয়োজনীয়তা পূৰণ কৰে। এনেধৰণৰ ব্যৱস্থাক অংশগ্ৰহণকাৰী বিত্তায়ন (participation financing) বা যৌথ বিত্তায়ন (joint financing) বুলিও জনা যায়। সংযোজিত আগধন এটা বিশেষ আঁচনিৰ বাবে আগবঢ়োৱা হয়।

১৯৬০ চনৰ আৰম্ভণিতে সংযোজিত বেংকসমূহৰ ব্যৱস্থা আৰম্ভ হয় আৰু বিশেষকৈ ইউৰোপত এই ব্যৱস্থাই প্ৰভুত্ব বিস্তাৰ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় বেংকিং কাৰ্যকলাপত অংশগ্ৰহণ কৰিবলৈ সৰু সৰু বেংকবোৰক সক্ষম কৰি তুলিবৰ বাবে এই ব্যৱস্থাৰ আৰম্ভণি কৰা হৈছিল। সংযোজিত বেংকবোৰে (Consortium Banks) অতীতত থকাৰ দৰে ইমান সক্ৰিয় (Active) নাছিল যদিও এতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰ (U.S.) আৰু সমুদ্ৰ দেশীয় দেশবোৰত সংযোজিত আগধন ব্যৱস্থাৰ উদাহৰণ পোৱা যায়।

সংযোজিত আগধন ব্যৱস্থাত সীমিত সম্পদবোৰ হৈছে এটা সুবিধাজনক ব্যৱস্থা। বেংকৰ যিহেতু সম্পদ সীমিত গতিকে এটা বেংকে বহুত ঋণ গ্ৰহীতাৰ প্ৰয়োজনীয়তা পূৰণ কৰা সম্ভৱ নহয়। তদুপৰি বেংকবোৰে নিৰ্দিষ্ট ধৰণৰাক বুজন পৰিমাণৰ আগধন প্ৰদান কৰাত অংশগ্ৰহণ কৰি বিপদ শংকাৰ পৃথকীকৰণ কৰিব পাৰে।

১৪.৬ জামিনযুক্ত আৰু জামিনবিহীন অগ্ৰিম

ঋণৰ বিপৰীতে আগবঢ়োৱা নিৰাপত্তাৰ ওপৰত ভিত্তি কৰি ঋণ আৰু অগ্ৰিমক দুভাগত বিভক্ত কৰিব পাৰি। এয়া হ'ল জামিনযুক্ত আৰু জামিনবিহীন আগধন।


জামিনযুক্ত আগধন কিছুমান স্পৰ্শনীয় সম্পত্তি যেনে— সামগ্ৰী, ভৱন, নিৰাপত্তা বা প্ৰতিভূতি ইত্যাদিৰ ওপৰত আগবঢ়োৱা হয়। বেংকিং ৰেগুলেচন আইনৰ 5(i) (ii) ধাৰা অনুসৰি,

জামিনযুক্ত আগধন মানে হৈছে সম্পত্তিৰ নিৰাপত্তাৰ বজাৰ মূল্য ঋণৰ পৰিমাণতকৈ যিকোনো সময়তে কম হ'ব নালাগিব। তেনেকুৱা সম্পত্তিৰ নিৰাপত্তাৰ বিপৰীতেহে জামিনযুক্ত আগধন আগবঢ়োৱা হয়। জামিনযুক্ত ঋণ সাধাৰণতে বুজন পৰিমাণৰ ঋণ পাবৰ বাবে উত্তম পন্থা। জামিনবিহীন ঋণ বা আগধন মানে এনেকুৱা এটা ঋণ যিটো সুৰক্ষিত নহয়। এইবোৰৰ ভিতৰত যেনে— ক্ৰেডিট কার্ড ক্ৰয় (credit card purchases), শৈক্ষিক ঋণ (education loans), ব্যক্তিগত ঋণ (personal loans)। এই ক্ষেত্ৰত ঋণদাতাই বহু বিপদৰ সন্মুখীন হ'ব লগা হয় কাৰণ ঋণগ্ৰহীতাই ঋণৰ টকা পৰিশোধ কৰিবলৈ অপাৰগ হ'লে কোনো ধৰণৰ সম্পত্তি আদায় কৰিবলৈ সমর্থ নহয়। সেইবাবে এই ঋণ ব্যৱস্থাত সুদৰ হাৰ তুলনামূলকভাৱে বেছি।

ঋণ প্ৰদানৰ বিপৰীতে বিভিন্ন প্ৰকাৰৰ সুৰক্ষাৰ প্ৰস্তুত দিব পাৰি কিন্তু সেই সকলোবোৰ বেংকৰ বাবে গ্ৰহণযোগ্য নহয়। বেংকে সাধাৰণতে গ্ৰহণ কৰা বিভিন্নধৰণৰ নিৰাপত্তাযুক্ত সম্পত্তিসমূহ তলত দিয়া হ'ল—

i) দৃশ্যমান বা স্পৰ্শনীয় সম্পত্তি যেনে— যন্ত্ৰপাতি, মটৰ গাড়ী ইত্যাদি।
ii) বয়বস্তুৰ অধিকাৰপত্ৰ (Documents of title to goods) যেনে— ৰে'লৰে ৰচিদ বিনিময় পত্ৰ ইত্যাদি।
iii) প্ৰতিভূতি
iv) জীৱন বীমা পলিচি
v) স্থাৱৰ সম্পত্তি (ভূমি, ভৱন ইত্যাদি)
vi) স্থায়ী জমা ৰচিদ
vii) সোণৰ আ-অলংকাৰ, গহনা ইত্যাদি।

জামিনযুক্ত আৰু জামিনবিহীন আগধন দুয়োটাৰে ক্ষেত্ৰত ঋণগ্ৰহীতাৰ বিত্তীয় স্থিতিৰ ওপৰত গুৰুত্ব দিয়ে। কিন্তু জামিনবিহীন আগধনৰ ক্ষেত্ৰত ঋণগ্ৰহীতাৰ বিত্তীয় স্থিতি নিৰূপম কৰিবলৈ পাঁচটা ইংৰাজী 'C' আখৰৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। যেনে— character, capacity, capital, collateral আৰু conditions (ঋণীৰ চৰিত্ৰ, ক্ষমতা, মূলধন, নিৰাপত্তা আৰু পৰিস্থিতি)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ ঋণৰ বিপৰীতে প্ৰস্তাৱ আগবঢ়োৱা তিনিটা নিৰাপত্তাৰ নাম লিখক।

.....

.....



চিন্তা চর্চা

(a) ওচৰৰ যিকোনো এটা বেংকলৈ যোৱা আৰু বিভিন্ন প্ৰকাৰৰ হিচাপৰ বিপৰীতে আৰু ঋণ আৰু অগ্রিমৰ ওপৰত চলি থকা সুদৰ হাৰৰ বিষয়ে অনুসন্ধান কৰা।

(b) লাগতিয়াল নথিপত্ৰৰ সৈতে নিজকে সুপৰিচিত কৰা যেনে— ঋণৰ বাবে আবেদন পত্ৰ, হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণ পাবৰ বাবে মানি চলিব লগা পদ্ধতিসমূহ।



১৪.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- এটা বাণিজ্যিক বেংকৰ মূল কাম-কাজৰ ভিতৰত আমানত গ্ৰহণ আৰু পুঁজি সচল কৰা।
- বেংকৰ সুস্থ ঋণদান নীতিসমূহ হৈছে নিৰাপত্তা, তাৰল্যতা, লাভদায়ক আৰু বিপদশংকাৰ পৃথকীকৰণ।
- বেংকে তেওঁলোকৰ গ্ৰাহকক বিভিন্ন প্ৰকাৰে আগধন মঞ্জুৰ কৰে যেনে— 'প্ৰত্যক্ষ ঋণ', 'নগদ ঋণ', 'অধিবিকৰ্ষ' আৰু 'বিল বাট্টাকৰণ'।
- সংগঠিত বা সংযোজিত আগধনৰ যোগেদি বিভিন্ন বেংকসমূহে একেলগ হৈ বহুত সংখ্যক ধৰুৱাক তেওঁলোকৰ প্ৰয়োজনীয়তাখিনি পূৰণ কৰে।
- অগ্রিম ধন জামিনযুক্ত নাইবা জামিনবিহীন হ'ব পাৰে। জামিনযুক্ত অগ্রিম ধন স্পৰ্শনীয় সম্পত্তিৰ ওপৰত মঞ্জুৰ কৰে। জামিনবিহীন অগ্রিমধন ধৰুৱাৰ ব্যক্তিগত প্ৰতিভূত বা নিৰাপত্তাৰ ওপৰত ভিত্তি কৰি মঞ্জুৰ কৰা হয়।



১৪.৮ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ i) নিৰাপদ ii) তাৰল্যতা iii) লাভদায়ক

২ নং প্ৰশ্নৰ উত্তৰঃ i) চাহিদা ঋণ

ii) ম্যাদী ঋণ - মধ্যকালীন ম্যাদী ঋণ আৰু দীৰ্ঘকালীন ম্যাদী ঋণ

৩ নং প্ৰশ্নৰ উত্তৰঃ অ i) সঁচা ii) মিছা

৪ নং প্ৰশ্নৰ উত্তৰঃ i) ঋণৰ ক্ষেত্ৰত বেংকে সমুদায় এককালীন ধন এবাৰতে প্ৰদান কৰে । কিন্তু নগদ ঋণৰ ক্ষেত্ৰত বেংকে এটা নিৰ্দিষ্ট পৰিমাণৰ ধনৰ সীমা বান্ধি দিয়ে আৰু গ্ৰাহকে কিস্তি হিচাবত এই ঋণৰ টকা বেংকৰ পৰা উলিয়াব পাৰে।

ii) ঋণৰ ক্ষেত্ৰত, সুতৰ পৰিমাণ গোটেই ঋণৰ ধনৰ ওপৰত ধাৰ্য কৰে আৰু এ সুত গ্ৰাহকে ঋণৰ টকা ব্যৱহাৰ কৰা নাইবা নকৰাৰ ওপৰত নিৰ্ভৰ নকৰে।

৫ নং প্ৰশ্নৰ উত্তৰঃ নগদ ঋণ।

৬ নং প্ৰশ্নৰ উত্তৰঃ i) স্পৰ্শনীয় সম্পত্তি যেনে- যন্ত্ৰপাতি, মটৰ গাড়ী ইত্যাদি।

ii) মালবস্তুৰ অধিকাৰীৰ নথিপত্ৰ যেনে— ৰে'লৰে ৰচিদ ইত্যাদি।

iii) বিত্তীয় নিৰাপত্তা যেনে — অংশপত্ৰ আৰু ঋণপত্ৰ।

১৪.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ বেংকে গ্ৰাহকক অগ্ৰিম ধন প্ৰদান কৰাৰ সময়ত কি কি বিষয় বিবেচনা কৰা উচিত?

প্ৰশ্ন ২ঃ বাণিজ্যিক বেংকে ঋণদান কৰাৰ বিভিন্ন পদ্ধতিসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ চাহিদা ঋণ আৰু ম্যাদী ঋণৰ মাজত কিবা পাৰ্থক্য আছেনে? যদি আছে চমুকৈ লিখক।

প্ৰশ্ন ৪ঃ 'জামিনযুক্ত ঋণ' মানে কি বুজা? বেংকে সাধাৰণতে এনে ঋণ প্ৰদান কৰাৰ সময়ত আৱশ্যকীয় বিভিন্ন প্ৰকাৰৰ নিৰাপত্তাসমূহৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৫ঃ ব্যৱসায়িক প্ৰতিষ্ঠানে বেংকৰ পৰা পোৱা ঋণ আৰু অগ্ৰিমৰ সুবিধাসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৬ঃ নগদ ঋণ আৰু অধিবিকৰ্ষ মানে কি বুজা? বেংকে কেনেকৈ অধিবিকৰ্ষৰ সুবিধাসমূহ বিস্তাৰ কৰে?

প্ৰশ্ন ৭ঃ বিল ক্ৰয় আৰু বাট্টাকৰণ বুলিলে কি বুজা? বেংকে বিল বাট্টাকৰণৰ যোগেদি কেনেকৈ গ্ৰাহকক পৰ্যাপ্ত পৰিমাণৰ পুঁজিৰ যোগান ধৰে?

প্ৰশ্ন ৮ঃ তলত দিয়াবোৰৰ অৰ্থ লিখক—

(a) ম্যাদী (b) নগদ ঋণ c) সংযোজিত অগ্ৰিম

*** ***** ***

অধ্যায় ১৫ ঃ আগধনৰ বাবে প্ৰতিভূ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ জামিন বা প্ৰতিশ্ৰুতি
১৫.৪ বন্ধকী
১৫.৫ স্থাৱৰ সম্পত্তিৰ বন্ধকী
১৫.৬ সামগ্ৰীৰ বিপৰীতে আগধন
১৫.৭ সামগ্ৰীৰ স্বত্বৰ নথি
১৫.৮ ষ্টক এক্সচেঞ্জ প্ৰতিভূ
১৫.৯ জীৱন বীমা পলিচি
১৫.১০ স্থায়ী জমাৰ ৰছিদ
১৫.১১ নিৰ্দেশপত্ৰ আৰু ইয়াৰ প্ৰকাৰ
১৫.১২ আনুষংগিক প্ৰতিভূ আৰু নিশ্চয়তা নোহোৱা ঋণ
১৫.১৩ অধ্যায়টোৰ পৰা আমি কি শিকিলো
১৫.১৪ অধিক জানিবৰ বাবে
১৫.১৫ অগ্ৰগতিৰ খতিয়ান
১৫.১৬ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বেংকৰ আগধনৰ বাবে প্ৰতিভূ (security) হিচাপে প্ৰয়োজনীয় জামিন বা প্ৰতিশ্ৰুতি (pledge)ৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- বেংকৰ আগধনৰ বাবে প্ৰতিভূ (security) হিচাপে প্ৰয়োজনীয় বন্ধকী (hypothecation)ৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- বেংকৰ আগধনৰ বাবে প্ৰতিভূ (security) হিচাপে প্ৰয়োজনীয় স্থাৱৰ সম্পত্তিৰ বন্ধকী (mortgage)ৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- বেংকৰ আগধনৰ বাবে প্ৰতিভূ (security) হিচাপে প্ৰয়োজনীয় সামগ্ৰীৰ বিপৰীতে আগধন (advances against goods)ৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- আনুষংগিক প্ৰতিভূ আৰু নিশ্চয়তা (collateral security) নোহোৱাকৈ বেংকৰ ঋণ লাভ কৰাৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

বেংকৰ এটা প্ৰধান কাম হৈছে ধন ধাৰলৈ দিয়া। ব্যক্তিগত লোকক, ব্যৱসায়ীক, লেনদেনকাৰীক আৰু ঔদ্যোগিক প্ৰতিষ্ঠানক পুঁজি ঋণ হিচাপে দিয়াটো বাণিজ্যিক বেংকসমূহৰ এটা গুৰুত্বপূৰ্ণ কাম। এই ঋণবিলাকৰ ওপৰত সুত অৰ্জন কৰা হয় আৰু বেংকসমূহৰ আয়ৰ প্ৰধান উৎস হৈছে আগধনবিলাক (advances)।

ঋণ বা আগতীয়া ধন মঞ্জুৰ কৰোতে বেংকসমূহে লওঁতাসকলৰ (borrowers) সম্পত্তিৰ পৰা আনুষংগিক প্ৰতিভূ হিচাপে কিছু অংশ দাবী কৰে। প্ৰতিভূ বা ইংৰাজীত (security) শব্দটোৰ অৰ্থ হৈছে যিকোনো ধৰণৰ নিৰাপত্তা বা নিশ্চয়তা, যিটো মৌখিক হ'ব পাৰে, ব্যক্তি অথবা যিকোনো সম্পত্তিৰ ৰূপত থাকিব পাৰে। বেলেগ বেলেগ প্ৰতিভূৰ জৰিয়তে নিজৰ ঋণ (loan) অথবা আগতীয়া ধন (advances)ৰ প্ৰতিভূ প্ৰদান কৰাটো একোজন ঋণী বা ধন লওঁতা (creditor)ৰ বাবে অত্যন্ত আৱশ্যকীয়। একোটা প্ৰতিভূ হৈছে একোজন ঋণীয়ে সাব্যস্ত কৰা এটা অধিকাৰ যাৰ জৰিয়তে তেওঁৰ সম্পত্তি অথবা অন্য যিকোনো বস্তু নগদ ধনলৈ ৰূপান্তৰিত হয়, যদিহে ঋণীয়ে (debtor) সুতসহ আগতীয়াকৈ লোৱা ধনখিনি ওভতাই দিবলৈ অক্ষম হয়।

ঋণ প্ৰদান কৰোতে, বেংকাৰসকলে প্ৰথমে বিচৰা ঋণৰ বাবে প্ৰতিভূ দাখিল কৰিবলৈ কয়। বেংকসমূহে জাৰি কৰা আগধনবিলাকৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি বেলেগ বেলেগ ধৰণৰ প্ৰতিভূ থাকে। একোটা ভাল প্ৰতিভূৱে আশংকা সামৰি ল'ব পাৰে, ই অত্যন্ত তৰল (liquid), যিকোনো প্ৰতিবন্ধকতাৰ পৰা মুক্ত, মালিকীস্বত্বৰ ক্ষেত্ৰত পৰিস্কাৰ আৰু সহজে হস্তান্তৰ কৰিব পৰা।

এই অধ্যায়ত আমি আগধনৰ বাবে প্ৰয়োজন হোৱা বেলেগ বেলেগ প্ৰতিভূ যেনেঃ জামিন বা প্ৰতিশ্ৰুতি, বন্ধকী, স্থাৱৰ সম্পত্তিৰ বন্ধকী, সম্পত্তিৰ বিপৰীতে আগধন, সামগ্ৰীৰ স্বত্বৰ নথি ইত্যাদিৰ বিষয়ে আলোচনা কৰিম।

১৫.৩ জামিন বা প্ৰতিশ্ৰুতিৰ ধাৰণা

চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১৭২ত জামিন বা প্ৰতিশ্ৰুতি (pledge)ৰ সংজ্ঞা এনেদৰে দিছে—'একোটা ঋণ পৰিশোধ কৰিবৰ বাবে অথবা একোটা প্ৰতিশ্ৰুতি সম্পন্ন কৰিবৰ বাবে প্ৰতিভূ হিচাপে সামগ্ৰীৰ জামিন।' কেৱল অস্থাৱৰ (movable) সামগ্ৰীহে বন্ধকত দিব পাৰি। এই সংজ্ঞাৰ পৰা আমি বুজিব পাৰো যেঃ

১। ঋণ বা আগধন পাবৰ বাবে যেতিয়া সামগ্ৰী আদায় দিয়া হয় তেতিয়াই জামিন বা প্ৰতিশ্ৰুতি সম্পন্ন হয়।

২। ঋণ ঘূৰাই পৰিশোধ কৰিলে স্বত্বাধিকাৰীক বন্ধকত থোৱা সামগ্ৰী ওভতাই দিয়া হয়।

৩। সামগ্ৰীয়ে ঋণৰ প্ৰতিভূ হিচাপে কাম কৰে।

জামিন বা প্ৰতিশ্ৰুতিৰ সামগ্ৰী হস্তান্তৰ কৰা লোকজনক কোৱা হয় বন্ধক দিওঁতা (pledgor) আৰু যাক হস্তান্তৰ কৰা হয় তেওঁ হৈছে বন্ধক লওঁতা (pledgee)।

জামিন বা প্ৰতিশ্ৰুতিৰ বাবে হোৱা প্ৰয়োজনীয়তা/উপাদান

১) **সামগ্ৰী আদায় দিয়া ঃ** একোটা বন্ধকী সম্পূৰ্ণ কৰিবৰ বাবে সামগ্ৰী আদায় দিয়াটো প্ৰয়োজনীয়। এই আদায় দিয়া কাৰ্য সোঁশৰীৰে অথবা প্ৰতিকী ৰূপত কৰা হয়। সোঁশৰীৰে কৰা হস্তান্তৰত সামগ্ৰী বন্ধক দিওঁতাৰ পৰা লওঁতাক শাৰীৰিকভাৱে হস্তান্তৰ কৰা হয়। প্ৰতিকীভাৱে আদায় দিয়া কাৰ্যত সামগ্ৰী প্ৰকৃতাৰ্থত আদায় দিব নালাগে; কিন্তু বন্ধক দিওঁতাই বন্ধক লওঁতাক সামগ্ৰীৰ তদাৰকীৰ স্বত্ব হস্তান্তৰ কৰিব লাগে। যেনেকৈ সামগ্ৰী জমা হৈ থকা গুদাম ঘৰৰ ছাবি দিয়া হয়।

২) **মালিকীস্বত্বৰ হস্তান্তৰ ঃ** সামগ্ৰীৰ মালিকীস্বত্ব বন্ধক দিওঁতাৰ ওচৰত থাকে আৰু ঋণ পৰিশোধ নকৰা পৰ্যন্ত সামগ্ৰীৰ তদাৰকীৰ স্বত্ব বন্ধক লওঁতাৰ ওচৰত থাকে।

৩) **ধন ওভতাই দিবলৈ ব্যৰ্থ হ'লে ঃ** যদি বন্ধক দিওঁতাই নিৰ্ধাৰিত সময়ৰ ভিতৰত ঋণ পৰিশোধ কৰিব নোৱাৰে, তেতিয়া বন্ধক লওঁতাই ঃ

১। বন্ধক দিওঁতাক যুক্তিসংগত জাননী দিয়াৰ পিছত বন্ধকীত থকা সামগ্ৰী বিক্ৰী কৰিব পাৰে।

২। সেই সময়ত পাব লগা ধনৰাশিৰ বাবে বন্ধক দিওঁতাৰ বিৰুদ্ধে এটা গোচৰ তৰিব পাৰে।

৩। তেওঁ পাবলগীয়া ধন ওভতাই পাবৰ বাবে আৰু বন্ধকীত থকা সামগ্ৰী বিক্ৰী কৰিবৰ বাবে এটা গোচৰ তৰিব পাৰে।

যেতিয়া বন্ধক লওঁতাই বিক্ৰী কৰাৰ অধিকাৰ সাব্যস্ত কৰিব বিচাৰে, তেতিয়া তেওঁ বন্ধক দিওঁতালৈ এখন স্পষ্ট, নিৰ্দিষ্ট আৰু যুক্তিসংগত জাননী জাৰি কৰিব লাগে।

জামিন বা প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত ল'বলগীয়া আগতীয়া সাৱধানতা আৰু সাধাৰণ পৰামৰ্শাৱলী

জামিন বা প্ৰতিশ্ৰুতিৰ সময়ত তলত উল্লেখ কৰা আগতীয়া সাৱধানতা আৰু সাধাৰণ পৰামৰ্শবিলাক গ্ৰহণ কৰিব লাগেঃ

১। গুদাম ঘৰবোৰ ভাল অৱস্থাত থাকিব লাগে আৰু ভালদৰে নিৰ্মাণ কৰা হ'ব লাগে।

২। গুদাম ঘৰটো কাৰ্যকৰীভাৱে বেংক (বন্ধক লওঁতা)ৰ নিয়ন্ত্ৰণত থাকিব লাগে।

৩। গুদামৰ বাহিৰত আৰু ভিতৰত বেংক (বন্ধক লওঁতা)ৰ নাম ফলক আঁৰি থ'ব লাগে।

৪। সকলো আশংকাৰ বিপৰীতে গুদামৰ বীমা কৰাব লাগে। বেংকৰ নিয়ম অন্তৰ্ভুক্ত হ'ব লাগে।

৫। বেংক (বন্ধ লওঁতা)ৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ দ্বাৰা সময়ে সময়ে পৰিদৰ্শন কৰাব লাগে (মাহিলী/পযেকীয়া)।

৬। প্ৰতিটোৰে মুখ্য কাৰ্যালয়ৰ নীতি-নিৰ্দেশনা (চাৰ্কুলাৰ) অনুসৰি জমাৰ (stocks) মূল্য আৰোপিত ব্যয়/চালানৰ ব্যয়/বজাৰ মূল্য, যিটোৱেই কম হয়, সেই হিচাপত নিৰূপন কৰিব লাগে।

৭। নিষেধাজ্ঞা থকা সামগ্ৰী বন্ধকী হিচাপে গ্ৰহণ কৰিব নালাগে।

৮। ৰাসায়নিক পদাৰ্থ, ঔষধ-পাতি আদিৰ ক্ষেত্ৰত অন্তিম ম্যাদৰ তাৰিখ লিখিত থাকিব লাগে আৰু ইবিলাকৰ গুণাগুণ নিশ্চিত কৰিবৰ বাবে কাৰিকৰী জ্ঞান থকা লোকক নিয়োজিত কৰিব লাগে।

জামিন বা প্ৰতিশ্ৰুতিৰ বাবে সামগ্ৰী গ্ৰহণ ঃ জামিন বা প্ৰতিশ্ৰুতিৰ বাবে সামগ্ৰী গ্ৰহণ কৰাৰ পূৰ্বে, বেংকাৰে (বন্ধক লওঁতা) এই কথাত নিশ্চিত হ'ব লাগিব যে জামিন বা প্ৰতিশ্ৰুতিৰ বাবে প্ৰস্তাৱিত সামগ্ৰীৰ উপযুক্ত প্ৰতিভূ আছে।


জামিন বা প্ৰতিশ্ৰুতিৰ সৈতে সাঙোৰ খাই থকা আশংকা ঃ জামিন বা প্ৰতিশ্ৰুতি লোৱাৰ ক্ষেত্ৰত বেংকসমূহ এক বা একাধিক ধৰণেৰে প্ৰবঞ্চিত হ'ব পাৰে, যেনেঃ

- নকল সামগ্ৰীৰ জামিন বা প্ৰতিশ্ৰুতি
- সামগ্ৰীৰ মূল্য নিৰূপণত প্ৰবঞ্চনা কৰি
- গুদাম ঘৰলৈ সোমোৱা বেলেগ বেলেগ প্ৰৱেশ পথৰ ব্যৱহাৰ কৰি একেখিনি সামগ্ৰীকে একাধিক বেংকক জামিনত দি
- বেংকৰ কৰ্মচাৰীয়ে দেখিও নেদেখাৰ ভাও ধৰা বা অৱহেলা কৰাৰ ফলত সামগ্ৰীৰ কৃত্ৰিম স্থানান্তৰণ
- কোনো এটা তৃতীয় পক্ষৰ সামগ্ৰীৰ জামিন বা প্ৰতিশ্ৰুতি।

জামিন বা প্ৰতিশ্ৰুতিৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ ঃ

জামিন বা প্ৰতিশ্ৰুতিৰ বাবে প্ৰয়োজন হোৱা গুৰুত্বপূৰ্ণ নথি-পত্ৰসমূহ হৈছেঃ

- ডিমাণ্ড প্ৰমিছৰী নোট
- জামিন বা প্ৰতিশ্ৰুতিৰ বাবে চুক্তি
- ধাৰাবাহিকতাৰ পত্ৰ
- ব্যৱস্থাপনাৰ পত্ৰ
- সকলো আশংকা সামৰি বীমা পলিচি
- জামিন বা প্ৰতিশ্ৰুতিত থোৱা সামগ্ৰী (আমদানিকৃত সামগ্ৰী)ৰ চালান।
- শেহতীয়া ষ্টক ৰিপৰ্ট
- আপত্তি নথকাৰ পত্ৰ
- ঋণ অনুমোদনৰ পত্ৰ অনুসৰি অন্য নথি-পত্ৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ জামিন বা প্ৰতিশ্ৰুতি কি?

.....

.....

১৫.৪ বন্ধকী

বন্ধক দিয়া কাৰ্যত অস্থাৱৰ সম্পত্তিৰ ওপৰত তদাৰকীৰ স্বত্ব (possession) নোহোৱাকৈ ন্যায্য মাছুল বা মূল্যমানৰ সৃষ্টি হয়। ঋণ নিশ্চিত কৰিবৰ বাবে অস্থাৱৰ সম্পত্তি জামিনত ৰখা কাৰ্যকে বন্ধক দিয়া বা hypothecation বোলা হয়। আন কথাত ক'বলৈ ক'লে, বন্ধক দিয়া কাৰ্যত, বিভিন্ন অস্থাৱৰ সম্পত্তি যেনেঃ সামগ্ৰী, কেঁচা মাল, অগ্ৰগতি হৈ থকা সামগ্ৰী, যান-বাহন আদিৰ ওপৰত একোটা মাছুল (charge) সৃষ্টি কৰা হয়। বন্ধক দিয়া কাৰ্য হৈছে এক নিৰ্দিষ্ট পৰিমাণৰ ঋণৰ বাবে সম্পত্তিৰ বিপৰীতে ধাৰ্য কৰা মাছুল, য'ত ঋণদাতালৈ মালিকীস্বত্ব অথবা তদাৰকীৰ স্বত্ব হস্তান্তৰ কৰা নহয়। ইয়াত ঋণ দিওঁতাই নিজৰ অধিকাৰৰ ভিতৰত সামগ্ৰীৰ স্বত্বাধিকাৰ হিচাপে তদাৰকীৰ দায়িত্ব লাভ নকৰে কিন্তু বেংকৰ এজন প্ৰতিনিধি হিচাপে সেইখিনি লাভ কৰে। অস্থাৱৰ সম্পত্তিৰ ওপৰত তদাৰকীৰ স্বত্ব নোহোৱাকৈ কেৱল ন্যায্য মাছুলৰ অধিকাৰ লাভ কৰা বন্ধক দিয়া কাৰ্য পৰিস্কাৰ আগধন হিচাপে আশংকাপূৰ্ণ। সেয়ে কেৱল সেইসকলকহে ইয়াক মঞ্জুৰ কৰা হয়, যিসকল অধিক বিশ্বস্ত আৰু সম্পদশালী।

বন্ধকীৰ বিশেষত্ব ঃ বন্ধক দিয়া কাৰ্যৰ বিশেষত্বসমূহ এনেধৰণৰঃ

- একোটা নিৰ্দিষ্ট পৰিমাণৰ ঋণৰ বাবে সম্পত্তিৰ বিপৰীতে মাছুল নিৰ্ধাৰণ,
- ঋণ লওঁতাৰ তদাৰকীত সামগ্ৰী থাকে,
- বেংকে (ঋণ প্ৰদানকাৰী) যেতিয়া বিচাৰে তেতিয়া ঋণ লওঁতাহ বন্ধক দিয়া সামগ্ৰীৰ তদাৰকীৰ দায়িত্ব অৰ্পন কৰিবলৈ বাধ্য থাকে।

বন্ধকীত আগতীয়া সাৱধানতা আৰু সাধাৰণ পৰামৰ্শাৱলী ঃ বন্ধক দিয়া কাৰ্য সম্পন্ন কৰোতে নিম্নোল্লিখিত আগতীয়া সাৱধানতা আৰু সাধাৰণ পৰামৰ্শাৱলী মন কৰিব লাগেঃ

যিহেতু বন্ধক দিয়া সামগ্ৰীৰ তদাৰকীৰ দায়িত্ব ঋণ লওঁতাৰ ওচৰত থাকে, গতিকে বেংকৰ প্ৰতিভূ যাতে সম্পূৰ্ণ হয়, সামগ্ৰী যথাৰ্থ, সুৰক্ষিত থাকে আৰু যেতিয়াই প্ৰয়োজন হয় তেতিয়াই যাতে উপলব্ধ হয়, সেই কথাৰ প্ৰতি যথোচিত যতন ল'ব লাগে। বেংকাৰে তলত দিয়া আগতীয়া সাৱধানতাবিলাক অৱলম্বন কৰিব লাগেঃ

১। বেংকাৰে নিশ্চিতভাৱে সময়ে সময়ে ষ্টক ষ্টেটমেণ্ট লাভ কৰিব লাগে, য'ত ঋণ লওঁতাই সামগ্ৰীৰ ওপৰত থকা তেওঁৰ স্বত্ব আৰু সামগ্ৰীৰ গুণাগুণ, পৰিমাণ আদিৰ শুদ্ধতা সন্দৰ্ভত একোটা ঘোষণা কৰিব লাগে।

২। এনে বিৱৰণৰ ওপৰত ভিত্তি কৰি, বেংকাৰে ঋণ লওঁতাৰ ষ্টক আৰু হিচাপ বহীবিলাক পৰিদৰ্শন কৰিব লাগে।

৩। ঋণ লওঁতাজনে একেখিনি সামগ্ৰীকে বন্ধকত থৈ অন্য কোনো বেংকৰ পৰা ঋণ লোৱা নাই বুলি লিখিতভাৱে কৰা এটা ঘোষণা বেংকাৰে ল'ব লাগে।

৪। সকলো পৰিস্থিতিতে বেংকৰ স্বাৰ্থ যাতে সুৰক্ষিত হৈ থাকে তেনে দফাবিলাক সন্নিৱিষ্ট হৈ থকা একোখন বন্ধকীপত্ৰ বেংকাৰে পাব লাগে।

৫। বেংকাৰে ঋণ লওঁতাক বন্ধকী সামগ্ৰীৰ আশংকাৰ বিপৰীতে যাৱতীয় বীমা কৰিবলৈ ক'ব লাগে।


৬। সামগ্ৰীবিলাক য'ত জমা কৰি থোৱা হয় অথবা তেনেদৰে বন্ধকীত ৰখা বাহনৰ ওপৰত 'Stock Hypothecated to Bank' আঁৰি থ'ব লাগে।

বন্ধকীত থকা আশংকা ঃ বন্ধকী কাৰ্যত তলত দিয়া ধৰণেৰে বেংকসমূহ প্ৰবঞ্চিত হ'ব পাৰেঃ

- জমা ৰখা স্থানৰ সক্ষমতা সন্দৰ্ভত ঋণ লওঁতাই ভুল তথ্য প্ৰদান কৰিব পাৰে।
- কেতিয়াবা জমা ৰখা ভাল সামগ্ৰীৰ মাজত ব্যৱহাৰৰ অনুপযোগী অথবা ম্যাদ উকলা সামগ্ৰী ৰাখি ঋণ লওঁতাই বেংকক ঠগিব পাৰে।
- ঋণ লওঁতাই ভাল তৰল পদাৰ্থৰ লগত নিম্নমানৰ তৰল পদাৰ্থ বা পানী মিহলাই ফাঁকি দিব পাৰে। ৰাসায়নিক পদাৰ্থ অথবা তেলৰ লেনদেন কৰা পক্ষসমূহৰ হাতত সাধাৰণতে গুণাগুণ পৰীক্ষা কৰা যন্ত্ৰ থাকে।

জামিন বা প্ৰতিশ্ৰুতি (pledge) আৰু বন্ধকীৰ (hypothecation)ৰ মাজৰ পাৰ্থক্য

ভিত্তি	জামিন বা প্ৰতিশ্ৰুতি	বন্ধকী
সামগ্ৰীৰ তদাৰকী	ঋণ লওঁতাই সামগ্ৰীৰ তদাৰকীৰ দায়িত্ব হস্তান্তৰ কৰে	ঋণ লওঁতাই সামগ্ৰীৰ তদাৰকীৰ দায়িত্ব হস্তান্তৰ নকৰে
সামগ্ৰীৰ লেনদেনৰ অধিকাৰ	বন্ধকত থোৱা সামগ্ৰীৰ লেনদেন অথবা ব্যৱহাৰৰ অধিকাৰ ঋণ লওঁতাৰ নাথাকে	বন্ধকত থোৱা সামগ্ৰীৰ লেনদেন অথবা ব্যৱহাৰৰ অধিকাৰ ঋণ লওঁতাৰ থাকে



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ বন্ধকী কি?

.....

.....

১৫.৫ স্থাৱৰ সম্পত্তিৰ বন্ধকী

সম্পত্তিৰ হস্তান্তৰ আইন ১৮৮২ৰ অনুচ্ছেদ ৫৮ত স্থাৱৰ সম্পত্তিৰ সংজ্ঞা দিছে— 'একোটা স্থাৱৰ সম্পত্তিৰ বন্ধকী (mortgage) হৈছে আগতীয়াকৈ ধন পোৱাটো নিশ্চিত কৰিবৰ বাবে অথবা ঋণৰ ধন আগতীয়াকৈ পাবৰ বাবে, একোটা প্ৰচলিত অথবা ভৱিষ্যতৰ ঋণৰ বাবে অথবা আৰ্থিক দায়বদ্ধতা বৃদ্ধি কৰিব পৰা একোটা কামত জড়িত হৈ পৰা বাবে কৰিবলগীয়া কামৰ নিশ্চয়তাৰ হেতু নিৰ্দিষ্ট স্থাৱৰ সম্পত্তিৰ একোটা স্বাৰ্থৰ হস্তান্তৰ।'

একোটা স্থাৱৰ সম্পত্তিৰ বন্ধকীৰ বৈশিষ্ট্যবিলাক হৈছেঃ উল্লিখিত সংজ্ঞা অনুসৰি মাটি বন্ধকীৰ বৈশিষ্ট্যবিলাক এনেধৰণৰঃ

১। কেৱল একোটা স্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰতহে স্থাৱৰ সম্পত্তিৰ বন্ধকী বা mortgage কাৰ্যকৰী হয়। স্থাৱৰ সম্পত্তি বুলিলে সাধাৰণতে মাটিকে বুজোৱা হয়, লগতে মাটিৰ পৰা হোৱা মুনাফা আৰু ইয়াৰ সৈতে সংলগ্ন হৈ থকা গছ-গছনি, ঘৰ-বাৰী, ভৱন আৰু যন্ত্ৰ-পাতিক বুজোৱা হয়।

২। স্থাৱৰ সম্পত্তিৰ বন্ধকী বা mortgage হৈছে নিৰ্দিষ্ট স্থাৱৰ সম্পত্তিৰ একোটা স্বাৰ্থ হস্তান্তৰ কৰা। ইয়াৰ অৰ্থ হৈছে স্বত্বাধিকাৰীয়ে তেওঁৰ কিছুমান অধিকাৰ বন্ধক লওঁতা (mortgagee)ক হস্তান্তৰ কৰে।

৩। এনেদৰে সম্পত্তিৰ স্বাৰ্থ হস্তান্তৰ কৰাৰ উদ্দেশ্য হৈছে একোটা ঋণ নিশ্চিত কৰা অথবা আৰ্থিক দায়বদ্ধতা সৃষ্টি হোৱা একোটা চুক্তিৰ কাৰ্য সুৰক্ষিত কৰা।

৪। বন্ধকীত থ'বলগীয়া স্থাৱৰ সম্পত্তি নিৰ্দিষ্ট হ'ব লাগিব, অৰ্থাৎ ই নিজৰ আকাৰ, স্থান, চাৰিসীমা ইত্যাদিৰ দ্বাৰা চিনাক্ত কৰিব পৰা হ'ব লাগিব।

৫। বন্ধকীত থোৱা স্থাৱৰ সম্পত্তিৰ প্ৰকৃত তদাৰকী সাধাৰণতে বন্ধক দিওঁতাৰ (mortgager)ৰ হাতত থাকে।

৬। বন্ধকীকৃত সম্পত্তিৰ স্বাৰ্থ বন্ধক দিওঁতাক পুনৰ প্ৰদান কৰা হয় যদিহে তেওঁ সময়মতে সুতসহ ঋণ পৰিশোধ কৰে।

৭। বন্ধক দিওঁতাই যদি ঋণ পৰিশোধ কৰিব নোৱাৰে, তেতিয়া বন্ধক লওঁতাই বন্ধকী সম্পত্তিৰ বিক্ৰী প্ৰক্ৰিয়াৰ জৰিয়তে ঋণৰ ধন উলিয়াই ল'ব পাৰে।

স্থাৱৰ সম্পত্তি বন্ধকীৰ প্ৰকাৰ

সম্পত্তি হস্তান্তৰ আইনৰ অনুচ্ছেদ ৫৮ত তিনি প্ৰকাৰৰ স্থাৱৰ সম্পত্তি বন্ধকীৰ কথা উল্লেখ আছে।

ক) সাধাৰণ বন্ধকী (Simple Mortgage)

একোটা সাধাৰণ বন্ধকী হৈছে এবিধ বন্ধকী য'তঃ

বন্ধকীকৃত সম্পত্তিৰ তদাৰকীৰ স্বত্ব প্ৰদান নকৰাকৈ, বন্ধক দিওঁতাজন নিজে ব্যক্তিগতভাৱে বন্ধকীৰ ধন দিবলৈ দায়বদ্ধ হৈ থাকে আৰু প্ৰকাশিতভাৱে অথবা প্ৰযোজ্য ৰূপত এই কথাত সন্মত হয় যে যদি তেওঁ চুক্তি অনুসৰি ধন পৰিশোধ কৰিবলৈ সক্ষম হয়

তেতিয়া বন্ধক লওঁতাই বন্ধকীকৃত সম্পত্তি বিক্ৰী কৰাৰ অধিকাৰ লাভ কৰিব আৰু যিমানদূৰ প্ৰযোজ্য হয় বিক্ৰীৰ প্ৰক্ৰিয়া আগবঢ়াই নিব, বন্ধকীকৃত ধন আদায় নোহোৱা পৰ্যন্ত।

খ) চৰ্তসাপেক্ষ বিক্ৰীৰ জৰিয়তে বন্ধকী

চৰ্তসাপেক্ষ বিক্ৰীৰ জৰিয়তে বন্ধকী হৈছে এবিধ বন্ধকী, য'ত বন্ধক দিওঁতাই প্ৰয়োজন সাপেক্ষে নিম্নোল্লিখিত চৰ্তত বন্ধকীকৃত সামগ্ৰী বিক্ৰী কৰেঃ

- এটা নিৰ্দিষ্ট তাৰিখত বন্ধকীৰ ধন পৰিশোধ কৰাত ব্যৰ্থ হ'লে এই বিক্ৰী নিশ্চিত হয়, অথবা
- এনেদৰে বিক্ৰী কৰা সম্পত্তিৰ ধন পৰিশোধ হ'লে বিক্ৰী সম্পন্ন হয়, অথবা
- এনেদৰে ধন পৰিশোধ কৰা হ'লে ক্ৰেতাই সেই সম্পত্তি বিক্ৰেতাক হস্তান্তৰ কৰে।

গ) উপভোগ স্বত্ব সম্পৰ্কীয় বন্ধকী

একোটা উপভোগ স্বত্ব সম্পৰ্কীয় বন্ধকী হৈছে এবিধ বন্ধকী, য'ত বন্ধক দিওঁতাই বন্ধকীকৃত সম্পত্তিৰ তদাৰকীৰ দায়িত্ব বা অধিকাৰ বন্ধক লওঁতাক আদায় দিয়ে বা দিবলৈ সন্মত হয় আৰু তেওঁক কৰ্তৃত্ব প্ৰদান কৰেঃ

- বন্ধকীৰ ধন পৰিশোধ নকৰা পৰ্যন্ত এনে তদাৰকী অব্যাহত ৰাখিবলৈ,
- উক্ত সম্পত্তিৰ পৰা উদ্ভৱ হোৱা ভাড়া অথবা মুনাফাৰ সমুদায় বা অংশ ল'বলৈ, আৰু
- এনে ভাড়া অথবা মুনাফা উপযুক্ত ৰূপত (১) সুতৰ ৰূপত, অথবা (২) বন্ধকীৰ ধন পৰিশোধ কৰিলে, অথবা (৩) সুতৰ ক্ষেত্ৰত আংশিকভাৱে অথবা বন্ধকীৰ ধনৰ ক্ষেত্ৰত আংশিকভাৱে, কাৰ্যকৰী কৰিব।

ঘ) ইংৰাজী বন্ধকী

ইংৰাজী বন্ধকীৰ বৈশিষ্ট্যবিলাক তলত দিয়া হ'লঃ

- এই বন্ধকীৰ জৰিয়তে বন্ধক দিওঁতাই এটা নিৰ্দিষ্ট দিনত বন্ধকীৰ ধন ওভতাই দিবলৈ প্ৰতিশ্ৰুতি দিয়ে।
- বন্ধকীকৃত সম্পত্তি নিশ্চিতভাৱে বন্ধক লওঁতাক হস্তান্তৰ কৰা হয়। বন্ধক লওঁতাহ সেয়েহে তাৎক্ষণিকভাৱে সম্পত্তিৰ তদাৰকীৰ স্বত্ব লাভ কৰে।
- এনে হস্তান্তৰ এই চৰ্তৰ ওপৰত নিৰ্ভৰশীল যে বন্ধক লওঁতাই উক্ত সম্পত্তি বন্ধক দিওঁতাক তেতিয়াই ওভতাই দিব যেতিয়া বন্ধকীৰ ধন পৰিশোধ কৰা হয়।

ঙ) স্বত্বৰ অধিকাৰ জমা দি কৰা বন্ধকী

যিবিলাক বন্ধকীত একোজন লোকে তেওঁৰ স্থাৱৰ সম্পত্তিৰ স্বত্বৰ নথি-পত্ৰ ঋণ দিওঁতাক বা তেওঁৰ প্ৰতিনিধিক অৰ্পণ কৰে, যাতে সেই সম্পত্তিৰ ওপৰত এটা প্ৰতিভূৰ সৃষ্টি হয়, এই লেনদেনক কোৱা হয় স্বত্বৰ অধিকাৰ জমা দি কৰা বন্ধকী।

চ) অনিয়মীয়া বন্ধকী

ওপৰত উল্লেখ কৰা দুটা বা ততোধিক প্ৰকাৰৰ বন্ধকী একেলগ হৈ এনেধৰণৰ বন্ধকীৰ সৃষ্টি কৰা হয়। ই সেয়ে, দস্তুৰ, স্থানীয় ব্যৱহাৰ অথবা চুক্তিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন প্ৰকাৰৰ হয়।

বন্ধক দিওঁতাৰ অধিকাৰ

১। পৰিশোধ কৰি খালাচ কৰাৰ অধিকাৰ

২। বন্ধকীকৃত সম্পত্তিৰে যোগাযোগ

৩। তৃতীয় পক্ষক হস্তান্তৰৰ অধিকাৰ

৪। নথি-পত্ৰ পৰিদৰ্শন আৰু দাখিলকৰণৰ অধিকাৰ।

বন্ধক লওঁতাৰ অধিকাৰ

১। বন্ধকীকৃত ধনৰ বাবে গোচৰ তৰাৰ অধিকাৰ

২। বিক্ৰী কৰাৰ অধিকাৰ

৩। বন্ধকী সামগ্ৰী উদ্ধাৰৰ স্বত্ব ৰহিত কৰাৰ অধিকাৰ

৪। তদাৰকী বা দখল কৰাৰ অধিকাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ স্থাৱৰ সম্পত্তি বন্ধকীৰ সংজ্ঞা দিয়ক।

.....

.....

১৫.৬ সামগ্ৰীৰ বিপৰীতে আগধন

সামগ্ৰীৰ বিপৰীতে আগধন দিয়াটো হৈছে সাধাৰণতে বেংকসমূহে প্ৰদান কৰা এটা ঋণৰ সুবিধা, য'ত বেংকসমূহে বিভিন্ন সামগ্ৰীৰ প্ৰতিভূৰ বিপৰীতে ঋণ অথবা আগধন মঞ্জুৰ কৰে, এনে সামগ্ৰীৰ ভিতৰত আছে— কেঁচা মাল, অৰ্ধ-সম্পূৰ্ণ অথবা সম্পূৰ্ণ সামগ্ৰী, জমা থকা সামগ্ৰী বা অন্য ব্যৱসায়িক সামগ্ৰী। এনে সামগ্ৰীয়ে কাম কৰাৰ মূলধনৰ এটা আংশিক পুঁজিৰ সৃষ্টি কৰে যি ঔদ্যোগিক অথবা বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰযোগ্য আৰু সিবিলাকৰ বিক্ৰীৰ পৰ্যায়লৈকে ঋণ লওঁতাৰ ঋণৰ আৱশ্যকতা পূৰণ কৰিবলৈ সক্ষম।

সামগ্ৰীৰ বিপৰীতে আগধন অনুমোদন কৰোতে বেংকে অনুসৰণ কৰা প্ৰক্ৰিয়া

সামগ্ৰীৰ প্ৰতিভূৰ ওপৰত ভিত্তি কৰি আগধন দিওঁতে বেংকে তলত দিয়া কথাবোৰ মনত ৰাখিব লাগেঃ

ক) ঋণ লওঁতাৰ বাছনি

ঋণ লওঁতাৰ চৰিত্ৰ, ঋণ পৰিশোধৰ ক্ষমতা আৰু মূলধন সন্দৰ্ভত বেংকাৰ নিজে পতিয়ন যাব লাগে। যিহেতু সামগ্ৰীৰ ক্ষেত্ৰত বেমেজালি, প্ৰবঞ্চনাৰ সুযোগ বেছি, সেয়ে এইবিলাক অতি গুৰুত্বপূৰ্ণ।

খ) পণ্যৰ বাছনি

পণ্যবিলাক এনেকুৱা হ'ব লাগে যাৰ সুস্থিৰ দাম থাকে।

বেংকৰ মুখ্য কার্যালয়ে এনে পণ্যৰ তালিকা প্রস্তুত কৰিব লাগে আৰু একোটা শাখাই পণ্যৰ প্রতিভূৰ ওপৰত ধন দাৰে দিবলৈ ইচ্ছা কৰিলে যিটো এই তালিকাৰ বাহিৰৰ, তেতিয়া সেই শাখাটোৱে মুখ্য কার্যালয়ৰ পৰা অনুমতি ল'ব লাগে।

ধন ধাৰে দিয়াৰ ক্ষেত্রত, পণ্যৰ বিপৰীতে বেংকাৰে কিছুমান নীতি অনুসৰণ কৰিব লাগে।

ক) পণ্যৰ মানদণ্ড ঃ সাধাৰণতে বেংকে তেনে সামগ্রীহে গ্রহণ কৰিব লাগে, যিবিলাক সহজে, সোনকালে বিপণন কৰিব পাৰি আৰু যাৰ প্রকৃতি মানদণ্ডপূর্ণ।

খ) বিপণন যোগ্যতা ঃ সামগ্রীবিলাক স্পর্শযোগ্য প্রতিভূ আৰু যিবিলাক নিশ্চয়তা (guarantee) আৰু বিনিময় বিল (bill of exchange)তকৈ ভাল।

গ) দাম ঃ বেংকাৰে তেনে সামগ্রীহে গ্রহণ কৰিব লাগে যাৰ বিক্রীৰ বাবে এখন প্রস্তুত বজাৰ থাকে। অন্য ধৰণৰ প্রতিভূতকৈ সেইবিলাক যাতে সহজে বিক্রী কৰিব পৰা যায়।

ঘ) সাধাৰণতে বেংকে তেনে সামগ্রীহে গ্রহণ কৰে, যিবিলাক জীৱন নির্বাহৰ বাবে আৱশ্যকীয়, যেনে— চাউল, ঘেঁহু, চেনী, কপাহ ইত্যাদি। এই সামগ্রী বিলাকৰ দাম বিস্তৃত ৰূপত বঢ়া-টুটা নহয়।

ঙ) দামৰ মূল্যায়ন ঃ ঘেঁহু, চাউল, শস্য, মাহ ইত্যাদিৰ দৰে সামগ্রীৰ বজাৰ মূল্য সম্পর্কীয় খা-খবৰবিলাক বাতৰি কাকতত পোৱা যায়। সেয়ে বেংকাৰে প্রতিভূ হিচাপে এনে সামগ্রী ল'ব লাগে।

অন্য ধৰণৰ প্রতিভূতকৈ সামগ্রীৰ বিপৰীতে আগধনৰ সুবিধা

১। প্রস্তুত বজাৰ থকা বাবে সেইবিলাক সহজে বিপণনযোগ্য।

২। বজাৰৰ পৰা যিবিলাকৰ মূল্য সহজে জানিব পাৰি।

৩। সেইবিলাক স্পর্শযোগ্য সম্পদ আৰু সেয়ে প্রয়োজন অনুসৰি কামত খটুৱাব পাৰি।

৪। পণ্যৰ বিপৰীতে ঋণ দিয়াটো বতৰীয়া প্রকৃতিৰ। পৰৱর্তী বতৰ বা ঋতু আৰম্ভ হোৱাৰ আগতেই সেইবিলাক ওভতাই পোৱা যায়। সেয়ে, এই ক্ষেত্রত পুঁজিৰ অপ্রয়োজনীয় আবদ্ধকৰণ নহয়।

৫। জীৱন নির্বাহৰ বাবে প্রয়োজনীয় পণ্যৰ ক্ষেত্রত দামৰ সিমান বঢ়া-টুটা নহয়।


পণ্যৰ বিপৰীতে আগধনৰ সীমাবদ্ধতা

১। কিছুমান কাৰণত, পণ্যৰ ফলপ্রসু পৰিদর্শন আৰু তত্ত্বাৱধান সম্ভৱ নহ'ব পাৰে। অসাধু লোকে বেংকক প্রবঞ্চনা কৰিব পাৰে।

২। সামগ্রীৰ মানদণ্ড পৰীক্ষা কৰাটো কঠিন।

৩। সময় বাগৰাৰ লগে লগে সামগ্রীৰ মান অৱনমিত হয়। ইয়াৰ ফলত বেংকৰ প্রতিভূ স্খলিত হয়।

৪। সামগ্রীৰ সম্ভাব্য সর্বোচ্চ দাম পাবলৈ বিক্রীৰ সময়ত পৰিবহণ ব্যয় অধিক হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ সামগ্ৰীৰ বিপৰীতে আগধনৰ ধাৰণাটোৰ বিষয়ে আলোচনা কৰক

.....

.....

১৫.৭ সামগ্ৰীৰ স্বত্বৰ নথি

সামগ্ৰীৰ স্বত্বৰ নথি ব্যৱসায়ৰ সাধাৰণ পৰিক্ৰমাত সামগ্ৰীৰ দায়িত্ব বা নিয়ন্ত্ৰণৰ প্ৰমাণ হিচাপে ব্যৱহৃত হয়। অনুমোদনৰ স্বাক্ষৰ বা আদায় দিয়াৰ জৰিয়তে ইয়াৰ স্বত্বাধিকাৰে নথি প্ৰদান কৰে।

সামগ্ৰীৰ স্বত্বৰ সাধাৰণ নথিপত্ৰ তলত দিয়াৰ দৰে ঃ

ক) **বোজাই কৰাৰ হিচাপ-পত্ৰ** (Bill of lading) ঃ ই হৈছে এবিধ নথি য'ত জাহাজত সামগ্ৰী উঠোৱা বুলি স্বীকাৰ কৰা হয় আৰু এনে নথিত জাহাজৰ কেপ্টেইনে চহী কৰে। এনে ধৰণৰ নথি বেংকৰ ঋণৰ বাবে প্ৰতিভূ হিচাপে ব্যৱহৃদ হ'ব পাৰে।

খ) **ৰে'ল বিভাগৰ ৰচিদ** (Railway receipt) ঃ এনে ধৰণৰ নথি ৰে'ল বিভাগৰ কোম্পানীবিলাকে দিয়ে য'ত সামগ্ৰী পোৱা বুলি স্বীকাৰ কৰা হয়। এইবিলাকো বেংকৰ ঋণ লওঁতে প্ৰতিভু হিচাপে ব্যৱহৃত হ'ব পাৰে।

গ) **আদায় দিয়াৰ নিৰ্দেশ** (Delivery order) ঃ ই হৈছে এবিধ নথি য'ত সামগ্ৰীৰ স্বত্বাধিকাৰীয়ে সামগ্ৰীৰ ধাৰক বা ৰখোটাক এটা নিৰ্দেশনা দিয়ে যে নথিত নাম থকা লোকজনক সামগ্ৰী আদায় দিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ সামগ্ৰীৰ স্বত্বৰ নথি মানে কি?

.....

.....

১৫.৮ ষ্টক এক্সেঞ্জ প্ৰতিভূ

চৰকাৰে ৰাজহুৱা, ব্যক্তিগত বা যৌথ ষ্টক কোম্পানীবিলাকৰ ওপৰত জাৰি কৰা অংশ (shares), দলিল (bonds), কৰ্জাখট (debentures)ৰ দৰে সকলো প্ৰতিভূ ঋণৰ বাবে প্ৰতিভূ হিচাপে ব্যৱহৃত হ'ব পাৰে। ষ্টক এক্সচেঞ্জৰ আধাৰত উল্লিখিত সকলো প্ৰতিভূক ষ্টক এক্সেঞ্জ প্ৰতিভূ বোলা হয়।

ষ্টক এক্সচেঞ্জ প্ৰতিভূৰ সুবিধা

ঋণৰ বাবে প্ৰতিভূ হিচাপে ষ্টক আৰু শ্বেয়াৰ ব্যৱহাৰৰ প্ৰধান সুবিধাবিলাক হৈছে ঃ

১। এইবিলাক সহজে বিক্ৰীযোগ্য।

২। এইবিলাকৰ মূল্য খুব সহজে নিৰূপণ কৰিব পাৰি।

৩। এইবিলাক বিক্ৰী কৰি সহজে ঋণ পৰিশোধ কৰিব পাৰি।

৪। এইবিলাক বুজাবুজি কৰিব পাৰি।

৫। এই প্ৰতিভূ বিলাকৰ স্থানান্তৰ কৰা খুবেই সহজ।

৬। প্ৰতিভূ মোকলাই দিয়াৰ ব্যয় অন্য প্ৰতিভূৰ তুলনাত কম।

৭। প্ৰতিভূৰ ওপৰত থকা সুতে ঋণৰ বোজা হ্ৰাস কৰে।

৮। এইবিলাক আন বেংকৰ সৈতে সহজে সংকল্পবদ্ধ কৰিব পাৰি।

৯। এইবিলাক অধিক নিৰ্ভৰযোগ্য।

ষ্টক এক্সেঞ্জ প্ৰতিভূৰ অসুবিধা

এই প্ৰতিভূবিলাকৰ বিপৰীতে আগধন দিয়াৰ ক্ষেত্ৰত কিছুমান অসুবিধাও নথকা নহয়। এইবিলাক তলত দিয়া হ'ল ঃ

১। প্ৰতিভূবিলাকৰ মূল্য বজাৰত উঠা-নমা হৈ থকাৰ ফলত বেংকে সমুদায় ঋণ পুনৰুদ্ধাৰ কৰিব নোৱাৰিবও পাৰে।

২। গ্ৰাহকৰ ভুৱা স্বাক্ষৰৰ ক্ষেত্ৰত বেংকে হানিৰ সন্মুখীন হ'ব লাগে।

৩। যদিহে আশাবিলাক আংশিকভাৱে পৰিশোধ কৰা হয় আৰু বেংক সিবিলাকৰ স্বত্বাধিকাৰ হিচাপে পঞ্জীভুক্ত, তেতিয়া পৰিশোধ নকৰা ধনখিনিৰ বাবে বেংকক পৰিশোধ কৰিবলৈ ক'ব পাৰে।

৪। যদি ভুৱা 'শ্বেয়াৰ স্ক্ৰিপ্ট'ৰ ওপৰত ঋণ আগতীয়াক দিয়া হয়, তেতিয়া ইয়াৰ পৰিশোধ জটিল হ'ব।

৫। যদি প্ৰতিভূবিলাক বুজাবুজি কৰিব পৰাবিধৰ নহয় তেন্তে পুনৰ পৰিশোধৰ সমস্যাৰ উদ্ভৱ হ'ব পাৰে।

আগতীয়া সাৱধানতা ঃ

প্ৰতিভূৰ বিপৰীতে ঋণ দিওঁতে বেংকাৰে আগতীয়া সাৱধানতাবিলাক অৱলম্বন কৰিব লাগে ঃ

১। প্ৰতিভূৰ তন্ন তন্ন পৰীক্ষা

কোম্পানী, বেলেঞ্চ শ্বীটৰ অতীতৰ স্থিতি, শ্বেয়াৰৰ ওপৰত পৰিশোধ কৰা লভ্যাংশ আৰু কোম্পানীৰ শ্বেয়াৰৰ বিপণযোগ্যতা আদি তন্নতন্নকৈ পৰীক্ষা কৰাৰ পিছতহে বেংকাৰে প্ৰতিভূবিলাক বাছনি কৰিব লাগে।

২। **সঠিক অংশ ৰখা**

প্ৰতিভূৰ বিপৰীতে ঋণ দিওঁতে শ্বেয়াৰৰ দামৰ উঠা-নমাৰ বাবে বেংকাৰে যথোপযুক্ত অংশ ৰাখিব লাগে।

৩। **মালিকীস্বত্বৰ পৰীক্ষা**

প্ৰতিভূ হিচাপে প্ৰদান কৰা প্ৰতিভূবিলাকৰ ক্ষেত্ৰত বেংকাৰে গ্ৰাহকৰ মালিকীস্বত্বৰ অধিকাৰ পৰীক্ষা কৰিব লাগে। গ্ৰাহক অন্য লোকৰ বাবে ন্যাসৰক্ষী নহ'বও পাৰে।

৪। **পঞ্জীয়ন পৰীক্ষা**

বুজাবুজি কৰিব নোৱৰা শ্বেয়াৰৰ ক্ষেত্ৰত বেংকাৰে কোম্পানীৰ স্থিতি নিশ্চিতভাৱে পৰীক্ষা কৰি চাব লাগে যে ঋণ বিচাৰোতা শ্বেয়াৰৰ পঞ্জীভুক্ত ধাৰক বা গৰাকী হয় নে নহয়।

৫। **আইনগত দায়িত্ব আহৰণ**

শ্বেয়াৰৰ অংশকালীন বন্ধকীৰ ক্ষেত্ৰত প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বেংকাৰে এই শ্বেয়াৰবিলাকৰ আইনগত দায়িত্ব আহৰণ কৰিব লাগে।

৬। **বেংকৰ ক্ষেত্ৰত বাধা নিষেধ**

আইনগত বন্ধকী শ্বেয়াৰৰ ক্ষেত্ৰত বেংকৰ সৈতে পঞ্জীভুক্ত হ'ব লাগে আৰু বেংকক শ্বেয়াৰৰ গৰাকী হিচাপে ঘোষণা কৰিব লাগে।

১৫.৯ জীৱন বীমা পলিচীৰ বিপৰীতে ঋণ

বহুতো বীমা কোম্পানীয়ে জীৱন বীমা পলিচী প্ৰদান কৰে যাৰ বিপৰীতে ঋণ লোৱাৰ সুবিধা থাকে। মাজভাগত সন্মুখীন হোৱা সংকটৰ মোকাবিলা কৰিবলৈ এই পলিচীবিলাকে সহায় কৰিব পাৰে। এনে একোটা জীৱন বীমা পলিচীয়ে কেৱল উল্লিখিত বিষয়বিলাককে সামৰি নলয়, বৰং একোটা ঋণৰ ৰূপত ধনো সামৰি লয়। একোটা পলিচীৰ বিপৰীতে লোৱা ঋণ ব্যক্তিগত বা গৃহ ঋণতকৈ কম সুতৰ হাৰৰ হয়।

জীৱন বীমা পলিচীৰ বিপৰীতে ঋণ লোৱাৰ পূৰ্বে তলত উল্লেখ কৰা কাৰকবিলাক পৰীক্ষা কৰি চাব লাগে ঃ

ক) পলিচীৰ প্ৰকাৰ ঃ এই কথা মন কৰিবলগীয়া যে সকলো পলিচীৰ বিপৰীতে ঋণ লোৱাৰ সুবিধা থাকে। কমেও তিনি বছৰৰ বাবে পৰিশোধ কৰা জীৱন বীমা পলিচী যে— ইউনিট লিংকড ইন্স্যুৰেঞ্চ প্লেন, এণ্ড'মেণ্ট প্লেন, একোটা ঋণৰ বাবে উপযুক্ত। সময়ভিত্তিক বীমা আঁচনিবিলাক (Term insurance policies) ঋণৰ বাবে উপযুক্ত নহয়, যিহেতু সিবিলাকৰ একোটা সমৰ্পণ মূল্য (surrender value) নাথাকে।

খ) চি আই বি আই এল স্ক'ৰ ঃ ঋণ প্ৰদান কৰিবৰ বাবে বেংকসমূহে একোজন লোকৰ চি আই বি আই এল নম্বৰ পৰীক্ষা কৰে। নিম্ন চি আই বি আই এল নম্বৰ থাকিলে ঋণ লওঁতাৰ বাবে সুবিধাজনক।

গ) ঋণৰ সুতৰ হাৰ ঃ একোটা অসুৰক্ষিত ব্যক্তিগত ঋণৰ ক্ষেত্ৰত বীমাৰ বিপৰীতে ঋণ

দিয়াটো সুবিধাজনক। বীমাৰ বিপৰীতে দিয়া ঋণৰ সুতৰ হাৰ প্ৰধানকৈ ১০-১২ শতাংশতকৈ কম হয়।

ঘ) নথি-পত্ৰ ঃ যিহেতু ঋণ লওঁতাজন ইতিমধ্যেই এজন গ্ৰাহক, কম নথি-পত্ৰৰ প্ৰয়োজন হয় আৰু তাৎক্ষণিকভাৱে ঋণৰ ধনৰাশি প্ৰদান কৰা হয়।

ঙ) ঋণৰ পৰিমাণ ঃ বীমা পলিচীৰ ওপৰত ঋণৰ পৰিমাণ নিৰ্ভৰ কৰে, পৰিশোধ কৰা প্ৰিমিয়ামৰ বছৰৰ সংখ্যা আৰু পলিচীৰ বাকী থকা সময় অনুসৰি ঋণৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয়।

চ) কৰ মুনাফা ঃ বীমাৰ বিপৰীতে ঋণৰ ওপৰত সুত, যদিহে নিৰ্মাণ, পুনৰ-নিৰ্মাণ বা একোটা সম্পত্তিৰ মেৰামতিত ঋণ ব্যয় কৰা হয়, তেতিয়া গৃহ সম্পত্তিৰ পৰা আহৰণ কৰা প্ৰধান উপাৰ্জনৰ পৰা কৰ্তন কৰা হয়।

ছ) পুনৰ পৰিশোধৰ বিকল্প ঃ যদি পলিচী লওঁতাই ঋণৰ ধনৰাশি ওভতাই দিয়াত ব্যৰ্থ হয়, তেতিয়া জীৱন বীমা পলিচী বিকল হৈ যাব। পলিচী হ'ল্ডাৰৰ মৃত্যু হ'লে, নিৰ্ধাৰিত ধনৰাশি আৰু সুতৰ হাৰ পৰিশোধ কৰিবলগীয়া মৃত্যুৰ মুনাফা (death benefit)ৰ পৰা কৰ্তন কৰা হ'ব। যদিহে সমৰ্পণ মূল্য (surrender value)ৰ সৈতে বাকী থকা প্ৰিমিয়াম আৰু সুতৰ পৰিমাণ সমান হয় তেতিয়া সাধাৰণতে পলিচী বন্ধ কৰা হয়। পুনৰ পৰিশোধ বা ওভতাই দিয়া প্ৰক্ৰিয়া একোটা সাধাৰণ ঋণৰ সৈতে একেই, য'ত সুতৰ ধনৰাশি মাহেকীয়া কিস্তি বা ই এম আই হিচাপত লোৱা হয়।

জ) দায়িত্ব অৰ্পণৰ নথি ঃ দায়িত্ব অৰ্পণৰ নথি বা Deed of Assignment অনুসৰি, জীৱন বীমা পলিচী ঋণৰ বিপৰীতে দন দিওঁতা প্ৰতিষ্ঠান/ বীমা কোম্পানীৰ হকে দায়িত্ব অৰ্পণ কৰা হ'ব লাগিব। এখন নিৰ্ধাৰিত প্ৰপত্ৰত পলিচীহ'ল্ডাৰে Deed of Assignment কাৰ্যকৰী কৰিব লাগে।

১৫.১০ স্থিৰ জমাৰ বিপৰীতে ঋণ

নগদ ধনৰ অভাৱ হ'লে বা জৰুৰী অৱস্থাত, মানুহে বিভিন্ন উৎসৰ পৰা ধন ধাৰে ল'ব বিচাৰে। এনে এটা উৎস হৈছে স্থিৰ জমাৰ বিপৰীতে বেংকৰ পৰা ঋণ লোৱা। ই হৈছে হ্ৰস্বকালীন ঋণ লাভৰ এটা সময়সাপেক্ষ উপায়। স্থিৰ জমা (FD) সম্পূৰ্ণ নোহোৱাকৈ আগতীয়াকৈ ভাঙি দিয়াৰ সলনি, জমাকাৰীয়ে বেংকৰ পৰা সহজে ঋণ পাবৰ বাবে আবেদন কৰিব পাৰে। এফ ডিৰ বিপৰীতে ঋণ পাবৰ বাবে বেংকসমূহে এফ ডিক আনুষংগিক বা প্ৰতিভূ হিচাপে ৰাখে।

বেংকে এফ ডি ধনৰাশিৰ এটা অংশ ঋণ হিচাপে প্ৰদান কৰে। ই মুঠ এফ ডি মূল্যৰ ৭০ৰ পৰা ৯৫ শতাংশৰ মাজত হ'ব পাৰে। উদাহৰণ স্বৰূপে, এছ বি আয়ে এই পৰিমাণ এফ ডি মূল্যৰ ৯০ শতাংশত সীমা নিৰ্ধাৰণ কৰিছে। সেয়ে যদি এজন লোকে এছ বি আইত ২০ লাখ টকা এফ ডি হিচাপে বিনিয়োগ কৰিছে আৰু এটা ঋণ বিচাৰে, তেতিয়া ঋণৰ পৰিমাণ হ'ব ১৮ লাখ টকা।

এফ ডিৰ বিপৰীতে লোৱা ঋণৰ সুতৰ হাৰ অন্য পৰম্পৰাগত ঋণৰ তুলনাত কম কিন্তু এফ ডিৰ ওপৰত থকা সুতৰ হাৰতকৈ বেছি। সাধাৰণতে এফ ডিৰ বিপৰীতে লোৱা ঋণৰ সুতৰ হাৰ এফ ডিৰ সুতৰ হাৰতকৈ একৰ পৰা তিনি শতাংশ বেছি হয়।

কেৱল এটা চৰ্তত বেংকসমূহে স্থিতিস্থাপক পুনৰ পৰিশোধ আঁচনি (flexible repayment plans) প্ৰদান কৰে যে ঋণৰ সময়সীমা এফ ডিৰ সময়সীমাতকৈ অধিক হ'ব নোৱাৰে। ঋণ লওঁতাই ঋণ এটা মুঠ-মাঠ হিচাপত বা কিস্তি হিচাপত ওভতাই দিব পাৰে।

১৫.১১ স্বত্ব অৰ্পণ আৰু ইয়াৰ প্ৰকাৰ

স্বত্ব অৰ্পণ (Assignment) মানে হৈছে এজন লোকে আন এজনক বৰ্তমানৰ বা ভৱিষ্যতৰ অধিকাৰ, সম্পত্তি বা ঋণ হস্তান্তৰ কৰা। যিজন লোকে সম্পত্তিৰ স্বত্ব অৰ্পণ কৰে তেওঁক কোৱা হয় স্বত্ব দিওঁতা (assignor) আৰু যাক এই স্বত্ব হস্তান্তৰ কৰা হয় তেওঁক কোৱা হয় স্বত্ব লওঁতা (assignee)। সাধাৰণতে স্বত্ব অৰ্পণ কাৰ্য পদক্ষেপ গ্ৰহণ কৰিব পৰা দাবীবিলাকৰ ক্ষেত্ৰতহে সম্পন্ন কৰা হয় যেনে নথিযুক্ত ঋণ, বীমা দাবী ইত্যাদি।

বেংক সেৱাৰ ব্যৱসায়ত, এজন ঋণ লওঁতাই বেংকাৰক স্বত্ব অৰ্পণ কৰিব পাৰে ঃ

১) নথিযুক্ত ঋণ,

২) চৰকাৰী বিভাগৰ পৰা পাবলগীয়া ধন

৩) বীমা পলিচি

স্বত্ব অৰ্পণৰ প্ৰকাৰ

স্বত্ব অৰ্পণ দুই প্ৰকাৰৰ হ'ব পাৰে ঃ

ক) আইনগত স্বত্বাৰ্পণ ঃ একোটা আইনগত স্বত্বাৰ্পণ হৈছে পদক্ষেপ গ্ৰহণ কৰিব পৰা দাবী (actionable claim) ৰ সম্পূৰ্ণ হস্তান্তৰ। ই স্বত্ব দিওঁতাৰ দ্বাৰা স্বাক্ষৰিত, লিখিত ৰূপত থাকিব লাগিব। স্বত্ব দিওঁতাই তেওঁৰ ঋণ দিওঁতা (debtor)ক লিখিত ৰূপত স্বত্ত্ব লওঁতাৰ নাম আৰু ঠিকনা জনাব লাগিব। স্বত্ব লওঁতায়ো ঋণ দিওঁতাক এখন জাননী প্ৰদান কৰে আৰু দিবলৈ বাকী থকা ধনৰাশিৰ এটা নিশ্চয়তা বিচাৰে।

খ) ন্যায্য স্বত্বাৰ্পণ ঃ একোটা ন্যায্য স্বত্বাৰ্পণ হৈছে এনে স্বত্বাৰ্পণ, যি আইনগত স্বত্বাৰ্পনৰ উল্লিখিত আৱশ্যকতাবিলাক পূৰণ নকৰে।

১৫.১২ আনুষাংগিক প্ৰতিভূ নোহোৱা ঋণ বা অসুৰক্ষিত ঋণ

একোটা অসুৰক্ষিত ঋণ (unsecured loan) বা আনুষংগিক প্ৰতিভূ নোহোৱা ঋণ (loan without collateral security) হৈছে একোটা ঋণ যিটো যিকোনো ধৰণৰ আনুষংগিকতাৰ সলনি ঋণ লওঁতাৰ ধনৰ সক্ষমতাৰ দ্বাৰা সমৰ্থিত। অসুৰক্ষিত ঋণক কেতিয়াবা স্বাক্ষৰ ঋণ (signature loans) বা ব্যক্তিগত ঋণ (personal loans) বোলা হয়— যিবিলাক সম্পত্তি বা অন্য অনুষাংগিকতা ব্যৱহাৰ নকৰাকৈ মোকলাই দিয়া হয়। অনুমোদন আৰু গ্ৰহণকে

ধৰি, এনে ঋণৰ চৰ্তাৱলী সেয়ে সঘনে লওঁতাৰ আৰ্থিক সক্ষমতা বা আৰ্থিক স্থিতিৰ ওপৰত নিৰ্ভৰশীল। এনে ক্ষেত্ৰত, নিৰ্দিষ্ট অসুৰক্ষিত ঋণৰ বাবে অনুমোদনৰ হেতু লওঁতাৰ সক্ষমতাৰ এটা সাংখ্যিক উপস্থাপন আৰু ই গ্ৰাহকৰ আৰ্থিক ইতিহাসৰ ভিত্তিত আৰ্থিক সক্ষমতা প্ৰতিফলিত কৰে।

- একোটা অসুৰক্ষিত ঋণ হৈছে এনে ঋণ, যি লওঁতাৰ আৰ্থিক সক্ষমতাৰ দ্বাৰাহে কেৱল সমৰ্থিত, কোনো ধৰণৰ আনুষাংগিকতাৰ দ্বাৰা নহয়।
- যিহেতু এইবিলাকত আনুষংগিক হিচাপে সম্পত্তি ব্যৱহৃত নহয়, সেয়ে অসুৰক্ষিত ঋণবিলাকৰ কেতিয়াবা ব্যক্তিগত বা স্বাক্ষৰ ঋণ বুলিও কোৱা হয়।
- অসুৰক্ষিত ঋণ বিলাক দিওঁতাৰ বাবে সুৰক্ষিত ঋণতকৈ অধিক আশংকাপূৰ্ণ, যাৰ ফলত এইবিলাকৰ সুতৰ হাৰ বেছি আৰু উচ্চ আৰ্থিক সক্ষমতাৰ প্ৰয়োজন।


অসুৰক্ষিত ঋণৰ প্ৰকাৰ

অসুৰক্ষিত ঋণৰ ভিতৰত আছে ক্ৰেডিট কাৰ্ড, ছাত্ৰ-ছাত্ৰীৰ ঋণ, আৰু ব্যক্তিগত ঋণ— এই সকলো ঋণ ঘূৰ্ণীয়মান বা সময়ভিত্তিক ঋণ হ'ব পাৰে।

- একোটা ঘূৰ্ণীয়মান ঋণ (revolving loan) হৈছে এনে ঋণ, যাৰ এটা নিৰিখৰ সীমা থাকে যিটো ব্যয় কৰিব পাৰি, পুনৰ পৰিশোধ কৰিব পাৰি আৰু আকৌ ব্যয় কৰিব পাৰি। ঘূৰ্ণীয়মান অসুৰক্ষিত ঋণৰ উদাহৰণৰ ভিতৰত আছে ক্ৰেডিট কাৰ্ড আৰু ক্ৰেডিটৰ ব্যক্তিগত ঋণ।
- একোটা সময়ভিত্তিক ঋণ (term loan) হৈছে এনে ঋণ, ইয়াৰ সময়সীমাৰ শেষত সমুদায় ঋণ পৰিশোধ নকৰা পৰ্যন্ত লওঁতাই সমান কিস্তিত ওভতাই পৰিশোধ কৰি থাকে। যদি কেতিয়াবা এনে ধৰণৰ ঋণ সুৰক্ষিত ঋণৰ দ্বাৰা স্বীকৃত হয়, তেতিয়াও অসুৰক্ষিত সময়ভিত্তিক ঋণ থাকিব।
- একোটা একত্ৰিকৃত ঋণ (consolidation loan), যাৰ বাবে ক্ৰেডিট কাৰ্ডত পৰিশোধ কৰা হয় বা একোটা বেংকৰ পৰা লোৱা স্বাক্ষৰ ঋণক অসুৰক্ষিত সময়ভিত্তিক ঋণ হিচাপে বিবেচনা কৰা হয়।

একোটা অসুৰক্ষিত ঋণৰ বাবে বিশেষ বিবেচনা

যদি এজন ঋণ লওঁতাই একোটা সুৰক্ষিত ঋণ ওভতাই দিয়াত ব্যৰ্থ হয়, তেতিয়া ঋণ দিওঁতাই ক্ষতি পুনৰুদ্ধাৰ কৰিবৰ বাবে আনুষংগিকতাক কামত লগাব পাৰে। ইয়াৰ বিপৰীতে যদিহে এজন লওঁতাই অসুৰক্ষিত ঋনি ওভতাই দিব নোৱাৰে, তেতিয়া দিওঁতাই কোনো সম্পত্তি দাবী কৰিব নোৱাৰে। অৱশ্যে, ঋণ দিওঁতাই অন্য পদক্ষেপ গ্ৰহণ কৰিব পাৰে, যেনে ঋণি সংগ্ৰহ কৰিবৰ বাবে কোনো সংস্থাক কমিচনৰ ভিত্তিত কামত লগাব পাৰে বা লওঁতাজনক আদালতৰ দ্বাৰস্থ কৰাব পাৰে। যদি আদালতে ঋণ দিওঁতাৰ হকে ৰায় দিয়ে, তেতিয়া ঋণ লওঁতাৰ মজুৰি কৰ্তন কৰিব পাৰে। লগতে ঋণ লওঁতাৰ ঘৰত এটা স্বত্ব () ও সংস্থাপিত কৰিব পাৰে বা অন্য ধৰণে ঋণ লওঁতাক ঋণ ওভতাই দিবলৈ নিৰ্দেশ দিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ অসুৰক্ষিত ঋণৰ বিভিন্ন প্ৰকাৰবিলাক কি কি ?

.....

.....



১৫.১৩ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যয়ন কৰি আমি তলত দিয়াবিলাকৰ বিষয়ে জানিব পাৰিলো ঃ

- ঋণ বা আগতীয়া ধন মঞ্জুৰ কৰোতে বেংকসমূহে লওঁতাসকলৰ (borrowers) সম্পত্তিৰ পৰা আনুষংগিক প্ৰতিভূ হিচাপে কিছু অংশ দাবী কৰে। প্ৰতিভূ বা ইংৰাজীত security শব্দটোৰ অৰ্থ হৈছে যিকোনো ধৰণৰ নিৰাপত্তা বা নিশ্চয়তা, যিটো মৌখিক হ'ব পাৰে, ব্যক্তি অথবা যিকোনো সম্পত্তিৰ ৰূপত থাকিব পাৰে। বেলেগ বেলেগ প্ৰতিভূৰ জৰিয়তে নিজৰ ঋণ (loan) অথবা আগতীয়া ধন (advances)ৰ প্ৰতিভূ প্ৰদান কৰাটো একোজন ঋণী বা ধন লওঁতা (creditor)ৰ বাবে অত্যন্ত আৱশ্যকীয়।
- চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১৭২ত জামিন বা প্ৰতিশ্ৰুতি (pledge)ৰ সংজ্ঞা এনেদৰে দিছে—'একোটা ঋণ পৰিশোধ কৰিবৰ বাবে অথবা একোটা প্ৰতিশ্ৰুতি সম্পন্ন কৰিবৰ বাবে প্ৰতিভূ হিচাপে সামগ্ৰীৰ জামিন।' কেৱল অস্থাৱৰ (movable) সামগ্ৰীহে বন্ধকত দিব পাৰি।
- বন্ধক দিয়া কাৰ্যত অস্থাৱৰ সম্পত্তিৰ ওপৰত তদাৰকীৰ স্বত্ব (possession) নোহোৱাকৈ ন্যায্য মাছুল বা মূল্যমানৰ সৃষ্টি হয়। ঋণ নিশ্চিত কৰিবৰ বাবে অস্থাৱৰ সম্পত্তি জামিনত ৰখা কাৰ্যকে বন্ধক দিয়া বা hypothecation বোলা হয়। আন কথাত ক'বলৈ ক'লে, বন্ধক দিয়া কাৰ্যত, বিভিন্ন অস্থাৱৰ সম্পত্তি যেনেঃ সামগ্ৰী, কেঁচা মাল, অগ্ৰগতি হৈ থকা সামগ্ৰী, যান-বাহন আদিৰ ওপৰত একোটা মাছুল (charge) সৃষ্টি কৰা হয়
- সম্পত্তিৰ হস্তান্তৰ আইন ১৮৮২ৰ অনুচ্ছেদ ৫৮ত স্থাৱৰ সম্পত্তিৰ সংজ্ঞা দিছে—'একোটা স্থাৱৰ সম্পত্তিৰ বন্ধকী (mortgage) হৈছে আগতীয়াকৈ ধন পোৱাটো নিশ্চিত কৰিবৰ বাবে অথবা ঋণৰ ধন আগতীয়াকৈ পাবৰ বাবে, একোটা প্ৰচলিত অথবা ভৱিষ্যতৰ ঋণৰ বাবে অথবা আৰ্থিক দায়বদ্ধতা বৃদ্ধি কৰিব পৰা একোটা কামত জড়িত হৈ পৰা বাবে কৰিবলগীয়া কামৰ নিশ্চয়তাৰ হেতু নিৰ্দিষ্ট স্থাৱৰ সম্পত্তিৰ একোটা স্বাৰ্থৰ হস্তান্তৰ।'

- সামগ্ৰীৰ বিপৰীতে আগধন দিয়াটো হৈছে সাধাৰণতে বেংকসমূহে প্ৰদান কৰা এটা ঋণৰ সুবিধা, য'ত বেংকসমূহে বিভিন্ন সামগ্ৰীৰ প্ৰতিভূৰ বিপৰীতে ঋণ অথবা আগধন মঞ্জুৰ কৰে, এনে সামগ্ৰীৰ ভিতৰত আছে— কেঁচা মাল, অৰ্ধ-সম্পূৰ্ণ অথবা সম্পূৰ্ণ সামগ্ৰী, জমা থকা সামগ্ৰী বা অন্য ব্যৱসায়িক সামগ্ৰী।
- সামগ্ৰীৰ স্বত্বৰ নথি ব্যৱসায়ৰ সাধাৰণ পৰিক্ৰমাত সামগ্ৰীৰ দায়িত্ব বা নিয়ন্ত্ৰণৰ প্ৰমাণ হিচাপে ব্যৱহৃত হয়। অনুমোদনৰ স্বাক্ষৰ বা আদায় দিয়াৰ জৰিয়তে ইয়াৰ স্বত্বাধিকাৰে নথি প্ৰদান কৰে।
- চৰকাৰে ৰাজহুৱা, ব্যক্তিগত বা যৌথ ষ্টক কোম্পানীবিলাকৰ ওপৰত জাৰি কৰা অংশ (shares), দলিল (bonds), কৰ্জাখট (debentures)ৰ দৰে সকলো প্ৰতিভূ ঋণৰ বাবে প্ৰতিভূ হিচাপে ব্যৱহৃত হ'ব পাৰে। ষ্টক এক্সচেঞ্জৰ আধাৰত উল্লিখিত সকলো প্ৰতিভূক ষ্টক এক্সেঞ্জ প্ৰতিভূ বোলা হয়।
- বহুতো বীমা কোম্পানীয়ে জীৱন বীমা পলিচী প্ৰদান কৰে যাৰ বিপৰীতে ঋণ লোৱাৰ সুবিধা থাকে। মাজভাগত সন্মুখীন হোৱা সংকটৰ মোকাবিলা কৰিবলৈ এই পলিচীবিলাকে সহায় কৰিব পাৰে। এনে একোটা জীৱন বীমা পলিচীয়ে কেৱল উল্লিখিত বিষয়বিলাককে সামৰি নলয়, বৰং একোটা ঋণৰ ৰূপত ধনো সামৰি লয়। একোটা পলিচীৰ বিপৰীতে লোৱা ঋণ ব্যক্তিগত বা গৃহ ঋণতকৈ কম সুতৰ হাৰৰ হয়।
- নগদ ধনৰ অভাৱ হ'লে বা জৰুৰী অৱস্থাত, মানুহে বিভিন্ন উৎসৰ পৰা ধন ধাৰে ল'ব বিচাৰে। এনে এটা উৎস হৈছে স্থিৰ জমাৰ বিপৰীতে বেংকৰ পৰা ঋণ লোৱা। ই হৈছে হ্ৰস্বকালীন ঋণ লাভৰ এটা সময়সাপেক্ষ উপায়। স্থিৰ জমা (FD) সম্পূৰ্ণ নোহোৱাকৈ আগতীয়াকৈ ভাঙি দিয়াৰ সলনি, জমাকাৰীয়ে বেংকৰ পৰা সহজে ঋণ পাবৰ বাবে আবেদন কৰিব পাৰে। এফ ডিৰ বিপৰীতে ঋণ পাবৰ বাবে বেংকসমূহে এফ ডিক আনুষংগিক বা প্ৰতিভূ হিচাপে ৰাখে।
- স্বত্ব অৰ্পণ (Assignment) মানে হৈছে এজন লোকে আন এজনক বৰ্তমানৰ বা ভৱিষ্যতৰ অধিকাৰ, সম্পত্তি বা ঋণ হস্তান্তৰ কৰা। যিজন লোকে সম্পত্তিৰ স্বত্ব অৰ্পণ কৰে তেওঁক কোৱা হয় স্বত্ব দিওঁতা (assignor) আৰু যাক এই স্বত্ব হস্তান্তৰ কৰা হয় তেওঁক কোৱা হয় স্বত্ব লওঁতা (assignee)। সাধাৰণতে স্বত্ব অৰ্পণ কাৰ্য পদক্ষেপ গ্ৰহণ কৰিব পৰা দাবীবিলাকৰ ক্ষেত্ৰতহে সম্পন্ন কৰা হয় যেনে নথিযুক্ত ঋণ, বীমা দাবী ইত্যাদি।
- একোটা অসুৰক্ষিত ঋণ (unsecured loan) বা আনুষংগিক প্ৰতিভূ নোহোৱা ঋণ (loan without collateral security) হৈছে একোটা ঋণ যিটো যিকোনো ধৰণৰ আনুষংগিকতাৰ সলনি ঋণ লওঁতাৰ ধনৰ সক্ষমতাৰ দ্বাৰা সমৰ্থিত। অসুৰক্ষিত ঋণক কেতিয়াবা স্বাক্ষৰ ঋণ (signature loans) বা ব্যক্তিগত ঋণ (personal loans) বোলা হয়— যিবিলাক সম্পত্তি বা অন্য অনুষাংগিকতা ব্যৱহাৰ নকৰাকৈ মোকলাই

দিয়া হয়। অনুমোদন আৰু গ্ৰহণকে ধৰি, এনে ঋণৰ চৰ্তাৱলী সেয়ে সঘনে লওঁতাৰ আৰ্থিক সক্ষমতা বা আৰ্থিক স্থিতিৰ ওপৰত নিৰ্ভৰশীল। এনে ক্ষেত্ৰত, নিৰ্দিষ্ট অসুৰক্ষিত ঋণৰ বাবে অনুমোদনৰ হেতু লওঁতাৰ সক্ষমতাৰ এটা সাংখ্যিক উপস্থাপন আৰু ই গ্ৰাহকৰ আৰ্থিক ইতিহাসৰ ভিত্তিত আৰ্থিক সক্ষমতা প্ৰতিফলিত কৰে।



১২.১৪ অধিক জানিবৰ বাবে

1. Banking Theory, Law and Practice by E.Gordon & K.Natarajan
2. Banking Theory, Law and Practice by Dr.SGurusamy



১৫.১৫ অগ্ৰগতি নিৰীক্ষণ

উত্তৰ ১ ঃ চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১৭২ত জামিন বা প্ৰতিশ্ৰুতি (pledge)ৰ সংজ্ঞা এনেদৰে দিছে—'একোটা ঋণ পৰিশোধ কৰিবৰ বাবে অথবা একোটা প্ৰতিশ্ৰুতি সম্পন্ন কৰিবৰ বাবে প্ৰতিভূ হিচাপে সামগ্ৰীৰ জামিন।'

উত্তৰ ২ ঃ বন্ধক দিয়া কাৰ্য হৈছে এক নিৰ্দিষ্ট পৰিমাণৰ ঋণৰ বাবে সম্পত্তিৰ বিপৰীতে ধাৰ্য কৰা মাছুল, য'ত ঋণদাতালৈ মালিকীস্বত্ব অথবা তদাৰকীৰ স্বত্ব হস্তান্তৰ কৰা নহয়। ইয়াত ঋণ দিওঁতাই নিজৰ অধিকাৰৰ ভিতৰত সামগ্ৰীৰ স্বত্বাধিকাৰ হিচাপে তদাৰকীৰ দায়িত্ব লাভ নকৰে কিন্তু বেংকৰ এজন প্ৰতিনিধি হিচাপে সেইখিনি লাভ কৰে। অস্থাৱৰ সম্পত্তিৰ ওপৰত তদাৰকীৰ স্বত্ব নোহোৱাকৈ কেৱল ন্যায্য মাছুলৰ অধিকাৰ লাভ কৰা বন্ধক দিয়া কাৰ্য পৰিস্কাৰ আগধন হিচাপে আশংকাপূৰ্ণ। সেয়ে কেৱল সেইসকলকহে ইয়াক মঞ্জুৰ কৰা হয়, যিসকল অধিক বিশ্বস্ত আৰু সম্পদশালী।

উত্তৰ ৩ ঃ সম্পত্তিৰ হস্তান্তৰ আইন ১৮৮২ৰ অনুচ্ছেদ ৫৮ত স্থাৱৰ সম্পত্তিৰ সংজ্ঞা দিছে—'একোটা স্থাৱৰ সম্পত্তিৰ বন্ধকী (mortgage) হৈছে আগতীয়াকৈ ধন পোৱাটো নিশ্চিত কৰিবৰ বাবে অথবা ঋণৰ ধন আগতীয়াকৈ পাবৰ বাবে, একোটা প্ৰচলিত অথবা ভৱিষ্যতৰ ঋণৰ বাবে অথবা আৰ্থিক দায়বদ্ধতা বৃদ্ধি কৰিব পৰা একোটা কামত জড়িত হৈ পৰা বাবে কৰিবলগীয়া কামৰ নিশ্চয়তাৰ হেতু নিৰ্দিষ্ট স্থাৱৰ সম্পত্তিৰ একোটা স্বাৰ্থৰ হস্তান্তৰ।'

উত্তৰ ৪ ঃ সামগ্ৰীৰ বিপৰীতে আগধন দিয়াটো হৈছে সাধাৰণতে বেংকসমূহে প্ৰদান কৰা এটা ঋণৰ সুবিধা, য'ত বেংকসমূহে বিভিন্ন সামগ্ৰীৰ প্ৰতিভূৰ বিপৰীতে ঋণ অথবা আগধন মঞ্জুৰ কৰে, এনে সামগ্ৰীৰ ভিতৰত আছে— কেঁচা মাল, অৰ্ধ-সম্পূৰ্ণ অথবা সম্পূৰ্ণ সামগ্ৰী, জমা থকা সামগ্ৰী বা অন্য ব্যৱসায়িক সামগ্ৰী। এনে সামগ্ৰীয়ে কাম কৰাৰ মূলধনৰ

এটা আংশিক পুঁজিৰ সৃষ্টি কৰে যি ঔদ্যোগিক অথবা বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰযোগ্য আৰু সিবিলাকৰ বিক্রীৰ পর্যায়লৈকে ঋণ লওঁতাৰ ঋণৰ আৱশ্যকতা পূৰণ কৰিবলৈ সক্ষম।

উত্তৰ ৫ ঃ সামগ্রীৰ স্বত্বৰ নথি ব্যৱসায়ৰ সাধাৰণ পৰিক্রমাত সামগ্রীৰ দায়িত্ব বা নিয়ন্ত্রণৰ প্রমাণ হিচাপে ব্যৱহৃত হয়। অনুমোদনৰ স্বাক্ষৰ বা আদায় দিয়াৰ জৰিয়তে ইয়াৰ স্বত্বাধিকাৰে নথি প্রদান কৰে।

১৫.১৬ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ সংকল্প আৰু পূর্বানুমান (pledge and hypothecation)ৰ মাজৰ পার্থক্য উল্লেখ কৰক।

প্রশ্ন ২ঃ স্থাৱৰ সম্পত্তি বন্ধকী (mortgage) কি? স্থাৱৰ বন্ধকীৰ বিভিন্ন প্রকাৰবিলাক কি কি?

প্রশ্ন ৩ঃ আগধনৰ বাবে প্রতিভূ হিচাপে স্বত্বার্পণ কি? স্বত্বার্পণৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰক।



প্রশ্ন ৪ঃ সামগ্রীৰ বিপৰীতে আগধন দিওঁতে বেংকে অনুসৰণ কৰা প্রক্রিয়াৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ঃ আগধনৰ বাবে প্রতিভূত হিচাপে ষ্টক এক্সচেঞ্জ প্রতিভূৰ ওপৰত চমু টোকা লিখক। ইয়াৰ সুবিধা আৰু অসুবিধাবিলাকৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৬ঃ জীৱন বীমা পলিচীৰ বিপৰীতে ঋণ লোৱাৰ পূর্বে বিবেচনা কৰা বিভিন্ন কাৰকবিলাক কি কি ?

****



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

ইংৰাজী গ্ৰন্থঃ

1) A.B. Srivastava and : Seth's Banking Law, Law Publisher's India (P) Limited K. Elumalai.
2) Banking Theory, Law and Practice by E. Gordon & K.Natarajan.
3) Banking Theory, Law and Practice by Dr. S Gurusamy.
4) Essentials of E-commerce Technology, - V. Rajaraman, PHI.
5) E-commerce, - Ritendra Goel, New age international publishers.
6) E-Business and E-commerce for manager's, - Harvey M. Deitel, Paul J. Deitel, Kate Steinbuhler, Pearson.
7) Indian banking by S. Natarajan & R. Parameswaran.
6) J.M. Holden : The Law and Practice of Banking, Universal Law Publishing.
8) M.L.Tannan, revised by : Banking Law and Practice, Wadhwa & Company, Nagpur C.R. Datta & S.K. Kataria.
9) Practice and Law of Banking by B.S. Khubchandani.
10) Prof. Clifford Gomez : Banking and Finance - Theory, Law and Practice, PHI Learning Private Limited.
11) R.K. Gupta : BANKING Law and Practice in 3 Vols. Modern Law Publications.
12) Sundharam & Varshney : Banking Theory, Law & Practice - Sultan Chand & Sons.

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তর্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধার্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।